কালিদাসৰ সাহিত্য

কেশদা মহন্ত

প্ৰবক্তা, জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট

State Govt.

বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড

গুৱাহাটী পাঠশালা কলিকতা

প্ৰকাশক :
শ্ৰীঅম্বিকাপদ চৌধুৰী
বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
পাণবজাৰ
গুৱাহাটী ৭৮১০০১

শাখা :
পাঠশালা ৭৮১৩২৫
বৰপেটা

১০ কৈলাস বোস ষ্ট্ৰীট
কলিকতা ৭০০০০৬

বেটুপাত :
শ্ৰীভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য
চেনিকুঠি, হিলচাইড
গুৱাহাটী-৩

বাণী প্ৰকাশ সংস্কৰণ
প্ৰথম প্ৰকাশ :
শ্ৰীপঞ্চমী
১৯১২ শক/১৯৯১ চন

বেচ :
ত্ৰিশ টকা মাথোন

ছপা :
মু দ্ৰি কা
চি-৪ উদ্যোগ গাম
বা মু ণী মৈ দা ম
গুৱাহাটী-৭৮১০২১

অৱতৰণিকা

কালিদাসৰ সাহিত্যৰ অনিৰ্বচনীয় মাধুৰ্যই যুগ যুগ ধৰি একে পৰিমাণেই সকলো দেশৰে সহৃদয়সকলৰ মন অনুৰঞ্জিত কৰি আহিছে। মানৱীয় অনুভূতিক সূক্ষ্মভাৱে আৰু অত্যন্ত কলাসুলভ ভংগীৰে কালিদাসে ফুটাই তুলিছে। সুন্দৰৰ প্ৰতি কালিদাসৰ ইমানেই পক্ষপাতিতা যে তেওঁৰ কাব্যত ক'তো কোনো অশ্লীলতা, ভয়াৱহতা বা ঘৃণনীয় বস্তুৰ বৰ্ণনা নাই। সকলো ৰচনাৰেই ভাষা বৰ সৰল, বাক্যৰ গঠন-ৰীতি সহজে বুজিব পৰা বিধৰ, ভাষাৰ জটিলতা নথকা কাৰণেই কালিদাসৰ কাব্যই পিতাতে সহৃদয়ৰ মন ৰসানুভূতিৰে আপ্লুত কৰি তুলিব পাৰে। কালিদাসৰ কল্পনাৰ জালখনি অত্যন্ত মসৃণ, তেওঁৰ ৰূপকল্পসমূহ কোমল আৰু কমনীয়। এইটো সঁচাকৈয়ে এটি আচৰিত কথা যে কালিদাসৰ একোখন কাব্য বা নাটক বহুবাৰ পঢ়িলেও আমনি নালাগে, বৰং তাৰপৰা নিত্যনতুন ৰসাস্বাদন লাভ কৰিবলৈ সমৰ্থ হোৱা যায়। সংস্কৃতত এষাৰি প্ৰবচন আছে—মেঘে মাঘে গতং বয়ঃ, অৰ্থাৎ কালিদাসৰ মেঘদূত আৰু মাঘৰ মাঘকাব্য পঢ়োঁতেই আমাৰ বয়স গ'ল। তাৎপৰ্য হ'ল—কালিদাসৰ মেঘদূতৰ দৰে একোখন কাব্য বয়স যোৱালৈকে বাৰে বাৰে পঢ়ি থাকিলেও আমনি নালাগে।

কালিদাসৰ ৰচনাৰ ইও এটা মহিমা যে কেৱল মূল কাব্য বা নাটকসমূহেই নহয়, আনকি সেই বিষয়ে হোৱা আলোচনা-সমালোচনা পঢ়িও ৰস পোৱা যায়, এই কথা শ্ৰীমতী কেশদা মহন্তই লিখা এই পুথিত সন্নিবিষ্ট প্ৰবন্ধকেইটি পঢ়িলেই আকৌ এবাৰ হৃদয়ংগম কৰিব পাৰি। প্ৰবন্ধকেইটি কলেজ বা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট কামত আহিব। আমাৰ ধাৰণাৰে পাঠকসকলেও প্ৰবন্ধকেইটি পঢ়ি ৰস পাব আৰু অধিক নিবিড়ভাৱে কালিদাসৰ কাব্যৰ ৰসাস্বাদন কৰিবলৈ সুচল পাব। প্ৰবন্ধ কেইটি পঢ়ি লেখিকাৰ গভীৰ পাণ্ডিত্য আৰু ব্যাপক অধ্যয়নৰ উপৰিও কালিদাসৰ অনুভূতিৰাজিক সহানুভূতি আৰু গভীৰ সহৃদয়তাৰে হৃদয়ংগম কৰিবপৰা ক্ষমতাৰ বিষয়ে আমাৰ প্ৰত্যয় জন্মিছে।

শ্ৰীমতী কেশদা মহন্ত ১৯৫৭ চনত যোৰহাট জগন্নাথ বৰুৱা কলেজত প্ৰথম বাৰ্ষিকত পঢ়া অৱস্থাত আমাৰ ছাত্ৰী আছিল। শিৰত সেন্দুৰ থকা সেই ছাত্ৰীগৰাকীৰ মেধা

আৰু অধ্যয়নানুৰাগে তেতিয়াই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগত এম. এ. মহলাত পঢ়িবলৈ আহিও শ্ৰীমতী মহন্ত আমাৰ ছাত্ৰী হৈছিলহি। একাধিক সন্তানৰ জননী আৰু এটি মধ্যবিত্ত পৰিয়ালৰ সুগৃহিণী হৈয়ো জগন্নাথ বৰুৱা কলেজৰ অধ্যাপিকা ৰূপে সুচাৰু দায়িত্ব পালন কৰাৰ উপৰিও আজি ভালেমান বছৰ ধৰি এইগৰাকী মহিলাই একাগ্ৰতাৰে সাহিত্য সাধনা কৰি আহিছে। আমি জনাত সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত নিজৰ স্বামী শ্ৰীযুত ৰাপচন্দ্ৰ মহন্তৰ পৰাও তেওঁ সততে অনুপ্ৰেৰণা আৰু সহযোগিতা পাই আহিছে। তেওঁলোক উভয়ৰে সাৰস্বত-সাধনা সাৰ্থক হওক। এয়ে আমাৰ শুভ কামনা।

মুকুন্দমাধৱ শৰ্মা

গুৱাহাটী বিশ্ববিদ্যালয়
২১।৩।৭৩

লেখিকাৰ নিবেদন

খিড়িকীৰে আকাশ দেখুৱাৰ দৰে এই পুথিত সন্নিৱিষ্ট কৰা একুৰি চাৰিটা প্ৰবন্ধৰ যোগেদি মহাকবি কালিদাসৰ অমৰ প্ৰতিভাৰ আভাস দিয়াৰ চেষ্টা কৰা হৈছে। এই প্ৰবন্ধকেইটাত কালিদাসৰ সাহিত্যৰ সৌন্দৰ্য-সুষমা আৰু তাত্বিক মহিমা ফুটাই তোলাত কিমান দূৰ কৃতকাৰ্য হৈছোঁ ক'ব নোৱাৰোঁ. প্ৰবন্ধকেইটিৰ মাজেৰে কালিদাস-প্ৰতিভাৰ কিঞ্চিৎ জিলিঙনি অসমীয়া ভাষা-সাহিত্যৰ মণিকোঠালৈ সুমুৱাই অনাৰ যত্ন কৰা হৈছে। সংস্কৃতত এষাৰ বহু-প্ৰচলিত প্ৰবচন আছে –"কালিদাসস্য সৰ্বস্বমভিজ্ঞান-শকুন্তলম্ ।" কালিদাসৰ সৰ্বস্ব-স্বৰূপ এই '*অভিজ্ঞানশকুন্তল*' নাটকৰ বিভিন্ন বিষয়ৰ ওপৰতে এই পুথিৰ এষাৰটা প্ৰবন্ধ লিখা হৈছে। কালিদাসৰ সকলো সাহিত্যৰ আলোচনা ইয়াত কৰিব পৰা নাই যদিও খিড়িকীৰে দেখাখিনিকো আকাশ বোলাৰ দৰে এই পুথিৰো নামকৰণ '*কালিদাসৰ সাহিত্য*' বুলি কৰা হৈছে। * * *

আমাৰ পৰম শ্ৰদ্ধাভাজন শিক্ষা-গুৰু ড° মুকুন্দ মাধৱ শৰ্মাদেৱে যথেষ্ট সময় খৰচ কৰি আৰু কষ্ট স্বীকাৰ কৰি প্ৰবন্ধকেইটা তন্নতন্নকৈ চাই দিছে আৰু দুশাৰী সাৰগৰ্ভ আগকথাৰে আমাক সুধী সমাজলৈ আগবঢ়াই দিছে। এই এইজন শ্ৰদ্ধাভাজন ব্যক্তিয়ে এই অভাজনক জীৱন-নিৰ্মাণ আৰু সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে আৰু পৰোক্ষ-ভাৱে আৰু পৰম আত্মীয়তা সহকাৰে প্ৰেৰণা যোগাই আহিছে। তেনেস্থলত কেৱল এই পুথিখনৰ ক্ষেত্ৰত দেখুৱা স্নেহসূচক সহায়-সহানুভূতিৰ বাবে তেখেতৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ গ'লে আমাক অকৃতজ্ঞতাৰ দোষেহে চুব। গতিকে তেখেতৰ ওচৰত আজীৱন ঋণ স্বীকাৰ কৰিহে কৃতজ্ঞতাৰে সৈতে মূৰ দোঁৱাইছোঁ।

কালিদাসৰ সাহিত্যৰ ওপৰত ইমান কেইটা থাউকতে পোৱাকৈ একেখন পুথিতে আগতে অসমীয়া ভাষাত আলোচনা কৰা চকুত পৰা নাই। অসমৰ বিশ্ববিদ্যালয় দুখনত প্ৰাক্‌স্নাতক শ্ৰেণীৰপৰা স্নাতকোত্তৰ শ্ৰেণীলৈকে বুলি সংস্কৃত বিষয়ত মহাকবি কালিদাসৰ কেইবাখনো গ্ৰন্থ পাঠ্য হোৱাৰ উপৰিও অসমীয়া অনাৰ্চ তথা স্নাতকোত্তৰ শ্ৰেণীতো কালিদাসৰ সাহিত্য অধ্যয়ন কৰিব লাগে। এই প্ৰবন্ধসমূহত সেই বিষয়ৰ প্ৰতিও দৃষ্টি ৰখা হৈছে। [প্ৰথম সংস্কৰণ, ৯।৭।৭৫ যোৰহাট]

গুৱাহাটী আৰু ডিব্ৰুগড়, দুয়োখন বিশ্ববিদ্যালয়ৰে তথা কলেজসমূহৰ ছাত্ৰসমাজে আদৰৰ দৃষ্টিৰে চোৱাৰ কাৰণে প্ৰথম সংস্কৰণটি বজাৰত মুকলি হাতেৰে উলিয়াই নিদিয়া সত্ত্বেও শেষ হৈ যোৱা কেইবাবছৰো হ'ল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰসমাজৰ চাহিদালৈ লক্ষ্য ৰাখি 'বনলতা'ই দ্বিতীয় সংস্কৰণটো প্ৰকাশ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। তেওঁলোকলৈ কৃতজ্ঞতা জনাই আৰু ভৱিষ্যতে ভৰসা ৰাখি সাহিত্যসেৱী সাহিত্যপ্ৰেমী শ্ৰীযুত অম্বিকাপদ চৌধুৰীদেৱৰ হাতত দ্বিতীয় সংস্কৰণটিৰ প্ৰকাশৰ ভাৰ সমৰ্পণ কৰা হ'ল। এই সংস্কৰণত 'কালিদাসৰ সাহিত্যত প্ৰকৃতি' 'ৰজা ৰঘুৰ দিগ্বিজয়ৰ কাহিনী' আৰু 'লংকা জিনি আহে ৰাম' শীৰ্ষক তিনিটি লেখা নতুনকৈ সংযোজনা কৰা হ'ল। পাছৰ দুটি লেখা মাইকৈ উচ্চতৰ মাধ্যমিক শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি দিয়া হৈছে। পুথিখনি প্ৰকাশৰ ভাৰ সহৃদয়তাৰে গ্ৰহণ কৰাৰ বাবে 'বাণী প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীযুত অম্বিকাপদ চৌধুৰীদেৱলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যিসকল শিক্ষক-ছাত্ৰ আৰু সহৃদয় পাঠকৰ সহানুভূতিৰ ফলত পুথিখনিয়ে দ্বিতীয়বাৰ প্ৰকাশৰ মুখ দেখিবলৈ পালে সেই সকলোলৈকে কৃতজ্ঞতাৰে মূৰ দোঁৱাইছোঁ আৰু '*কালিদাসৰ সাহিত্য*' সম্পৰ্কত গধুৰ আলোচনাৰ ফালে ভৱিষ্যতে আগ বঢ়াৰ আশাৰে সবাটিৰে আশিস্ মাগিছোঁ। ইতি

সমাজৰ কৃপাপ্ৰাৰ্থী

প্ৰবক্তা, সংস্কৃত বিভাগ
জগন্নাথ বৰুৱা মহাবিদ্যালয়

যোৰহাট
৬ মাঘ, শ্ৰীপঞ্চমী তিথি,
১৯১২শক, ইং ২০।১।৯১

প্ৰবন্ধমালা

১. জগতঃ পিতৰৌ বন্দে ১

২. কুমাৰসম্ভৱত 'জগদেকমাতা' উমাৰ ৰূপায়ণ ৬

৩. কালিদাসৰ সাহিত্যত প্ৰেম ১৪

৪. কালিদাসৰ সাহিত্যত ভাৰতীয় জীৱনাদৰ্শ ২৩

৫. কালিদাসৰ সাহিত্যত বসন্ত-মাধুৰী ২৯

৬. কালিদাসৰ ৰচনাত শিশু ৩৪

৭ মেঘদূতৰ ভৌগোলিক অধ্যয়ন ৪১

৮ মেঘদূত কাব্যত বিশ্বপ্ৰকৃতি আৰু মানৱপ্ৰকৃতি ৫১

৯ কালিদাসৰ উজ্জয়িনী-প্ৰীতি ৬১

১০ শকুন্তলাৰ আঙঠী ৬৮

১১ শকুন্তলা নাটকত 'প্ৰথম দৰ্শনতে প্ৰেম' ৭৪

১২ কালিদাসৰ আদৰ্শ নায়ক দুষ্যন্ত ৮১

১৩. শকুন্তলা নাটকত বাসন্তী কুসুম আৰু গ্ৰীষ্মৰ সুপক্ক ফল ৯১

১৪. মূৰ্তিমান দুহিতৃ-স্নেহ কণ্বমুনি ৯৫

১৫. অনসূয়া আৰু প্ৰিয়ম্বদা ১০৪

১৬. শকুন্তলা নাটকৰ বিদূষক—মাধব্য ১১১

১৭. শকুন্তলা নাটকত অংক-সমাপন কৌশল ১১৭

১৮. যত্ৰ যাতি শকুন্তলা ১২৬

১৯. শকুন্তলা নাটকত সানুমতীৰ ভূমিকা ১৩৪

২০. শকুন্তলা নাটকত হংসপদিকাৰ গীত ১৪০

২১. সংস্কৃত কাব্য পৰম্পৰাত মেঘদূতৰ স্থান ১৩৮

২২. কালিদাসৰ সাহিত্যত প্ৰকৃতি

২৩. ৰজা ৰঘুৰ দিগ্বিজয়ৰ কাহিনী ১৬৩

২৪ লংকা জিনি আহে ৰাম ১৭১

জগতঃ পিতৰৌ ৱন্দে

মহাকবি কালিদাসৰ 'ৰঘুবংশ' মহাকাব্যৰ আৰম্ভণি কৰা হৈছে এই মংগল শ্লোকটিৰে :

ৱাগৰ্থাৱিৱ সম্পৃক্তৌ ৱাগৰ্থ-প্ৰতিপত্তয়ে।
জগতঃ পিতৰৌ ৱন্দে পাৰ্বতীপৰমেশ্বৰৌ॥

[শব্দ আৰু অৰ্থৰ সম্যগ্ জ্ঞানৰ উদ্দেশ্যে শব্দ আৰু অৰ্থৰ দৰে নিত্য সম্বন্ধযুক্ত জগতৰ পিতা-মাতা পাৰ্বতী আৰু পৰমেশ্বৰ শিৱৰ বন্দনা কৰিছোঁ।]

কালিদাসৰ ৰচনাত জগৎপিতা পৰমেশ্বৰ শিৱৰ সম্পৰ্কবশতঃহে পাৰ্বতী 'জগদেকমাতা' হৈ কবিৰ বন্দনাৰ পাত্ৰ হৈছে, এই 'জগদেকমাতা' পাৰ্বতীক আদ্যাশক্তি, মহামায়া ৰূপে কালিদাসে বৰ্ণনা কৰা নাই। জগৎপিতা শিৱৰ পত্নী পাৰ্বতী জগতমাতা ৰূপে আখ্যা লাভ কৰাৰ আভাস পোৱা যায় 'কুমাৰসম্ভৱ'ত সপ্তৰ্ষিসকলে শিৱৰ বাবে হিমালয়ৰ ওচৰত পাৰ্বতীক খোজাৰ প্ৰসংগত :

যায়স্থ্যেতানি ভূতানি স্থাৱৰাণি চৰাণি চ।
মাতৰং কল্পয়ন্ত্বেনামীশো হি জগতঃ পিতা॥
প্ৰণম্য শিতিকণ্ঠায় ৱিবুধাস্তদনন্তৰম্।
চৰণে ৰঞ্জয়ন্ত্বস্যাশ্চূড়ামণি মৰীচিভিঃ॥

[কুমাৰসম্ভৱ, ৬/৮০-৮১]

[মহাদেৱ জগতৰ পিতা, গতিকে পাৰ্বতীও জগতৰ সকলো স্থাৱৰ আৰু জংগম প্ৰাণীৰ মাতৃ হ'বই। দেৱতাসকলে মহাদেৱক প্ৰণাম কৰাৰ পিছত ত্ৰৈলোকৰ চূড়ামণিৰ কিৰণেৰে পাৰ্বতীৰ চৰণযুগল ৰঞ্জিত কৰিব।]

এইদৰে জগতৰ পিতা পৰমেশ্বৰ শিৱৰ সম্পৰ্কতে পাৰ্বতী "ধাত্ৰী সমস্তস্য চৰাচৰস্য' আৰু 'জগদেকমাতা'ৰ পদত অধিষ্ঠিতা হৈছে। কালিদাসৰ ৰচনাত কালীদেৱীক শক্তিৰ ৰূপত শিৱৰ লগত জড়িত কৰা হোৱা নাই; গতিকে শিৱৰ পত্নী পাৰ্বতীয়ে লাভ কৰা 'জগদেকমাতা' আৰু 'ধাত্ৰী সমস্তস্য চৰাচৰস্য' পদবীও কালীদেৱীয়ে লাভ কৰা নাই।

'কুমাৰসম্ভৱত' শিৱৰ বৰযাত্ৰাৰ প্ৰসংগত মহাকবিয়ে মাতৃকাদেৱীসকলে মহাদেৱক অনুগমন কৰাৰ বৰ্ণনা দিছে। সুৱৰ্ণকান্তি সেই মাতৃকাগণৰ পাছত যোৱা কপালাভৰণা কালী এনেদৰে শোভা পাইছিল যেন দূৰ-প্ৰসাৰিণী বিদ্যুৎপ্ৰভা আৰু বলাকাৰে সৈতে শোভা পোৱা নীলা মেঘালিহে[১]। 'ৰঘুবংশ'ৰ একাদশ সৰ্গত মহাকবিয়ে ৰাম-লক্ষ্মণৰ ধনুৰ শব্দ শুনি ওলাই অহা কৃষ্ণৰাত্ৰি সদৃশ কৃষ্ণবৰ্ণা তাড়কা ৰাক্ষসীক চঞ্চলকপাল-কুণ্ডলা, বলাকা-যুক্ত কালীদেৱীৰ লগত তুলনা কৰিছে।[২] এই দুয়ো বৰ্ণনাতে কালীদেৱীক মহাকবিয়ে স্তুতিযোগ্য ৰূপত অৱতাৰণা কৰা নাই। 'কুমাৰসম্ভৱ'ৰে নৱম সৰ্গত প্ৰভু মহাদেৱৰ আজ্ঞাপালিকা ৰূপে কালিকাদেৱীৰ বৰ্ণনা কৰা হৈছে। নৱ-বিবাহিতা পাৰ্বতীক লৈ কৈলাসত কামকেলি কৰাৰ সময়ত, সন্তোষ-মনেৰে মহাদেৱে নিয়োগ কৰাত কণ্ঠত চঞ্চল মুণ্ডমালা ওলমি থকা আৰু দাঁতবোৰেৰে সৈতে মুখখন ভয়ানক হৈ পৰা কালীদেৱীয়ে প্ৰভুৰ প্ৰিয়পত্নীৰ মনত আনন্দ লগাবৰ কাৰণে সমুখত নাচিবলৈ ধৰিলে। বিকট চিঞৰ মৰা ভয়ংকৰ কালীক (আৰু ভৃংগীক) দেখি ভয়ত বিহ্বল হৈ পাৰ্বতীয়ে শিৱৰ বুকুত সোমাই সাৱটি ধৰিলে।[৩] ইয়াতো কালীৰ 'জগদেকমাতা'ৰ মৰ্যাদা প্ৰকাশ হোৱা নাই।

যি 'জগতঃ পিতা' শিৱৰ সম্পৰ্কত পাৰ্বতী জগমাতা হোৱাৰ কাৰণে কালিদাসে "জগতঃ পিতৰৌ ৱন্দে" বুলি উভয়কে বন্দনা কৰিছে, সেই শিৱই

---

১. তাসাং পশ্চাৎ কনকপ্ৰভাণাং কালী কপালাভৰণা চকাসে।
বলাকিনী নীলপয়োদৰাজী দূৰং পুৰঃক্ষিপ্তশতহ্ৰদেৱ॥ [কুমাৰসম্ভৱ, ৭/৩৯]

২. জ্যানিনাদমথ গৃহ্ণতী তয়োঃ প্ৰাদুৰাস বহুলক্ষপাচ্ছবিঃ।
তাড়কা চলকপালকুণ্ডলা কালিকেৱ নিৱিড়া বলাকিনী॥ [ৰঘুবংশ, ১১/১৫]

৩. কণ্ঠস্থলীলোলকপালমালা দংষ্ট্ৰাকৰালাননমভ্যনৃত্যৎ।
প্ৰীতেন তেন প্ৰভুণা নিযুক্তা কালী কলত্ৰস্য মুদে প্ৰিয়স্য॥
ভয়ংকৰৌ তৌ বিকটং নদন্তৌ বিলোক্য বালা ভয়বিহ্বলাংগী।
সবাগমৃৎসংভ্ৰমনংগশত্ৰোৰ্গাঢ়ং প্ৰসহ্য স্বয়মালিলিংগ॥ [কুমাৰসম্ভৱ, ৯।৪৯-৫০]

কালিদাসৰ উপাস্যদেৱতা। 'শকুন্তলা নাটক'ৰ নান্দীশ্লোকত কালিদাসে অষ্টমূৰ্তিধৰ (জল,অগ্নি, হোতা, চন্দ্ৰ,সূৰ্য্য, আকাশ, পৃথিৱী আৰু বায়ু এই আঠোটা ৰূপত প্ৰত্যক্ষ হোৱা) শিৱক বন্দনা কৰিছে। এই নাটৰ অন্তত ভৰতবাক্যত 'মমাপি চ ক্ষপয়তু নীললোহিতঃ পুনৰ্ভৱং পৰিগত-শক্তিৰাত্মভূঃ'- এই বুলি সৰ্বশক্তিমান স্বয়ম্ভু শিৱক কবিয়ে তেওঁক পুনৰ্জন্মৰহিত কৰিবলৈ প্ৰাৰ্থনা কৰিছে। 'মেঘদূত' কাব্যত উজ্জয়িনীৰ মহাকাল বৰ্ণনাৰ প্ৰসংগত মহাকৱিৰ শিৱভক্তিৰ পৰিচয় স্পষ্ট হৈ প্ৰকাশ পাইছে। এই কাব্যৰে অন্য ঠাইতো কবিৰ শিৱভক্তিৰ পৰিচয় পোৱা যায় (পূৰ্বমেঘ—৫ আৰু ৬০ শ্লোক)।

কালিদাসৰ উপাস্য দেৱতা শিৱ বেদান্ত-প্ৰতিপাদিত নিৰ্গুণ ব্ৰহ্মৰে অভিন্ন তত্ত্ব। 'বিক্ৰমোৰ্বশী' নাটকৰ নান্দীশ্লোকত কোৱা হৈছে : 'বেদান্তেষু যমাহুৰেকপুৰুষং ব্যাপ্য স্থিতং ৰোদসী।' শিৱ বিশ্বমূৰ্তি (কুমাৰ-৫।৭৮), বিশ্বাত্মা (কুমাৰ ৭।১, ৮৮), স্বয়ম্ভু ব্ৰহ্মাৰো স্ৰষ্টা (আত্মভুৱোঽপি কাৰণং (কুমাৰ ৭।৮১)। যোগীসকলে নিজ আত্মাতে স্থিত যি পৰমতত্ত্বক সাক্ষাৎ কৰে, মনীষীসকলে যাক জন্ম-মৃত্যুৰহিত বুলি কয়, সেই পৰমতত্ত্বই শিৱ—

যোগিনো যং বিচিন্বন্তি ক্ষেত্ৰাভ্যন্তৰৱৰ্ত্তিনম্।

অনাবৃত্তিভয়ং যস্য পদমাহুৰ্মনীষিণঃ ॥

[কুমাৰসম্ভৱ, ৬/৭৭]

এই মহাদেৱ পৰম জ্যোতি স্বৰূপ, তেওঁ অন্ধকাৰৰ অতীত। সীমিত প্ৰভাৱৰ কাৰণে (ৰজোগুণৰ অধিকাৰী) ব্ৰহ্মা আৰু (সত্ত্বগুণৰ অধিকাৰী) বিষ্ণুৱেও এই মহাদেৱৰ ৰহস্য নাজানে :

স হি দেৱঃ পৰং জ্যোতিস্তমঃ পাৰে ব্যৱস্থিতম্।

পৰিচ্ছিন্ন-প্ৰভাৱৰ্দ্ধিন ময়া ন চ বিষ্ণুনা ॥

[কুমাৰসম্ভৱ, ২/৫৮]

কালিদাসৰ ৰচনাত এটা মন কৰিবলগীয়া কথা যে কালিদাসে 'জগতঃ পিতা' ৰূপে যি পৰমেশ্বৰ শিৱক স্বীকাৰ কৰিছে আৰু সেই শিৱক

পৰম ব্ৰহ্মৰ অভিন্ন তত্ত্বৰূপে প্ৰতিপাদন কৰিছে, সেই একেজন কালিদাসেই ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰো অভিন্নতা স্বীকাৰ কৰিছে। তেওঁৰ মতে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ এক তত্ত্বৰেই তিনিটি ভিন্ন ৰূপ মাত্ৰ। এই ৰূপসমূহৰ কেতিয়াবা এটা আন দুটাতকৈ শ্ৰেষ্ঠ বা হীন হয় :

> একৈব মূৰ্তিৰ্বিভেদে ত্ৰিধা সা সামান্যমেষাং প্ৰথমাৱৰত্বম্
> বিষ্ণোৰ্হৰস্তস্য হৰিঃ কদাচিদ্বেধাস্তয়োস্তাৱপি ধাতুৰাদ্যৌ ॥
>
> [কুমাৰসম্ভৱ, ৭ ৪৪]

ইয়াত ব্ৰহ্মা, বিষ্ণু, শিৱৰ ভিতৰত এটা ৰূপ আন দুটা ৰূপতকৈ শ্ৰেষ্ঠ হোৱাৰ তাৎপৰ্য হৈছে : নিৰ্গুণ তত্ত্ব বুলি যিজন দেৱতাকে স্বীকাৰ কৰা হয়, তেৱেঁই সগুণ দুজনতকৈ শ্ৰেষ্ঠ। শিৱৰ ৰূপত নিৰ্গুণ ব্ৰহ্মৰ উপাসনা কৰা কালিদাসে ব্ৰহ্মা আৰু বিষ্ণুকো নিৰ্গুণ স্তৰত শিৱৰে অভিন্ন বুলি প্ৰতিপাদন কৰিছে। 'জগতঃ পিতা' শিৱৰ ক্ষেত্ৰত প্ৰয়োগ কৰা ব্ৰহ্মৰ বিশেষণসমূহ কালিদাসে ঠায়ে ঠায়ে বিষ্ণু আৰু ব্ৰহ্মাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰি তিনিওৰে তাত্ত্বিক অভিন্নতা স্পষ্টভাৱে প্ৰতিপাদন কৰিছে।

'ৰঘুবংশ'ৰ দশম সৰ্গত দেৱতাসকলে ক্ষীৰসমুদ্ৰস্থিত অবাঙ্মনসোগোচৰ বিষ্ণুক জগতৰ স্ৰষ্টা, পালনকৰ্তা আৰু সংহাৰকৰ্তা বুলি স্তুতি কৰিছে। একৰসযুক্ত বৰষুণৰ পানী ভিন্ন স্থানত পৰি ভিন্ন স্বাদযুক্ত হোৱাৰ দৰে বিকাৰৰহিত হৈয়ো বিষ্ণুৱে সত্ত্ব-ৰজ-তমোগুণক আশ্ৰয় কৰি অনেক ৰূপ ধাৰণ কৰে।[৪] তেওঁ অব্যক্ত হৈয়ো ব্যক্ত জগতৰ কাৰণ স্বৰূপ।[৫] তেওঁ আত্মভূ, যোগীসকলে যোগবলৰদ্বাৰা মনক বশ কৰি মুক্তিলাভৰ উদ্দেশ্যে হৃদিস্থিত জ্যোতিঃ স্বৰূপ বিষ্ণুক ধ্যান কৰে।[৬] কালিদাসে বিষ্ণুকে বিভিন্ন শাস্ত্ৰৰ প্ৰৱৰ্তিত মাৰ্গসমূহৰ লক্ষ্য পৰমতত্ত্ব বুলিছে। গংগাৰ সকলো ধাৰা

---

৪. ৰঘুবংশ ১০।১৫ ১৭

৫. অব্যক্তং ব্যক্তকাৰণম্ [ৰঘুবংশ, ১০/১৮]

৬. ৰঘুবংশ ১০।২৩

৭. বহুধাপ্যাগমৈৰ্ভিন্নাঃ পন্থানঃ সিদ্ধিহেতৱঃ
ত্বয্যেৱ নিপতন্ত্যোঘা জাহ্নৱীয়া ইৱাৰ্ণৱে ॥ [ৰঘুবংশ, ১০/২৬]

সমুত্ৰত পৰাৰ দৰে বিভিন্ন শাস্ত্ৰই বিধান কৰা ভিন্ন ভিন্ন সিদ্ধিৰ পথসমূহো বিষ্ণুত মিলিত হৈছে।[৭]

কালিদাসে এই প্ৰসংগত বৰ্ণনা কৰা বিষ্ণু সত্বগুণৰ অধিকাৰী সগুণ দেৱতা বিষ্ণু নহয়, এয়া অবাঙ্‌মনসোগোচৰ, বিকাৰ-ৰহিত অৰ্থাৎ ত্ৰিগুণাতীত স্বয়ম্ভূঃ পৰম ব্ৰহ্ম। শক্তিকে 'বেদান্তেষু যমাহুৰেকপুৰুষং' শিৱকে সৈতে এই বিষ্ণু যে অভিন্ন তত্ত্ব তাত সন্দেহ নাই। 'কুমাৰসম্ভৱ' কাব্যৰ দ্বিতীয় সৰ্গত দেৱতাসকলে ব্ৰহ্মাক কৰা স্তুতিত কালিদাসে ব্ৰহ্মাকো পৰম ব্ৰহ্মৰ ৰূপত বৰ্ণনা কৰিছে।

এই ব্ৰহ্মা সৃষ্টিৰ আগতে এক আছিল, পিছত (সত্বাদি) তিনিগুণত বিভক্ত হৈ ব্ৰহ্মা, বিষ্ণু, শিৱ এই ত্ৰিমূৰ্তি ধাৰণ কৰিছে। ৰঘুবংশৰ দশম সৰ্গত বিষ্ণুক সৃষ্টি-স্থিতি-সংহাৰ-কৰ্তা বোলাৰ দৰে, কুমাৰসম্ভৱৰ সপ্তম সৰ্গত শিৱক "একৈৱ মূৰ্তি ৰ্বিভেদে ত্ৰিধা" বোলাৰ দৰে এই প্ৰসংগত ব্ৰহ্মাকো তিনিটা অৱস্থাৰদ্বাৰা মহিমা প্ৰকাশ কৰি প্ৰলয়-স্থিতি-সৰ্গৰ একমাত্ৰ কাৰণ হোৱা বুলিছে।[৮] বিধিৰো বিধাতা, এওঁ হোতাও, হৱনীয় দ্ৰব্যও, ভোক্তাও ভোজ্যও, জ্ঞাতাও, জ্ঞেয়ও, ধ্যাতাও, ধ্যেয় তত্ত্বও সেই সকলোটি নিজেই।[৯]

এতিয়া দেখা গ'ল কালিদাসে ব্ৰহ্মাকো বেদান্ত প্ৰতিপাদিত 'একমেৱা-দ্বিতীয়ম্' ৰূপতেই চাইছে। 'জগতঃ পিতৰৌ বন্দে' বুলি শিৱ-পাৰ্বতীক বন্দনা কৰিলেও কালিদাসৰ উপাস্য দেৱ বেদান্ত-প্ৰতিপাদিত নিৰ্গুণ পৰম ব্ৰহ্ম। সেই ব্ৰহ্মকে তেওঁ শিৱৰ ৰূপত উপাসনা কৰিছে। সেই স্থাৱৰ-জংগমাত্মক বিশ্বৰ জনক শিৱৰ সম্পৰ্কতে পাৰ্বতী 'জগদেকমাতা' হৈছে। প্ৰাকৃত গুণৰ অতীত পৰম ব্ৰহ্মৰ স্তৰত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মাজত তত্ত্বদৰ্শী মহাকবিয়ে প্ৰভেদ দেখা নাই। □

---

৮. ত্ৰিসৃভিস্ত্বমৱস্থাভিৰ্মহিমানমুদীৰয়ন্
প্ৰলয়স্থিতিসৰ্গাণামেকঃ কাৰণতাং গতঃ [কুমাৰ. ২।৬।

৯. কুমাৰসম্ভৱ ২।১৪-১৫

কুমাৰসম্ভৱত জগদেকমাতা উমাৰ ৰূপায়ণ

ভাৰতৰ ধৰ্মীয় আৰু সাংস্কৃতিক ইতিহাসত বিশিষ্ট স্থান অধিকাৰ কৰি অহা শক্তি-সাধনাৰ ধাৰাটিয়ে বিভিন্ন যুগৰ আৰ্য-আৰ্যেতৰ অনেক ধাৰাৰে পুষ্ট হৈ বিস্তৃত ৰূপ লাভ কৰিছে। সাধকসকলৰ কল্পনা অনুসাৰে বিভিন্ন ঠাইত, বিভিন্ন যুগৰ দেৱীৰ আকৃতি-প্ৰকৃতিও বিভিন্ন হৈছে যদিও, এই সকলো ৰূপ একত্ৰ হৈ এক মহাশক্তিত পৰিণত হৈছে। দুৰ্গা, কালী, চণ্ডী, পাৰ্ৱতী, উমা, নাৰায়ণী, মহামায়া, পৃথিৱীদেৱী, সীতা, সৰস্বতী, লক্ষ্মী আদি যি নামেৰে যি ৰূপতেই প্ৰতীয়মান হওক লাগে, দাৰ্শনিক দৃষ্টিত এই সকলোৱেই এক সনাতনী শক্তি। বৈচিত্ৰ্যৰ মাজতো সেয়েহে এই দেৱী-সকলৰ মাজত কিবা নহয় কিবা এক সাদৃশ্য বিদ্যমান।

কেৱল ভাৰতবৰ্ষতে নহয়, সমগ্ৰ বিশ্বতেই মাতৃ-পূজাৰ ইতিহাস অতি প্ৰাচীন আৰু বিভিন্ন জাতিৰদ্বাৰা পূজিতা মাতৃদেৱীৰ নাম, ৰূপ আৰু কাৰ্যৰ মাজত সাদৃশ্য পৰিলক্ষিত হয়। মহাকবি কালিদাসৰ 'কুমাৰসম্ভৱ' কাব্যতো পৰ্ৱত-কন্যা উমাৰ চৰিত্ৰত এই বিশ্বজনীন মাতৃদেৱীৰ লক্ষণ প্ৰকাশ পাইছে।

ভাৰতীয় সাহিত্যত সৰ্বপ্ৰথম উমাদেৱীৰ উল্লেখ পোৱা যায়, 'কেনো-পনিষদ'ত থকা উমা-হৈমৱতী আৰু আনহাতে হিমৱৎ অৰ্থাৎ হিমালয়ৰ কন্যা হোৱাৰ কাৰণেও তেওঁৰ নাম হৈমৱতী হ'ব পাৰে। পৃথিৱীৰ বিভিন্ন ঠাইত পূজিতা 'মাতৃদেৱী'ৰ নামৰ লগত উমা শব্দৰ আৰু দেৱী পাৰ্ৱতীৰ লগত জড়িত হোৱা লক্ষণৰ সাদৃশ্য পৰিলক্ষিত হয়।

উমা শব্দৰ ব্যুৎপত্তি সম্পৰ্কে সংস্কৃত সাহিত্যত অনেক ব্যাখ্যা পোৱা যায় যদিও, সেইবোৰত সমন্বয়ৰ অভাৱ দেখা যায়। পৃথিৱীৰ বিভিন্ন ঠাইত মাতৃদেৱীৰ প্ৰচলিত নামসমূহৰ লগত থকা সাদৃশ্যলৈ চাই পণ্ডিত-সকলে উমা নামটো মূলতে সংস্কৃত নহয় বুলি মত প্ৰকাশ কৰে।

বেবিলনীয় ভাষাত মাতৃ শব্দৰ পৰ্যায়বাচী শব্দ হৈছে উম্মু বা উম্ম, একাডিয়ান ভাষাত উম্মি, দ্ৰাবিড় ভাষাত উম্ম। নানা আৰ্য-আৰ্যেতৰ

সংস্কৃতিৰ উপাদান সামৰি লৈ গঢ় লোৱা ভাৰতীয় সংস্কৃতিলৈ 'উমা' শব্দটোও সংস্কৃতভিন্ন অন্য মূলৰপৰা অহাটো একো অসম্ভৱ নহয়। হুবিষ্কৰ এটা মুদ্ৰাত অংকিত মাতৃদেৱীৰ নামো ওম্মো। ভাৰতীয় শক্তিপূজাৰ ইতিহাসতো ভাৰতীয়-অভাৰতীয়, আৰ্য-আৰ্যেতৰ মূলৰ অনেক দেৱীৰ উপাদান সোমাই আছে। সকলো উপাদানকে সামৰি গঢ় লৈ উঠা এক সনাতনী শক্তিৰেই অন্যতম নাম উমা আৰু পাৰ্বতী বা পৰ্বতনন্দিনী। এই উমা শব্দটিতে মহাকবি কালিদাসে দেৱীৰ মধুৰ ৰূপৰ ৰূপায়ণেৰে এক মাধুৰ্যৰ স্পৰ্শ সানি দিলে।

দেৱীৰ ক্ৰমবিকাশৰ ইতিহাসত কালিদাসৰ পাৰ্বতী বা উমাৰ এক বিশিষ্ট অৱদান আছে। যদিও আদ্যাশক্তি দেৱীক কোনো কোনো সাধকে কন্যা বা কুমাৰী ৰূপত কল্পনা কৰি জনমানসত এটা স্নিগ্ধ কোমল সাঁচ বহুৱাইছিল, তথাপি কালিদাসৰ কুমাৰী উমাৰ সুকুমাৰতা সকলোৰে ওপৰত। মহাকবিৰ যাদুকৰী লেখনীয়ে গিৰিৰাজ-নন্দিনী উমাৰ, কুমাৰী ৰূপে, পত্নীৰূপে আৰু সন্তানৰ মাতৃৰূপে যি মাধুৰ্য, সৌন্দৰ্য আৰু শ্ৰদ্ধামণ্ডিত চিত্ৰ অংকন কৰিছে, তাত ভাৰতীয় নাৰীত্বৰো পূৰ্ণ প্ৰকাশ ঘটিছে। কালিদাসৰ আগতে দেৱীৰ এনে পূৰ্ণাংগ চৰিত্ৰ পোৱা নাযায়। কালিদাসৰ 'জগদেকমাতা', 'ধাত্ৰী সমস্তস্য চৰাচৰস্য' দেৱী পাৰ্বতীৰ চৰিত্ৰত অসুৰসংহাৰিণীৰ উগ্ৰতা নাই, আছে মাত্ৰ সুকুমাৰী কন্যা, লাজুকী নৱবধূ আৰু স্নেহময়ী জননীৰ সুকুমাৰতা আৰু স্নিগ্ধতাহে। জন্মৰ লগতে মংগল সূচনা হোৱা হিমালয়কন্যা উমা আছিল পূৰ্বজন্মত দক্ষকন্যা আৰু মহাদেৱৰ পত্নী সতী। দক্ষকন্যা সতীয়েই হিমালয়কন্যা হোৱাৰ কাহিনী কালিদাসৰ পূৰ্বৱৰ্তী সংস্কৃত সাহিত্যত থকাৰ প্ৰমাণ আমি এতিয়ালৈকে পোৱা নাই। 'ব্ৰহ্মপুৰাণ'ত এই কাহিনী আছে যদিও এই পুৰাণৰ ৰচনাকাল নৱম শতিকাহে।

কালিদাসে নৱজাত কন্যা উমাক কোলাত লৈ হিমালয়-পত্নী মেনা মহিমামণ্ডিত হৈ পৰাৰ বৰ্ণনা দিছে :

ভূম্না হুচ্ছিতা সুতৰাং সাৱিত্ৰী স্ফুৰৎপ্ৰভামণ্ডলয়া চকাশে।
বিদূৰভূমির্নৱমেঘশব্দাদুদ্ভিন্নয় ৰত্নশলাকয়েৱ ॥

[যেনেকৈ নৱ জলধৰৰ গৰ্জনত বিদূৰ পৰ্বতত ৰত্নৰ অংকুৰ প্ৰস্ফুটিত হৈ বিদূৰ-ভূমিৰ সৌন্দৰ্য উদ্ভাসিত কৰি তোলে, সেইদৰে সেই তেজোমণ্ডলশোভিত শিশুটিয়েও জন্মদাত্ৰী মেনাক অধিক উদ্ভাসিত কৰি তুলিছিল।]

এই শিশু কন্যাটি লাহে লাহে ডাঙৰ-দীঘল হ'ল। কালিদাসে তাৰো এক মনোৰম বৰ্ণনা দিছে :

দিনে দিনে সা পৰিবৰ্দ্ধমানা লব্ধোদয়া চান্দ্ৰমসীৱ লেখা।
পুপোষ লাৱণ্যময়ীন্ বিশেষান্ জোৎস্নান্তৰাণীৱ কলান্তৰাণি ॥

দিনে দিনে চন্দ্ৰকলাৰ দৰে পাৰ্বতী বাঢিবলৈ ধৰিলে, জোনাক বঢ়াৰ লগে লগে চন্দ্ৰৰো কলাসমূহ বাঢি যোৱাৰ দৰে, পাৰ্বতী বাঢ়ি যোৱাৰ লগে লগে তেওঁৰ লাৱণ্যও বৃদ্ধি পালে। আত্মীয়-স্বজনৰ প্ৰিয়পাত্ৰী সেই লাৱণ্যময়ী কন্যাক আত্মীয়সকলে পিতৃৰ নাম অনুসৰি পাৰ্বতী বুলিলে। তপস্যাৰ সময়ত মাকে 'উ-মা' 'উস, নাযাবা' বুলি নিষেধ কৰাৰ কাৰণে পিছলৈ তেওঁৰ নাম 'উমা' হ'লগৈ (উমেতি মাত্ৰা তপসো নিষিদ্ধা পশ্চাদুমাখ্যাং সুমুখী জগাম)। কালিদাসে উমা নামৰ যি ব্যুৎপত্তিগত অৰ্থ দিছে, কালিকাপুৰাণতো তাকে দোহাৰিছে। ইয়াৰ বাহিৰে অন্য ঠাইত এই ব্যুৎপত্তিগত অৰ্থ পোৱা নাযায়।

'জগদেকমাতা' উমাৰ লগত জগতৰ পিতা শিৱৰ মিলন ঘটাই অসুৰা শক্তি বিনাশৰ অৰ্থে এজন দেৱ-সেনাপতিৰ সৃষ্টি কৰাটোৱেই হ'ল কালিদাসৰ কুমাৰসম্ভৱ কাব্যৰ লক্ষ্য। যোগী মহাদেৱৰ মন মুগ্ধ কৰিব পৰা ৰূপ-যৌৱনৰ সমস্ত সম্ভাৰেৰে কালিদাসে উমাক সজাই তুলিছে।

যদিও হিমালয়ৰ কেইবাটাও সন্তান আছিল তথাপি বসন্তকালৰ মধুকৰে অন্য ফুলত মৌ থকা সত্ত্বেও আম্ৰ-মঞ্জৰীৰ প্ৰতিহে যিদৰে অধিক অনুৰাগ দেখুৱায়, সেইদৰে হিমালয়েও উমাৰ প্ৰতি অধিক স্নেহ প্ৰকাশ কৰিছে। লগৰীয়াৰ সৈতে গংগাৰ বালিত বালি-ঘৰ সজা, চোপ-খেলা,

পুতলা লৈ খেমালি কৰা কালিদাসৰ 'জগদেকমাতা' উমাৰ চৰিত্ৰটি চিৰন্তন শিশু ৰূপে উদ্ভাসিত হৈছে। কালিদাসে উমাৰ বিদ্যা-শিক্ষাৰো বৰ্ণনা দি দেৱীৰ শিশু ৰূপটি পূৰ্ণাংগ কৰি তুলিছে।

কালিদাসে বিস্তৃত আৰু আকৰ্ষণীয় ৰূপত উমাৰ যৌৱন-সম্ভাৰৰ বৰ্ণনা দাঙি ধৰিছে। জগতৰ সমস্ত ৰূপ-লাৱণ্য আহি যেন গিৰিৰাজ-নান্দিনীৰ শৰীৰত একত্ৰিত হ'ল। যৌৱনৰ এই উছলি-মুছলি ক্ষণতে মহাকবিয়ে সুকুমাৰী উমাক জগতৰ মহান কল্যাণৰ যজ্ঞত ৰূপ-লাৱণ্যৰ আহুতি ঢালি কঠোৰ সাধনা কৰাত লগালে। ভাৰতীয় সংস্কৃতিৰ প্ৰতিনিধি কবি কালিদাসে মানৱীকৃত দেৱী চৰিত্ৰটিৰ যোগেদি জগতৰ কল্যাণৰ অৰ্থে যৌৱনসুলভ শক্তি-সামৰ্থ্যৰ সাৰ্থক প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰিছে।

প্ৰাচীন ভাৰতীয় সাহিত্যত জগতৰ কল্যাণ সাধনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰি অহা দেৱৰ্ষি নাৰদে এদিন পিতাক হিমালয়ৰ কাষত বৈ থকা ৰূপ-যৌৱন-সম্পন্না পাৰ্বতীক দেখিবলৈ পালে। তেতিয়া নাৰদে ভৱিষ্যদ্বাণী কৰিলে—সেই কল্যাণী কন্যাটিয়েই শিৱৰ একমাত্ৰ পত্নী হৈ প্ৰেমৰ বলত পতিৰ অৰ্ধ শৰীৰৰ আধিকাৰিণী হ'ব। পাৰ্বতীয়ে তেনেকুৱা সুযোগ্য বৰ লাভ কৰিব বুলি জানি গিৰিৰাজ হিমালয়ে অন্য ঠাইত দৰা নিবিচাৰিলে, কিন্তু উপযাচি কন্যাদানৰ প্ৰস্তাৱ আগবঢ়ালে মহাদেৱে প্ৰত্যাখ্যান কৰাৰ ভয়ত তেওঁ নিশ্চেষ্ট হৈ ৰ'ল।

ইফালে প্ৰিয়পত্নী সতীৰ প্ৰাণত্যাগৰ পিছত হিমালয়ৰ এক ৰমণীয় শৃংগত মহাদেৱ তপস্যাত ৰত হৈ আছিল। হিমালয়ে দেৱৰো পূজনীয় সেই মহাদেৱক উমাৰে সৈতে গৈ অৰ্চনা কৰিলে আৰু তপস্যাত শিৱক শুশ্ৰূষা কৰিবৰ কাৰণে উমাক নিয়োগ কৰিলে। যদিও পাৰ্বতী ওচৰত থাকিলে যোগী শিৱৰ তপস্যাত বিঘিনি হোৱাৰ ভয় আছিল; তথাপি জিতেন্দ্ৰিয় শিৱই পাৰ্বতীৰ সেৱাক স্বীকৃতি দিলে। পাৰ্বতীয়ে প্ৰতি দিনে পুষ্প-সম্ভাৰ গোটাই বেদী পৰিষ্কাৰ কৰি আৰু নিত্য-কৰ্মৰ উদ্দেশ্যে কুশবন আৰু পৱিত্ৰ পানী যোগাই অক্লান্তভাৱে শিৱৰ সেৱা কৰি থাকিল। শিৱৰ শিৰত থকা

চন্দ্ৰলেখাৰ স্নিগ্ধ কিৰণে পাৰ্বতীৰ সকলো ক্লান্তি দূৰ কৰিলে।

যেতিয়া শিৱৰ মহান প্ৰতিভাশালী বীৰ্যত উৎপন্ন হোৱা এজন দুৰ্জেয় দেৱসেনাপতিৰ আৱশ্যক হ'ল, তেতিয়া দেৱতাসকলে পাৰ্বতীৰ ৰূপ-যৌৱনৰ সহায় লৈ সংসাৰ-বিৰাগী শিৱৰ যোগ ভংগ কৰি তেওঁৰ মনত সংসাৰৰ প্ৰতি অভিলাষ জন্মাব খুজিলে; কিন্তু যোগীশ্ৰেষ্ঠ মহাদেৱৰ ক্ষেত্ৰত দেৱতা-সকলৰ নিতান্ত স্থূল-বুদ্ধিৰ এই চেষ্টা সমূলঞ্চে বিফল হ'ল। জ্ঞান-ৰূপ তৃতীয় নেত্ৰৰ প্ৰচণ্ড উত্তাপেৰে শিৱই কামদেৱক অৰ্থাৎ নিম্নস্তৰৰ কাম বাসনাক ভস্ম কৰি দিলে। তেতিয়া পাৰ্বতী দেৱীয়েও বুজিলে তেওঁৰ পৰম আৰাধনীয় মৃত্যুঞ্জয় মহাদেৱক লাভ কৰাৰ ক্ষেত্ৰত তেওঁৰ ৰূপ-যৌৱন একেবাৰে অসাৰ্থক। এইবাৰ কালিদাসে সুকুমাৰী উমাৰ উদ্দাম যৌৱনক জগতৰ কল্যাণৰ অৰ্থে সংযত কৰি যৌৱন-সুলভ কাৰ্যক্ষমতাক এক কল্যাণ-কৰ মহাসাধনাত নিয়োগ কৰিলে।

প্ৰাণপ্ৰিয় শিৱক লাভ কৰিবলৈ কঠোৰ তপস্যাত ব্ৰতী হৈ বনলৈ ওলোৱা কোমলাংগী উমাক দেখি মেনাৰ মাতৃ-হৃদয় কান্দি উঠিল। গিৰিৰাজ হিমালয়ে কিন্তু নিজ কন্যাৰ এই কল্যাণকৰ অভিলাষত স্বাগত জনাই উমাক তপস্যা কৰিবলৈ পঠালে।

চঞ্চলা, চপলা, কামিনী উমা এতিয়া তপস্বিনী হ'ল। উমাৰ যি চন্দন-লেপিত বক্ষঃস্থলত আগতে বহুমূলীয়া হাৰে শোভা কৰিছিল, এতিয়া তাত বল্কলবসনে ঠাই পালে। কঁকালত ৰত্নময় মেখলাৰ ঠাইত ধাৰ লগা মৌঞ্জী ঘাঁহৰ ৰছী ওলমিল। আগেয়ে ওঁঠত অংগৰাগ সানোতে ৰঙা হোৱা আঙুলিবোৰ এতিয়া কুশবন ছিঙোতে তেজেৰে ৰাঙলী হ'ল। আগতে টোপ খেলা আঙুলী এতিয়া ৰুদ্ৰাক্ষৰ মালা জপ কৰাত ব্যস্ত হ'ল। যি পাৰ্বতীয়ে আগতে সুকোমল শয্যাত, ফুলৰ পাপৰি এটি পৰি থাকিলেও শোওঁতে কষ্ট পাইছিল, এতিয়া তেওঁ হাতৰ ঠাৰিতে মূৰ থৈ শিলৰ ওপৰতে শোৱে। খেলা-ধূলাতে আগেয়ে ভাগৰি পৰা পাৰ্বতী এতিয়া অক্লান্তভাৱে তপস্যাত ৰত হ'ল।

পৰ্বত-নন্দিনীৰ কি কঠোৰ তপস্যা—গ্ৰীষ্মকালত চাৰি কুৰা যজ্ঞীয় অগ্নিৰ মাজত সোমাই উত্তপ্ত সূৰ্যলৈ একেৰাহে চাই থাকে; অযাচিতে মুখত পৰা বৰষুণৰ পানীহে তেওঁ পান কৰে। বাৰিষাৰ অবিৰল বৃষ্টিধাৰা শিৰত লৈ বনৰ মাজত শিলাতলত শয়ন কৰা পাৰ্বতীৰ কঠোৰ তপস্যাৰ সাক্ষী হয়, বিজুলিৰ চিকমিকনিৰে চকু মেলি চোৱা অন্ধকাৰ ৰজনীহে। পুহ-মাঘীয়া অবিৰল হিমপাত হোৱাৰ সময়ত পাৰ্বতীয়ে পানীত নামি তপস্যা কৰে। তপস্যাৰ কালত প্ৰথমতে গছৰ পাত খাই প্ৰাণ ধাৰণা কৰা পাৰ্বতীয়ে পিছলৈ তাকো খাবলৈ এৰি দি অপৰ্ণা আখ্যা লাভ কৰিলে। দেৱতাসকলে ৰতি-কামদেৱ আৰু মধুবসন্তৰ সম্ভাৱেৰে অনন্য ৰূপ-লাৱণ্যময়ী পাৰ্বতীৰ ফালে যি শিৱৰ মন টলাব নোৱাৰিলে, পাৰ্বতীৰ কঠোৰ তপস্যাৰ ফলত সেই শিৱ নিজে আহি আৰাধিকাৰ সমুখত ব্ৰহ্মচাৰীৰ বেশেৰে উপস্থিত হ'ল।

ব্ৰহ্মচাৰীৰূপী শিৱই প্ৰথমতে, সকলো প্ৰকাৰৰ প্ৰাচুৰ্য যাৰ সহজলভ্য, সেই গিৰিৰাজ-নন্দিনীয়ে অজ্ঞাতকুল, প্ৰৌঢ়, নিঃস্ব, তিনিটা চকুৰে বিকৃতাংগ শ্মশানচাৰী, গজচৰ্ম আৰু সৰ্পবলয়ধাৰী বৃদ্ধ-বৃষভবাহন, নৰকপালধাৰী শিৱৰ সমাগম প্ৰাৰ্থনা কৰাৰ কাৰণে তেওঁক বহুত উপহাস কৰিলে। পৰমেশ্বৰ শিৱৰ স্বৰূপজ্ঞা পাৰ্বতীয়ে ব্ৰহ্মচাৰীয়ে দোষ বুলি কোৱা লক্ষণবোৰ প্ৰকৃত পক্ষে শিৱৰ অনন্যসাধাৰণ গুণহে বুলি প্ৰমাণ কৰিলে আৰু মহাত্মা শিৱৰ নিন্দুক সেই ব্ৰহ্মচাৰীৰ ওচৰৰপৰা তত্তালিকে আঁতৰি যাবলৈ তেওঁ উদ্যত হ'ল। সেই সময়তে শিৱই নিজ ৰূপ ধাৰণ কৰি পাৰ্বতীক যোৱাত বাধা দিলে।

বহু সাধনাৰ মূৰত অপ্ৰত্যাশিতভাৱে প্ৰিয়জনক এইদৰে সমুখত পাই পাৰ্বতীৰ যি প্ৰতিক্ৰিয়া হ'ল, কালিদাসে তাৰ মনোৰম বৰ্ণনা দিছে। শিৱক দেখা পাই পাৰ্বতীৰ ক্ষীণ শৰীৰ কঁপিবলৈ ধৰিলে, তেওঁ তেনেই ঘামত তিতি গ'ল,। যাবলৈ বুলি দাঙি ধৰা ভৰি তেনেদৰেই ৰ'ল। সেইদৰে তন্ময় হৈ পৰা পাৰ্বতীক শিৱই ক'লে—"তৱাস্মিদাসঃ ক্ৰীতস্তপোভিঃ" মই তোমাৰ

তপস্যাৰদ্বাৰা কিনি লোৱা দাস। কালিদাসৰ তপঃশুদ্ধা পাৰ্বতীয়ে সামাজিক নিয়ম লঙ্ঘন নকৰি বিশ্বাত্মা শিৱক সখীয়েকৰ যোগেদি জনালে--"দাতা মে ভূভৃতাং নাথঃ প্ৰমাণীক্ৰিয়তামিতি"--গিৰিৰাজ হিমালয় মোক দান কৰাৰ অধিকাৰী, গতিকে যথাবিহিতভাৱে মোক তেওঁৰপৰা পোৱাৰ ব্যৱস্থা কৰক। শিৱও সেই ব্যৱস্থাত সন্মত হ'ল--কাৰণ সজ্জনসকলে ঘটাই দিয়া সম্বন্ধই কেতিয়াও অনৰ্থ ঘটাব নোৱাৰে। সপ্তৰ্ষিগণৰ মধ্যস্থতাত, দেৱতাসকলৰ সহযোগিতাত জগতৰ কল্যাণজনক উমা-শংকৰৰ বিবাহ যথাবিহিত সামাজিক ব্যৱস্থাৰে সম্পন্ন হোৱাৰ চিত্ৰ কালিদাসে বিস্তৃত ৰূপত অংকন কৰিছে। হিমালয়ৰ ওচৰত শিৱলৈ পাৰ্বতীক সপ্তৰ্ষিগণে খুজিবলৈ যোৱাৰ সময়ত লজ্জানম্ৰ হৈ পাৰ্বতীয়ে পদুমৰ পাহি গণি থকা, বশিষ্ঠপত্নী অৰুন্ধতীয়ে ভাৱী-বোৱাৰী পাৰ্বতীক কোলাত তুলি মৰম কৰা, কন্যাৰ ভাৱী বিবাহত মেনকা আকুল হৈ পৰা, বিয়াত সখীয়েকহঁতে নানা পৰিহাস কৰি পাৰ্বতীক সজোৱা-পৰোৱা কৰা প্ৰভৃতি আমাৰ চিৰপৰিচিত ৰূপৰ বৰ্ণনা কৰি কালিদাসে দেৱীৰ মানৱীকৰণত সাৰ্থকতা লাভ কৰিছে।

কন্যাদানৰ সময়ত প্ৰথম পুৰুষ-হস্তৰ স্পৰ্শত উমা ৰোমাঞ্চিত হ'ল, প্ৰেয়সীৰ পৰশত শিৱৰো হাতৰ আঙুলী ঘামত তিতি গ'ল। কালিদাসৰ এই বৰ্ণনাও নিতান্ত মানৱসুলভ। বিবাহৰ পাছত কালিদাসে শিৱ-পাৰ্বতীৰ সম্ভোগ বৰ্ণনা বহল ৰূপত দাঙি ধৰিছে। এই বৰ্ণনাত 'জগদেক-মাতা' পাৰ্বতীৰ চৰিত্ৰত অসুৰ-মৰ্দিনীৰ উগ্ৰতাৰ লেশমাত্ৰাও নাই; আছে মাত্ৰ নৱবিবাহিতা বধূৰ স্নিগ্ধ-মধুৰ কাম বাসনা। নৱ-বধূ পাৰ্বতীক লৈ কালিদাসৰ পৰমেশ্বৰ শিৱই অনেক ৰমণীয় স্থানত কৌতুক-বিহাৰ কৰি ফুৰিছে। সেই প্ৰসংগতে মহাকবিয়ে দেৱীৰ এক নাৰীসুলভ ৰোষৰো সুন্দৰ ৰূপায়ণ কৰিছে।

নৱবিবাহিত দম্পতি উমা-শংকৰ গন্ধমাদন-কাননত উপস্থিত হ'ল। ধাতুৰাগ ৰঞ্জিত কাঞ্চনময় শিল এছটাৰ ওপৰত বাওঁহাতে পাৰ্বতীক লৈ শিৱ বহিল আৰু তাৰপৰা অস্তগামী সূৰ্যৰ ৰমণীয় ৰূপৰাশি চাই চাই ভোল

গ'ল। মানোৰমা সন্ধ্যা উপস্থিত হোৱাত শিৱই দেৱীৰ ওচৰত কিছুসময়ৰ কাৰণে মেলানি মাগি সন্ধ্যা উপাসনা কৰাত লাগিল। সন্ধ্যাৰ প্ৰতি মহাদেৱৰ অনুৰাগ দেখি নৱ-বধূ পাৰ্বতীৰ নাৰীসুলভ অসূয়া জন্মিল। পাৰ্বতীয়ে স্বামীৰ ওপৰত অভিমান পাতিলে। শিৱই বহুতো অনুনয়-বিনয় কৰি পাৰ্বতীৰ ৰোষ ভাঙিলে। এইদৰে মহাদেৱৰ প্ৰেয়সী পত্নীৰ ৰূপত চিত্ৰিত কৰাৰ পাছত, কুমাৰ কাৰ্তিকেয়ৰ মাতৃৰ ৰূপত চিত্ৰিত কৰি মহাকবি কালিদাসে 'জগদেকমাতা' পাৰ্বতীক সন্তান-বৎসলা জননীৰ ৰূপত দাঙি ধৰিছে। সেই মাতৃত্বৰ ৰূপায়ণে দেৱীৰ চৰিত্ৰটিত নাৰীত্বৰ পূৰ্ণতা আনি দিছে।

কালিদাসৰ "ধাত্ৰী সমস্তস্য চৰাচৰস্য" পাৰ্বতীয়ে যেতিয়া প্ৰথম বাৰৰ কাৰণে কাৰ্তিকক কোলাত তুলি ললে, তেওঁৰ দুধাৰেদি বাৎসল্য স্নেহৰ চকুলো বৈ গ'ল। প্ৰথমবাৰৰ কাৰণে পুত্ৰমুখ দৰ্শন কৰোঁতে অশ্ৰুধাৰাই পাৰ্বতীক আমনি কৰিলে। ফুলৰ কলি যেন হাত দুখনিৰে পুত্ৰকক তুলি লোৱাৰ সময়ত পাৰ্বতীৰ শৰীৰ ৰোমাঞ্চিত হৈ পৰিল। শিশুটিক চাই চাই যেন জগজ্জননীৰ হেঁপাহ নপলাবই। তেওঁ অকৃত্ৰিম বাৎসল্য ৰসত মগ্ন হৈ পৰিল। তেওঁৰ বুকুৰপৰা দুগ্ধধাৰা বৈ গ'ল। বহু তপস্যাৰ মূৰত প্ৰিয়তম শিৱক সন্মুখতে পাই তন্ময় হৈ পৰা প্ৰেমিকা পাৰ্বতীৰ দৰে, প্ৰথম বাৰৰ কাৰণে পুত্ৰক কোলাত তুলি তন্ময় হৈ পৰা পাৰ্বতীৰ চিত্ৰয়ো আমাক এক অনিৰ্বচনীয় তন্ময়তাৰ মাজলৈ লৈ যায়।

ইয়াৰ পিছতো কালিদাসে কাৰ্তিকৰ শিশু-সুলভ কৌতুকক লৈ ব্যস্ত থকা পিতৃ-মাতৃৰ ৰূপত শিৱ-পাৰ্বতীৰ বৰ্ণনা দিছে। এইদৰে 'কুমাৰসম্ভৱ' কাব্যত 'জগদেকমাতা' পাৰ্বতীৰ কুমাৰী, কিশোৰী, নৱবধূ, সন্তানৰ মাতৃ আৰু মাতৃৰ দায়িত্বৰে গভীৰ হৈ পৰা গৃহিণী—এই সমুদায় ৰূপতে এক স্নিগ্ধ শীতল সামগ্ৰিক মূৰ্তি দাঙি ধৰা হৈছে। নাৰীত্বৰ সমস্ত মহিমাৰে মণ্ডিতা কালিদাসৰ এই দেৱী ভাৰতৰ শক্তি-সাধনাৰ ইতিহাসত অনন্যা হৈ আছে। □

কালিদাসৰ সাহিত্যত প্ৰেম

ধৰ্ম, অৰ্থ আৰু কাম—এই তিনিও পুৰুষাৰ্থৰ প্ৰতি সমভাৱে আসক্ত হোৱাটোহে প্ৰাচীন ভাৰতীয় আদৰ্শ আছিল। যি এই তিনিটাৰ ভিতৰত এটাৰ প্ৰতিহে আসক্ত হয়, তেওঁক মহাভাৰতে 'জঘন্য' আখ্যা[১] দিছে।

ধৰ্মৰ অবিৰোধী প্ৰেমেই প্ৰাচীন ভাৰতীয় সাহিত্যিকসকলৰ আদৰ্শ প্ৰেম আছিল। আত্মকেন্দ্ৰিক ক্ষুদ্ৰ স্বাৰ্থক অতিক্ৰম কৰি বৃহত্তৰ স্বাৰ্থৰ ফালে ক্ৰমান্বয়ে আগবাঢ়ি যাব পৰা প্ৰেমকে আদৰ্শনীয় ৰূপত প্ৰাচীন ভাৰতীয় সাহিত্যিকসকলে গ্ৰহণ কৰিছিল। এই প্ৰেম কেৱল কাম-প্ৰবৃত্তি নহয়, ই কেৱল যৌন আকৰ্ষণতে সীমাবদ্ধ নহয়, ই ঐশ্বৰিক বিভৱ। গীতাত ভগৱান শ্ৰীকৃষ্ণই ধৰ্মৰ বিৰোধিতা নকৰা কাম-ভাৱক নিজৰ স্বৰূপ বুলিছে—'ধৰ্মাৱিৰোধিভূতেষু কামোঽস্মি ভাৰতৰ্ষভ' (গীতা ৭।১১)।

ধৰ্মৰ অনুকূল কামভাৱহে প্ৰেম ; ধৰ্মৰ বিৰোধ আচৰণ কৰা কাম-প্ৰবৃত্তি মানৱীয় বা দৈৱিক বৃত্তি নহৈ পশুবৃত্তিৰ শ্ৰেণীতহে থাকে। প্ৰেমিকে যেতিয়া আত্মকেন্দ্ৰিক ভাৱ পৰিত্যাগ কৰি নিজৰ স্বাৰ্থ সন্তান-সন্ততি, পৰিয়াল আৰু সমাজৰ কল্যাণৰ অৰ্থে বিলাই দিয়ে, তেতিয়াই সেই প্ৰেম সাৰ্থক হয়। কালিদাসৰ সাহিত্যত প্ৰেমৰ এই ৰূপটিকে চিত্ৰিত কৰা হৈছে। মহাকবি কালিদাসৰ প্ৰেমমূলক কাব্য দুখন—কুমাৰসম্ভৱ আৰু মেঘদূত ; প্ৰেমমূলক নাটক তিনিখন—অভিজ্ঞানশকুন্তল, বিক্ৰমোৰ্ৱশী আৰু মালৱিকাগ্নিমিত্ৰ। এই ৰচনা কেইখনিত মহাকবিয়ে কি ৰূপত প্ৰেমক দাঙি ধৰিছে, ইয়াত তাৰে এটা আলোচনা কৰা হৈছে।

ধৰ্মৰ অবিৰোধী কামেইহে প্ৰেমৰ মৰ্যাদা লাভ কৰে বোলোতে ধৰ্ম শব্দটোৰ কিছু ব্যাখ্যাৰ প্ৰয়োজন। ধৰ্মক আমি সাধাৰণতে ঈশ্বৰ উপাসনাৰ লগত জড়িত যি অৰ্থত (যেনে--হিন্দুধৰ্ম, বৌদ্ধধৰ্ম) ব্যৱহাৰ কৰোঁ,

---

১. ধৰ্মাৰ্থকামাঃ সমমেৱ সেৱ্যাঃ, যো হ্যেকাসক্তঃ স জনো জঘন্যঃ ॥ [মহাভাৰত]

তাত বাদেও এই শব্দৰ অনেক অৰ্থ আছে। তাৰ ভিতৰত নৈতিক আচৰণ আৰু কৰ্তব্যও অন্যতম। মনু, পৰাশৰ আদিয়ে ৰচনা কৰা নৈতিক আচৰণমূলক শাস্ত্ৰবোৰক সেইকাৰণেই ধৰ্মশাস্ত্ৰও বোলা হয়। সংস্কৃত সাহিত্যত কৰ্তব্যৰ অৰ্থতো ধৰ্ম শব্দৰ বহুল প্ৰয়োগ দেখা যায়।[২] গতিকে আমি এই প্ৰসংগতো ধৰ্মক এই দুটা অৰ্থতহে গ্ৰহণ কৰিম। এনেকুৱা নৈতিক আচৰণ আৰু কৰ্তব্যৰূপী ধৰ্মৰ যি বিৰোধ কৰে তেনে কাম-প্ৰবৃত্তিয়ে ব্যক্তিগত আৰু সামাজিক কল্যাণত প্ৰতিবন্ধক জন্মায়। কাম প্ৰবৃত্তিৰ অন্ধ অনুৰাগীসকলে কৰ্তব্য বা ধৰ্মাধৰ্মৰ বিচাৰ পাহৰি যায়। মহাকবি কালিদাসে ওপৰত উল্লেখ কৰা ৰচনা কেইখনিত মানুহক বিপথগামী কৰা ধৰ্মবিৰোধী স্বাৰ্থমূলক কাম-প্ৰবৃত্তিক উদাত্ত প্ৰেমৰ ৰূপ দান কৰি তাক ধৰ্মৰ অনুকূল ঐশ্বৰিক বিভূতিত পৰিণত কৰিছে।

কুমাৰসম্ভৱ কাব্যত থকা মদন-ভস্মৰ কাহিনীটো কবিৰ আদৰ্শ প্ৰেমৰ এটি ৰূপক যেন ধাৰণা হয়। মদনে পাৰ্বতীৰ ৰূপ-যৌৱনেৰে সমাধিস্থ শংকৰৰ সমাধি ভংগ কৰিব খুজিছিল অৰ্থাৎ কাম-প্ৰবৃত্তিয়ে জগতৰ মংগল সাধকৰ (শম্-কল্যাণ ; কৰ-কৰোতা ; শিৱ—মংগলময়) মন আধ্যাত্মিক সাধনাৰপৰা বিৰত কৰিব খুজিছিল। এইদৰে ধৰ্মৰ বিৰোধ আচৰণ কৰা কামক শিৱৰ তৃতীয় নেত্ৰৰ অৰ্থাৎ জ্ঞানৰ উন্মীলনে ভস্ম কৰি পেলালে। ৰূপ-যৌৱন আৰু বাহ্যিক সৌন্দৰ্যেৰে জগতৰ কল্যাণ অথবা মংগলৰ প্ৰতীক শিৱক লাভ কৰিবলৈ প্ৰেমিকা পাৰ্বতী অসমৰ্থ হ'ল। কঠোৰ তপস্যা-ৰূপ অগ্নিত পৰিশোধিত হোৱাৰ পিছতহে পাৰ্বতীয়ে শিৱক লাভ কৰিব পাৰিছে। পাৰ্বতীৰ সংকীৰ্ণ স্বাৰ্থত আবদ্ধ প্ৰেম যেতিয়া ধৰ্মৰ অবিৰোধী ঐশ্বৰিক বিভূতিৰ স্তৰত উপনীত হ'ল, তেতিয়াহে তেওঁ প্ৰেমাস্পদ শিৱক লাভ কৰিলে।

কালিদাসৰ এই কাহিনীৰ তাৎপৰ্য হৈছে ধৰ্মৰ বিৰোধ আচৰণ কৰা কাম প্ৰবৃত্তিক জ্ঞান-ৰূপ অগ্নিত পৰিশোধিত কৰিব পাৰিলেহে কল্যাণপ্ৰাপ্তি

২. তুলনীয়—ষষ্ঠাংশবৃত্তেৰপি ধৰ্ম এষঃ। [শকুন্তলা ৫/৪]

হয়। শিৱ-পাৰ্বতীৰ মিলনৰ ফল ব্যাপক জনকল্যাণত পৰিণত হৈছেগৈ—অসুৰ শক্তিৰ প্ৰতিভূ তাৰকাসুৰৰ বিনাশক কুমাৰ কাৰ্ত্তিকেয়ৰ উৎপত্তিত। এইদৰে কালিদাসৰ নায়িকা পাৰ্বতীৰ ব্যক্তিগত স্বাৰ্থজড়িত প্ৰেমে বৃহত্তৰ স্বাৰ্থত বিলীন হৈ জগতৰ কল্যাণ সাধনা কৰিছে। শিৱ-পাৰ্বতীৰ বিবাহৰ পিছত মদনে পুনৰ্জন্ম লাভ কৰাৰ তাৎপৰ্যও হৈছে, জ্ঞানৰদ্বাৰা পৰিশোধিত কামভাৱৰ পুনৰ উদয়হে।

'মেঘদূ৽' কাব্যত নিৰ্বাসিত যক্ষৰ বিৰহ বৰ্ণনা কৰা হৈছে। এই যক্ষৰ নিৰ্বাসনৰ কাৰণ স্বৰূপে কোৱা হৈছে—তেওঁ "স্বাধিকাৰাৎপ্ৰমত্ত:"—অৰ্থাৎ নিজ কৰ্তব্য অৱহেলা কৰি প্ৰমাদ ঘটাইছে। কালিকাসৰ কাব্যখনিত যক্ষইনো কেনেকৈ স্বাধিকাৰত প্ৰমাদ ঘটাইছে তাৰ একো বৰ্ণনা দিয়া নাই। টীকাকাৰসকলৰ পাতনিৰপৰাহে ধৰি লোৱা হয় যে যক্ষই নৱ পৰিণীতা পত্নীৰ সংগসুখত মগ্ন হৈ স্বামী কুবেৰৰ প্ৰতি পালন কৰিবলগীয়া কৰ্তব্যক আওহেলা কৰিছিল। সেইকাৰণে তেওঁ যক্ষৰাজ কুবেৰৰ শাপভাগী হ'ব লগা হ'ল। যি কি নহওক, তেওঁ স্বাধিকাৰপ্ৰমত্ত হোৱাৰ কাৰণেই কুবেৰৰ শাপগ্ৰস্ত হৈ অলকাপুৰীত প্ৰিয়তমাক এৰি ৰামগিৰি আশ্ৰমত নিৰ্বাসন ভোগ কৰাটো কালিদাসৰ কাব্যত স্পষ্টকৈ কোৱা আছে।

যক্ষই পত্নীৰ সংগত আসক্ত হৈ কৰ্তব্যক আওহেলা কৰিলে। যক্ষৰ এয়া প্ৰেম নহয়; ধৰ্ম বা কৰ্তব্যৰ বিৰোধী কামপ্ৰবৃত্তিহে। মহাকবিয়ে এই কৰ্তব্যবিমুখ কামপ্ৰবৃত্তিক বিৰহৰ অনলত পৰিশোধিত কৰি ধৰ্মৰ অনুকূল ৰূপ দি দেখুৱালে। কামনাত অন্ধ হৈ প্ৰমাদ ঘটোৱা যক্ষই প্ৰিয়তমা আৰু ভোগভূমি অলকাপুৰী এৰি কৰ্মভূমি ভাৰতবৰ্ষত নিৰ্বাসনা দণ্ড ভুগিবলগীয়া হ'ল। কবিয়ে কৰ্তব্যভ্ৰষ্ট যক্ষৰ নিৰ্বাসনৰ কাৰণে কৰ্মভূমি ভাৰতবৰ্ষৰ এনে এখন স্থান নিৰ্বাচন কৰিছে য'ত কৰ্তব্যপালনৰ মূৰ্তিমান ৰূপ শ্ৰীৰামচন্দ্ৰই পিতৃসত্য ৰক্ষাৰ কাৰণে স্ব-ইচ্ছাৰে ৰাজভোগ এৰি সন্ন্যাসীৰ বেশ ধাৰণ কৰি সহধৰ্মিণী সীতাৰ সৈতে বাস কৰিছিল, সেই

---

৩. জনকতনয়া-স্নান-পুণ্যোদকেষু- - - - - - ৰামগিৰ্য্যাশ্ৰমেষু। [মেঘঃ ১/১]

ৰামগিৰি আশ্ৰম। ৰাম-সীতা মহাকবিৰ আদৰ্শ প্ৰেমৰ প্ৰতীক। যক্ষৰ নিৰ্বাসনৰ স্থান ৰামগিৰিৰ জলৰাশি পুণ্যশ্লোক জনকতনয়া সীতাদেৱীৰ সংসৰ্গত পবিত্ৰ হৈছিল।

সীতা সেইজন ৰাজৰ্ষি জনকৰ কন্যা, যিজনে ভোগ আৰু যোগৰ মাজত সুন্দৰ সামঞ্জস্য স্থাপন কৰিছিল। সীতা নিজেও স্বাৰ্থত্যাগৰ প্ৰতি-মূৰ্তি-স্বৰূপা আছিল। কৰ্তব্য পালনৰ মূৰ্তিমান ৰূপ শ্ৰীৰামচন্দ্ৰ আৰু তেওঁৰ সহধৰ্মিণীয়ে বনবাসৰ পবিত্ৰ জীৱন যাপন কৰা ৰামগিৰিৰ নিৰন্তৰ দৰ্শন আৰু ৰাম সীতাৰ আদৰ্শচিন্তনে যক্ষক আদৰ্শ প্ৰেমিকত পৰিণত কৰাটোৱেই হৈছে ৰামগিৰি আশ্ৰমত কৰ্তব্যভ্ৰষ্ট প্ৰেমিক যক্ষৰ নিৰ্বাসনৰ তাৎপৰ্য।

সুদীৰ্ঘ আঠমাহ পূতভূমি ৰামগিৰি আশ্ৰমত বাস কৰাৰ পিছত যক্ষৰ আত্মকেন্দ্ৰিক প্ৰেমে বিশুদ্ধ ধৰ্মানুযায়ী ৰূপ লাভ কৰা দেখা গৈছে। বিৰহৰ জুই আৰু কৰ্তব্যপালনৰ মূৰ্তিমান ৰূপ ৰাম-সীতাদম্পতীৰ পবিত্ৰ আদৰ্শই যক্ষক এইখিনি সময়তে অন্তঃশুদ্ধ কৰি দিছে। এই যক্ষই এতিয়া কৰ্তব্য পালনৰ সময় দিনত নহয়, কৰ্তব্য-সমাপনৰ পিছত ৰাতিহে পত্নীৰ সংগত মনৰ অভিলাষ পূৰণ কৰিবলৈ বাঞ্ছা কৰিছে। তেওঁ সেই সময়ত মেঘদূতৰ মুখেদি প্ৰিয়তমালৈ এইবুলি সংবাদ পঠাইছে—"যেতিয়া (কাতিমাহৰ উৎথান একাদশীত)[8] বিষ্ণুৱে অনন্তশয্যা ত্যাগ কৰিব, তেতিয়াই মোৰ শাপৰ অৱসান ঘটিব। (মোৰ নিৰ্বাসনৰ) বাকী থকা চাৰিমাহ তুমি চকু মুদি পাৰ কৰি দিয়া। তাৰ পিছত বিৰহে বঢ়াই নিয়া আমাৰ মনৰ অভিলাষবোৰ শাৰদীয় জ্যোৎস্নাৰে উদ্ভাসিত নিশাবোৰত পূৰ্ণ কৰিম।[5]

---

৪. শেতে বিষ্ণুঃ সদাষাঢ়ে কাৰ্তিকে প্ৰতিবুধ্যতে [*বিষ্ণুপুৰাণ*]

৫. শাপান্তো মে ভুজগশয়নাদুত্থিতে শাৰ্ঙ্গপাণৌ
শেষান্ মাসান্ গময় চতুৰো লোচনে মীলয়িত্বা।
পশ্চাদাৱাং বিৰহগুণিতং তং তমাত্মাভিলাষং
নিৰ্বেক্ষ্যাৱঃ পৰিণতশৰচ্চন্দ্ৰিকাসু ক্ষপাসু॥ [উত্তৰ মেঘ—৫৩]

যক্ষ এতিয়া কামুকৰ শ্ৰেণীত নাই ; তেওঁ এতিয়া ধৰ্ম-অভিমুখী বিশোধিত প্ৰেমিকহে। যক্ষৰ ধৰ্ম-বিমুখ স্বাৰ্থপৰ কাম-বাসনা এতিয়া কৰ্ত্তব্য-পালনৰূপ ধৰ্মৰ অনুকূল ঐশ্বৰিক বিভূতিহে, যাক ভগৱান শ্ৰীকৃষ্ণই নিজৰ স্বৰূপ বুলিছে।

শকুন্তলা নাটকতো কালিদাসে প্ৰেমৰ একেটা আদৰ্শকে ৰূপায়িত কৰিছে। মৃগয়া অনুসৰণ কৰি মহৰ্ষি কণ্বৰ আশ্ৰমৰ উপকণ্ঠত উপস্থিত হোৱা দুষ্যন্তক বৈখানসে আশ্ৰমলৈ আমন্ত্ৰণ কৰিলে। পৌৰৱ নৃপতিৰদ্বাৰা ধৰ্মাধিকাৰত[৬] অৰ্থাৎ ন্যায় শাসনত নিযুক্ত বুলি দুষ্যন্তই আশ্ৰমকন্যাসকলক আত্মপৰিচয় দিছিল যদিও, এই ধৰ্মাধিকাৰী দুষ্যন্তৰ ধৰ্মবিষয়ক কামৰ পৰিচয় প্ৰথম অংকত পোৱা হোৱা নাই। তেওঁ প্ৰথম দৃষ্টিতে শকুন্তলাৰ প্ৰতি প্ৰণয়াসক্ত হৈ কণ্বৰ অনুপস্থিতিতে শকুন্তলাৰ লগত গোপন মিলন সংঘটিত কৰিছে। ধৰ্মাধিকাৰত নিযুক্ত নৃপতিয়ে ঋষিৰ অনুপস্থিতিত আশ্ৰমবৃদ্ধা গৌতমীৰো অনুমতি নিবিচাৰিলে। প্ৰথম দৃষ্টিতে উদয় হোৱা অন্ধ কাম-বাসনাত কৰ্ত্তব্যবোধ পাহৰি যোৱা দুষ্যন্তক সেয়েহে কালিদাসে ক্ষমা নকৰিলে। কালিদাসে দুষ্যন্তৰ এই অপৰাধৰ কথা শকুন্তলাক পতিগৃহত থবলৈ যোৱা গৌতমীৰ মুখেদি ব্যক্ত কৰিছে[৭]—"মোৰ কোৱাৰ থলেই নাই, কাৰণ শকুন্তলায়ো গুৰুজনলৈ (অনুমতিৰ) অপেক্ষা নকৰিলে আৰু তুমিও আত্মীয়-স্বজনক সোধা-পোছা নকৰিলা। তোমালোকে দুয়ো নিজ নিজ ইচ্ছা মতেই কাম কৰিলা। তেনেস্থলত মইনো কি ক'ম?"

স্বামীয়ে নিষ্ঠুৰভাৱে প্ৰত্যাখ্যান কৰাৰ আগমুহূৰ্ত্তত কোৱা গৌতমীৰ এই কথাষাৰে দুষ্যন্তৰ দৰে শকুন্তলাকো একে দোষতে দোষী কৰিছে।

---

৬. পৌৰৱেণ ৰাজ্ঞা ধৰ্মাধিকাৰে নিযুক্তঃ সোঽহমাশ্ৰমিণামবিঘ্নক্ৰিয়োপলম্ভায় ধৰ্মাৰণ্যমিদমায়াতঃ। [শকুন্তলা ১ম অংক]

৭. ন মে বচনাৱসৰোঽস্তি, কথমিতি—
নাপেক্ষিতো গুৰুজনোঽনয়া ত্বয়া পৃষ্টো ন বন্ধুজনঃ।
একৈকস্মিন্নেৱ চৰিতে ভণামি কিমেকৈকম্ ॥ [শকুন্তলা ৫/১৬]

গুৰুজনক গণ্য নকৰাৰ উপৰিও শকুন্তলাই কৰ্তব্যপালনতো অক্ষমনীয় ক্ৰুটী ঘটাইছে। সোমতীৰ্থলৈ যাবৰ পৰত মহৰ্ষি কণ্বই স্নেহৰ দুহিতা শকুন্তলাৰ ওপৰতে আশ্ৰমৰ অতিথি-সৎকাৰৰ ভাৰ দি গৈছিল[৮]। শকুন্তলাই আশ্ৰমৰ অতিথি বুলি নহয়, যৌৱনৰ অতিথি বুলিহে দুষ্যন্তক প্ৰাণসৰ্বস্ব দি সৎকাৰ কৰিলে ; কিন্তু আশ্ৰমৰ মাননীয় অতিথি দুৰ্বাসাক সৎকাৰ কৰিব-লগীয়া কৰ্তব্যক তেওঁ অৱহেলা কৰিলে। শকুন্তলাই প্ৰিয়তম দুষ্যন্তৰ চিন্তাত মগ্ন হৈ থাকোঁতে তপোধন দুৰ্বাসাই মাত দিওঁতেও তেওঁৰ উপস্থিতিৰ কথা জানিব নোৱাৰিলে। নিজ কৰ্তব্যক অৱজ্ঞা কৰা কামনাতুৰা শকুন্তলাকো মহাকবিয়ে ক্ষমা নকৰিলে। দুষ্যন্ত-শকুন্তলাৰ আত্মকেন্দ্ৰিক প্ৰেমক সংশোধিত ৰূপ দিবলৈ মহাকবিয়ে এক অভিনৱ উপায় উলিয়ালে—সেয়ে হৈছে মহাভাৰতৰ শকুন্তলা উপাখ্যানত নথকা দুৰ্বাসাৰ অভিশাপ। মহাভাৰতৰ মতে আশ্ৰমতে জন্ম হোৱা পুত্ৰেৰে সৈতে শকুন্তলাক কণ্বই স্বামীৰ ঘৰলৈ পঠিয়াই দিয়াত দুষ্যন্তই লোক-অপবাদৰ ভয়ত শকুন্তলাক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল যদিও পিছত দৈৱবাণীৰ নিৰ্দেশক্ৰমে তেওঁ ধৰ্মপত্নীক গ্ৰহণ কৰে।

কালিদাসে কৰ্তব্য অৱজ্ঞাকাৰী দম্পতী দুষ্যন্ত-শকুন্তলাক দণ্ড বিহিবৰ কাৰণে অতিথি ৰূপে দুৰ্বাসা ঋষিক আশ্ৰমত অৱতাৰণা কৰিলে। কালিদাসৰ মতে পূজনীয়সকলৰ পূজাত ব্যতিক্ৰম ঘটিলে মহান অনৰ্থৰ সৃষ্টি হয়[৯]। ৰঘুবংশত ৰজা দিলীপৰ উদাহৰণেৰে মহাকবিয়ে এই কথা প্ৰতিপাদন কৰিছে। ৰজা দিলীপে এবাৰ স্বৰ্গৰপৰা ঘৰলৈ প্ৰত্যাবৰ্তন কৰাৰ সময়ত পত্নীৰ ঋতুৰক্ষাৰ চিন্তাত তেওঁ মগ্ন হৈ আছিল। সেইকাৰণে বাটত থকা সুৰধেনু সুৰভিক তেওঁ সৎকাৰ নকৰাকৈয়ে গুচি আহিল। স্বাৰ্থান্ধ হৈ পূজনীয়জনৰ পূজাত এইদৰে ব্যতিক্ৰম ঘটোৱাত কালিদাসে দিলীপক

৮. ইদানীমেব দুহিতৰং শকুন্তলামতিথিসৎকাৰায় নিযুজ্য দৈৱমস্যাঃ প্ৰতিকূলং শমযিতুং সোমতীৰ্থং গতঃ। [শকুন্তলা ১ম অংক]

৯. প্ৰতিবধ্নাতি হি শ্ৰেয়ঃ পূজ্যপূজাব্যতিক্ৰমঃ ॥ [ৰঘু ১।৭৯]

শাস্তি বিহিছে—সন্তানহীন হ'বলৈ বুলি সুৰভিয়ে দিয়া অভিশাপেৰে। পিছত বশিষ্ঠৰ আজ্ঞামতে এই দোষৰ প্ৰায়শ্চিত্ত ৰূপে দিলীপে সপত্নীক হৈ সুৰভিতনয়া নন্দিনীক পৱিত্ৰ ব্ৰত সহকাৰে শুশ্ৰূষা কৰিহে সন্তান লাভ কৰিব পাৰিছে। এতিয়া পূজ্যপূজাত ব্যতিক্ৰম ঘটাই শকুন্তলায়ো বাঞ্ছিত বস্তু লাভৰপৰা বঞ্চিত হৈছে। অতিথি অৱজ্ঞাকাৰিণী শকুন্তলাক দুৰ্বাসাই এই বুলি অভিশাপ দিলে--"অন্যৰ প্ৰতি কোনো মনোযোগ নোহোৱাকৈ তই যাৰ চিন্তাত মগ্ন হৈ তপোধন মোৰ উপস্থিতিৰ কথা নাজানিলি, সেইজনেই মনত পেলাই দিলেও তোক মনত পেলাব নোৱৰা হ'ব"।[১০]

এইদৰে ধৰ্মবিমুখতাৰ প্ৰায়শ্চিত্ত স্বৰূপে স্বাৰ্থান্ধ দম্পতী দুষ্যন্ত-শকুন্তলাই সুদীৰ্ঘকাল পৰস্পৰে অভিপ্ৰেত প্ৰেমাস্পদজনক লাভ কৰাৰপৰা বঞ্চিত হৈ বিৰহ-দুখ সহ্য কৰিব লগা হৈছে। অৱশেষত জুয়ে সোণ পুৰি উজ্জ্বলতৰ কৰাৰ দৰে তেওঁলোকৰ পাৰ্থিৱ প্ৰেমক বিৰহ-অনলে স্বৰ্গীয় প্ৰেমত পৰিণত কৰিছে। তেওঁলোকৰ আত্মকেন্দ্ৰিক কাম-বাসনাই সংকীৰ্ণ-তাৰ গণ্ডী চেৰাই ভৱিষ্যৎ প্ৰজাৰ কল্যাণ-সাধক পুত্ৰকো সামৰি লৈছেগৈ।

কালিদাসৰ শকুন্তলা নাটকৰ অন্তিম লক্ষ্য, (নাট্যশাস্ত্ৰীয় ভাষাত যাক কাৰ্য[১১] বোলা হয়) কেৱল দুষ্যন্ত-শকুন্তলাৰ মিলন নহয়; পুত্ৰসমন্বিত দুষ্যন্ত-শকুন্তলাৰ মিলনহে নাটকখনৰ অন্তিম লক্ষ্য। নাটকখনৰ কথাবস্তুৰ বীজ[১২] প্ৰথম অংকত কণ্বৰ আশ্ৰমৰ বৈখানসৰ তলত দিয়া উক্তিতে নিক্ষিপ্ত হৈছে।

---

১০ বিচিন্তয়ন্তী যমনন্যমানসা তপোধনং বেৎসি ন মামুপস্থিতম্।
স্মৰিষ্যতি ত্বাং ন স বোধিতোঽপি সন্ কথাং প্ৰমত্তঃ প্ৰথমং কৃতামিৱ॥
[শকুন্তলা ৪/১]

১১. অপেক্ষিতন্তু যৎসাধ্যমাৰম্ভো যন্নিবন্ধনঃ।
সমাপনন্তু যৎসিদ্ধ্যৈ তৎকাৰ্য্যমিতি সম্মতম্॥ [সাহিত্য দৰ্পণ]

১২. অল্পমাত্ৰং সমুদ্দিষ্টং বহুধা যদ্বিসৰ্পতি।
ফলস্য প্ৰথমো হেতুৰ্বীজং তদভিধীয়তে॥ [সাহিত্য দৰ্পণ]

জন্ম যস্য পুৰোৰ্বংশে যুক্তৰূপমিদং তব ।

পুত্ৰমেৱং গুণোপেতং চক্ৰৱৰ্তিনমাপ্নুহি ॥

[শকুন্তলা ১।১২]

[অৰ্থাৎ যাৰ জন্ম পুৰুবংশত তেওঁৰ কাৰণে এই কাৰ্য (আশ্ৰমৰ মৃগ বধ নকৰাটো) উপযুক্ত হৈছে। তুমি যেন এনেকুৱা গুণমণ্ডিত ৰাজচক্ৰৱৰ্তী পুত্ৰ লাভ কৰা।]

নাটকৰ অন্তিম ভাগত এই বীজৰ ফলাগম[১৩] হৈছে। নাটকৰ অন্তত ভৱিষ্যৎ বংশৰ গৌৰৱ ৰাজচক্ৰৱৰ্তী, প্ৰজাপালক, পুত্ৰ সৰ্বদমন সমন্বিতে শকুন্তলাৰ লগত পৌৰৱ নৃপতি দুষ্যন্তৰ মিলন ঘটিছে। কালিদাসৰ আদৰ্শ ৰজা সন্তান লাভৰ উদ্দেশ্যেহে গৃহস্থী হয়; কাম প্ৰবৃত্তিৰ চৰিতাৰ্থৰ কাৰণে নহয়[১৪]। যুৱাৱস্থাত পৃথিৱী পালনৰ কাৰণে বিলাসপূৰ্ণ ৰাজভৱনত বাস কৰা ৰজাসকলে অন্তিম বয়সত পুত্ৰক ৰাজ্যভাৰ গতাই বানপ্ৰস্থাশ্ৰম গ্ৰহণ কৰাৰ বৰ্ণনা মহাকবি কালিদাসে শকুন্তলা নাটকতে কেইবাবাৰো গুৰুত্ব সহকাৰে উপস্থাপন কৰিছে[১৫]। ধৰ্ম সাধনৰ কাৰণে একান্ত আৱশ্যকীয় এনেহেন পুত্ৰৰ অভাৱত দুষ্যন্তই হা-হুমুনিয়া পেলোৱাৰ বৰ্ণনাও মহাকবিয়ে দিছে[১৬]। দুষ্যন্তই ধৰ্মপত্নী শকুন্তলাৰ বিৰহত আকুল হৈ পৰাৰ সময়তে অপুত্ৰক ধনমিত্ৰৰ বৃত্তান্তটিৰ অৱতাৰণা কৰি মহাকবিয়ে দুষ্যন্তৰ সন্তানহীনতাৰ দুখো উপস্থাপন কৰিছে। শকুন্তলা নাটকৰ অন্তিম অংকত দুষ্যন্ত আৰু পুত্ৰসমন্বিতা শকুন্তলাৰ পুনৰ্মিলন ঘটাই মহাকবিয়ে নাটকখনিৰ শুভসমাপ্তি ঘটাইছে। এইদৰে মহাকবি কালিদাসে নায়ক-নায়িকাৰ সংকীৰ্ণ স্বাৰ্থৰ ধৰ্মবিমুখ কাম-বাসনাক ধৰ্ম আচৰণৰ অনুকূল কৰি পাৰ্থিৱ প্ৰেমক স্বৰ্গীয় প্ৰেমলৈ উন্নীত কৰিছে।

---

১৩. সাৱস্থা ফলযোগঃ স্যাদ্ যঃ সমগ্ৰফলোদয়ঃ ॥ [সাহিত্য দৰ্পণ]

১৪. প্ৰজায়ৈ গৃহমেধিনাম্ [ৰঘুবংশ ১।৭]

১৫. দ্ৰষ্টব্য--শকু : ৭।২০, ৪।২০ ।

১৬. অহো কষ্টং ধনপত্যভা। [শকুন্তলা ৬ অংক]

বিক্রমোর্বশী নাটকতো[17] কালিদাসে পুৰুৰৱা-উৰ্বশীৰ প্ৰণয়ৰ পৰিণতি উপযুক্ত পুত্ৰলাভত দেখুৱাইছে। পুৰুৰৱা-উৰ্বশীৰ মিলনতে নাটকখনিৰ সমাপ্তি ঘটা নাই। আয়ু নামৰ সৰ্বগুণসম্পন্ন পুত্ৰ এটি পুৰুৰৱাই উৰ্বশীৰপৰা লাভ কৰাতহে কথাবস্তুৰ (plot) অন্ত পৰিছে। এই নাটকত অৱশ্যে নায়ক-নায়িকাৰ প্ৰণয়ৰ ধৰ্মবিমুখতা আৰু তাক ধৰ্মৰ অনুকূল কৰাৰ প্ৰচেষ্টা নাই। কেৱল পুৰুৰৱা-উৰ্বশীৰ প্ৰেম, বিৰহৰদ্বাৰা অধিক গভীৰ কৰি দেখুৱা হৈছে।

কালিদাসৰ প্ৰেমমূলক নাটক (প্ৰাচীন আলংকাৰিকৰ মতে 'বীথী' শ্ৰেণীৰ দৃশ্যকাব্য) মালৱিকাগ্নিমিত্ৰত নায়ক-নায়িকাৰ মিলনতে কথাবস্তু শেষ হৈছে। ইয়াত বৃহত্তৰ কল্যাণৰ অৰ্থে নায়ক-নায়িকাই নিজকে বিলাই দিয়াৰ চিত্ৰ অংকন কৰা নাই। গতিকে কালিদাসৰ এই ৰচনাত আমি আলোচনা কৰি অহা প্ৰেমৰ আদৰ্শ ৰূপায়িত হোৱা নাই। ইয়াৰ কাৰণ স্বৰূপে দুটা কথালৈ আঙুলিয়াব পাৰি। প্ৰথম কথা হ'ল পণ্ডিতসকলে মালৱিকাগ্নিমিত্ৰ নাটকখন কালিদাসৰ সৰ্বপ্ৰথম নাটকীয় ৰচনা বুলি কয়। এই প্ৰথম নাটক লিখাৰ সময়ত হয়তো মহাকবিয়ে শকুন্তলা নাটকত ৰূপায়িত কৰা প্ৰেমৰ আদৰ্শৰ কথা ভবাই নাছিল। দ্বিতীয়তে এই নাটকখনৰ বিষয়বস্তু বুৰঞ্জীমূলক কাৰণে মহাকবিয়ে হয়তো প্ৰেমৰ আদৰ্শ ৰূপায়িত কৰিবলৈ গৈ অনৈতিহাসিক কথা সুমুৱাব খুজিলে।

এইখন নাটক বাদ দিলেও শকুন্তলা নাটক, মেঘদূত আৰু কুমাৰসম্ভৱ কাব্যত বিস্তৃত ৰূপত আৰু ৰঘুবংশত থকা দিলীপৰ কাহিনীত সংক্ষিপ্ত ৰূপত বিক্রমোর্বশী নাটকত ধৰ্মৰ সাধন স্বৰূপ পুত্ৰলাভৰ পৰিণতিৰে নিগূঢ় ৰূপত, মহাকবি কালিদাসে মানৱীয় কাম-বাসনাক সামাজিক কল্যাণ-সাধক ধৰ্মানুকূল প্ৰেমত পৰিণত কৰি ঐশ্বৰিক বিভূতিৰ শাৰীলৈ তুলিছে। □

---

১৭. সংস্কৃত আলংকাৰিসকলৰ মতে বিক্রমোৰ্বশী ত্ৰোটক নামৰ উপৰূপকহে, নাটক নামৰ দৃশ্যকাব্য বা ৰূপক নহয়।

কালিদাসৰ সাহিত্যত ভাৰতীয় জীৱনাদর্শ

মহাকবি কালিদাসৰ অমৰ ৰচনাৱলীত ভাৰতীয় সংস্কৃতিৰ আত্মা প্ৰতিবিম্বিত হৈ আছে। সেইবোৰত ভাৰতীয় মনৰ আশা-আকাংক্ষা আৰু ভাৰতৰ ধৰ্মীয় নৈতিক সমাজিক জীৱনৰ প্ৰতিচ্ছবি এখনি মহাকবিৰ লেখনীত শিল্পীসুলভ কৌশলেৰে কমনীয় হৈ প্ৰকাশ পাইছে। দেশ-বিদেশৰ বিদ্বন্মণ্ডলী মহাকবি কালিদাসৰ লেখনীপ্ৰসূত ভাৰতীয় কন্যা শকুন্তলাৰ স্নিগ্ধ সংযত লাৱণ্যময় প্ৰেম-কাহিনীত বিমুগ্ধ হৈছে। হেলেন অৱ্ ট্ৰয় আৰু ক্লিওপেট্ৰাৰ দৰে বিশ্ববিশ্ৰুত প্ৰণয় কাহিনীত সৌন্দৰ্য আছে যদিও সি ৰক্তৰঞ্জিত ধ্বংসাত্মকতাৰ বিভীষিকাৰে ভৰা। এনে কাহিনীৰ অস্বস্তিকৰ আদৰ্শই হৃদয়ৰ সূক্ষ্ম অনুভূতিসমূহ ক্ষত-বিক্ষত কৰা ইউৰোপৰ সহৃদয় মনীষীসকল কালিদাসৰ এনে এক কল্যাণকৰ আদৰ্শমণ্ডিত ৰচনাত বিমুগ্ধ হোৱাটো নিতান্ত স্বাভাৱিক। তপস্যাৰ অগ্নিত দগ্ধ হোৱা কালিদাসৰ শকুন্তলাই পোৱা সোণৰ দৰে উদ্ভাসিত হৈ বিশ্বৰ চকুত চমক লগায়। শকুন্তলা নাটকখনি কালিদাসৰ অমৰ লেখনীত মূৰ্তৰূপ লাভ কৰা ভাৰতীয় জীৱনৰ চিৰন্তন আদৰ্শহে।

ভাৰতীয় মনৰ আশাবাদী দৃষ্টিভংগী কালিদাসৰ ৰচনাত স্পষ্টভাৱে প্ৰকাশ পাইছে। যি ভাৰতীয় পৰম্পৰাগত বিয়োগান্তক নাট্য সাহিত্য ৰচনাই নিষিদ্ধ আছিল, সেই পৰম্পৰাৰে মহান নাট্যকাৰ কালিদাসৰ দৃষ্টিভংগীও আশাবাদী হোৱাটো নিতান্ত স্বাভাৱিক। "উত্তিষ্ঠত জাগ্ৰত, প্ৰাপ্যৱৰান্ নিবোধত"--মহাবাণীৰে উদ্বুদ্ধ ভাৰতীয় সাহিত্যৰ প্ৰতিনিধি কবি কালিদাসৰ ৰচনাত নায়ক নায়িকাই চৰম বিপত্তিৰ সন্মুখীন হৈয়ো আশা নেহেৰুৱায়। বিশ্বজিৎ যজ্ঞত যথাসৰ্বস্ব দান কৰি নিঃস্ব হোৱা অৱস্থাতো কালিদাসৰ ৰঘুৱে চৌদ্ধ কোটি স্বৰ্ণমুদ্ৰাৰ প্ৰাৰ্থনাৰে উপস্থিত হোৱা ব্ৰাহ্মণক নিৰাশ নকৰিলে। পুৰুষৰ পুৰুষাৰ্থৰে ভেঙে কুবেৰক জিনি

এই দান সংগ্ৰহ কৰিবলৈ প্ৰস্তুত হ'ল। প্ৰিয়তমজনে নিষ্ঠুৰভাৱে পৰিত্যাগ কৰাতো কালিদাসৰ নায়িকা শকুন্তলাই সুদীৰ্ঘ কাল মাৰীচৰ আশ্ৰমত আশাৰে শুভ দিনলৈ বাট চাই ৰ'ল। ক্ষণিকৰ উত্তেজনাত শকুন্তলাই বসুমতীক ফাঁট দিবলৈ প্ৰাৰ্থনা কৰিছিল যদিও আশাৰ চুপহিত তেওঁৰ জীৱনকুসুম সৰি নপৰাকৈ ৰৈ থাকিল। দুৰ্বাসাৰ শাপৰ প্ৰভাৱত প্ৰিয়তমাক অজ্ঞাতসাৰে পৰিত্যাগ কৰা দুষ্যন্তই শাপৰ অন্তত যেতিয়া শকুন্তলাৰ স্মৃতি ঘূৰাই পালে, তেতিয়া তেওঁ শোকত আঁতুৰ হৈ পৰিছে যদিও কৰুণভাৱে প্ৰত্যাখ্যান কৰা তেওঁৰ ধৰ্মপত্নীক মেনকাই বা তেওঁৰ সহচাৰিণী কোনোবা অপ্সৰাই লৈ গৈছে বুলি আশাসূচক ভাব প্ৰকাশ কৰিছে। তেতিয়া বিদূষকে দুষ্যন্তক আশাৰ বাণী শুনাইছে। যদি সেয়ে হয়, তেনেহলে নিজ কন্যাৰ স্বামীবিৰহৰ দুখ সহিব নোৱাৰি মেনকাই তেওঁলোকৰ মিলন ঘটোৱাৰ চেষ্টা কৰিব। কুবেৰৰদ্বাৰা নিৰ্বাসিত যক্ষয়ো শাপৰ অন্তত শাৰদীয় জ্যোৎস্নাৰে প্লাৱিত ৰজনীত প্ৰিয়তমাৰ মধুৰ সান্নিধ্যৰ আশাৰে নিৰ্বাসনৰ দুঃখ লাঘৱ কৰিছে।

কালিদাসৰ সাহিত্যত আৰু এটি ভাৰতীয় বৈশিষ্ট্য প্ৰকাশ পাইছে। সেয়ে হৈছে ভোগ আৰু ত্যাগৰ মঞ্জুল সামঞ্জস্য। কালিদাসে ৰাজভৱনত বিলাসিতাপূৰ্ণ ৰাজকীয় জীৱনৰ লগত তপোবনৰ ত্যাগৰ সুসংযত জীৱনৰ সমন্বয় সাধন কৰি দেখুৱাইছে। চক্ৰৱৰ্তী সম্ৰাট দিলীপে সন্তানহীনতাৰ কাৰণ জানিবলৈ আৰু তাৰ নিবাকৰণৰ উদ্দেশ্যে কুলগুৰু বশিষ্ঠৰ আশ্ৰমলৈ পত্নী-সমন্বিতে ৰাজকীয় আড়ম্বৰ ত্যাগ কৰি যাত্ৰা কৰিছে। বশিষ্ঠ হেন পুৰোহিতৰ (উপদেষ্টা) ব্যৱস্থামতে যাৰ শাসন পৰিচালিত হয়, সেই দিলীপৰ ৰাজ্যত কোনো মানৱীয় বা দৈৱিক আপদ ঘটিব নোৱাৰে[১]। চক্ৰৱৰ্তী সম্ৰাট দিলীপ আৰু তেওঁৰ ধৰ্মপত্নী সুদক্ষিণাই ৰাজযোগ্য সুখ-সম্ভোগ ত্যাগ কৰি আশ্ৰমযোগ্য গো-চাৰণৰ ব্ৰত পালন কৰি কাম

১. উপপন্নং ননু শিৱং সপ্তস্বঙ্গেষু যস্য মে।
দৈৱীনাং মানুষীণাং চ প্ৰতিহৰ্তা ত্বমাপদাম্ ॥ [ৰঘুবংশ, ১/৬০]

(কামনা) আৰু ধৰ্মৰ মাজত সমন্বয়ৰ আদৰ্শ দাঙি ধৰিছে। ৰাজৰ্ষি দুষ্যন্তক কালিদাসে জগতৰ কল্যাণসাধক মুনিৰ লগত তুলনা কৰিছে।[২] আশ্ৰমকন্যাৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি কালিদাসৰ নায়ক দুষ্যন্তই ভোগপ্ৰধান ৰাজকীয় আদৰ্শৰ লগত আশ্ৰমৰ ত্যাগ আৰু তপস্যাৰ সমন্বয় সাধন কৰিছে।

কালিদাসৰ সাহিত্যত ভাৰতীয় মনৰ উচ্চ আকাংক্ষাও প্ৰতিফলিত হৈছে। শকুন্তলা নাটকত "স্বৰ্গ আৰু মৰ্ত্য একীভূত" হোৱা দেখিয়ে জাৰ্মান কৱি গেটেই বিমুগ্ধ হৈ শকুন্তলাৰ প্ৰশস্তি ৰচনা কৰিছিল[৩]। কালিদাসৰ নায়ক-নায়িকাৰ মানবীয় কাম-বাসনাই পাৰ্থিৱ দোষ-ত্ৰুটী অতিক্ৰম কৰি স্বৰ্গীয় প্ৰেমত পৰিণত হয়। কালিদাসৰ ৰচনাত মৰ্ত্যৰ ৰজাই স্বৰ্গৰ দেৱাংগনাৰ (পুৰুৰৱা-উৰ্বশী) স্বামিত্ব লাভ কৰে, মৰ্ত্যৰ ৰজাক স্বৰ্গৰ দেৱৰাজে শত্ৰুবিজয়ৰ অৰ্থে আমন্ত্ৰণ কৰে। মৰ্ত্যৰ মানৱে পৃথিৱীত পূৰণ নোহোৱা অভিলাষ দেৱতাবো পিতৃ-মাতৃৰ স্বৰ্গীয় আশ্ৰমত পূৰণ কৰে (দুষ্যন্ত-শকুন্তলা)। পাৰ্থিৱ মুনিসকলে যিবোৰ দেৱভোগ্য বস্তু লাভ কৰিবলৈ তপস্যা কৰে, কালিদাসৰ ৰচনাত মাৰীচৰ আশ্ৰমত মুনিসকলে সেইবোৰ উপেক্ষা কৰি উচ্চতৰ অভিলাষ পূৰণৰ অৰ্থে তপস্যাত ৰত হৈছে। তেওঁলোকে কল্পতৰুৰে পূৰ্ণ আশ্ৰমতো তপস্যা কৰিব লাগিছে, সোণালী পদ্মফুলৰ ৰেণুৰে সুৱাসিত পূতজলেৰে তেওঁলোকে স্নান-আচমন কৰিছে, ৰত্নময় শিলাতলত বহি ধ্যানস্থ হৈছে। দেৱাঙ্গনাসকলৰ সান্নিধ্যত সংযম

---

২. শকুন্তলা ২।১৪

৩. গেটেই জাৰ্মান ভাষাত ৰচনা কৰা সেই প্ৰশস্তিৰ এটি পদ বিশ্বকবি ৰবীন্দ্ৰনাথে এই বুলি অনুবাদ কৰিছে :

নব বৎসৰেৰ কুঁড়ি, তাৰি একপাতে বৰষ শেষেৰ পক্ক ফল।
প্ৰাণ কৰে চৰি আৰ, তাৰি একসাথে, প্ৰাণে এনে দেয় পুষ্টিবল॥
আছে স্বৰ্গলোক আৰ সেই এক ঠাই,বান্ধা যেথা আছে মহীতল।
হেন যদি কভু থাকে, তুমি তবে তাই, ওহে অভিজ্ঞান-শকুন্তল॥

আচৰণ কৰিছে—ইয়াতকৈয়ো উন্নত স্থান লাভ কৰাৰ আকাংক্ষাৰে[৪]। এই প্ৰসংগতে কালিদাসে এটি মন্তব্য দিছে—উৎসৰ্গিণী খলু মহতাং প্ৰাৰ্থনা—মহৎলোকৰ আকাংক্ষা উৰ্দ্ধগামিনী।

কালিদাসে ধৰ্ম আৰু কামৰ (কামভাব) মাজত কিদৰে সমন্বয় স্থাপন কৰি মহাভাৰতকাৰৰ "ধৰ্মাৰ্থকামাঃ সমমেৱ সেব্যাঃ" নীতিৰ সাৰ্থকতা—দেখুৱাইছে, সেই কথা "কালিদাসৰ সাহিত্যত প্ৰেম" শীৰ্ষক আলোচনাত কোৱা হৈছে।

ভাৰতীয় সমাজব্যৱস্থাৰ নৈতিক আদৰ্শও কালিদাসৰ সাহিত্যত ৰূপায়িত হৈছে। বহু ক্ষেত্ৰত ধৰ্ম আৰু নৈতিকতা—দুয়োটা ওতঃপ্ৰোতভাৱে জড়িত হোৱা দেখা যায়। এখন সমাজৰ নৈতিক আদৰ্শ ধৰ্মীয় আচৰণৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। কালিদাসৰ ৰচনাতো নৈতিক আদৰ্শ-সমূহ ধৰ্মভিত্তিক হোৱা পৰিলক্ষিত হয়। নৈতিক বা ধৰ্মীয় আচৰণবোৰ কালিদাসে স্মৃতিশাস্ত্ৰৰ অনুকূল ৰূপত দেখুৱাইছে। উল্লেখযোগ্য যে মনুৰ দৰে স্মৃতিশাস্ত্ৰকাৰৰ প্ৰভাৱ আজিও ভাৰতবৰ্ষৰ সমাজত গভীৰভাৱে উপলব্ধি কৰা হয়। নায়ক-নায়িকাৰ উচ্ছল যৌৱনৰ প্ৰণয়-কাহিনী বৰ্ণনা কৰা কালতো স্মৃতিশাস্ত্ৰৰ বিধানৰ কথা মহাকবিয়ে পাহৰা নাই। কালিদাসৰ প্ৰণয়-কাহিনীত নায়ক-নায়িকাৰ প্ৰেম গড়াখহনীয়াৰে আৰু বানপানীৰে সমাজত অনিষ্ট সাধন কৰা উদ্‌ভ্ৰান্ত অগভীৰ নদী নহয়; বৰঞ্চ সামাজিক শৃংখলাৰ উদ্দেশ্যে মনীষীসকলে উদ্ভাৱন কৰা স্মৃতিশাস্ত্ৰৰ বিধি-ব্যৱস্থাৰ দুপাৰৰ মাজেদি গভীৰভাৱে বৈ যোৱা কল্যাণকৰ গভীৰ নদীহে। শকুন্তলাৰ প্ৰতি অনুৰক্ত হোৱাৰ সময়তো যুৱক দুষ্যন্তই স্মৃতিশাস্ত্ৰদ্বাৰা প্ৰৱৰ্তিত নীতি স্মৰণ কৰিছে।[৫] দুষ্যন্তই যুৱাসুলভ উত্তেজনাৰ বশৱৰ্তী

৪. শকুন্তলা ঃ ৭।১২

৫. সতাং হি সন্দেহপদেষু বস্তুষু প্ৰমাণমন্তঃকৰণপ্ৰবৃত্তয়ঃ ॥ [শকু ঃ ১।২১]
এই বাক্য মনুসংহিতাৰ উক্তিৰ দ্বাৰা সমৰ্থিত হৈছে—তুঃ আচাৰশ্চৈৱ সাধুনামাত্মনস্তুষ্টিৰেৱ চ" [মনু ২।২৬]

হৈ গোপনভাৱে শকুন্তলাৰ লগত বিবাহ সূত্ৰত আবদ্ধ হোৱা নাই ; সেই গোপন মিলনৰ আগ মুহূৰ্ততো দুষ্যন্তই স্মৃতিৰদ্বাৰা বিহিত ক্ষত্ৰিয়োচিত গন্ধৰ্ব বিবাহৰ কথা সুঁৱৰিছে।[৬] স্মৃতিশাস্ত্ৰই পতিক ধৰ্মপত্নীক ত্যাগ কৰাৰ অধিকাৰ দিয়া নাই।[৭] কালিদাসৰ আদৰ্শ নায়ক দুষ্যন্তয়ো শাপগ্ৰস্ত হৈহে ধৰ্মপত্নীক ত্যাগ কৰিছিল।

আদৰ্শ ৰজাৰ ৰূপায়ণতো কালিদাসে স্মৃতিশাস্ত্ৰৰ অনুমোদিত নীতিকে গ্ৰহণ কৰিছে। স্মৃতিকাৰ মনুৰ মতে যিজনে সুবিচাৰৰদ্বাৰা (দোষীক) দণ্ড বিহি সকলো প্ৰজাৰে মনোৰঞ্জন কৰিব পাৰে তেৱেঁই ৰজা।[৮] কালিদাসৰ অন্যতম আদৰ্শ ৰজা ৰঘু এই অৰ্থতে ৰজা আছিল।[৯] কালিদাসৰ জিতেন্দ্ৰিয় ৰজাৰ আদৰ্শও স্মৃতিশাস্ত্ৰৰদ্বাৰা[১০] প্ৰণোদিত। কালিদাসৰ নায়ক ৰজা দুষ্যন্ত এজন 'বশী' অৰ্থাৎ আত্মসংযমী। (শকু: ১।১৪)

ভাৰতীয় সমাজব্যৱস্থাত বিশিষ্ট স্থান লাভ কৰি অহা বৰ্ণাশ্ৰম ধৰ্ম আৰু চাৰি আশ্ৰমৰ চৰিত্ৰও কালিদাসে গুৰুত্ব সহকাৰে অংকন কৰিছে। ৰঘুবংশ কাব্যত ৰঘুবংশীয় ৰজাসকলৰ সদগুণৰাশিৰ বৰ্ণনা কৰোঁতে কালিদাসে চাৰি আশ্ৰমৰ ব্যৱস্থা যথাযথ পালনৰ কথাও কৈছে।[১১] তেওঁলোকে ল'ৰাকালত ব্ৰহ্মচৰ্য পালন কৰি বিদ্যা উপাৰ্জন কৰে, যুৱাকালত গৃহস্থী হয়, বৃদ্ধকালত মুনিৰ দৰে গৃহত্যাগ কৰি বানপ্ৰস্থী হয় আৰু অন্তিম সময়ত আসক্তিৰহিত হৈ সন্ন্যাস আশ্ৰমত আশ্ৰয় লোৱাৰ পিছত যোগৰ আশ্ৰয় লৈ দেহ-ত্যাগ কৰে।

---

৬. তুঃ গান্ধৰ্বো ৰাক্ষসশ্চৈৱ ধৰ্ম্যৌ ক্ষত্ৰস্যেতৌ স্মৃতৌ। [মনু ৩।২৬]

৭. তুঃ—ন স্ত্ৰী ন পুত্ৰস্ত্যাগমৰ্হতি [মনু ৮।৩৮]

৮. সমীক্ষ্য স ধৃ তঃ সম্যক্ সৰ্বা ৰঞ্জয়তি প্ৰজাঃ ॥ [মনু ৭।১৫]

৯. তথৈৱ সোঽভূদন্বৰ্থো ৰাজা প্ৰকৃতিৰঞ্জনাৎ ॥ [ৰঘুবংশ, ৪।১২]

১০. ইন্দ্ৰিয়াণাং জয়ে যোগম্ [মনু ৭]

১১. শৈশৱেঽভ্যস্তবিদ্যানাং যৌৱনে বিষয়ৈষিণাম্ ।
বাৰ্ধক্যে মুনিবৃত্তীনাং যোগেনান্তে তনুত্যজাম্ ॥ [ৰঘু ১।৮]

কালিদাসৰ ৰচনাত প্ৰত্যেক ব্যক্তিয়ে বৰ্ণ অনুসৰি বিহিত কৰ্ম কৰি সামাজিক শৃংখলা ৰক্ষা কৰিব লাগে। প্ৰাচীন ভাৰতীয় সমাজব্যৱস্থাত এই বিষয়ত অত্যন্ত গুৰুত্ব দিয়া হৈছে[১২]। সেয়েহে কালিদাসৰ মাছমৰীয়া চৰিত্ৰয়ো (শকুন্তলা নাটকত) সাহসেৰে ক'ব পাৰিছে—"নিন্দনীয় হ'লেও জন্মগত বৃত্তি মানুহে ত্যাগ কৰা উচিত নহয়।"[১৩]

এইদৰে মহাকবি কালিদাসৰ ৰচনাৱলীত ভাৰতীয় সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব পৰা অনেক উপাদান নিহিত হৈ আছে। বিশ্ব জুৰি খ্যাতি অৰ্জন কৰা কালিদাসৰ ৰচনাৱলীয়ে যুগে যুগে ভাৰতীয় বৈশিষ্ট্যৰ পৰিচয় দি থাকিব। □

---

১২. শ্ৰেয়ান স্বধৰ্মো বিগুণঃ পৰধৰ্মাৎ স্বনুষ্ঠিতাৎ।
স্বধৰ্মে নিধনং শ্ৰেয়ঃ পৰধৰ্মো ভয়াৱহঃ ॥ [গীতা ৩।৩৫]

কালিদাসৰ সাহিত্যত বসন্ত-মাধুৰী

মানৱ-মনৰ ওপৰত ভিন্ ভিন্ ঋতুৰ ভিন্ ভিন্ প্ৰাকৃতিক পৰিৱেশৰ অসীম প্ৰভাৱ। বসন্ত ঋতুৱে দেশে দেশে, যুগে যুগে ঋতুৰাজ আখ্যা পাই আহিছে। নতুনৰ বাৰ্তাবাহক এই ঋতুৱে মানৱ-মনত অফুৰন্ত উৎসাহ-উদ্দীপনাৰ সঞ্চাৰ কৰে; মানৱৰ চিৰন্তন সৃষ্টিকামী প্ৰবৃত্তি জাগৃত কৰাৰ বিপুল সম্ভাৰ লৈ বসন্তই শিশু-যুবা-বৃদ্ধ, সকলোৰে মনলৈ নতুন প্ৰেৰণা আনি দিয়ে। মানৱ-মনত নতুন সৃষ্টিৰ প্ৰেৰণা যোগোৱা এই ঋতুৰাজ বসন্ত, বিশ্বৰ কত কবি-সাহিত্যিকৰ তুলিকাত চিত্ৰিত ৰূপ, ৰস, গন্ধ, স্পৰ্শৰে মূৰ্তিমান হৈ আছে। চিৰ-পৰিচিত যদিও বসন্তৰ এই মাধুৰী নিত্য-নতুন।

প্ৰকৃতিৰ লগত নিবিড় মানসিক যোগসূত্ৰ স্থাপন কৰা মহাকবি কালিদাসৰ লেখনীত্তো উচ্ছল আনন্দেৰে পৰিপূৰ্ণ বসন্ত ঋতুৰ প্ৰাণময় চিত্ৰ প্ৰকাশ পাইছে। ৰঘুবংশৰ নৱম সৰ্গত, নৱ-অভিষিক্ত ৰজা দশৰথক অভিনন্দন জনাবলৈ মহাকবিয়ে বসন্ত ঋতুৰ অৱতাৰণা কৰিছে। সেই সময়ত উত্তৰ দিশলৈ যাবৰ মনেৰে সূৰ্যদেৱে মলয়পৰ্বতৰপৰা বিদায় মাগিলে। লগে-লগে তুষাৰ-জালৰপৰা মুকলি হৈ প্ৰভাতকালে প্ৰসন্ন ৰূপ ধাৰণ কৰিলে। গছে-গছে ফুল ফুলিল, কুঁহিপাত ওলাল। ভোমোৰাৰ গুঞ্জন আৰু কোকিলৰ কূজনেৰে বনভূমি মুখৰিত হ'ল। ভোমোৰা আৰু জলচৰ পক্ষীবোৰে বসন্তপালিতা কমলিনীক (পদুমনি) উপভোগ কৰিবলৈ ধৰিলে।

বসন্তৰ এই উচ্ছল পৰিৱেশত কেৱল অশোক ফুলবোৰেই যে মানৱ-মনত অনুৰাগ বঢ়াই তুলিলে, এনে নহয়; সুন্দৰী ৰমণীবোৰে কাণত পিন্ধা অশোক গছৰ কুঁহিপাতবোৰেও বিলাসী পুৰুষৰ মন উত্ৰাৱল কৰি তুলিলে। নৱ-বিকশিত কুৰবক ফুলবোৰে যেন বনলক্ষ্মীৰ অংগে অংগে

পত্ৰাৱলী আঁকি দিলে; কুৰবক ফুলৰ মধু পান কৰি মত্ত হৈ পৰা ভোমোৰাবোৰে মিলনৰ সংগীত জুৰিলে। কামিনীৰ মুখৰপৰা উলিয়াই ছটিয়াই দিয়া মদ্যৰস পান কৰি জকমকৈ ফুলি উঠা বকুলজুপিয়ে মদ্যৰসৰ দৰেই মানৱ মনত উন্মাদনা জগাই তুলিলে। বসন্তলক্ষ্মীয়ে পলাশ গছত ফুলাই থৈ যোৱা ৰঙা ৰঙা ফুলবোৰ যেন মদ্য পান কৰি মত্ত হোৱা কামিনীয়ে লাজ কাজ এৰি প্ৰেমিকৰ গাত মৰা নখৰ আচোৰহে। অভিনয় কৰিবলৈ লোৱা নৰ্তকীৰ দৰে মুকুল-মালাৰে শোভিত আমগছবোৰে মলয় সমীৰণে কঁপাই যোৱা কুঁহিপাতবোৰেৰে যেন ৰাগদ্বেষমুক্ত যোগীৰো মন উন্মাদিত কৰি তুলিলে। বতাহৰ দোলনত কঁপি উঠা বনলতাৰ কুঁহিপাতবোৰ যেন নৃত্যৰতা যুৱতীৰ লয়লাসযুক্ত হাতহে সিহঁতৰ নৃত্যত যেন সংগীত সংযোজনা কৰিছে মত্ত মৌ-মাখিবোৰে।

এনেহেন উচ্ছল বসন্ত কালত চঞ্চলা কামিনীগণ প্ৰিয়জনৰ লগত উদ্দীপক মধুপান কৰাত ৰত হয়। প্ৰিয়-সমাগমৰপৰা বঞ্চিতা ৰমণীৰ দৰে বাসন্তী নিশাবোৰো ক্ৰমে ক্ষীণ (চুটি) হৈ আহিল। হিমনিৰ্মুক্ত শুভ্ৰ জ্যোৎস্নাই সুৰত শ্ৰম দূৰ কৰা কিৰণজালেৰে কামদেৱৰ পুষ্পশৰ উত্তেজিত কৰি তুলিলে। প্ৰিয়জনৰপৰা উপহাৰ পোৱা সোণবৰণীয়া সুকোমল কৰ্ণিকাৰ ফুলবোৰ লাহতী খোপাত গুজি লৈ কামিনীগণ আপোন-পাহৰা হৈ পৰিল।

বিলাসিনী নৱ-মল্লিকাই কুসুম সম্ভাৰেৰে বিভূষিত হৈ কুঁহিপাতৰূপী ওঁঠ দুটিৰে হাঁহিৰ সঁফুৰা মেলি পথিকৰ চিত্ত বিয়াকুল কৰি তুলিলে। বসন্ত কালৰ উদ্দাম পৰিৱেশে বিলাসী পুৰুষৰ মন ৰমণীগণৰ অধীন কৰি পেলালে। প্ৰকৃতি ৰাজ্যত কেউফালে কেৱল সৌন্দৰ্য, মাধুৰ্য আৰু উদ্দীপনাৰ পূৰ্ণ পয়োভৰ ঘটিল। কোকিল-বধূগণে যেন চিঞৰি চিঞৰি ক'বলৈ ধৰিলে—"হেৰা অভিমানী নাৰী, ঠেহ-পেচ এৰা। প্ৰিয়জনৰ লগত মিছাতে কাজিয়া কৰি সময় নকটাবা। এই উপভোগক্ষম যৌৱন এবাৰ গ'লে আৰু নাহে।"

এইদৰে দশৰথৰ অভিষেক প্ৰসংগতো মহাকবিয়ে ৰঘুবংশ মহাকাব্যত বসন্তৰ উৎসৱ-মালতীৰে ভৰা চিত্ৰ এখনি দাঙি ধৰিছে। কুমাৰসম্ভৱ কাব্যতো মদন-সখী বসন্তই কবিৰ উপাস্য দেৱতা মহাযোগী শিৱৰো ধ্যানভংগ কৰিছে। দেৱকাৰ্য সাধনৰ মহান্ উপলক্ষ্য লৈ শিৱৰ ধ্যানভংগ কৰিবৰ উদ্দেশ্যে কামদেৱে, লগত প্ৰিয়তমা ৰতি আৰু প্ৰিয়সখি বসন্তক লৈ শিৱৰ তপস্যাৰ স্থানত উপস্থিত হ'ল। তপস্যাৰত মুনিৰো ধ্যানভংগত বসন্তই বিজয়দৰ্পে অসময়তে শিৱৰ আশ্ৰমত প্ৰৱেশ কৰিলে।

বসন্তৰ এই অকাল আগমন দেখি সূৰ্যদেৱ প্ৰেয়সী দক্ষিণ দিশৰপৰা বিদায় মাগি উত্তৰমুখী হ'ল। তেতিয়া মলয়া বতাহৰ ছলেৰে দক্ষিণ দিশে বিৰহৰ হুমুনিয়া ছাৰিলে। নূপুৰ-ধ্বনিৰে মুখৰিত ৰমণীৰ পাদস্পৰ্শলৈ অপেক্ষা নকৰি গছ ভৰি ভৰি অশোক ফুলিলে। কুঁহিপাতৰ পাখি লগাই কামদেৱে আম্ৰমুকুলৰ বাণ প্ৰস্তুত কৰি শাৰী শাৰী ভোমোৰাৰে তাত নিজৰ নাম লিখি ল'লে। পলাশফুলৰ ৰঙা ৰঙা কলিবোৰ যেন বসন্তসংগতা হোৱা বনশ্ৰীৰ শৰীৰত মদনকালীন একা-বেঁকা নখক্ষতহে। তিলকফুলে বনলক্ষ্মীৰ কপালত ফোঁট আঁকি দিলে; তৰুণ সদৃশ কুঁহিপাতবোৰ যেন বনলক্ষ্মীৰ কোমল ওঁঠ দুটিহে। ভোমোৰাবোৰে যেন বনলক্ষ্মীক কাজলহে যতনাই দিলে।

পিয়াল বৃক্ষৰ পৰাগৰ কাৰণে ধুঁৱলী-কুঁৱলী দেখা মদনাতুৰ মৃগবোৰ শুকান পাতৰ ওপৰত মৰ্মৰণি তুলি বতাহ বলাৰ ফালে মুখ কৰি চৰিবলৈ লাগিল। আম্ৰমুকুল খাই কণ্ঠ ৰঞ্জিত কৰা কোকিলৰ মধু-কূজনেৰে কাম-দেৱে যেন প্ৰণয়কুপিতা কামিনীগণক ৰোষ পৰিত্যাগ কৰিবলৈহে আদেশ দিলে। এইদৰে শিৱৰ আশ্ৰমত অকাল-বসন্তৰ পয়োভৱ দেখি তাত থকা তপস্বীসকলে অতি কষ্টৰেহে চিত্ত বশীভূত কৰি ৰাখিলে। কামদেৱে পুষ্পবাণ লৈ তাত প্ৰৱেশ কৰা মাত্ৰকে জীৱ-জগতত উদ্দাম কাম-বাসনা ব্যক্ত হৈ উঠিল।

একেটি পুষ্পপাত্ৰতে ভোমোৰাই প্ৰেয়সীৰ লগত মধু পান কৰিছে। কৃষ্ণসাৰ মৃগই স্পৰ্শসুখত চকু মুদি দিয়া প্ৰিয়তমাৰ গা খুজুৱাই দিছে। হস্তিনীগণে পদুমৰেণুৰে সুবাসিত পানী লৈ প্ৰিয়তম হস্তীক পান কৰাইছে। আধা খোৱা মৃণালখণ্ড প্ৰণয়িনীক খুৱাই দি চক্ৰবাক পখী আনন্দত বিভোৰ হৈছে। গান গাই গাই কিন্নৰগণে বাৰে বাৰে প্ৰিয়তমাক চুম্বন যাচিছে। পয়োধৰ সদৃশ ফুলৰ থোপা, অধৰ-সদৃশ কুঁহিপাতেৰে সৈতে (নায়িকাৰ দৰে) লতাবোৰে প্ৰিয়তম বৃক্ষক আলিংগন কৰিছে।

এনেহেন উতলা বাসন্তী পৰিৱেশত হিমালয় কন্যা নৱ-যৌৱনা উমাই প্ৰিয়তম শিৱৰ সন্মুখত লয়লাস ভংগিমাৰে বিহাৰ কৰিবলৈ ধৰিলে। যোগীবো মন থিয়াকুল কৰা এই বাসন্তী সম্ভাৰেৰে কামদেৱ শিৱৰ ধ্যান ভংগত প্ৰবৃত্ত হ'ল। কিন্তু শিৱৰ মনত কামনাৰ জুই জ্বলাবলৈ যোৱা কামদেৱ নিজেহে শিৱৰ তৃতীয় নেত্ৰৰ অগ্নিত ভস্ম হ'বলগীয়া হ'ল।

'ঋতুসংহাৰ' কাব্যত কালিদাসে ঋতুৰাজ বসন্তৰ মঞ্জুল ৰূপায়ণ কৰিছে। প্ৰিযতমাক সম্বোধন কৰি ছয় ঋতুৰ আকৰ্ষণীয় বৰ্ণনা প্ৰস্তুত কৰা এই কাব্যৰ অন্তিম সৰ্গত "চোৱা প্ৰিয়ে" বুলি সদ্য প্ৰবৃত্ত বসন্তৰ বৰ্ণনা জুৰিছে।

আম্ৰমুকুলৰ বাণ আৰু ভ্ৰমৰৰাশিৰ গুণ লগোৱা পুষ্প-ধনু হাতত লৈ ৰসিকজনৰ বুকু থকা-সৰকা কৰিবলৈ বসন্ত আহি উপস্থিত হ'ল। সুন্দৰৰ প্ৰতিমূৰ্তি বসন্তই আকাশ-বতাহ, গছ-বিৰিখ সকলোতে সুন্দৰৰ মেলা পাতিছে। চঞ্চলা-চপলাগণে ফুলৰ ৰঙেৰে গাৰ বসন ৰঞ্জিত কৰি ল'লে; কৰ্ণত নৱবিকশিত কৰ্ণিকাৰ ফুল পিন্ধিলে। চঞ্চল নীল অলকত অশোক আৰু নৱমল্লিকাৰ পাহি আঁৰি ললে। প্ৰিয়সমাগমৰ কাৰণে উত্ৰাৱল হৈ থকা নাৰীগণে উন্নত বক্ষৰ চন্দন-প্ৰলেপত লেটি খোৱাকৈ দীঘল মুকুতাৰ মালা, বাহুত বলয় আৰু নিতম্বত কাঞ্চীমালা পিন্ধি ল'লে। ৰমণীৰ সোণবৰণীয়া পদুম যেন গালবোৰত ঘামৰ মুকুতাজাল জিলিকি উঠিল।

কামাতুৰ নাৰীবোৰে প্ৰিয়জনৰ সন্মুখত অংগশোভা প্ৰদৰ্শন কৰি মনে মনে কামনা জগোৱাৰ চেষ্টা কৰিলে। বসন্তৰ আনন্দ-উচ্ছ্বাসত বিভোৰ

হৈ কামদেৱ যেন আৱিৰ্ভূত হ'ল—চপলাৰ চকুৰ চঞ্চলতাত; সোণ বৰণীয়া গালৰ আভাত, বুকুৰ কঠোৰতাত,কঁকালৰ কৃশতাত আৰু নিতম্বৰ মাংসলতাত। মদিৰাপান কৰি অলস হৈ পৰা বিলাসী কামিনীগণে প্ৰিয়ংগু নাহৰ আদি ফুলৰ কেশৰত কস্তুৰী মিহলাই শৰীৰত চন্দনৰ প্ৰলেপ সানিছে। আম্ৰমুকুলৰ মধুপান কৰি মত্ত হৈ কুলি চৰায়ে ঘনে ঘনে প্ৰিয়তমাক চুম্বন যাচিছে। কমলবনত পৰি গুণ-গুণোৱা ভোমোৰাটিয়েও প্ৰেয়সীৰ প্ৰিয়সাধনত মন-প্ৰাণ ঢালি দিছে। পাতল তাম বৰণীয়া কুঁহিপাতৰ তলে তলে দোঁ খাই থকা মঞ্জৰীবোৰে আমগছবোৰ ঢাকি ধৰিছে। বতাহত হালি-জালি সেই আমগছবোৰে তৰুণীৰ উৎকণ্ঠা জন্মাইছে। গছ ভৰি ফুলা অশোক ফুলবোৰে যুৱতীৰ মন উৰাউল কৰিছে। মত্ত ভ্ৰমৰবোৰে বতাহত হালি-জালি থকা অতিমুক্তলতাৰ ফুলে ফুলে চুমা যাচি ফুৰা দেখি কামীজনৰ হিয়াত তোল-পাৰ লাগিছে। নৱবিকশিত কুৰবকফুলে মন অস্থিৰ কৰিছে।

ৰঙা ৰঙা ফুলেৰে ঢাক খাই থকা পলাশগছৰ ডালবোৰ যেন একোকুৰা জুইহে। শাৰী শাৰী পলাশ গছেৰে শোভিত ধৰণীখন যেন ৰক্তিতবসনা কোনোবা নৱ-বধূহে। মত্ত কোকিলৰ কূজন আৰু ভোমোৰাৰ গুঞ্জনে লজ্জাৱতী কুলবধূৰো মন উচাটন কৰিছে। কামিনীৰ মনোৰম হাঁহিৰ নিচিনা কুন্দ ফুলবোৰ লৈ উপবনৰ শোভাই মুনিৰো মন হৰিছে। আম গছবোৰ মুকুলিত হোৱা দেখি প্ৰৱাসী প্ৰেমিকে চকু মুদি উচুপনি জুৰিছে; নাক বন্ধ কৰি দিছে—যাতে আম্ৰমুকুলৰ মৃদু গন্ধে প্ৰিয়তমাৰ স্মৃতি জাগ্ৰত কৰিব নোৱাৰে। মনোৰম সন্ধ্যা, স্নিগ্ধ জোনাক, কোকিলৰ কাকলি, সুৱাসিত সমীৰণ, মত্ত ভ্ৰমৰৰ গুঞ্জন আৰু নিশাৰ মদ্যপান—এইবিলাক সম্ভাৰেৰে বসন্তই মানৱ-মনত কাম-ভাৱ উদ্দীপন কৰে।

শ্ৰেষ্ঠ ঋতু বসন্তৰ মাধুৰীৰে মানৱ-মনত অনাবিল আনন্দ সঞ্চাৰ হোৱাৰ কামনাৰে মহাকবিয়ে ঋতুসংহাৰ কাব্যৰ সামৰণি মাৰিছে।

ভৱতু তৱ ৱসন্তঃ শ্ৰেষ্ঠকাল সুখায়॥ ●

কালিদাসৰ ৰচনাত শিশু

সংসাৰৰ কুটিলতা আৰু কৃত্ৰিমতাই কলুষিত নকৰা, সৰলতাৰ মূৰ্তি ৰূপ শিশুক ভাল পোৱাটো মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। শিশুৰ প্ৰতি এই প্ৰীতি ভাৱকে বাৎসল্য ভাব বোলা হয়। প্ৰাচীন আলংকাৰিকসকলে শৃংগাৰৰসৰ স্থায়ী ভাব বতিৰে এক বিশেষ ৰূপ বুলি বাৎসল্যভাবক স্বীকাৰ কৰিছিল। এই ভাৱক ৰস বুলি স্বীকৃতি দিয়া হোৱা নাছিল যদিও সাহিত্যদৰ্পণকাৰ বিশ্বনাথে "অথ মুনীন্দ্ৰসম্মতো ৱৎসলঃ" বুলি ভৰতমুনিৰ সন্মত বাৎসল্যভাৱক বাৎসল্যৰসৰ স্থায়ীভাব বুলি বৰ্ণনা কৰিছে[১]। সংস্কৃত সাহিত্যত শিশু-চৰিত্ৰৰ বৰ্ণনাই বিশেষ ঠাই অধিকাৰ কৰি থকা দেখা যায়। ভাগৱত-পুৰাণৰ শিশুকৃষ্ণৰ মনোৰম চৰিত্ৰ-চিত্ৰণেই তাৰ উৎকৃষ্ট নিদৰ্শন। ভাগৱতত শিশু প্ৰেমৰ যোগেদিও ভগৱদ্ উপলব্ধিৰ পথ দেখুৱাইছে। মহাকবি কালিদাসেও শিশু-চৰিত্ৰ চিত্ৰণত বিশেষ মনোযোগ দিয়া পৰিলক্ষিত হয়।

মহাকবি কালিদাসৰ শ্ৰেষ্ঠ ৰচনা শকুন্তলা নাটকৰ ষষ্ঠ অংকত সন্তান-হীনতাৰ দুখত নায়ক দুষ্যন্তক ব্যাকুল হৈ পৰা দেখা গৈছে। প্ৰথম অংকতে কণ্বৰ আশ্ৰমৰ বৈখানসৰ মুখেদি "পুত্ৰমেৱংগুণোপেতং চক্ৰৱৰ্ত্তিনমাপ্নুহি" বুলি মহাকবিয়ে নায়কৰ ভৱিষ্যৎ গুণীপুত্ৰৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। ষষ্ঠ অংকত (দুৰ্বাসাৰ অভিশাপৰ ফলত) ধৰ্মপত্নীক পৰিত্যাগ কৰাৰ দুখত দুষ্যন্তক অত্যান্ত অনুতপ্ত হৈ পৰা দেখা গৈছে। ইয়াৰ পিছতেই নিঃসন্তান সদাগৰ ধনমিত্ৰৰ মৃত্যুৰ কাহিনীটো অৱতাৰণা কৰি মহাকবিয়ে নায়িকা শকুন্তলাৰ পাছতে শকুন্তলাৰ সন্তানৰ প্ৰতিও আমাৰ সহানুভূতিৰ উদ্ৰেক কৰিছে।

---

১. স্ফুটং চমৎকাৰিতয়া ৱৎসলং চ ৰসং বিদুঃ।
স্থায়ী ৱৎসলতাস্নেহঃ পুত্ৰাদ্যালম্বনং মতম্ ॥ ২৫১ [সাহিত্য দৰ্পণ, ৪ অ]

সপ্তম অংকত মাৰীচৰ আশ্ৰমত অদিতিক শ্ৰদ্ধা-জ্ঞাপন কৰিবলৈ (স্বৰ্গৰ পৰা প্ৰত্যাৱৰ্তনৰ পথত) সোমাওঁতে অপ্ৰত্যাশিতভাৱে দুষ্যন্তৰ শকুন্তলাৰ লগত পুনৰ্মিলন ঘটিছে। এই শুভ কাৰ্যৰ পাতনি তৰিছে ৰজাই আশ্ৰমত প্ৰৱেশ কৰিয়েই দেখিবলৈ পোৱা এটি অসাধাৰণ শিশুৱে। অসাধাৰণ বল-সম্পন্ন এই শিশুটিয়ে মাকৰ গাখীৰ খাই থকাৰ পৰা এটা সিংহ পোৱালি খেলিবলৈ বুলি আজুৰি আনিছে। ল'ৰাটিয়ে বীৰদৰ্পে কৈছে—"এই সিংহ! মুখ মেল, তোৰ দাঁত কেইটা আছে চাওঁ।" দুগৰাকী তাপসীয়ে ল'ৰাটিৰ এই উদ্ধত কাৰ্যত বাধা দান কৰিছে; কাৰণ আশ্ৰমৰ পশু-পক্ষী-বোৰলৈ তেওঁলোকৰ নিজ সন্তানৰ নিচিনা মৰম। এগৰাকীয়ে কৈছে—"পোৱলিটো এৰি দিয়া; নহলে মাকে তোমাক কামুৰিব।" শিশুটিয়ে মিচিকিয়া হাঁহিৰে উত্তৰ দিলে—"বাঃ, একেবাৰে ভয় খাই গ'লোঁ।" প্ৰথম দৰ্শনতে এই অসাধাৰণ শিশুটিৰ প্ৰতি সন্তানহীনতাৰ দুখত পীড়িত হৈ থকা দুষ্যন্তৰ মনত নিজ পুত্ৰৰ দৰে স্নেহৰ উদ্ৰেক হৈছে। কিৰিগুতিৰ মাজত ডাঙৰ জুই জ্বলাৰ শক্তি সোমাই থকাৰ দৰে এই শিশুটিৰ মাজতো মহতী শক্তিৰ উৎস লুকাই আছে বুলি দুষ্যন্তৰ ধাৰণা হ'ল।

এগৰাকী তাপসীয়ে শিশুটিক ক'লে, "বাছা! সিংহ পোৱালিটো এৰি দিয়া। তোমাক খেলিবলৈ অন্য বস্তু দিম।" সেই কথা শুনি ল'ৰাটিয়ে "ক'তা, দিয়া" বুলি তাৰ মৰম লগা হাত দুখন মেলি দিলে। ৰজাই সেই হাত দুখনিত ৰাজচক্ৰৱৰ্তী লক্ষণ প্ৰকাশ পোৱা দেখিবলৈ পালে। বিচৰা বস্তুলৈ হেঁপাহেৰে মেলি দিয়া হাত দুখনিৰ আঙুলি কেইটি ইটিৰ লগত সিটি জালেৰে গুঁঠি থোৱাৰ নিচিনা। সেয়া যেন উষা সময়ৰ ৰক্তিমাৰে ৰঞ্জিত অৰ্ধ-প্ৰস্ফুটিত পদুম এপাহিহে।

এগৰাকী তাপসীক কুটিৰৰ পৰা মাটিৰে সজা ম'ৰা চৰাই এটা আনিবলৈ যোৱা দেখি শিশুটিয়ে ক'লে "তুমি আনাৰে মানে মই এই সিংহ পোৱালি-টোৰেই খেলি থাকোঁ।" ল'ৰাটিৰ এই শিশুসুলভ উদ্ধতালি দেখি তাৰ প্ৰতি ৰজাৰ মনত দুৰ্বাৰ আকৰ্ষণ জাগিছে। তেওঁৰ মনত ভাব হৈছে—

"কুলকলি যেন আধা-গজা দাঁতকেইটি উলিয়াই অকাৰণতে মিচিকিয়া হাঁহি মাৰি, থুনুক-থানাক মাতেৰে কথা কৈ কোলাত উঠিব খোজা পোনাইতক কোলাত তুলি লওঁতে সিহঁতৰ গাৰ ধূলিৰে যাৰ কোলা মলিন হৈছে, তেওঁ-লোকই ধন্য (শকু ৭/১৭)।

সিংহপোৱালিটো সেই দুৰ্দান্ত শিশুটিৰ হাতৰপৰা একবাৰ নোৱাৰি নিৰুপায় হৈ এগৰাকী তাপসীয়ে ঋষিকুমাৰ এজনৰ সহায় বিচৰাত ৰজাই ওচৰ চাপি গৈ ল'ৰাটিক ক'লে — "ঋষিপুত্ৰ! ফেঁটীসাপৰ পোৱালিয়ে যেনেকৈ চন্দন-তৰুক দূষিত কৰে, সেইদৰে তুমিও এনেকুৱা আশ্ৰমবিৰুদ্ধ আচৰণৰ-দ্বাৰা সাত্ত্বিক স্বভাৱৰ আৰু সংযমৰ জন্মদাতাক কিয় দূষিত কৰিছা[2] ?" তেতিয়া তাপসীগৰাকীয়ে ল'ৰাটি ঋষিকুমাৰ নহয় বুলি জনালে। পিছত শিশুটিৰ হাতৰপৰা সিংহ পোৱালিটো মুকলি কৰি দিওঁতে শিশুটিৰ অংগ-স্পৰ্শত ৰজা পুলকিত হৈ উঠিল। তেওঁ ভাবিলে—"কোনোবা অপৰিচিত ব্যক্তিৰ কুলৰ অংকুৰস্বৰূপ এই শিশুটিৰ অংগস্পৰ্শত মোৰ এনে সুখ-অনুভূতি জাগিছে; যাৰ শৰীৰৰপৰা এই অংকুৰটি গজিছে, তেওঁলোকৰ মনত এই শিশুৰ স্পৰ্শই কেনে আনন্দ দিব[3] ?" সেই সময়ত ৰজা আৰু শিশুটিৰ চেহেৰাৰ সাদৃশ্য দেখি তাপসীগৰাকী বিস্মিত হৈ পৰিছে।"

ৰজাই তাপসীগৰাকীৰপৰা ল'ৰাটিৰ জন্ম পুৰুবংশত বুলি জানি সিনো সেই স্বৰ্গীয় আশ্ৰমলৈ কেনেকৈ যাবলৈ পালে, জানিবলৈ বিচাৰিলে। অপ্সৰাৰ লগত থকা সম্পৰ্কৰ কাৰণে ল'ৰাটিক তাৰ মাকে এই আশ্ৰমত জন্ম দিছিল বুলি তাপসীগৰাকীয়ে জানিবলৈ দিলে। ৰজাই পুনৰ শিশুটিৰ পিতৃ-পৰিচয় সোধাত তাপসীগৰাকী চিঞৰি মাৰি উঠিল—"কোনে সেই ধৰ্মপত্নী ত্যাগীৰ নাম ল'ব ?" তেতিয়া সেইটি নিজৰেই সন্তান বুলি দুষ্যন্তৰ অনুমান হ'ল। ল'ৰাটিৰ মাকৰ নামকে সুধি চাবলৈ মনতে থিৰ কৰি, পিছ মুহূৰ্ততে পৰস্ত্ৰীৰ

২. এৱমাশ্ৰমবিৰুদ্ধবৃত্তিনা সংযমী কিমিতি জন্মতস্ত্বয়া।
সত্ত্বসংশ্ৰয়সুখোঽপি দূষ্যতে কৃষ্ণসৰ্পশিশুনেৱ চন্দনঃ। [শকু : ৭/১৮]

৩. অনেন কস্যাপি কুলাংকুৰেণ স্পৃষ্টস্য গাত্ৰেষু সুখং মমৈৱম্।
কাং নিৰ্বৃতিং চেতসি তস্য কুৰ্যাদ্ যস্যায়মংগাৎকৃতিনঃ প্ৰসূতঃ ॥ [শকু : ৭/১৯]

চৰ্চাৰ ভয়ত তেওঁ সেই ইচ্ছা ত্যাগ কৰিলে।

এনে সময়তে তাপসী এগৰাকীয়ে মাটিৰে সজা ম'ৰা চৰাইটো দেখুৱাই সেই শিশুটিক ক'লে, "সৰ্বদমন। শকুন্তলাৱণ্য অৰ্থাৎ চৰাইটো কেনে ধুনীয়া চোৱাচোন। লৰাটিয়ে শকুন্তলাৰ কথা কৈছে বুলি ভাবি তৎক্ষণাৎ সুধিলে, "ক'ত মোৰ মা?" তেতিয়া ৰজাই তেওঁৰ পত্নী শকুন্তলাই এই ল'ৰাটিৰ মাক নে কি ভাবি চালে; কিন্তু পিছ মুহূৰ্ত্তে একে নামৰ অন্য কোনোবা নাৰীও হ'ব পাৰে বুলি দুখেৰে সেই ভাব মনৰপৰা আঁতৰাই পেলালে।

ইতিমধ্যে এটা অভাৱনীয় ঘটনা ঘটিল। ল'ৰাটিৰ বাউসীৰপৰা সৰি পৰা ৰক্ষাকৰণ্ডক (তাবিজ) এটা ৰজাই দাঙি লোৱা দেখি তাপসীগৰাকী চক্ খাই গ'ল; কাৰণ সেই বস্তুটো মাটিত পৰিলে লৰাটিৰ পিতৃ-মাতৃৰ বাহিৰে অন্যে স্পৰ্শ কৰিলে, সি সৰ্প হৈ স্পৰ্শ কৰোঁতাজনক দংশন কৰে। তেনে বিকৃতি দুষ্যন্তৰ ক্ষেত্ৰত নঘটা দেখি বুজা গ'ল যে তেৱেঁই সেই শিশুৰ পিতৃ। এই শুভসংবাদটি শকুন্তলাক জনাবলৈ বুলি তাপসীসকলে লৰ ধৰিলে। তাপসীসকলৰপৰা ঘটনাৰ তাৎপৰ্য বুজি আনন্দত উদ্বাউল হৈ দুষ্যন্তই শিশুটিক সাৱট মাৰি ধৰিলে। ল'ৰাটিয়ে দুষ্যন্তক অচিনাকি পাই ক'লে—"এৰি দিয়া, মই মাৰ ওচৰলৈ যাওঁ।" আবেগভৰা কণ্ঠেৰে দুষ্যন্তই ক'লে—"মোৰ পুতাই, মোৰ সৈতে একেলগে মাৰক অভিনন্দন জনাবা।" ল'ৰাটিয়ে ভপৰাই কৈ দিলে—"মোৰ পিতা দুষ্যন্তহে, তুমি নহয়।"

দুষ্যন্তৰ ওচৰলৈ বিৰহাতুৰ বেশত আহি থকা শকুন্তলাক ল'ৰাটিয়ে আগবাঢ়ি গৈ ক'লে--"অ' মা, ক'ৰবাৰ মানুহ এজনে মোক পুতাই বুলি সাবটি ধৰিছে।"

সুদীৰ্ঘ বিচ্ছেদৰ অন্তত পিতা-পুত্ৰ আৰু পতি-পত্নীৰ মধুৰ মিলন ঘটিল। ল'ৰাটিয়ে মাকক সুধিলে--"মা, এয়া কোন?" আবেগ-বিহ্বলা শকুন্তলাই উত্তৰ দিলে--"সোণ, তোৰ ভাগ্যক সোধ।" এইদৰে কালিদাসে দুটি যুৱক-যুৱতীৰ প্ৰণয়ৰ পাতনিৰে অভিজ্ঞান-শকুন্তলা

নাটখনি আৰম্ভ কৰি তেওঁলোকৰ বিচ্ছেদ ঘটাই তাৰ অন্তত এটি মোহনীয় শিশুৰে সৈতে প্ৰণয়ীযুগলৰ পুনৰ্মিলন দেখুৱাই নাটকৰ সামৰণি মাৰিছে।

কালিদাসে ৰঘুবংশ নামৰ কাব্যখনত দিলীপে বহুকাল নিঃসন্তান হৈ থকাৰ পিছত ৰঘুক পুত্ৰৰূপে লাভ কৰি আনন্দত আপ্লুত হৈ পৰাৰ বৰ্ণনা কৰিছে আৰু শিশু-চৰিত্ৰটিৰ মনোৰম বৰ্ণনা দাঙি ধৰিছে। উমা-মহেশ্বৰে কাৰ্তিকক পাই, ইন্দ্ৰ-শচীয়ে জয়ন্তক পাই আনন্দত আত্মহাৰা হোৱাৰ দৰে দিলীপ-সুদক্ষিণায়ো ৰঘুক পাই আপোন-পাহৰা হৈ পৰিল। সেই সন্তানে নৱ-দম্পতীৰ পাৰস্পৰিক প্ৰীতি দ্বিগুণত পৰিণত কৰিলে যদিও, একমাত্ৰ বঢ়াইহে তুলিলে। ৰঘুক ধায়ে কথা ক'বলৈ শিকালে। ধাইৰ হাতত ধৰি ধৰি শিশু ৰঘুৱে খোজ কাঢ়িবলৈ ধৰিলে। লোকে ৰজা দিলীপক সেৱা কৰা দেখি অকণমানি শিশু ৰঘুৱেও তাকে অনুকৰণ কৰিলে। এইবোৰ চাই চাই দিলীপৰ মনত আনন্দই নধৰা হ'ল। সেই দেৱশিশুটি কোলাত লৈ দিলীপে অমৃত সাগৰত বুৰ দিয়া যেন পালে। বাল্য কালৰ খেমালি-ধেমেলিৰ উপৰিও কালিদাসে ৰঘুৰ শিক্ষা-দীক্ষাৰো এটি বৰ্ণনা দিছে। ৰঘুবংশৰ দশম সৰ্গত ৰাম-লক্ষ্মণ আৰু ভৰত-শত্ৰুঘ্নৰো শিশুসুলভ আকৰ্ষণীয় কাৰ্যকলাপৰ বৰ্ণনা দিয়া হৈছে।

কুমাৰসম্ভৱ কাব্যত কালিদাসে 'জগদেকমাতা' আৰু 'ধাত্ৰী সমস্তস্য চৰাচৰস্য' দেৱী পাৰ্বতীৰো শিশু-সুলভ কাৰ্যকলাপৰ মাধুৰ্যমণ্ডিত বৰ্ণনা দাঙি ধৰিছে। নৱজাত কন্যা উমাক কোলাত লৈ হিমালয়-পত্নী মেনা মহিমামণ্ডিত হৈ পৰাৰ জীৱন্ত চিত্ৰ এখনি কালিদাসে অংকন কৰিছে। নৱজলধৰৰ গৰ্জনত বিদুৰ পৰ্বতত ৰত্নৰ অংকুৰ প্ৰস্ফুটিত হৈ যিদৰে বিদুৰ-ভূমিৰ সৌন্দৰ্য উদ্ভাসিত কৰি তোলে, সেইদৰে তেজোমণ্ডলশোভিত নৱজাতা উমায়ো জন্মদাত্ৰী মেনাক অধিক উদ্ভাসিত কৰি তুলিছিল। চন্দ্ৰকলাৰ দৰে বাঢ়ি যোৱা এই কন্যাটি আত্মীয়স্বজনৰ আদৰৰ পাত্ৰী হৈ পৰিছিল। লগৰীয়াৰ সৈতে গংগাৰ বালিত বালিঘৰ সজা, ঢোপ খেলা, পুতলা লৈ খেমালি কৰা কালিদাসৰ 'জগদেকমাতা' উমাৰ চৰিত্ৰত চিৰন্তন

শিশুৰ চিত্ৰখনেই উদ্ভাসিত হৈ উঠিছে। উমাৰ বিদ্যাশিক্ষাৰো বৰ্ণনা এটি দি মহাকবিয়ে দেৱীৰ শিশুৰূপটি পূৰ্ণাংগ কৰিছে।

এই উমাই শিৱৰ ঘৰিণী হৈ কুমাৰ কাৰ্তিকৰ মাতৃত্ব লাভ কৰিলে। মহাকবিয়ে প্ৰথম পুত্ৰমুখ দৰ্শনত উমা পুলকিত হৈ পৰাৰ যি বৰ্ণনা দাঙি ধৰিছে, তাত বাৎসল্যৰসৰ সুন্দৰ অভিব্যঞ্জনা হৈছে। কুমাৰ কাৰ্তিকক প্ৰথমবাৰৰ কাৰণে কোলাত তুলি লওঁতে পাৰ্ৱতীৰ দুধাৰেদি বাৎসল্য স্নেহৰ চকুলো বৈ গ'ল। শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। অকৃত্ৰিম বাৎসল্য ৰসৰ ধাৰাতহে যেন পাৰ্ৱতী সিক্তা হৈ পৰিল। আনন্দেৰে মন উপচি গ'ল, বুকুৰপৰা দুগ্ধধাৰা নিঃসৰিত হ'ল।

কুমাৰ কাৰ্তিকৰ মধুৰ শৈশৱ-লীলাৰো আকৰ্ষণীয় চিত্ৰ মহাকবিয়ে অংকন কৰিছে। হৰ-গৌৰীয়ে কেতিয়াবা অকণি অকণি দাঁতকেইটি উলিয়াই হাঁহিবৰা কাৰ্তিকৰ গাল দুখনি চুমাৰে ওপচাই দিয়ে। কাৰ্তিকে বিবিধ ভংগিমাৰে খোজ কঢ়া দেখি পিতৃ-মাতৃ দুয়োৰে মন আনন্দত নাচি উঠে। কাৰ্তিকে কেতিয়াবা জোন যেন মুখখনিত হাঁহি বিৰিঙাই চোতালত ধূলি লৈ উমলি থাকে। কেতিয়াবা থুনুক-থানাক মাতেৰে পিতৃ-মাতৃৰ মন জুৰ পেলায়। কেতিয়াবা শিৱৰ গৰুটোক শিঙত ধৰি টানেগৈ। কেতিয়াবা আকৌ পাৰ্ৱতীৰ সিংহটোৰ কেশৰত ধৰি আজোৰে। কেতিয়াবা ভৃংগীৰ চুলি টানে, কেতিয়াবা শিৱৰ কণ্ঠত ওলমি থকা মুণ্ডমালাৰ মূৰবোৰৰ মুখত আঙুলি ভৰাই দাঁত উখালিব খোজে, কেতিয়াবা শিৰত থকা গংগাৰ চৌ-বোৰত হাত দি চেঁচা লাগিলে শিৱৰ তৃতীয় নেত্ৰত সেকি লয়। এইদৰে শিশু কাৰ্তিক শিৱ-পাৰ্ৱতীৰ বাবে অন্তহীন আনন্দৰ সঁফুৰা হৈ পৰিল।

বিক্ৰমোৰ্ৱশী নাটকত উৰ্ৱশী-পুৰুৰৱাৰ পুতেক আয়ুৰ শিশু-চিত্ৰ অংকন কৰা হৈছে। পুৰুৰৱাৰ অতি মৰমৰ মূল্যৱান মণি এটা মাংসৰ টুকুৰা বুলি শগুন এটাই লৈ উৰা মাৰিলে। পুৰুৰৱাৰ অজ্ঞাতে উৰ্ৱশীয়ে জন্ম দিয়া আৰু আশ্ৰমত ডাঙৰ-দীঘল হোৱা পুৰুৰৱাৰ পুত্ৰ আয়ুৱে শৰ মাৰি সেই শগুনটো মাটিত পেলালে আৰু ৰজাই মণিটো ঘূৰাই পালে।

শকুনটো বিদ্ধ কৰা শৰপাটত উৰ্বশী-পুৰুৰবাৰ পুত্ৰ আয়ু বুলি লিখি থোৱা আছিল। তাকে দেখি ৰজা পুৰুৰবা আনন্দতে অভিভূত হৈ পৰিল। এনেতে এগৰাকী তাপসী চ্যৱন ঋষিৰ আশ্ৰমৰপৰা এটি শিশুৰে সৈতে আহি সেই ঠাইতে উপস্থিত হ'ল। ল'ৰাটি দেখিয়েই ৰজাৰ আনন্দৰ লোতক বাগৰি গ'ল; বুকুত বাৎসল্য-স্নেহ উথলি উঠিল; মন প্ৰসন্ন হ'ল, আবেগত গা কঁপিবলৈ ধৰিলে। তেওঁৰ মনত এনে ভাব হ'ল যেন ল'ৰাটি বুকুত সুমাই ল'ব।

তাপসীগৰাকীয়ে সেই শিশুটি পুৰুৰবাৰে সন্তান বুলি পৰিচয় দি তাক পিতাকক প্ৰণাম কৰিবলৈ ক'লে। পিতাকক পাই ল'ৰাটি অত্যন্ত উল্লসিত হৈ পৰিল। তেনে সময়তে উৰ্বশীও সেই ঠাইলৈকে অহা দেখি ৰজাই ল'ৰাটিক মাকৰ ফালে আঙুলিয়াই ক'লে—"চোৱাঁ বাছা, সৌৱা তোমাৰ মাৰা একেথিৰে তোমাৰ ফালে চাই চাই আহিব লাগিছে। স্নেহসূচক দুগ্ধধাৰাৰে তেওঁৰ বুকুৰ বসন তিতি আহিছে।"

তাপসীগৰাকীয়ে পুৰুৰবা-উৰ্বশীৰপৰা বিদায় লৈ যাবৰ সময়ত আয়ুৱে শিশুসুলভ প্ৰাৰ্থনা এটি কৰিছে—"তেনেহ'লে আপুনি মোৰ ডাঙৰ ডাঙৰ পাখী থকা মণিকণ্ঠক নামৰ ম'ৰা চৰাইটো মোলৈ পঠাই দিব। সি মোৰ কোলাত শুই থাকোঁতে তাৰ মূৰটো মোৰ হাতেৰে খজুৱাই দিলে বৰ ফূৰ্তি পায়।"

এইদৰে মহাকবি কালিদাসে শিশুচৰিত্ৰ অংকনতো নৈপুণ্যৰ পৰিচয় দিছে। ●

মেঘদূতৰ ভৌগোলিক অধ্যয়ন

মেঘদূত কাব্যত বিৰহী যক্ষই মেঘক "গন্তব্যা তে ৱসতিৰলকা নাম যক্ষেশ্বৰাণাম্" বুলি সূচনা দি "মাৰ্গং তাৱচ্ছৃণু" বুলি সমগ্ৰ গন্তব্যপথৰ যথাযথ বৰ্ণনা দাঙি ধৰিছে। যক্ষৰ নিৰ্বাসনৰ স্থান ৰামগিৰিৰপৰা অলকালৈকে মহাকবিয়ে যক্ষৰ মুখেদি মেঘৰ গন্তব্য পথৰ যি বৰ্ণনা দাঙি ধৰিছে, তাত মহাকবি কালিদাসৰ তৎকালীন ভাৰতবৰ্ষৰ ভৌগোলিক জ্ঞান সুন্দৰকৈ প্ৰকাশ পাইছে। মেঘৰ গন্তব্য পথত পাই যোৱা জনপদ, নগৰ আৰু গিৰি-নদীসমূহৰ মনোৰম বৰ্ণনা মহাকবিয়ে দাঙি ধৰিছে। এই প্ৰবন্ধত মেঘদূতত উল্লিখিত স্থানসমূহৰ যথাৰ্থ ভৌগোলিক অৱস্থিতি নিৰ্ণয় কৰিবলৈ চেষ্টা কৰা হৈছে।

পঞ্চদশ শতিকাৰ টীকাকাৰ মল্লিনাথে যক্ষৰ নিৰ্বাসনভূমি বুলি মহাকবিয়ে বৰ্ণোৱা ৰামগিৰি চিত্ৰকূটেৰে অভিন্ন বুলিছে[1]। চিত্ৰকূটেই মহাকবিৰদ্বাৰা উল্লিখিত ৰামগিৰি বুলি ধৰিলে ভালেখিনি বিসংগতি আহি পৰে। কৈলাসপৰ্বতৰ সমীপস্থ অলকালৈ মেঘ উত্তৰফালে যাব লাগিব বুলি মহাকবিয়ে কৈছে (প্ৰস্থিতসোত্তৰাশাং ১/২৯)। এতিয়া এই চিত্ৰকূটৰপৰা উত্তৰলৈ গ'লে মেঘে মহাকবিয়ে বৰ্ণোৱামতে বিন্ধ্যপৰ্বতৰ শিলাময় নামনিয়েদি বৈ যোৱা নৰ্মদাক[2] দেখিবলৈ পাব নে নাপায়, এই আলোচনা তলত কৰা হৈছে।

ৰামৰ বনবাস কালৰ নিবাসস্থান বুলি খ্যাতি থকা আজিকালিৰ যিখন চিত্ৰকূট, সেই ঠাই গংগা-যমুনাৰ সংগমস্থলী প্ৰয়াগৰপৰা (এলাহাবাদ) আশী মাইল দক্ষিণ-পশ্চিমে অৱস্থিত। ৰামায়ণত থকা বৰ্ণনায়ো চিত্ৰকূটৰ এই অৱস্থানকে প্ৰমাণ কৰে। ৰামায়ণৰ বৰ্ণনামতে ৰামে অযোধ্যা এৰি গৈ

---

১. ৰামগিৰেশ্চিত্ৰকূটস্যাশ্ৰমেষু।

২ ৰেৱাং দ্ৰক্ষ্যস্যুপলবিষমে বিন্ধ্যপাদে বিশীৰ্ণাম্ [পূৰ্ব মেঘ/২০]

গংগা পাৰ হোৱাৰ পিছত প্ৰয়াগত থকা ভৰদ্বাজ-আশ্ৰমত উপস্থিত হ'ল। আজিও এলাহাবাদত এই আশ্ৰমৰ অৱশেষ দেখিবলৈ পোৱা যায়। ভৰদ্বাজ মুনিয়ে ৰামৰ আগত চিত্ৰকূটৰ বৰ্ণনা এই বুলি দিছিল—"বৎস ৰাম! ইয়াৰপৰা দহ ক্ৰোশ আঁতৰত মহৰ্ষিসকলে বাস কৰা এক ৰমণীয় পৱিত্ৰ পৰ্বত আছে। চিত্ৰকূট নামৰ এই পৰ্বত "গন্ধমাদনৰ তুল্য। তুমি তাতে বাস কৰিবাগৈ"[৩]। ইয়াৰ দহ ক্ৰোশে কিমান দূৰত্বক বুজাইছে, সঠিককৈ কোৱা টান। আজি কালিৰ জোখেৰে দুমাইলৰ দূৰত্বক এক ক্ৰোশ বুলি ধৰা দেখা যায় যদিও, ক্ৰোশৰ দূৰত্ব সম্পৰ্কে নিৰ্দিষ্টভাৱে কোৱা টান। যি কি নহওক, ৰামায়ণৰ উক্ত বৰ্ণনাৰপৰা বুজা যায় যে এলাহাবাদৰপৰা চিত্ৰকূটৰ দূৰত্ব বিন্ধ্যৰ দক্ষিণত থকা এখন ঠাইৰ দূৰত্বৰ সমান নহয়। গতিকে দেখা গ'ল যে চিত্ৰকূটেই ৰামগিৰি হ'লে তাৰপৰা উত্তৰলৈ গলে বিন্ধ্যৰ নামনিয়েদি বৈ যোৱা নৰ্মদা নদী পাৰ নোৱাৰে।

কালিদাসৰ ৰামগিৰি যে চিত্ৰকূট নহয়, তাৰ আৰু এটি প্ৰমাণ দেখুৱাব পাৰি। ৰামায়ণৰ বৰ্ণনামতে ৰমণীয় চিত্ৰকূট পৰ্বতৰপৰা সুতীৰ্থা মাল্যৱতী নদী বৈ গৈছে[৪]। তদুপৰি সম্পূৰ্ণ এটা অধ্যায় জুৰি চিত্ৰকূটৰ পৰা বৈ যোৱা মন্দাকিনী নদীৰ শোভাৰ বৰ্ণনা ৰামায়ণত দিয়া হৈছে (অযোধ্যা : ৫৯ অ:)। প্ৰকৃতি-বৰ্ণনাৰ ক্ষেত্ৰত কালিদাসৰ ওপৰত আদিকাব্য ৰামায়ণৰ প্ৰভূত প্ৰভাৱ পৰিছে। তেনেস্থলত মাল্যৱতী নদীৰ নহ'লেও আদিকবিয়ে গুৰুত্ব সহকাৰে বৰ্ণনা কৰা মন্দাকিনী নদীৰ কথা মহাকবিয়ে পাহৰাটো সম্ভৱ নহয়। উল্লেখযোগ্য যে যমুনাৰ উপনদী এই মন্দাকিনী চিত্ৰকূটৰ উত্তৰ পশ্চিমেদি প্ৰবাহিত হৈ গৈছে। তেনেস্থলত 'প্ৰস্থিতস্যোত্তৰাশাং" মেঘৰ পথত এই মন্দাকিনী নপৰাটো অসম্ভৱ কথা। গতিকে মহাকবিৰ অভিপ্ৰেত ৰামগিৰি চিত্ৰকূট পৰ্বত হ'ব নোৱাৰে।

---

৩. দশক্ৰোশ ইতস্তাত গিৰিৰ্যস্মিন্ নিৱৎস্যসি।
মহৰ্ষিসেৱিতঃ পুণ্যঃ পৰ্বতঃ শুভদৰ্শনঃ ॥
চিত্ৰকূট ইতি খ্যাতো গন্ধমাদনসন্নিভঃ [*অযোধ্যাকাণ্ড* ৫৪/২৮-২৯]

৪. সুৰম্যমাসাদ্য তু চিত্ৰকূটং নদীংচ তাং মাল্যৱতীং সুতীৰ্থাম্ ॥ [ৰা ৩/৫৬/৩৫]


প্ৰতি ইঞ্চি = ১০০ মাইল। মেঘৰ সম্ভাব্য গতিপথ → → → →
অন্য মতানুযায়ী সকলৰ গতিপথৰ সংকেত × × × × × × × × ×
কৈলাস শৃংগ
অলকাপুৰী
মানস সৰোবৰ
শতদ্ৰু নদী
কুৰুক্ষেত্ৰ
হৰিদ্বাৰ
সৰস্বতী ?
ইন্দ্ৰপ্ৰস্থ (দিল্লী)
মথুৰা
আগ্ৰা
গংগা নদী
সৰযু নদী
যমুনা নদী
প্ৰয়াগ
চিত্ৰকূট
শোণ নদী
দেওগড়
জবলপুৰ
নৰ্মদা নদী
অমৰকণ্টক
তাপ্তী নদী
মহানদী
নাগপুৰ

বনবাসৰ কালত ৰামে একে ঠাইতে বাস কৰি থকা নাছিল। গতিকে কালিদাসে যাক 'ৰামগিৰি' বুলিছে সেয়া ৰামৰ বনবাসকালীন নিবাসস্থান প্ৰখ্যাত চিত্ৰকূট নহৈ অন্য অখ্যাত পাৰ্বত্যস্থানো হ'ব পাৰে। উইলচন প্ৰমুখ্যে আধুনিক বিদ্বানসকলে নাগপুৰৰ কিছু উত্তৰে থকা 'ৰামটেক' পাহাৰকে যক্ষৰ নিৰ্বাসনস্থলী ৰামগিৰি বুলি কৈছে। মাৰাঠী ভাষাত 'টেক' শব্দৰ অৰ্থ পাহাৰ হোৱাৰপৰা এই অনুমান দৃঢ় হয়। বিন্ধ্যৰ দক্ষিণত অৱস্থিত এই ৰামটেকক ৰামগিৰি বুলি ধৰিলে "প্ৰস্থিতস্যোত্তৰাশাং" মেঘৰ পথত বিন্ধ্যপৰ্বতৰ নামনিয়েদি বৈ যোৱা নৰ্মদা নদী পোৱাটো যুক্তিযুক্ত কথা হয়।

যক্ষই মেঘৰ প্ৰিয়সখি ৰামগিৰিৰ শৃংগ আলিংগন কৰি বিদায় লোৱাৰ পিছত[৫] উত্তৰমুখে গতি কৰিবলৈ কৈছে[৬]। তেতিয়া মেঘে মালক্ষেত্ৰত (ক্ষেত্ৰমাৰুহ্য মালং) আৰোহণ কৰিব। মল্লিনাথে টীকাত মালক্ষেত্ৰক পৰ্বতসদৃশ উন্নতভূমি বুলিছে[৭]। পণ্ডিত উইলচনে এই ঠাই ছত্তিসগড় অঞ্চলৰ উত্তৰ ভাগত অমৰকণ্টকৰ দক্ষিণে থকা ৰত্নপুৰৰ নিকটৱৰ্তী 'মালদা' নামৰ ঠাই বুলিছে। তেওঁৰ মতে এই মালৰপৰা গৈ মেঘে যি 'সানুমান আম্ৰকূট' পাব, সেয়া অমৰকণ্টক শৃংগ। মালক্ষেত্ৰৰপৰা আম্ৰকূটৰ অৱস্থান মহাকবিয়ে এইদৰে দেখুৱাইছে—"কিঞ্চিৎপশ্চাদ ব্ৰজ লঘুগতিৰ্ভূয় এৱ উত্তৰেণ"– অৰ্থাৎ অলপ পশ্চিমলৈ গৈ আকৌ উত্তৰলৈ। মালদাৰপৰা অমৰকণ্টকৰ অৱস্থান এনে ধৰণেৰে হয় যদিও আম্ৰকূট অমৰকণ্টক কেতিয়াও হ'ব নোৱাৰে। কাৰণ 'ৰামটেক'ক ৰামগিৰি বুলি ধৰিলে তাৰ উদঙ্মুখ অৰ্থাৎ উত্তৰমুখী হৈ মেঘে মালদা পাবগৈ যে নোৱাৰে সেই কথা ইয়াৰ লগত সন্নিবিষ্ট কৰা মানচিত্ৰ চালেই স্পষ্ট হ'ব। কালিদাসে উত্তৰমুখী মেঘৰ যি মুহূৰ্ততে গতি সলাবৰ আৱশ্যক হৈছে, তেতিয়াই স্পষ্টভাৱে উল্লেখ কৰিছে। তেনেস্থলত ৰামগিৰিৰপৰা প্ৰায়

৫. আপৃচ্ছস্ব প্ৰিয়সখমমুং তুঙ্গমালিঙ্গ্য শৈলং [১/১২]
৬. স্থানাদস্মাৎসৰসনিচুলাদুৎপতোদঙ্মুখঃ [১/১৪]
৭. মালং মালাখ্যং ক্ষেত্ৰং শৈলপ্ৰায়মুন্নতস্থলম্।

দুশ মাইল উত্তৰপূৰে (উত্তৰতকৈ পূৱৰ পৰিমাণহে বেছি) থকা অমৰকণ্টক আৰু তাৰো দক্ষিণ পশ্চিমে থকা মালদালৈ পাকটো মৰাৰ কথাও উল্লেখ কৰিলেহেঁতেন।

বিৰহ-বিধুৰ যক্ষই যথাসম্ভৱ সোনকালে তেওঁৰ কুশল বাৰ্ত্তা তেওঁৰ প্ৰেয়সীক জনাবলৈ বিচৰাটো স্বাভাৱিক। যক্ষই মেঘৰ দ্ৰুতগতি যে কামনা কৰিছে, তাৰ প্ৰমাণ নানা ঠাইত প্ৰকাশ পাইছে[৮]। উত্তৰমুখী মেঘক যেতিয়া বিদিশাৰপৰা প্ৰায় ১২০ মাইল দূৰত্বত পশ্চিমফালে অৱস্থিত উজ্জয়িনীলৈ, (ঠাইখনৰ প্ৰতি মহাকবিৰ পক্ষপাতিত্বৰশতঃ) বেঁকাকৈ পঠিয়াব খুজিছে, তেতিয়া মহাকবিয়ে তাৰ উপযুক্ত কাৰণ দৰ্শাইছে—

বক্ৰঃ পন্থা যদপি ভৱতঃ প্ৰস্থিতস্যোত্তৰাশাং
সৌধোৎসঙ্গপ্ৰণয়বিমুখো মা স্ম ভূৰুজ্জয়িন্যাঃ।
বিদ্যুদ্দামস্ফুৰিতচকিতৈস্তত্ৰ পৌৰাঙ্গনানাং
লোলাপাঙ্গৈৰ্যদি ন ৰমসে লোচনৈৰ্বঞ্চিতোঽসি ॥

[মেঘদূত : ১/২৮]

"উত্তৰফালে গৈ থকা তোমাৰ পথ যদিও বেঁকা হ'ব, তথাপি তুমি উজ্জয়িনীৰ অট্টালিকাসমূহৰ লগত পৰিচয় নোহোৱাকৈ নোযোৱা যেন। বিজুলীৰ চমকত চকিত হৈ পৰা উজ্জয়িনীৰ কামিনীগণৰ চঞ্চল চাৱনি চোৱাৰ আনন্দ যদি উপভোগ নকৰাকৈ যোৱা, তেনেহলে তোমাৰ জন্মই অসাৰ্থক।"

তেনেস্থলত কোনো কাৰণ নোহোৱাকৈ, দ্ৰুতগতিত যাবলগীয়া মেঘে অহা-যোৱাই প্ৰায় চাৰিশ মাইলৰ দূৰত্ব অতিক্ৰম কৰি সময় অপব্যয় কৰাটো যুক্তিসংগত কথা হ'ব নোৱাৰে। গতিকে মেঘৰ গতিপথত এই অমৰকণ্টক আৰু মালদা পৰা নাই। আম্ৰকূট অমৰকণ্টকেই বুলি বহুলভাৱে স্বীকৃত

৮. মন্দায়ন্তে ন খলু সুহৃদামভ্যুপেতাৰ্থকৃত্যাঃ [মেঘদূত : ২/৩৮]
অৰ্থাৎ মিত্ৰৰ বাঞ্ছিত কাৰ্য সিদ্ধি কৰিবলৈ ওলোৱাসকলে বিলম্ব কৰি নাথাকে।

হ'লেও ওপৰত কৰি অহা আলোচনাৰপৰা এই মত যে গ্ৰহণীয় নহয়, সেইকথা প্ৰমাণিত হয়।

মল্লিনাথে আম্ৰকূট শব্দৰ এই বুলি অৰ্থ কৰিছে—"আম্ৰাশ্চূতাঃ কূটেষু শিখৰেষু যস্য স আম্ৰকূটো নাম সানুমান্ পৰ্ব্বতঃ"—যাৰ শিখৰত আমগছ আছে সেই আম্ৰকূট নামৰ পৰ্বত। মহাকবিয়েও এই পৰ্বতৰ আশেপাশে আমগছেৰে ভৰি থকা বুলিছে[৯]। এনে বৰ্ণনাৰ আম্ৰকূট পৰ্বতনো কোনটো হ'ব পাৰে, সেই বিষয়ে একো মত দাঙি ধৰিব পৰা নহ'ল যদিও অমৰকণ্টকক আম্ৰকূট বুলিও ক'ব পৰা নাযায়।

অমৰকণ্টক শৃংগৰপৰা নৰ্মদা আৰু শোণ নদ প্ৰৱাহিত হৈছে। কালিদাসৰ মেঘক শিৰত বহন কৰা আম্ৰকূট[১০] যদি অমৰকণ্টকেই হয়, তেনেহলে অমৰকণ্টক শৃংগৰ উচ্চতম অংশৰপৰা অন্ততঃ নৰ্মদা নদী মেঘৰ দৃষ্টিগোচৰ নোহোৱাকৈ নাথাকিলহেঁতেন। মহাকবিয়ে আম্ৰকূটৰপৰা (বৰ্ষণৰ ফলত লঘু হৈ) দ্ৰুতত্তৰ গতিত গৈছে মেঘে বিন্ধ্যৰ শিলাময় নামনিত বহু ধাৰাত বিভক্ত হোৱা নৰ্মদাক দেখিব বুলিছে[১১]। গতিকে আম্ৰকূটৰপৰা নৰ্মদা যথেষ্ট দূৰবৰ্তী বুলি বুজিব পাৰি। তেনেস্থলত নাগপুৰৰ উত্তৰে থকা 'ৰামটেক' অৰ্থাৎ ৰামগিৰিৰপৰা উত্তৰমুখে যোৱা মেঘৰ পথত পোৱা অন্য কোনোবা, বিন্ধ্য পৰ্বতৰ অন্তৰ্ভুক্ত পাহাৰহে আম্ৰকূট হোৱা সম্ভৱ। মালক্ষেত্ৰও বিন্ধ্যপৰ্বতৰে কোনোবা মালভূমি।

নৰ্মদাৰপৰা আগবাঢ়ি গৈ মেঘে দশাৰ্ণ জনপদ পাবগৈ। এই দশাৰ্ণ বৰ্ত্তমান মধ্য প্ৰদেশৰ অন্তৰ্ভুক্ত অঞ্চল। দশাৰ্ণৰ ৰাজধানী বিদিশা আজিকালি ভিল্‌চা নামেৰে প্ৰসিদ্ধ। ই বেত্ৰৱতী নদীৰ (বৰ্ত্তমান বেতৱা) পাৰত

---

৯. ছন্নোপান্তঃ পৰিণতফলদ্যোতিভিঃ কাননাম্ৰৈঃ [মেঘদূত ১/১৮]

১০. ত্বামাসাৰ প্ৰশমিত-বনোপপ্লৱং সাধু মূৰ্দ্ধ্না
বক্ষ্যত্যধ্বশ্ৰমপৰিগতং সানুমানাম্ৰকূটঃ ॥ [১/১৭]

১১. তোয়োৎসৰ্গ-দ্ৰুততৰগতিস্তৎপৰং বৰ্ত্ম তীৰ্ণঃ।
ৰেৱাং দ্ৰক্ষ্যস্যুপলবিষমে বিন্ধ্যপাদে বিশীৰ্ণাম্ ॥ [১/১৯]

অৱস্থিত বুলি মহাকবিয়েও বৰ্ণনা কৰি গৈছে (পূৰ্বমেঘ-২৪)। বিদিশাৰ ওচৰত নীচৈঃ নামৰ কোনো সৰু পাহাৰত মেঘে জিৰণি লৈ যাব। এই পৰ্বতৰপৰা গৈ মেঘে 'বননদী'ৰ তীৰত গজা যুথিকা ফুলৰ উদ্যানসমূহত জলসিঞ্চন কৰি যাব। মল্লিনাথে এই বননদীক অৰণ্যৰ মাজেদি বৈ যোৱা নদী বুলিছে। এই 'বননদী'ৰ ঠাইত মেঘদূতৰ কোনো কোনো পাঠত 'নৱনদী' বা নগনদী বুলিও পোৱা যায়। উইলচনে পাছৰটি পাঠ গ্ৰহণ কৰি নগনদীক বেত্ৰৱাৰ পশ্চিমে বিন্ধ্যৰপৰা বৈ গৈ চম্বলৰ উপনদী শিপ্ৰাত পৰা 'পাৰ্বতী' নদী বুলিছে। পাৰ্বতী নামৰ কোনো সৰু নদী যদি শিপ্ৰাত পৰিছে, তাক আমি নাজানো, কিন্তু পাৰ্বতী নামৰ অন্য এখন নদী শিপ্ৰা-চম্বলৰ সংগমৰপৰা প্ৰায় এশ মাইল ভটিয়াইহে চম্বল নদীত পৰিছে। 'নগ-নদী' শব্দই এই পাৰ্বতী নদীকে বুজাব পাৰে। দুয়োটা শব্দৰে অৰ্থ একেটাই পৰ্বতৰপৰা ওলোৱা নদী।

ইয়াৰ উত্তৰ মুখে যোৱা মেঘৰ পথ যদিও বেঁকা হ'ব তথাপি কবিৰ বিশেষ আকৰ্ষণৰ স্থান উজ্জয়িনীলৈ যাবলৈ যক্ষৰ মুখেদি প্ৰাৰ্থনা কৰাইছে। উজ্জয়িনীৰ পথত মেঘে নিৰ্বিন্ধ্যা নদী পাৰ বুলিছে। উইলচন আৰু অন্যান্য বিদ্বানে নিৰ্বিন্ধ্যাক বিন্ধ্যৰপৰা ওলোৱা সৰু নৈ বুলিছে। মল্লিনাথেও "নিষ্ক্ৰান্তা বিন্ধ্যান্নিৰ্বিন্ধ্যা নাম নদী" বুলিয়েই কৈছে। পিছে মল্লিনাথে ইয়াৰ পাছৰ শ্লোকত উল্লেখ কৰা 'সিন্ধু' পদৰ অন্বয় এই নিৰ্বিন্ধ্যা পদৰ লগত কৰিছে আৰু 'সিন্ধু'ৰ অৰ্থ 'নদী' বুলিছে। মল্লিনাথৰ মতে সিন্ধু কোনো নদীৰ নাম নহয়, ই নদীবাচক শব্দহে। তেওঁৰ মতে সিন্ধু নামে এখন নদ কাশ্মীৰত আছে, নদী কিন্তু ক'তো নাই[১২]। পিছে মল্লিনাথৰ এই উক্তি যে শুদ্ধ নহয়, সেই কথা প্ৰমাণিত হয় বিন্ধ্যপৰ্বতৰপৰা ওলাই মধ্যপ্ৰদেশ আৰু ৰাজস্থানৰ মাজেদি বৈ গৈ চম্বলত পৰা কালীসিন্ধু নামৰ নদী আৰু সিন্ধু নামৰ যমুনাৰ অন্য এক উপনদী থকাৰপৰাই। ই আমাৰ বোধেৰে নিৰ্বিন্ধ্যা অৰ্থাৎ বিন্ধ্যৰপৰা ওলোৱা সিন্ধু অৰ্থাৎ সিন্ধু নামৰ নদী বুলি অন্বয়

১২. সিন্ধুনাম কশ্চিন্নদঃ কাশ্মীৰদেশেঽস্তি। নদী তু কুত্ৰাপি নাস্তি।

কৰিলে, পাৰ্বতী নদীৰ পাছতে পোৱা কালীসিন্ধুৱেই মেঘে উজ্জয়িনীৰ পথত পোৱা নির্বিন্ধ্যা সিন্ধু-নদী হ'ব।

সিন্ধু নদীৰপৰা গৈ মেঘে অৱন্তী ৰাজ্যত, বিশালা নামেৰেও পৰিচিত উজ্জয়িনী নগৰত উপস্থিত হ'বগৈ। মহাকবিয়ে উজ্জয়িনীত থকা 'মহাকাল' মন্দিৰ, গন্ধৱতী নদী, শিপ্ৰানদী প্ৰভৃতিৰ যথাযথ বৰ্ণনা দিছে। গন্ধৱতী শিপ্ৰাৰ আৰু চম্বলৰ উপনদী। উজ্জয়িনীৰপৰা গৈয়ে মেঘে পোৱা স্বচ্ছসলিলা গম্ভীৰা নদীও চম্বল নদীৰ এখন উপনদী।

তাৰপৰা গৈ মেঘে দেৱগিৰিত থকা কাৰ্তিকৰ ওপৰত পুষ্প-বৃষ্টিৰ দৰে জলবৃষ্টি কৰিব। উইলচনে এই দেৱগিৰি মালৱ অঞ্চলত চম্বল নদীৰ দক্ষিণত থকা দেৱগড বুলি অনুমান কৰে। ড° ফ্লিটে ঝান্সীৰপৰা ৬০ মাইল দক্ষিণে থকা দেৱগড় নামৰ ঠাইৰহে দেৱগিৰি বুলিছে। কিন্তু ই কোনো মতেই মেঘে পাই যোৱা দেৱগিৰি হ'ব নোৱাৰে; কাৰণ এই দেৱগড বিদিশাতকৈও পূবতহে উত্তৰফালে অৱস্থিত। ইয়াৰপৰা অলকালৈ গ'লে দশপুৰ নামৰ ঠাইখন পাব নোৱাৰে। গতিকে উইলচনে কোৱা দেৱগড়েইহে দেৱগিৰি হোৱাটো সম্ভৱ। এই দেৱগিৰিৰপৰা গৈয়েই মেঘে ৰন্তিদেৱৰ মূৰ্তিমতী কীৰ্তি-স্বৰূপিণী চৰ্মণ্বতী নদী (বৰ্তমান চম্বল) পাবগৈ। ৰন্তিদেৱৰ ৰাজধানী দশপুৰ ইতিহাস-প্ৰসিদ্ধ মন্দসোৰৰ ওচৰৰ দসোৰ নামৰ ঠাই। কালিদাসৰ মেঘে এই ঠায়ো পাই যাব বুলি যক্ষৰ মুখেদি কোৱা হৈছে (পূৰ্বমেঘ—৪৫)।

দশপুৰৰ পাছত ব্ৰহ্মাৱৰ্তলৈকে বুলি এই সুদীৰ্ঘ পথছোৱাত মেঘে পোৱা কোনো ঠাইৰে উল্লেখ মহাকবিয়ে কৰা নাই। অৱশ্যে ৰাজস্থানৰ এই অঞ্চলটোত মেঘৰ গতি বৰ্ণনৰ প্ৰসংগত উল্লেখ কৰিবলগীয়া কালিদাসৰ সময়ৰ কোনো গুৰুত্বপূৰ্ণ ঠাই নাই। মেঘে ব্ৰহ্মাৱৰ্তত বিনীতভাৱে প্ৰৱেশ কৰাৰ পিছত ক্ষত্ৰিয়ৰ বিনাশ-সূচক কুৰুক্ষেত্ৰ পাবগৈ। মনুসংহিতাত ব্ৰহ্মাৱৰ্তৰ অৱস্থিতি এইদৰে বৰ্ণাইছে—দেৱনদী সৰস্বতী

আৰু দৃষদ্বতীৰ মধ্যৱৰ্তী দেৱনিৰ্মিত স্থানেই ব্ৰহ্মাৱৰ্ত[১৩]। সৰস্বতী নামৰ বেদ-প্ৰসিদ্ধ নদীখন ঋগ্‌বেদৰ যুগত শতদ্ৰু আৰু যমুনানদীৰ মাজৰ অঞ্চলটোৰেদি বৈ গৈ পশ্চিম সাগৰত পৰিছিল। ব্ৰাহ্মণ যুগত ই ৰাজস্থানৰ মৰুভূমিত লুপ্ত হৈ যায়। লাট্যায়ন শ্ৰৌত সূত্ৰৰ মতে[১৪] দৃষদ্বতী নামৰ সৰস্বতীৰ উপনদীখন হিমালয়ৰ নামনিৰপৰা ওলোৱা কাৰণে তাত বাৰিষাহে পানী আছিল। সম্ভৱতঃ সৰস্বতী লুপ্ত হোৱাৰ পিছত এই নদী শুকাই গ'ল। পাতিয়ালাৰ সুৰস্বতী নামৰ সৰু নদী এখনকে কোনো কোনোৱে সৰস্বতী নদীৰ আৰু ঘাগৰ নামৰ নদীখনক দৃষদ্বতীৰ (সৰস্বতীৰ উত্তৰে) অৱশেষ বুলি কয়। কুৰুক্ষেত্ৰৰ উত্তৰত সৰস্বতী, তাৰো উত্তৰতহে ব্ৰহ্মাৱৰ্ত দেশ। গতিকে ব্ৰহ্মাৱৰ্ত পোৱাৰ আগতেহে মেঘে সৰস্বতী পাব লাগিছিল আৰু তাৰপৰা কুৰুক্ষেত্ৰলৈ আহোঁতে আকৌ সৰস্বতী পাৰ হ'ব লাগিছিল। পিছে মহাকবিয়ে প্ৰথমে ব্ৰহ্মাৱৰ্ত তাৰ পাছত কুৰুক্ষেত্ৰ, কুৰুক্ষেত্ৰৰ পাছতহে সৰস্বতী নদী পাব বুলিছে।

এনে এটা বিসংগতি গংগাৰ উপনদী প্ৰসিদ্ধ যমুনাৰ ক্ষেত্ৰটো চকুত পৰে। পূতসলিলা সৰস্বতীক সেৱা কৰি মেঘ কনখলৰ ওচৰত হিমালয়ৰপৰা অৱতীৰ্ণ হোৱা গংগানদী পাবগৈ। এই কনখল হৰিদ্বাৰৰ ওচৰত এক গুৰুত্বপূৰ্ণ তীৰ্থস্থান। সৰস্বতীৰপৰা কনখললৈ যাওঁতে বাটত মেঘে প্ৰখ্যাত যমুনা নদী পাব লাগিছিল; কিন্তু সৰু সৰু নদীবো নাম উল্লেখ কৰা মহা-কবিয়ে কি ভাবিনো যমুনাক উপেক্ষা কৰিলে বুজিব পৰা নহ'ল। অৱশ্যে কনখলত গংগাৰ জল পান কৰিবলৈ নমা মেঘক অস্থান-সংগতা যমুনা যেন লাগিব বুলি (অস্থানোপগতযমুনাসঙ্গমেৱাভিৰামা) কৈছে। গংগাৰ উৎপত্তি-স্থল হিমালয়ত থকা শিলাখণ্ডত চিহ্নিত শিৱৰ চৰণ চিহ্নক মেঘে শ্ৰদ্ধা প্ৰদৰ্শন

১৩. সৰস্বতীদৃষদ্বত্যোৰ্দেৱনদ্যোৰ্যদন্তৰম্।
তদ্দেৱনিৰ্মিতংদেশং ব্ৰহ্মাৱৰ্তমাচক্ষতে ॥ [মনুঃ ২।১৭]

১৪. লাঃ শ্ৰৌঃ সূঃ ০।১১।১ আৰু ১৭।১।২

কৰি যাব। হৰিদ্বাৰৰপৰা অনতিদূৰত অৱস্থিত 'হৰকা পায়িৰি' (হৰৰ চৰণ-চিহ্ন) নামৰ ঠায়েই ইয়াত উল্লিখিত হৰৰ চৰণচিহ্ন বুলি কোৱা হয়।

হিমালয় পৰ্বতৰ বিশেষ স্থানসমূহ অতিক্ৰম কৰি ক্ৰৌঞ্চৰন্ধ্ৰইদি পাৰ হৈ মেঘ পুনৰ উত্তৰমুৱা হ'ব[১৫]। এই ক্ৰৌঞ্চৰন্ধ্ৰৰ অৱস্থিতি সম্পৰ্কে আমি একো জানিব পৰা নাই। কেৱল অনুমান কৰা হৈছে যে ই হিমালয়ৰ কোনোবা গিৰিপথ অথবা কাল্পনিক ক্ৰৌঞ্চপৰ্বতত পৰশুৰামে কৰা ৰন্ধ্ৰৰ কল্পনামাত্ৰ।

ক্ৰৌঞ্চৰন্ধ্ৰইদি উৰ্দ্ধগামী হৈ মেঘ ভগৱান শিৱৰ নিবাসস্থান কৈলাস পৰ্বত পাবগৈ। সেই গিৰিশ্ৰেষ্ঠ কৈলাসত স্বৰ্ণকমলেৰে সুশোভিত মানস-সৰোবৰত জল-পান কৰি মেঘে বিহাৰ কৰিব। মেঘৰ গন্তব্যস্থান অলকাও এই কৈলাসগিৰিৰ বুকুতে অৱস্থিত। □

---

১৫. - - - - - হংসদ্বাৰং ভৃগুপতিযশোৱৰ্ত্ম যৎক্ৰৌঞ্চৰন্ধ্ৰম্। তেনোদীচীং দিশমনুসৰেঃ
[পূৰ্বমেঘ ৫৮]

মেঘদূত কাব্যত বিশ্ব-প্ৰকৃতি আৰু মানৱ-প্ৰকৃতি

মেঘদূত কাব্যত মহাকবি কালিদাসৰ বিশ্বপ্ৰকৃতি আৰু মানৱ-প্ৰকৃতি নিৰীক্ষণৰ সূক্ষ্মতা সম্যক্‌ভাৱে উপলব্ধি হয়। কাব্যখনৰ প্ৰথম ভাগ—পূৰ্বমেঘত যক্ষই মেঘৰ আগত ৰামগিৰিৰপৰা অলকালৈকে সুদীৰ্ঘ পথছোৱাৰ বৰ্ণনা দিছে আৰু দ্বিতীয় ভাগ উত্তৰ মেঘত অলকাপুৰীত থকা যক্ষৰ বিৰহকাতৰা প্ৰেয়সীৰ আৰু যক্ষৰ নিজৰো বিৰহাকুল অৱস্থাৰ বৰ্ণনা দিয়া হৈছে। পূৰ্বমেঘ খণ্ডত প্ৰধানকৈ কবিৰ বিশ্বপ্ৰকৃতি নিৰীক্ষণৰ সূক্ষ্মতা আৰু উত্তৰমেঘ খণ্ডত মানৱ-প্ৰকৃতি নিৰীক্ষণৰ সূক্ষ্মতা প্ৰকাশ পাইছে। কবিজনাৰ প্ৰকৃতিবিষয়ক উপলব্ধিসমূহ ঠায়ে ঠায়ে একোটি, অৰ্থান্তৰন্যাসৰ[1] প্ৰয়োগে গাম্ভাৰ্যপূৰ্ণ কৰি তুলিছে।

কুবেৰৰ নিৰ্বাসন-দণ্ডৰ কাৰণে প্ৰিয়তমাৰপৰা আঁতৰি অলকাপুৰীৰপৰা গৈ ৰামগিৰিত থাকিবলগীয়া যক্ষই আহাৰৰ প্ৰথম দিনত সেই পৰ্বতৰ শিখৰত এচপৰা ক'লীয়া ডাৱৰ দেখিলে। ক্ৰীড়াৰত হাতীৰ নিচনা সেই ডাৱৰচপৰা দেখি বিৰহ-কাতৰ যক্ষৰ মন অথিৰ-অবিৰ হৈ পৰিল। কোনোমতেহে চকুপানী সামৰি ৰাখি সেই কামনা জগাই তোলা ডাৱৰচপৰা সমুখত লৈ যক্ষ চিন্তাক্লিষ্ট হৈ ৰ'ল। বাৰিষাৰ আকাশত মেঘৰ চপৰা দেখি উদ্বাউল হৈ পৰা যক্ষৰ এই অৱস্থা কবিয়ে এক অৰ্থান্তৰন্যাসৰ অৱতাৰণাৰে সমৰ্থন কৰিছে—মেঘ দৰ্শন হ'লে (প্ৰেয়সী কাষতে থকা)

---

১. সামান্যং ৱা বিশেষণ বিশেষস্তেন ৱা যদি ।
কাৰ্য্যং চ কাৰণেনেদং কাৰ্যেণ চ সমৰ্থ্যতে ॥ ৬১
সাধৰ্ম্যেণেতৰেণাৰ্থান্তৰন্যাসোঽষ্টধা ততঃ ॥ [সাঃ দাঃ ১০ পৰিঃ]

যদি প্ৰতিপাদ্য সাধাৰণ সিদ্ধান্ত এটা বিশেষ সিদ্ধান্তৰদ্বাৰা তথা কাৰণক কাৰ্যৰ-দ্বাৰা, সাধৰ্ম্য প্ৰকাশ কৰি অথবা বৈধৰ্ম্য প্ৰকাশ কৰি সমৰ্থন কৰা হয়, তাকে অৰ্থান্তৰন্যাস অলংকাৰ বোলা হয়।

সুখী লোকৰো মন ব্যাকুল হৈ পৰে, তেনেস্থলত ডিঙিত সাৱটি ধৰিব খোজা প্ৰিয়জন যাৰ আঁতৰত আছে, তেওঁৰ আৰু কি কথা[২] ?

আহাৰৰ পিছতেই বিৰহেৰে প্ৰেমিকৰ হৃদয় সিক্ত কৰা বৰ্ষণমুখৰ শাওণ আহিব। এই হেন ঘোৰ বাৰিষা কালত প্ৰৱাসী প্ৰিয়জনৰপৰা দূৰ সুদূৰত যক্ষপত্নীয়ে কেনেকৈ জীৱন ধাৰণ কৰিব ? প্ৰিয়তমাৰ জীৱন ৰক্ষাৰ উপায় যক্ষই বিচাৰি পালে—সমুখৰ মেঘখণ্ডৰ যোগেদি তেওঁ সুদূৰ অলকাপুৰীত থকা প্ৰণয়িণীলৈ নিজৰ কুশল-সংবাদ প্ৰেৰণ কৰিব। তাকে ভাবি যক্ষই একাঞ্জলি কূটজ ফুলেৰে মেঘক অৰ্ঘ্য যাচি কুশল-বতৰা সুধি স্বাগত জনালে। ক'ত সেই ধূম, জ্যোতি, জল আৰু বায়ুৰ সমন্বয়ত উৎপন্ন হোৱা মেঘ আৰু ক'ত সেই যক্ষৰ মংগল-সংবাদ, যাক ইন্দ্ৰিয়কুশল মানৱেহে বহন কৰিব পাৰে। কিন্তু প্ৰিয়তমাৰ প্ৰাণৰক্ষাৰ কাৰণে উদ্বিগ্ন হৈ পৰা যক্ষই সেই মেঘকে বাৰ্তাবাহক পতাৰ যুক্তিযুক্ততা মহাকবিয়ে এক অৰ্থান্তৰন্যাসেৰে প্ৰতিপন্ন কৰিছে—কামাতুৰ ব্যক্তিৰ কাৰণে জড়-চেতনৰ পাৰ্থক্য হেৰাই যায়[৩]।

যক্ষই সেই মেঘ যে প্ৰসিদ্ধ পুষ্কৰাৱৰ্তকৰ বংশসম্ভূত আৰু ইচ্ছামতে বিগ্ৰহ ধাৰণ কৰিব পৰা ইন্দ্ৰৰ প্ৰধান পুৰুষ কৰ্মচাৰী সেই কথা জানে। তেনেহেন অভিজাত মেঘক যক্ষই বাৰ্তাবাহকৰ দায়িত্ব অৰ্পণ কৰা কাৰ্যও যে অনুচিত হোৱা নাই, মহাকবিয়ে তাকে অৰ্থান্তৰন্যাসেৰে সমৰ্থন কৰিছে—উত্তম লোকৰ ওচৰত হাত পাতি বিফল হোৱাও ভাল ; কিন্তু নীচ লোকৰ ওচৰত কাৰ্যসিদ্ধি হ'লেও হাত পতা অনুচিত[৪]।

বাৰিষাৰ আকাশত মেঘৰ চপৰা দেখিলে প্ৰিয়জন প্ৰৱাসত থকা কামিনীয়ে হেঁপাহেৰে সৈতে মূৰ তুলি চায়, কাৰণ এই মেঘ প্ৰিয়-আগমনৰ আগজাননী স্বৰূপ। মন-পথাৰত বিৰহৰ প্লাৱন নমোৱা বাৰিষা বতৰত

২. মেঘালোকে ভৱতি সুখিনোঽপ্যন্যথাবৃত্তি চেতঃ
কণ্ঠাশ্লেষপ্ৰণয়িনি জনে কিং পুনদূ'ৰসংস্থে ॥ [পূৰ্বমেঘ ঃ ৩]

৩. কামাৰ্তা হি প্ৰকৃতিকৃপণাশ্চেতনাচেতনেষু ॥ ৫

৪ যাচ্ঞা মোঘা ৱৰমধিগুণে নাধমে লব্ধকামা ॥ ৬

কোনো প্ৰেমিক ঘৰ-মুৱা নহৈ নোৱাৰে। সেয়েহে যক্ষই দুখেৰে সৈতে মেঘক কৈছে—"হে মেঘ! তোমাক আকাশত উৰি ফুৰা দেখিও পৰাধীন মোৰ বাহিৰে কোনে আৰু বিৰহবিধুৰ প্ৰেয়সীক উপেক্ষা কৰিব পাৰিব ?" ইয়াতে এটি অৰ্থান্তৰন্যাসৰ প্ৰয়োগ কৰা হৈছে[৫]।

কুবেৰৰ শাপৰ ফলত বিৰহৰ অগনি জ্বলাই তোলা শাওণ মাহতো প্ৰিয়তমাৰপৰা আঁতৰি থাকিবলগীয়া যক্ষই মেঘক "সন্দেশং মে হৰ ধনপতিক্ৰোধবিশ্লেষিতস্য" বুলি প্ৰিয়তমালৈ তেওঁৰ বাৰ্তা বহন কৰি নিবলৈ আকুল প্ৰাৰ্থনা জনাইছে। অলকালৈ যাবলগীয়া মেঘৰ শুভ-যাত্ৰাৰ সূচনা দি যক্ষই কৈছে—'ধীৰ সমীৰণে তোমাক আগবঢ়াই নিব, তোমাৰ প্ৰিয় কুটুম্ব চাতক পখীয়ে বাওঁফালে মধুৰ কূজন কৰি যাব আৰু গৰ্ভাধানৰ সময় আহিল বুলি তোমাৰ কাষত শাৰী পাতি পাতি বগলী উৰিব।" মেঘৰ এই যাত্ৰা যে কেতিয়াও নিষ্ফল নহ'ব, সেই কথা যক্ষই দৃঢ়ভাৱে কৈছে—'তুমি (অলকাপুৰীত) গৈ মোৰ পতিপ্ৰাণা পত্নীয়ে মোৰ নিৰ্বাসনৰ দিন গণনা কৰি কৰি কেনেকৈ কাল কটাইছে, নিশ্চিতভাৱে দেখিবলৈ পাবা।" যক্ষৰ এই অনুমান দৃঢ় কৰিবলৈ কবিয়ে এটি অৰ্থান্তৰন্যাসৰ আশ্ৰয় লৈছে। "নাৰীৰ কুমলীয়া প্ৰণয়ীহৃদয় আশাৰ চুপহীত বন্দী হৈহে ৰৈ থাকে, নহ'লে প্ৰিয়জনৰ বিয়োগত তেওঁলোকৰ জীৱন-কুসুম সহজেই সৰি যাব পাৰে।[৬] যক্ষপত্নীয়েও প্ৰিয়মিলনৰ মধুৰ আশাত বন্দী হৈয়ে প্ৰাণ ধাৰণ কৰি আছে। মহাকবিয়ে এইদৰেই বিৰহী নাৰীৰ হৃদয়ৰ সুকুমাৰতা সহৃদয়তাৰে সৈতে ৰূপায়িত কৰিছে।

অলকামুখী মেঘৰ গাজনি শুনি মাটি ঢাক খুৱাই কাঠফুলা ফুলিব; ধৰণীৰ বন্ধ্যাত্ব আঁতৰিব। মানস সৰোবৰলৈ যাবলৈ ওলোৱা ৰাজহাঁহজাক

---

৫. কঃ সন্নদ্ধে বিৰহবিধুৰাং ত্বয্যুপেক্ষেত জায়াং।
ন স্যাদন্যোঽপ্যহমিব জনো যঃ পৰাধীনবৃত্তিঃ ॥ ৮

৬. আশাবন্ধঃ কুসুমসদৃশং প্ৰায়শো হ্যঙ্গনানাং।
সদ্যঃপাতি প্ৰণয়ি হৃদয়ং বিপ্ৰয়োগে ৰুণদ্ধি ॥ ১০

কৈলাসলৈকে মেঘৰ লগৰী হ'ব। বাৰিষাৰ এই স্বাভাৱিক বৰ্ণনাত কবি-জনাৰ প্ৰকৃতি নিৰীক্ষণৰ পৰিচয় প্ৰকাশ পাইছে।

যাবৰ পৰত মেঘে ৰামগিৰিৰ শৃংগক বিদায়ৰ আলিংগন কৰি যোৱাৰ বৰ্ণনাত, প্ৰিয়জনৰপৰা বিদায় লোৱাৰ কৰুণ অভিজ্ঞতাবোৰ মনত সজীৱ হৈ থকা যক্ষৰ মানসিক অৱস্থাৰে প্ৰতিবিম্ব প্ৰকাশ পাইছে। যক্ষৰ মনোৰম পথ-বৰ্ণনাত মেঘৰ স্বাভাৱিক ধৰ্মও আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে। পথশ্ৰমত ক্লান্ত হৈ মেঘে পৰ্বতে-পৰ্বতে বিশ্ৰাম লৈ যাব; নিজৰাৰ পানী খাই ক্ষীণ শৰীৰ পুষ্ট কৰি ল'ব। সহপন্থীয়া বেতৰে শুৱনি ৰামগিৰিৰপৰা উত্তৰমুখে উৰা মৰা মেঘক বতাহে উৰুৱাই নিয়া গিৰিশৃংগ যেন লাগিব। ইন্দ্ৰধনুৰ সাত ৰঙেৰে বোলোৱা ক'লীয়া মেঘক ময়ূৰ-পুচ্ছশোভিত গোপবেশী বিষ্ণুসদৃশ দেখা যাব। খেতিৰ কাৰণে মেঘৰ ওপৰত নিৰ্ভৰশীল সৰলচিতীয়া গাঁৱলীয়া তিৰোতাবোৰে স্নেহসনা দৃষ্টিৰে মেঘৰ ফালে চাব। ন-কৈ চহোৱা মাটিৰ গোন্ধ লাগি থকা শস্য ক্ষেত্ৰবোৰ মেঘে পানীৰে ওপচাই থৈ যাব। মেঘে যেতিয়া অবিৰল বৃষ্টি-ধাৰাৰে আম্ৰকূট পৰ্বতৰ দাবানল প্ৰশমিত কৰিব, সেই উপকাৰৰ প্ৰতিদান স্বৰূপে আম্ৰকূট পৰ্বতে মেঘক মূৰত তুলি ল'ব। আম্ৰকূট পৰ্বতৰ শিখৰত আৰোহণ কৰা মেঘৰ স্বাভাৱিক দৃশ্যটোত এইদৰে মহাকবিয়ে মানৱীয় ব্যৱহাৰ আৰোপ কৰি এটি অৰ্থান্তৰন্যাসেৰে তাক সমৰ্থন কৰিছে—ক্ষুদ্ৰ ব্যক্তিও পূৰ্বৰ উপকাৰ সুঁৱৰি ওচৰত উপস্থিত হোৱা মিত্ৰক সংকাৰ কৰিবলৈ বিমুখ নহয়; তেনেস্থলত আম্ৰকূটৰ দৰে উচ্চ ব্যক্তিৰ ক্ষেত্ৰত আৰু কি কথা[৭]?

বাৰিষাৰ বতৰত আম্ৰকূট পৰ্বতটো পকা পকা আমেৰে সোণবৰণীয়া হৈ পৰিব, ক'লীয়া মেঘ চপৰা গৈ তাৰ শিখৰত আৰোহণ কৰিব। কালিদাসৰ বিৰহী যক্ষই এই অৱস্থাত আম্ৰকূট পৰ্বতটো মাজভাগ ক'লা,

---

৭. ন ক্ষুদ্ৰোঽপি প্ৰথমসুকৃতাপেক্ষয়া সংশ্ৰয়ায়।
প্ৰাপ্তে মিত্ৰে ভৱতি বিমুখঃ কিং পুনৰ্যস্তথোচ্চৈঃ। ১৭

দাঁতিভাগ কেঁচা সোণবৰণীয়া পৃথিৱীৰ উন্নত পয়োধৰ বুলি কল্পনা কৰিছে। মহাকবিয়ে তেওঁৰ "অভিজ্ঞানশকুন্তল" নাটকত "কামী স্বতাং পশ্যতি"—অৰ্থাৎ কামাতুৰ ব্যক্তিয়ে নিজৰ মনৰ অনুকূলেহে জগৎখন চায়, এই মন্তব্য প্ৰকাশ কৰিছে। মেঘদূত কাব্যত সেই মন্তব্যৰ যথাৰ্থতা পদে-পদে প্ৰকাশ পাইছে—বিৰহোদ্দীপক বাৰিষা বতৰত নব-বিবাহিতা পত্নীক সুদূৰত এৰি থাকিব লগা হোৱা যক্ষৰ মানসিক অৱস্থাৰ প্ৰতিফলন বিশ্বপ্ৰকৃতিৰ বুকুত উদ্ভাসিত হৈ পৰিছে। এই বৰ্ণনাত মহাকবিৰ সাৰ্থক প্ৰকৃতি-নিৰীক্ষণৰ পৰিচয় প্ৰকাশ পাইছে।

বিন্ধ্যৰ শিলাময় নামনিত বৈ যোৱা নৰ্মদা নদীখন মেঘে ওপৰৰপৰা হাতীৰ গাত আঁকা চিত্ৰ যেন দেখিব। জলবৰ্ষণ কৰি ৰিক্ত হৈ পৰা মেঘে শাৰী শাৰী জামুগছৰ মাজে মাজে বৈ যোৱা নৰ্মদাত হাতীৰ মদস্ৰাৱেৰে সুবাসিত পানী খাই যাতে উদৰ পূৰ কৰি লয়, যক্ষই তাকে প্ৰাৰ্থনা কৰিছে। তেতিয়া অন্তঃসাৰযুক্ত মেঘক বতাহে ইফালে সিফালে উৰুৱাই লৈ ফুৰাব নোৱাৰিব। যক্ষই এই প্ৰসংগতো এটা অৰ্থান্তৰন্যাসৰ অৱতাৰণা কৰিছে—ৰিক্ত ব্যক্তিহে লঘু হবলগীয়া হয়, কিন্তু পৰিপূৰ্ণতা গৌৰৱৰ কাৰণ হয়[৮]। সাধনাৰ অন্তঃসাৰেৰে যাৰ হৃদয় পূৰ্ণ হৈ আছে, সেই মহাকবিৰ গভীৰ আত্মবিশ্বাস, এই মন্তব্যত নিহিত হৈ আছে।

হালধীয়া আৰু সেউজীয়া মিশ্ৰিত ৰঙৰ আধাফুলা কদম-ফুললৈ উৰা মৰা ভোমোৰাই, দ পিতনিত ন-কৈ ফুলা ভূমিকন্দলী খাই চৰিফুৰা হৰিণাই আৰু অৰণ্যভূমিৰ ঘ্ৰাণ লৈ চৰি ফুৰা হাতীয়ে সেই পথেদি ইতিমধ্যে মেঘে যে বৰষুণ দি পাৰ হৈ গৈছে তাৰ প্ৰমাণ দিব[৯]। প্ৰিয়সখী যক্ষৰ সংবাদ

৮. ৰিক্তঃ সৰ্বো ভৱতি হি লঘুঃ পূৰ্ণতা গৌৰৱায় ॥ ২০

৯. নীপংদৃষ্ট্ৱা হৰিতকপিশংক সৰৈৰৰ্ধৰূঢ়ৈৰাৱিৰ্ভূতপ্ৰথমমুকুলাঃ কন্দলীশ্চানুকচ্ছম।
জগ্ধ্বাৰণ্যেষ্বধিকসুৰভিং গন্ধমাঘ্ৰায় চোৰ্ব্যাঃ সাৰঙ্গস্তে জললৱমুচঃ সূচয়িষ্যন্তিমাৰ্গম্ ॥
[মেঘ—১।২।১]
এই শ্লোকত 'সাৰঙ্গা' শব্দটোৱে ক্ৰমে ভোমোৰা, হৰিণ আৰু হাতীক বুজাইছে। মল্লিনাথৰ টীকাত আছে—"সাৰঙ্গা মতঙ্গজাঃ কুৰঙ্গা ভৃঙ্গা ৱা"। তাত কন্দলী শব্দৰ অৰ্থ এইদৰে দিছে..."কন্দলীভূৰ্মিকন্দলীঃ" ইত্যাদি।

হৈ দ্ৰুত গতিত যাব লগা হ'লেও মেঘে যদি কূটজ ফুলেৰে সুৰভিত পৰ্বতে পৰ্বতে বৈ যায়, যক্ষই তাত আক্ষেপ নকৰে। সেই পৰ্বতবোৰত বৰ্ষাৰ সখী, ম'ৰাচৰাইবোৰে কলৰৱ কৰি মেঘক স্বাগত জনাব। দশাৰ্ণ জনপদৰ উপবনবোৰ কেতেকী ৰেণুৰে ধূসৰিত হৈ থাকিব, গাঁৱৰ মন্দিৰবোৰত কাউৰী, শালিকা আদি চৰাইবোৰে বৰষুণৰ হাত সাৰিবলৈ বাহ সাজিব। পকা জামু খাবলৈ পাই মেঘৰ সহচৰ ৰাজহাঁহবোৰ দশাৰ্ণ জনপদত দুদিনমান বৈ যাব। এই বৰ্ণনাত মহাকবিৰ প্ৰাণীজগতৰ প্ৰকৃতি নিৰীক্ষণৰ সূক্ষ্মতা প্ৰকাশ পাইছে।

বিদিশা নগৰীৰ ওচৰেদি বৈ যোৱা বেত্ৰৱতী নদীত মেঘে জল-পান কৰা কাৰ্য, বিৰহী যক্ষই প্ৰেমিকে প্ৰেমিকাৰ অধৰ পান কৰাৰ লগত তুলনা কৰিছে। বৰ্ষাৰ আগমনত বিকশিত কদম ফুলেৰে ভৰি পৰা 'নীচৈ' নামৰ পৰ্বতটো দেখি এনে লাগিব যেন সি মেঘৰ সংস্পৰ্শতহে পুলকিত হৈ উঠিছে।

উজ্জয়িনীৰ পথত পাই যোৱা নিৰ্বিন্ধ্যা নদীক বিৰহী যক্ষই প্ৰিয়জনৰ ৰতি কামনা কৰা নাৰীৰ ৰূপত কল্পনা কৰিছে। যক্ষই মেঘক নিৰ্বিন্ধ্যাৰূপী চপলা কামিনীৰ শৃংগাৰ আস্বাদন কৰি যাবলৈ প্ৰাৰ্থনা কৰিছে। সেই নিৰ্বিন্ধ্যাই চাকনৈয়াৰূপী উন্মুক্ত নাভি প্ৰদৰ্শন কৰি বিলাসপূৰ্ণ গতিৰে বৈ গৈ মেঘক যেন ৰতি প্ৰাৰ্থনাৰহে ইংগিত দিছে। নিৰ্বিন্ধ্যাৰে এই ব্যৱহাৰ সমৰ্থন কৰিবলৈ এটি অৰ্থান্তৰন্যাসৰ সহায় লোৱা হৈছে—কামিনী নাৰীৰ বিলাস-ভংগীয়েই প্ৰিয়জনৰ ওচৰত প্ৰথম প্ৰণয়[১০]। বিৰহী যক্ষই নিৰ্বিন্ধ্যাই প্ৰিয়তম মেঘৰ বিৰহত ক্ষীণ হৈ পৰা নায়িকা বুলি আৰু গছৰ পকা পাত পৰি হোৱা পাণ্ডুৰতাও সেই নায়িকাৰ বিৰহজনিত অৱস্থা বুলি কল্পনা কৰিছে। প্ৰিয়তম মেঘে যেন বৃষ্টিধাৰাৰে এই নদী পুষ্ট কৰি থৈ যায়। যক্ষই নিজৰ মানসিক অৱস্থাৰ অনুকূলে মহাকাল মন্দিৰৰ

১০. স্ত্ৰীণামাদ্যং প্ৰণয়বচনং বিভ্ৰমোহি প্ৰিয়েষু ॥ ২৮

ভক্তিপূৰ্ণ বৰ্ণনাৰ প্ৰসংগতো কাম-বিলাসৰ স্পৰ্শ দিহে এৰিছে। মহাকাল মন্দিৰৰ উপবনত জলবিহাৰী যুৱতীৰ শৰীৰৰ সুবাসেৰে সুবাসিত গন্ধৱতী নদীৰপৰা বৈ অহা সমীৰণে দোলন খেলাৰ চিত্ৰ যক্ষৰ মানসপটত জিলিকি উঠিছে। ইয়াৰ উপৰিও শিপ্ৰানদীৰপৰা বৈ অহা বতাহত যক্ষই চাটুকাৰী প্ৰেমিকৰ ব্যৱহাৰ আৰোপ কৰিছে।

বিলাসপূৰ্ণ উজ্জয়িনী নগৰীৰ কোনোবা অট্টালিকাৰ উপৰি ভাগত প্ৰিয়তমা বিজুলীৰ সৈতে ৰাতি কটাই মেঘে ধল পুৱাতেই অলকাৰ পথ ল'ব বুলি যক্ষই ভৰসা কৰিছে; কাৰণ মিত্ৰৰ কাৰ্য সম্পাদনৰ প্ৰতিজ্ঞা গ্ৰহণ কৰা লোকে কেতিয়াও সেই কাৰ্যত বিলম্ব নকৰে[11]। পুৱা বেলা প্ৰেমিক সূৰ্যই বিৰহিণী প্ৰেমিকা পদ্মিনীৰ নিয়ৰকণাৰূপ অশ্ৰুজল নিবৃত্ত কৰাৰ দৃশ্যতো বিৰহী যক্ষৰ মনৰ প্ৰতিবিম্ব ফুটি উঠিছে। সেইদৰে যক্ষই গম্ভীৰা নদীকো উন্মুক্তনিতম্বা নায়িকাৰ ৰূপত কল্পনা কৰিছে। মেঘে সেইহেন কামিনীক অৱজ্ঞা কৰি যাব নোৱাৰিব বুলি যক্ষ নিশ্চিত, কাৰণ ৰসৰ অস্বাদগ্ৰাহী কোনো লোকেই বিবৃতজঘনাক অৱজ্ঞা কৰি যাব নোৱাৰে[12]। চৰ্মণ্ৱতী নদীত জলপান কৰা মেঘক যক্ষই ধৰণীৰ বুকুৰ মুকুতাৰ মালা এধাৰিত ওলমি থকা ইন্দ্ৰনীলমণি সদৃশ বুলি কৰা কল্পনাতো দূৰণিৰ প্ৰিয়াৰ বুকুত ওলমি থকা মুকুতামালাৰ প্ৰতিফলন হৈছে। মেঘৈল চকু তুলি চোৱা দশপুৰ নগৰৰ নগৰ-বধূগণৰ সুন্দৰ চকুৰ কল্পনাও বিৰহী যক্ষৰ ভাবৰ অনুকূল। পুণ্যতোয়া সৰস্বতীত স্নান কৰি মেঘ অন্তঃশুদ্ধ হ'ব বুলি কোৱাৰ প্ৰসংগতো যক্ষই প্ৰিয়তমা ৰেৱতীৰ প্ৰতিচ্ছবিযুক্ত মদিৰাপাত্ৰ ত্যাগ কৰি বলোৰামে সেই পুণ্যসলিলা নদীৰ আশ্ৰয় গ্ৰহণ কৰাৰ কথা মনত পেলাইছে। তথাপি যক্ষৰ অন্তৰ যে বিৰহ অগ্নিয়ে বিশুদ্ধ কৰিছে—এই কথাষাৰে তাৰো প্ৰমাণ দিয়ে।

কনখল তীৰ্থত গংগাৰ জল পান কৰি মেঘ কস্তুৰী মৃগৰ নাভিগন্ধযে

---

১১. মন্দায়ন্তে ন খলু সুহৃদামভ্যুপেতাৰ্থকৃত্যাঃ। ৩৮

১২. জ্ঞাতাস্বাদোবিবৃতজঘনাং কো বিহাতুং সমৰ্থঃ ॥ ৪১

সুবাসিত তুষাৰ-ধৱল হিমালয় পৰ্বতত উপস্থিত হ'বৈগে। বতাহত দেৱদাৰু গছৰ ইডালে সিডালে ঠেকা খাই উৎপন্ন হোৱা বনজুয়ে যদি চোৱঁৰ পছৰ নোমবোৰ পুৰি নিব খোজে, তেতিয়া অবিৰল বৃষ্টিপাতেৰে সেই জুই নুমুৱাই থৈ যাবলৈ যক্ষই মেঘক প্ৰাৰ্থনা কৰিছে। সন্তপ্তজনৰ তাপ দূৰ কৰা মেঘখণ্ডৰ এই কাৰ্যক উদাত্ত স্বভাৱৰ ব্যক্তিৰ পৰোপকাৰৰ লগত তুলনা কৰি এই প্ৰসংগতো এটি অৰ্থান্তৰন্যাসৰ অৱতাৰণা কৰা হৈছে—উত্তম লোকৰ বিভূতি আতুৰ লোকৰ দুখ দূৰ কৰিবৰ কাৰণেহে[১৩]। আনহাতে মেঘৰ অব্যাহত গতিত বাধা দিয়াৰ চেষ্টাত প্ৰবৃত্ত হোৱা শৰভ মৃগবিলাকক তুমুল শিলাবৃষ্টিয়ে ছিন্ন-ভিন্ন কৰি দিবলৈ কওঁতে যক্ষই এই অৰ্থান্তৰন্যাসৰ সহায় লৈছে—নিষ্ফল কাৰ্যত যত্নপৰ হোৱা কোনেইবা কেনে তিৰস্কাৰ নাপাব[১৪]? শৰভ নামৰ অষ্টপদী জন্তুৰ, মেঘক বাধা দিয়াৰ প্ৰচেষ্টাত মহাকবিয়ে হয়তো তেওঁৰ অব্যাহত সাধনাত বাধা দিব খোজা কোনো প্ৰতিস্পৰ্ধীৰ কাৰ্যৰ সাদৃশ্য দেখা পাইছে।

'মেঘদূত'ৰ উত্তৰমেঘ খণ্ডত মহাকবিয়ে যক্ষ আৰু যক্ষপত্নীৰ বিৰহকাতৰ অৱস্থাৰ সুকুমাৰ বৰ্ণনা দিছে। কবিজনাৰ মানৱ-প্ৰকৃতিৰ সূক্ষ্ম নিৰীক্ষণৰ পৰিচায়ক এই বিৰহ-বৰ্ণনা সহৃদয় জনৰহে উপলব্ধিৰ বস্তু।

মেঘে গৈ অলকাপুৰীত থকা যক্ষৰ বাসভৱনত অনন্যসুন্দৰী যক্ষ-পত্নীক দেখিবলৈ পাব। চক্ৰবাকী চৰাইৰ দৰে প্ৰিয়তম যক্ষৰ বিৰহত সেই ৰমণীয়ে এতিয়া আগৰ সৌন্দৰ্য হেৰুৱাই পেলাইছে বুলি যক্ষৰ অনুমান হৈছে। যক্ষৰ মানস চকুৰ আগত সেই বিৰহিণীৰ এটা দৃশ্য ভাঁহি উঠিছে। অবিৰল চকুলো বোৱাওঁতে বোৱাওঁতে যক্ষ-প্ৰিয়াৰ চকু শুকাই গৈছে; অবিৰাম তপত নিঃশ্বাসৰ ফলত ওঁঠ বিৱৰ্ণ হৈছে; হাতত গাল থৈ চিন্তা কৰি থকাৰ সময়ত আউলী-বাউলী চুলিবোৰেৰে সৈতে যক্ষপত্নীক হয়তো মেঘে ঢকা চন্দ্ৰ যেন লাগিব। বিৰহৰ দুখ পাতলাবলৈ

---

১৩. আপন্নাৰ্তিপ্ৰশমনফলাঃ সংপদো হ্যুত্তমানাম্ ॥ ৫৩

১৪. কে বা ন স্যুঃ পৰিভৱপদং নিষ্ফলাৰম্ভযত্নাঃ ৫৪ [পূৰ্ব মেঘ]

সেই বিৰহিণীয়ে হয়তো কেতিয়াবা দেৱতা পূজা কৰিব; প্ৰিয়তমজনৰ বিৰহক্লিষ্ট কৃশাংগ দেহৰ চিত্ৰ আঁকিব; নহ'লে পোহনীয়া মইনা চৰাইজনীক প্ৰিয়তমৰ স্মৃতিজড়িত কথা সুধিব; অথবা বীণাখনি কোলাত তুলি প্ৰিয়তমক সুঁৱৰি সুঁৱৰি গীত গাব, দুখাৰে বৈ যোৱা চকুলোৰে তিয়াই পেলোৱা তন্ত্ৰীবোৰ মুচি লওঁতে হয়তো সুৰৰ মূৰ্ছনাই হেৰাই যাব। যক্ষৰ-বিদায়ৰ দিন ধৰি দুৱাৰদলিত নিতে নিতে সিঁচি থোৱা ফুলবোৰ গণি গণি হয়তো যক্ষপ্ৰিয়াই প্ৰিয়মিলনৰ দিনটোলৈ আশাৰে বাট চাইছে। অথবা কল্পনা ৰাজ্যত প্ৰিয়মিলনৰ চিত্ৰ আঁকি আপোনবিভোৰ হৈ দুখৰ সময় অতিবাহিত কৰিব। বিৰহী যক্ষই প্ৰেয়সীৰ বিষয়ে কৰা এই কল্পনাৰ যুক্তিযুক্ততা দেখুৱাইছে এটি অৰ্থান্তৰন্যাসে'ৰে—প্ৰিয়তমৰ বিৰহত নাৰীয়ে প্ৰায়েই এইদৰে বিৰহদুখ পাতলায়[১৫]।

যক্ষৰ মনত শংকা হৈছে, দিনৰ সময়ত এইদৰে ব্যস্ত হৈ থকাৰ কাৰণে যক্ষপত্নীয়ে হয়তো বিৰহ-ব্যথা অনুভৱ নকৰিব, কিন্তু ব্যস্ততাহীন নিশাই তেওঁক ব্যাকুল কৰি তুলিব। সেইকাৰণে যক্ষই মেঘক ৰাতিৰ বিজন-মুহূৰ্তত গৈ, চকুৰ টিপ নমৰাকৈ মাটিত বাগৰি থকা প্ৰিয়তমাক তেওঁৰ মংগল বাৰ্তা জনাবলৈ অনুৰোধ কৰিছে। বিৰহক্লিষ্টা যক্ষপ্ৰিয়া হয়তো মেঘৰ দৃষ্টিত পূৰ্বতীৰ আকাশত ওলোৱা চন্দ্ৰমাৰ অন্তিম কলা যেন লাগিব। যক্ষপত্নীক ক্ষয়িষ্ণু চন্দ্ৰকলাৰ লগত তুলনা কৰাৰ এক তাৎপৰ্যপূৰ্ণ উদ্দেশ্যও আছে। দুখৰ আঁউসী ৰাতি পাৰ হৈ যোৱাৰ পিছত ক্ৰমবৰ্ধমানা চন্দ্ৰকলাই পূৰ্ণিমাত পূৰ্ণতা লাভ কৰাৰ দৰে বিৰহৰ অন্তত জোনাক ভৰা মিলন ৰাতিত যক্ষ-পত্নীৰ সৌন্দৰ্যও ভৰপূৰ হৈ পৰিব। যক্ষই প্ৰিয়তমালৈ দুখৰ দিন কেইটা চকু মুদি কটাবলৈ কৈ, বিৰহৰ অন্তত শৰতৰ জোনালী নিশা অভিলাষ পূৰণ হ'ব বুলি যি আশাপ্ৰদ বাণী প্ৰেৰণ কৰিছে, তাতো একেভাৱেই প্ৰকাশ পাইছে (উত্তৰ মেঘ—৪৭)।

---

১৫ প্ৰায়েণৈতে ৰমণবিৰহেষ্বংগনানাং বিনোদাঃ ॥ ২৪ [উত্তৰ মেঘ]

যক্ষই মেঘৰ আগত বিৰহিণী প্ৰিয়াৰ যি বিৰহ-বিধুৰ অৱস্থাৰ করুণ বৰ্ণনা দিছে, সেই অৱস্থা দেখি মেঘৰো চকুলো ওলাব বুলি যক্ষই অনুমান কৰিছে। যক্ষই এই প্ৰসংগত যিটি অৰ্থান্তৰন্যাসৰ অৱতাৰণা কৰিছে, মেঘদূতৰ সহৃদয় পাঠকমাত্ৰৰ ক্ষেত্ৰতে সি প্ৰযোজ্য হব—করুণাভৰা অন্তৰৰ লোকসকলৰ অন্তৰাত্মা (পৰৰ দুখত) গলি যায়েই[16]।

বিৰহিণী নাৰীয়ে অন্য স্ত্ৰীক পতিৰ লগত দেখিবলৈ পালে মনত দুখ পায়; সেইকাৰণে যক্ষই মেঘক অনুৰোধ কৰিছে, মেঘৰ সংগিনী বিজুলীক দেখি যাতে যক্ষপ্ৰিয়াই মনত কষ্ট পাবলগীয়া নহয়। মেঘে যেতিয়া নিজৰ পৰিচয় দি যক্ষপত্নীক যক্ষৰ মংগল সংবাদ দিব, তেতিয়া সীতাদেৱীয়ে হনুমানৰপৰা উদগ্ৰীৱ হৈ শ্ৰীৰামচন্দ্ৰৰ সংবাদ শুনাৰ দৰে যক্ষপত্নীয়েও আদৰ কৰি মেঘৰপৰা প্ৰিয়তমৰ সংবাদ শুনিব বুলি অনুমান কৰিছে; কাৰণ নাৰীৰ কাৰণে সুহৃদজনে বহন কৰি নিয়া প্ৰিয়জনৰ সংবাদ পোৱাটো প্ৰিয়মিলনতকৈ অলপহে কম (আনন্দদায়ক)[17]। যক্ষই পৰোপকাৰত ৰত মেঘক প্ৰথমে তেওঁৰ কুশল বাৰ্তা জনাই যক্ষপত্নীৰো কুশল বাৰ্তা ল'বলৈ কৈছে; কাৰণ সহজে বিপদ ঘটিবপৰা প্ৰাণীৰ ক্ষেত্ৰত প্ৰথমতেই এই কথা সোধা উচিত[18]।

যক্ষই প্ৰিয়তমাক নিজৰ কুশল সংবাদৰ লগতে বিৰহকাতৰ অৱস্থাৰ কথাও জনাবলৈ মেঘক অনুৰোধ কৰিছে। ৰামগিৰিত নিৰ্জন বাস খপিব নোৱাৰা যক্ষই প্ৰকৃতিৰ সকলো সুন্দৰ বস্তুত প্ৰিয়তমাৰ দেহ-লাৱণ্যৰ সাদৃশ্য বিচাৰি বিফল হয়। এই সকলো সৌন্দৰ্য যেন তেওঁৰ প্ৰেয়সীৰ সৌন্দৰ্যৰ তুলনাত নিষ্প্ৰভ হৈ যায়। যক্ষই যেতিয়া শিলৰ ওপৰত ধাতুৰাগেৰে প্ৰণয়কুপিতা প্ৰিয়তমাৰ চিত্ৰ আঁকি তাকে চাই বিৰহ-দুখ পাতলাব খোজে, নিষ্ঠুৰ বিধিয়ে তাকো সহিব নোৱাৰি চকুৰ পানীৰে যক্ষৰ দুচকু ঢাকি ধৰে। যক্ষই

১৬ প্ৰায়ঃ সৰ্বো ভৱতি করুণাবৃত্তিৰাৰ্দ্ৰান্তৰাত্মা ॥ ৩০

১৭. সীমন্তিনীনাং কান্তোদন্তঃ সুহৃদুপনতঃ সংগমাৎকিঞ্চিদূনঃ ॥ ৩৭

১৮ পূৰ্বাভাষ্যং সুলভৱিপদাং প্ৰাণিনামেতদেৱ ॥ ৩৮

সপোনত প্ৰিয়তমাক আলিংগন কৰিবলৈ হাত মেলা দেখি বনদেৱতায়ো চকুলোৰে মুকুতা সৰায়। এইদৰে বিৰহৰ কষ্টকৰ দিনবোৰ অসহ্য হৈ পৰিছে যদিও, যক্ষই প্ৰিয়তমাক ধৈৰ্য ধৰিবলৈ উপদেশ দিছে ; কাৰ জীৱনতনো অবিৰাম সুখ ঘটে অথবা কোনে বা কেৱল দুখকে ভুগি থাকে ? গাড়ীৰ চকাৰ দৰে (সুখ-দুখৰ) অৱস্থাও তল-ওপৰ হৈ থাকে[১৯]। কাত্তিৰ শুক্লা একাদশী তিথিত যক্ষৰ নিৰ্বাসন অন্ত হোৱাৰ পিছত তেওঁলোকৰ জীৱন-লৈয়ো শাৰদীয় জ্যোৎস্নামণ্ডিত মিলন-ৰাতি আহিব। চেনেহী প্ৰিয়াই যেন পৰৰ কথা শুনি মনলৈ কোনো অবিশ্বাস নানে। মানুহে কয়—"চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয়," কিন্তু সেইকথা সঁচা নহয়। বিৰহৰ দুখে মিলনৰ মাধুৰীহে বঢ়ায়।

এইদৰে দূৰণিৰ বিৰহী প্ৰিয়ালৈ কুশল বাতৰি আৰু সান্ত্বনাৰ বাণী বহন কৰি নিবলৈ যক্ষই মেঘক বিনীত প্ৰাৰ্থনা জনালে ; মেঘে কিন্তু তাৰ কোনো প্ৰত্যুত্তৰ নিদিলে। মেঘৰ এই মৌনতাত যক্ষই আশংকা কৰাৰ কাৰণ বিচাৰি নাপালে ; কাৰণ সাধুলোকে মুখৰ কথাৰে প্ৰিয় ব্যক্তিক প্ৰত্যুত্তৰ নিদিয়ে : বাঞ্ছিত কাৰ্য সম্পাদনৰদ্বাৰাহে দিয়ে[২০]।

বিশ্ব-প্ৰকৃতিৰ বুকুতো এক মহান চৈতন্যৰ অস্তিত্ব স্বীকাৰ কৰা ভাৰতীয় পৰম্পৰাত উদ্ভূত মহাকবি কালিদাসে সমগ্ৰ মেঘদূত কাব্যখনিতে মানৱ-প্ৰকৃতি আৰু বিশ্ব-প্ৰকৃতিৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক থকাৰ সংকেত দিছে। মহাকবিৰ সূক্ষ্ম প্ৰকৃতি-নিৰীক্ষণৰ পৰিচায়ক অৰ্থান্তৰ-ন্যাসসমূহে এই সম্পৰ্ক গভীৰ কৰি তুলিছে। □

---

১৯. কস্যাত্যন্তং সুখমুপনতং দুঃখ মেকান্ততো বা
নীচৈৰ্গচ্ছত্যুপৰি চ দশা চক্ৰনেমিক্ৰমেণ ॥ ৪৬

২০. প্ৰত্যুক্তং হি প্ৰণয়িষু সতামীপ্সিতাৰ্থক্ৰিয়ৈৱ ॥ ৫১ [উত্তৰ মেঘ]

কালিদাসৰ উজ্জয়িনী প্ৰীতি

ভাৰতৰ কবিকুল-শিৰোমণি কালিদাসৰ জন্মস্থান সম্পৰ্কে অনেক বিদ্বানে অনেক মত প্ৰকাশ কৰে। কোনো কোনোৱে কয়—মহাকবিজনাৰ জন্মভূমি হোৱাৰ গৌৰৱ বহন কৰিছে বংগই, কোনোৱে কয় প্ৰকৃতিৰ লীলা-ভূমি কাশ্মীৰৰ কোলাতে মহাকবিজনাই জীৱনৰ আদিম পুৱাত চকু মেলিছিল ; অধিক সংখ্যক বিদ্বানেই মত প্ৰকাশ কৰে যে ইতিহাসপ্ৰসিদ্ধ আৰু বিদ্বন্মণ্ডলীৰ কৰ্মভূমি উজ্জয়িনীতহে ভাৰত-গৌৰৱ মহাকবি কালি-দাসৰ জন্ম হৈছিল। 'মেঘদূত' কাব্যত মহাকবিয়ে উজ্জয়িনীৰ প্ৰতি দেখুৱা পক্ষপাতিতাই এই মত দৃঢ় হোৱাত সহায় কৰে।

'মেঘদূত'ৰ পূৰ্বমেঘখণ্ডত বিৰহী যক্ষই প্ৰিয়তমালৈ কুশল-সংবাদ বহন কৰি নিবলৈ কোৱা মেঘক ৰামগিৰিৰপৰা অলকালৈকে সুদীৰ্ঘ পথছোৱা বৰ্ণাই কৈছে। বৰ্তমান মধ্যপ্ৰদেশৰ অন্তৰ্ভুক্ত ৰামগিৰিৰপৰা (ৰামটেক) উত্তৰ ফালে থকা অলকাপুৰীলৈ (কৈলাসপৰ্বতত অৱস্থিত) পোনাই যাবলৈ হ'লে বাটত উজ্জয়িনী পোৱা নহয়। নিজৰ কুশল বাতৰি জনাই বিৰহ-কাতৰা প্ৰিয়তমাৰ প্ৰাণৰক্ষা কৰিবলৈ লৰালৰিকৈ পঠোৱা মেঘক বিৰহী যক্ষই পথ বেঁকা হ'লেও উজ্জয়িনীত সোমাই যাবলৈ কৈছে—"হে মেঘ, উত্তৰ মুখে গতি কৰা তোমাৰ বাটটো বেঁকা হ'ব যদিও তুমি উজ্জয়িনীৰ সৌধসমূহৰ উপৰিভাগৰ লগত প্ৰীতিভাব স্থাপন কৰি যোৱাৰপৰা বিমুখ নোহোৱা যেন। চিক্‌মিক বিজুলিৰ চমকত চক খাই উঠা উজ্জয়িনীৰ পুৰ-কন্যাসকলৰ চঞ্চল দৃষ্টিত তুমি যদি আনন্দ লাভ নকৰা, তেনেহ'লে তুমি সঁচা-কৈয়ে বঞ্চিত হ'বা[১]। এইদৰে বিৰহীযক্ষৰ কুশল বাৰ্তা লৈ খৰ-খেদাকৈ যাবলগীয়া মেঘকো মহাকবিয়ে তেওঁৰ চিৰ চেনেহী উজ্জয়িনীখন চাই যাবলৈ

১ পূৰ্বমেঘ ২৭

বেঁকাকৈ হ'লেও যাবলৈ কৈছে। নিজৰ কুশল-বাৰ্তাৰে প্ৰিয়তমাৰ প্ৰাণ ৰক্ষা কৰিবলৈ উদ্‌গ্ৰীৱ হৈ পৰা যক্ষৰ মুখতো উজ্জয়িনীৰ প্ৰশংসাসূচক বৰ্ণনা দি কালিদাসে উজ্জয়িনীৰ প্ৰতি গভীৰ অনুৰাগৰ পৰিচয় দিছে।

কালিদাসে উজ্জয়িনীৰ সকলো এখনৰো বৰ্ণনা দিবলৈ পাহৰা নাই। উজ্জয়িনীৰ প্ৰতিটো বস্তুৱেই মহাকবিৰ অনুৰাগেৰে ৰঞ্জিত হৈ 'মেঘদূত' কাব্যত জীৱন্ত হৈ দেখা দিছে। উজ্জয়িনীলৈ যোৱাৰ পথত মেঘে দেখিবলৈ পাব, বুকুত অকোৰা-পকোৰা চাকনৈয়া লৈ থৌকি-বাথৌ ঢৌৰে থমকি বৈ যোৱা নিৰ্বিন্ধ্যা নদী। মেঘৰ প্ৰণয়-প্ৰাৰ্থিনীস্বৰূপা এই নদীৰ কঁকালত ঝংকাৰিত কাঞ্চীমালাৰ দৰে শোভা পাইছে শাৰী শাৰী কূজনৰত বিহংগম। কবিৰ অতি মৰমৰ এই নদীখন মেঘে আওকাণ কৰি গুচি যাব নোৱাৰিব, কাৰণ নদীৰূপিণী সেই কামিনীয়ে হিয়াৰ গোপন আৱেদন জনাই প্ৰিয়তম মেঘক প্ৰণয় প্ৰাৰ্থনা কৰিছে। সেই কামিনীৰ ৰস আস্বাদন নকৰাকৈ (পানী শুহি নোলোৱাকৈ) মেঘ গুচি যাব নোৱাৰিব। মেঘে নিৰ্বিন্ধ্যাৰ প্ৰণয় প্ৰাৰ্থনাত সন্দেহ কৰিবলগীয়া নাই; কাৰণ নাৰীয়ে প্ৰিয়জনৰ ওচৰত বিলাসভংগিমাৰেহে প্ৰণয় নিবেদন কৰে[২]। গ্ৰীষ্মৰ অন্তত এই কৃশাংগী তটিনী মেঘৰ আগমনৰ লগে-লগে আনন্দ উচ্ছল হৈ পৰাৰ চিত্ৰও মহাকবিৰ মানস-পটত ভাঁহি উঠিছে।

অৱন্তী দেশত উপস্থিত হৈ মেঘে 'শ্ৰীবিশালা বিশালা' নগৰী অৰ্থাৎ সমৃদ্ধিশালী উজ্জয়িনী নগৰী পাবগৈ। এই অৱন্তী দেশৰ গাঁৱলীয়া ককা-দেউতা, বুঢ়ীআইহঁতৰ মুখে মুখে উদয়নৰ ৰোমাঞ্চ সনা ৰূপ-কথা শুনাৰ সোৱাদো মহাকবিয়ে পাহৰা নাই। মহাকবিয়ে উজ্জয়িনীৰ পবিত্ৰতাৰ বৰ্ণাই কৰি কৈছে—

স্বল্পীভূতে সুচৰিতফলে স্বৰ্গিণাং গাং গতানাম্।
শেষৈঃ পুণ্যৈৰ্হৃতমিৱ দিৱঃ কান্তিমৎখণ্ডমেকম্॥ ৩০

---

২ পূৰ্বমেঘ ২৮

উজ্জয়িনী যেন স্বৰ্গত পুণ্যফল ভোগকৰি বাকী থকা পুণ্যৰ বলত পুণ্যাত্মাসকলে পৃথিৱীলৈ লৈ অহা স্বৰ্গৰ কান্তিমান খণ্ড এটাহে। "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী" নীতিৰদ্বাৰা অনুপ্ৰাণিত হৈয়েই মহাকবিয়ে উজ্জয়িনীৰ এই কল্পনা কৰিছে বুলি অনুমান হয়।

উজ্জয়িনীৰ কাষেদি বৈ যোৱা শিপ্ৰানদীৰপৰা বলা পুৱাৰ মলয়াত দূৰ-দূৰলৈ মদমত্ত সাৰস পখীৰ মিঠা কলৰৱ ভাঁহি যায়। নৱবিকশিত পদুম ৰেণুৰে সুবাসিত সেই মৃদুপৱনে প্ৰিয়তম জনৰ দৰে ৰমণীৰ সুৰত শ্ৰম দূৰ কৰে। নিশাৰ অন্তত প্ৰিয়জনে পদুমফুলৰ ৰেণুমিশ্ৰিত বা দি মিঠা মিঠা কথাকৈ ৰমণীৰ সুৰত শ্ৰম দূৰ কৰাৰ দৰে শিপ্ৰাবায়ুৱেও পদুম-সুবাস লৈ পখীৰ মিঠা কলৰৱেৰে ৰাতিপুৱা ৰমণীৰ গা জুৰ পেলায়। বিৰহী যক্ষৰ চিন্তাৰ অনুকূলে মহাকবিয়ে উজ্জয়িনীৰ কাষেদি বৈ যোৱা শিপ্ৰা-নদীৰ এই কল্পনাৰ নদীখনিৰ প্ৰতি থকা আন্তৰিকতাৰো পৰিচয় দিছে।

বাটটো বেঁকা হ'লেও উজ্জয়িনীলৈ যাবলৈ প্ৰলোভন দেখুৱা মেঘক মহাকবিয়ে আৰু এক আকৰ্ষণ দেখুৱাইছে—উজ্জয়িনীৰ ৰমণীগণৰ কেশ সুবাসিত কৰি খিৰিকীৰে ওলাই অহা অগৰু ধূপৰ ধোঁৱাই মেঘৰ শৰীৰ পুষ্ট কৰি তুলিব। বন্ধুৰ প্ৰতি প্ৰীতিবশতঃ উজ্জয়িনীৰ পোহনীয়া ম'ৰা-বোৰে নৃত্যৰত হৈ মেঘক স্বাগত জনাব। সুন্দৰী ৰমণীৰ পাদৰাগেৰে চিহ্নিত আৰু ফুলেৰে সুবাসিত উজ্জয়িনীৰ অট্টালিকাসমূহৰ সৌন্দৰ্য্য দেখি মেঘৰ পথশ্ৰম দূৰ হৈ যাব।

উজ্জয়িনীৰ মহাকালৰ বৰ্ণনাত মহাকবিৰ গভীৰ শিৱভক্তি প্ৰকাশ পাইছে। উজ্জয়িনীৰ প্ৰসিদ্ধ মহাকাল মন্দিৰেই হয়তো কবিজনাৰ শিৱ-ভক্তিৰ মূল প্ৰেৰণা। মহাকবিয়ে যক্ষৰ মুখেদি মেঘক ত্ৰিভুৱনৰ গুৰু চণ্ডীশ্বৰ শিৱৰ পূতধামলৈ যাবলৈ অনুৰোধ কৰিছে। শিৱৰ গণসমূহে স্বামীৰ নীলকণ্ঠৰ লগত সাদৃশ্য থকা হেতুকে মেঘলৈ শ্ৰদ্ধাপূৰ্ণ দৃষ্টিৰে চাব। জল-বিহাৰী যুৱতীৰ শৰীৰৰ সুবাসেৰে সুবাসিত আৰু পদুম-ৰেণুৰে আমোল-মোল গন্ধৱতী নামৰ তটিনীৰপৰা (শিপ্ৰাৰ উপনদী) বৈ অহা সমীৰণে চণ্ডী-

পতিৰ মন্দিৰৰ উদ্যানত দোলন খেলি যায়। বিৰহী যক্ষৰ ভাবনাৰ অনুকূলে মহাকবিয়ে শ্ৰদ্ধাভক্তিৰ স্থলী মহাকালৰ বৰ্ণনাতো 'যুৱতীৰ বিলাস-গন্ধ' মিশ্ৰিত কৰিছে। মহাকাল মন্দিৰত উপনীত হৈ মেঘে যেন সূৰ্য অস্ত যোৱালৈ অপেক্ষা কৰে। মহাদেৱৰ সান্ধ্য আৰাত্ৰিৰ সময়ত মৃদু গম্ভীৰ গৰ্জনেৰে পটহ-ধ্বনি কৰি মেঘে যেন গৰ্জনৰ সাৰ্থকতা লাভ কৰে। হাতত চামৰ লৈ নৃত্যৰ তালে তালে কঁকালৰ কৰধনীৰ কনজুন্ শব্দ কৰি মহাদেৱৰ বিগ্ৰহ খিচি খিচি ক্লান্ত হৈ পৰা দেৱদাসীইতৰ শৰীৰৰ নখক্ষতসমূহত মেঘে বিন্দু বিন্দু জলকণা ছটিয়াই দিব। সেইদৰে শৰীৰ জুৰ পেলোৱাৰ কাৰণে সেই কামিনীগণে মেঘলৈ কৃতজ্ঞভাৱে কটাক্ষপাত কৰিব। তাৰ পিছত শিৱৰ তাণ্ডৱ নৃত্য হোৱাৰ সময়ত নৱ বিকশিত জবাফুলৰ দৰে সান্ধ্যৰাগ সানি লৈ মেঘে শিৱৰ হস্তিচৰ্মধাৰণৰ কামনা পূৰণ কৰিব। স্ত্ৰীসুলভ কোমল ভাবৰ গুণে গাত কেঁচা তেজ লাগি থকা আচল হাতীৰ ছালখন দেখি পাৰ্বতীয়ে ভয় খায়। কিন্তু এতিয়া মহাকালৰ গজচৰ্ম ধাৰণৰ ইচ্ছা পূৰণ কৰা মেঘৰ শিৱভক্তি দেখি পাৰ্বতীয়ে স্থিৰনেত্ৰে মেঘৰফালে চাই ৰ'ব। কবিৰ পৰম আৰাধনীয় মহাকালৰ সেৱা এইদৰে সমাপন কৰাৰ পিছতো মেঘক তেওঁ উজ্জয়িনী দৰ্শনৰ প্ৰাৰ্থনা জনাইছে।

মেঘে যেন কেঁচা সোণবৰণীয়া বিজুলীৰ স্নিগ্ধ চমকনিৰে উজ্জয়িনীৰ অভিসাৰিকাইতৰ বাট পোহৰাই যায় আৰু গৰ্জন কৰি তেওঁলোকক যেন ভয় নুখুৱায়। চিক্‌মিকাই চিক্‌মিকাই ভাগৰি পৰা প্ৰিয়তমা বিজুলীৰ সৈতে জাক জাক পাৰ চৰায়ে ৰাতি জিৰণি লোৱা উজ্জয়িনীৰ কোনোবা গগনচুম্বী অট্টালিকাৰ উপৰিভাগত ৰাতিটো কটাই মেঘে যেন খল-পুৱাতেই অলকাৰ বাট লয়। সেইসময়ত চেনেহী পত্নীৰ নিয়ৰৰ অশ্ৰুকণা মুচি দিবলৈ হাতমেলা ৰ'দালিক যেন মেঘে অগা-ভেটা কৰি আমনি নিদিয়ে।

উজ্জয়িনী নগৰী পাৰ হৈ গৈ মেঘে গম্ভীৰা নামৰ বিখন নদী পাবগৈ মহাকবিয়ে তাৰো এক মনোৰম বৰ্ণনা দিছে। প্ৰিয়ামিলনৰ কাৰণে অধীৰ হৈ পৰা বিৰহী যক্ষৰ মনৰ লগত খাপ খোৱাকৈ কবিয়ে এই সকল নদীখনিৰ

আকৰ্ষণীয় বৰ্ণনা দিছে। গম্ভীৰাৰ ফটিকধাৰাত, অনুৰক্তা ৰমণীৰ নিৰ্মল হৃদয়ত স্থান পোৱা প্ৰেমিকৰ দৰে মেঘৰ প্ৰতিচ্ছবি জিলিকি উঠিব। ভেঁটৰ পাহিৰ দৰে বগা আৰু চঞ্চল মাছবোৰ যেন গম্ভীৰাৰ চকুহে। মেঘে সেই চকুৰ আবেদনপূৰ্ণ দৃষ্টিক বিফল কৰা উচিত নহ'ব। সেই নদীৰ পানীলৈকে দোঁ খাই থকা বেত গছবোৰ দেখি এনেহে লাগিব যেন গম্ভীৰাৰ (তীৰৰূপ নিতম্বৰপৰা) জলৰূপ বসন খহি পৰাত লাজতে জলা-কলা হৈ দুহাতেৰে বসনখনি ধৰি ৰাখিছে।

এইদৰে মহাকবি কালিদাসে বেঁকা বাটেদি নিও মেঘক তেওঁৰ চিৰ-চেনেহী অৱন্তী দেশ আৰু তাৰ ৰাজধানী উজ্জয়িনী দৰ্শন কৰাই ঠাইখনৰ প্ৰতি তেওঁৰ বিশেষ পক্ষপাতিতা দেখুৱাইছে। ●

শকুন্তলাৰ আঙঠী

ৱাল্টাৰ লাইফৰয় নামৰ এজন ভাৰতপ্ৰেমী জাৰ্মান সংবাদসেৱীয়ে কালিদাস আৰু ভাৰতীয় সাহিত্যৰ প্ৰতি শ্ৰদ্ধাবশতঃ এটি প্ৰস্তাৱ আগ বঢ়াইছিল (১৯৬৬ চন, ৮ জুন)—"ভাৰতীয় কন্যা শকুন্তলাই জাৰ্মান লোক-সকলক, ৰোমাণ্টিক মতবাদী ক্লাচিক মতবাদী, কবি আৰু বৈজ্ঞানিক নিৰ্বি-শেষে সকলোকে সমানে আকৃষ্ট কৰিব পাৰিছিল। তেনে হেন শকুন্তলাৰ স্মৃতি চিৰন্তন কৰি ৰাখিবলৈ 'শকুন্তলাৰ আঙঠী' নামেৰে এটা পুৰস্কাৰৰ ব্যৱস্থা কৰিব লাগে আৰু এই পুৰস্কাৰটি জাৰ্মান তথা ভাৰতীয় ভাষাত লিখিত বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক ৰচনাৰ কাৰণে প্ৰতি বছৰে প্ৰদান কৰিব লাগে' (টাইমচ অৱ ইণ্ডিয়া প্ৰেছৰপৰা প্ৰকাশিত 'ধৰ্মযুগ'ৰ ১৯৬৬ চনৰ ১০ জুলাইৰ সংখ্যাত প্ৰকাশিত সংবাদ)।

এজন গুণগ্ৰাহী জাৰ্মান ব্যক্তিৰ দৃষ্টিত বৈশিষ্ট্যপূৰ্ণ ৰূপত ধৰা দিয়া 'শকুন্তলাৰ আঙঠী'য়ে কালিদাসৰ 'অভিজ্ঞান শকুন্তল' নাটকত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। নাটকখনিৰ প্ৰথম অংকতে এই আঙঠীলৈ আমাৰ দৃষ্টি আকৰ্ষিত হৈছে আৰু অন্তিম অংকত দুষ্মন্ত-শকুন্তলাৰ পুনৰ মিলনৰ পিছত ইয়াৰ অন্তিম উল্লেখ কৰা হৈছে। প্ৰথম অংকত প্ৰিয়ম্বদাই যেতিয়া দুষ্মন্তৰ প্ৰশ্নৰ উত্তৰত "উপযুক্ত বৰ পালে পিতা কাশ্যপে শকুন্তলাক প্ৰদান কৰিব' বুলি অপৰিচিত যুৱক অতিথিৰ আগত শকুন্তলাক অপ্ৰস্তুত অৱস্থাত পেলালে; তেতিয়া মুখত যিহকে আহে তাকে কৈ পেলোৱা প্ৰিয়ম্বদাৰ কথা আৰ্যা গৌতমীক কৈ দিবলৈ শকুন্তলা গুচি যাব খুজিলে যিহেতুকে শকুন্তলাই প্ৰিয়ম্বদাক দুডোপা গছত পানী দিয়াৰ ঋণ শুজিবলৈ আছে, সেই ঋণ মুক্তজাকৈ প্ৰিয়ম্বদাই শকুন্তলা যাব নোৱাৰে বুলি তেওঁক এৰি নিদিলে।

ইতিমধ্যে গছত পানী দি দি ক্লান্ত হৈ পৰা শকুন্তলাৰ ৰজাৰ প্ৰতি অনুৰাগ জন্মিল। সেইকাৰণে তেওঁৰ নিজৰ নামমুদ্ৰিত আঙঠীটোকে প্ৰিয়ম্বদাক দি শকুন্তলাক ঋণমুক্ত কৰিব খুজিলে। আঙঠীটো আগ বঢ়োৱাৰ লৈকে দুষ্যন্তৰ প্ৰকৃত পৰিচয় আশ্ৰমকন্যা তিনিটিয়ে পোৱা নাই। দুষ্যন্তই কণ্বৰ আশ্ৰম প্ৰবেশ কৰাৰ সময়তে সকলো ৰাজ-যোগ্য আভৰণ আৰু ধনু এৰি থৈ আহিছে। আশ্ৰমকন্যাসকলে দুষ্যন্তৰ পৰিচয় জানিবলৈ বিচাৰোঁতে দুষ্যন্তৰ দ্ব্যৰ্থক উক্তিৰপৰাও তেওঁকে ৰজা দুষ্যন্ত বুলি জনাৰ পোনপটীয়া উপায় নাছিল। দুষ্যন্ত ৰাজকীয় বেশেৰে অহা হ'লে আশ্ৰমকন্যা কেইটিয়ে তেওঁৰ প্ৰতি নিঃসংকোচে ব্যৱহাৰ আৰু আলাপ কৰিব নোৱাৰিলেহেঁতেন। তেনেস্থলত যি এক অনাড়ম্বৰ পৰিবেশত দুষ্যন্ত আৰু শকুন্তলাৰ প্ৰথম দৰ্শনতে পাৰস্পৰিক অনুৰাগ গঢ়ি উঠিছে, সেই পৰিৱেশ গঢ় ল'ব নোৱাৰিলেহেঁতেন। মহাকবিয় দুষ্যন্ত-শকুন্তলাৰ পাৰস্পৰিক অনুৰাগ গঢ় ল'বৰ কাৰণে সহজ পৰিৱেশ এটাৰ আৱশ্যকতা উপলব্ধি কৰিয়েই দুষ্যন্তক আশ্ৰমত ৰজা স্বৰূপে প্ৰথমতে উপস্থাপন কৰা নাই। মহাকবিৰ এই কাৰ্যসিদ্ধি হোৱাৰ পাছত আঙঠীটোৰ যোগেদি আকৰ্ষণীয় পদ্ধতিত দুষ্যন্তৰ প্ৰকৃত পৰিচয় দাঙি ধৰিছে।

আশ্ৰমৰ অতিথিজনে শকুন্তলাক ঋণমুক্ত কৰিবলৈ আগবঢ়োৱা আঙঠীটোত ৰজা দুষ্যন্তৰ নাম লিখি থোৱা দেখি অনুসূয়া-প্ৰিয়ম্বদা আচৰিত হ'ল। তেওঁলোকে চকুলৈ চোৱা-চুই কৰা দেখি ৰজাই আত্মপৰিচয় গোপন কৰাৰ উদ্দেশ্যে ক'লে—"মোক অন্য কোনোৰা বুলি ভাবিব নালাগে; এয়া ৰজাৰ দান। মোক ৰাজপুৰুষ বুলি জানিবা"[১]। এই বাক্যৰ অৰ্থ দুটা হয়—"এয়া তোমালোকৰ প্ৰতি ৰজা দুষ্যন্তৰ দান অথবা এয়া মোৰ প্ৰতি ৰজাৰ দান; গতিকে মই ৰাজপুৰুষ অথবা ৰজা।"

এই দ্ব্যৰ্থক উক্তিৰে ৰজাই চতুৰা প্ৰিয়ম্বদাৰ চকুত ধূলি দিব নোৱাৰিলে। প্ৰিয়ম্বদাই সখীয়েকক ক'লে—"সখী শকুন্তলা, তোমাক

১. অলমস্মানন্যথা সম্ভাব্য। ৰাজ্ঞঃ পৰিগ্ৰহোঽয়মিতি ৰাজপুৰুষং মামৱগচ্ছথ।

এই আৰ্যই অথবা মহাৰাজে ঋণমুক্ত কৰিলে"। এই বুলি কৌতুক কৰি প্ৰিয়ম্বদাই আঙঠীটো গ্ৰহণ নকৰিলে।

শকুন্তলা নাটকৰ চতুৰ্থ অংকত এই আঙঠীটোৱে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। প্ৰেমাস্পদ দুষ্যন্তৰ চিন্তাত আপোনপাহৰা হৈ অতিথি তপোধন দুৰ্বাসাক অৱজ্ঞা কৰা শকুন্তলা দুৰ্বাসাৰ শাপভাগী হ'ল— শকুন্তলাই যাৰ কথাত মগ্ন হৈ দুৰ্বাসাক আওকাণ কৰিলে, সেইজনেই শকুন্তলাক লোকে সোঁৱৰাই দিলেও মনত পেলাব নোৱৰাকৈ পাহৰি যাব। অনসূয়াৰ কথামতে প্ৰিয়ম্বদাই অনেক অনুনয়-বিনয় কৰাত দুৰ্বাসাই শাপ মোচনৰ উপায় দিলে—নাম লিখা কোনো অলংকাৰৰদ্বাৰা পৰিচয় দিব পাৰিলে শাপৰ অন্ত পৰিব অৰ্থাৎ শকুন্তলাক দুষ্যন্তই স্মৰণ কৰিব। অনসূয়া-প্ৰিয়ম্বদাৰ মুখলৈ পানী আহিল—ৰজাই যাবৰ সময়ত নিজৰ নাম লিখা আঙঠীটো স্মৃতিচিহ্ন ৰূপে শকুন্তলাক দি গৈছে। গতিকে তাকে দেখুৱাই শকুন্তলাই দুষ্যন্তক তেওঁলোকৰ মিলনৰ কথা সোঁৱৰাব পাৰিব।

ইমান সহজতে যেতিয়া সমস্যাটো সমাধান হোৱাৰ বাট ওলাল অনসূয়া-প্ৰিয়ম্বদাই কাকো সেই দুৰ্ঘটনাৰ কথা নজনালে, কাৰণ স্বভাৱকোমলা শকুন্তলাক এই দুঃসম্বাদ দিয়াটো নৱমল্লিকা ফুলত তপত পানী ছটিওৱাৰ নিচিনা হ'ব। তেওঁলোকে স্বামীগৃহলৈ যাত্ৰা কৰাৰ সময়ত শকুন্তলাক কৈ পঠালে—"সখী, যদি ৰজাই তোমাক চিনি পোৱাত বিলম্ব হয় তেনে তেওঁৰ নাম লিখা আঙঠীটো দেখুৱাই দিবা।" কথাষাৰ শুনি অজান আশংকাত শকুন্তলাৰ বুকু কঁপি গ'ল। সখীয়েকহঁতক এই কথা জনোৱাত তেওঁলোকে প্ৰকৃত কথাটো নকৈ শকুন্তলাৰ প্ৰতি অত্যধিক স্নেহ থকাৰ কাৰণেহে তেওঁলোকে এই আশংকা কৰিছে বুলি জানিবলৈ দিলে।

অনসূয়া-প্ৰিয়ম্বদাই ভবাৰ দৰে সহজে সমস্যা সমাধান হৈ নগ'ল। দৈৱ-দুৰ্বিপাকত সকলো ভৰসাৰ থল আঙঠীটো শকুন্তলাৰ অজ্ঞাতে হাতৰ পৰা শচীতীৰ্থত পানীত সৰি পৰিল। দুৰ্বাসাৰ শাপত শকুন্তলাৰ স্মৃতি

হেৰুৱাই পেলোৱা দুষ্যন্তই কণ্বৰ শিষ্যসকলে লৈ অহা তেওঁৰ পত্নী শকুন্তলাক যেতিয়া চিনিব নোৱাৰিলে, তেতিয়াহে ৰজাৰ বিশ্বাস জন্মাবৰ কাৰণে আঙঠীটো দেখুৱাবলৈ বিচাৰি, শকুন্তলাই আঙঠীটো নাই বুলি জানিলে। গৌতমীয়ে আঙঠীটো শচীতীৰ্থত পৰি আছিল বুলি কোৱাত দুষ্যন্তই সেইয়া স্ত্ৰীসুলভ উপস্থিত বুদ্ধি বুলি কৈ তেওঁলোকক উপহাসহে কৰিলে। আঙঠীটোৰ অভাৱত শকুন্তলাই কোনো প্ৰকাৰেই দুষ্যন্তৰ স্মৃতি জাগ্ৰত কৰিব নোৱাৰি স্বামীৰ দ্বাৰা নিষ্ঠুৰভাৱে পৰিত্যক্তা হ'বলগীয়া হ'ল।

ষষ্ঠ অংকত হেৰোৱা আঙঠীটো অভাৱনীয় ৰূপ ওলাই পৰি নাটকীয় ঘটনাপ্ৰৱাহলৈ বেলেগ গতি আনিলে। এজন মাছ-মৰীয়াই এটা ৰৌ-মাছৰ পেটত পাই আঙঠীটো বেচিবলৈ আনোতে নগৰৰক্ষক কৰ্মচাৰীয়ে পাই ৰজাক শোধালেগৈ। দুষ্যন্তই আঙঠীটো দেখাৰ লগে লগে দুৰ্বাসাৰ শাপৰ অন্ত পৰিল আৰু অকাৰণতে প্ৰত্যাখ্যান কৰা ধৰ্মপত্নী প্ৰিয়তমা শকুন্তলাৰ স্মৃতিয়ে তেওঁক আকুল কৰি তুলিলে। শকুন্তলাৰ বিৰহ-দুখত ব্যাকুল হৈ ৰজাই ৰাজ্যজুৰি হ'বলগীযা বসন্ত উৎসৱো বন্ধ কৰি দিলে। এতিয়ালৈকে নাটকীয ঘটনাপ্ৰৱাহত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা এই আঙঠীটোনো দুষ্যন্তই কি উদ্দেশ্যে শকুন্তলাক দি আহিছিল, সেই কথা আমি জানিব পৰা নাই। শকুন্তলা-ত্যাগৰ শোকত অভিভূত হৈ পৰা দুষ্যন্তই সখীয়েক মাধব্যৰ প্ৰশ্নৰ উত্তৰত এই কথা জনাইছে।

কণ্বৰ আশ্ৰমৰ পৰা ৰাজধানীলৈ ঘূৰি অহাৰ সময়ত দুষ্যন্তক চলচলীয়া চকুৰে শকুন্তলাই সুধিছিল—"আৰ্য্যপুত্ৰই কিমান দিনৰ পাচত মোলৈ বাতৰি পঠাব ?" তেতিয়া দুষ্যন্তই এই আঙঠীটো শকুন্তলাৰ আঙুলীত পিন্ধাই দি কৈছিল—"প্ৰিয়তমা, তুমি এই আঙঠীটোত থকা মোৰ নামৰ একোটাকৈ আখৰ গণনা কৰি যাবা। যিদিনা শেষ আখৰটো পাবাগৈ, সেইদিনাই তোমাক মোৰ অন্তঃপুৰলৈ লৈ যাবলৈ মানুহ আহি উপস্থিত হ'ব (শকু ৬ ১২)।" পিছে ৰজাই কথা ৰাখিব নোৱাৰিলে বুলি অনুতপ্ত হৈ পৰিল। এই পৰ্য্যন্ত দুষ্যন্তই দুৰ্বাসাৰ অভিশাপৰ কথা জনাই নাই।

অকাৰণতে ধৰ্মপত্নীক ত্যাগ কৰাৰ দুখত অভিভূত হৈ পৰা দুষ্যন্তক স্বৰ্গৰ ৰজা ইন্দ্ৰই দেৱকাৰ্য্য সাধনৰ উদ্দেশ্যে স্বৰ্গলৈ নিযালে। পৃথিৱীলৈ ঘূৰি অহাৰ পথত (৭ম অংকত) মাৰীচৰ আশ্ৰমত প্ৰিয়তমা শকুন্তলাৰ লগত দুষ্যন্তৰ পুনৰ্মিলন হ'ল।

পুনৰ্মিলনৰ ক্ষণতো শকুন্তলাই ৰজাৰ হাতত সেই আঙঠীটো দেখি বিস্মিত হৈ পৰিল। সেই আঙঠীটো পোৱাতহে যে ৰজাই শকুন্তলাৰ স্মৃতি ঘূৰাই পাইছে, সেই কথা জনালে। সেই সময়ত শকুন্তলাই এই আঙঠী-টোৱে আৱশ্যকীয় সময়ত বিশ্বাসঘাতকতা কৰি অনৰ্থ ঘটোৱাৰ অপ্ৰিয় স্মৃতি সোঁৱৰণ কৰিছে। দুষ্যন্তই প্ৰিয়সমাগমৰ স্মাৰক স্বৰূপে পুনৰায় শকুন্তলাৰ হাতত আঙঠীটো পিন্ধাই দিব খোজাত শকুন্তলাৰ জীৱনলৈ চৰম দুৰ্দশা চপাই অনা সেই আঙঠীটো তেওঁ গ্ৰহণ কৰিব নুখুজিলে। এই কথাটো যথেষ্ট তাৎপৰ্য্যপূৰ্ণ। প্ৰিয়জনৰ উপহাৰ প্ৰণয়ৰ প্ৰতীক হ'লেও আন্তৰিকতাৰ তুলনাত সি মূল্যহীন। সেয়েহে শকুন্তলাই দুষ্যন্তৰ প্ৰতি সম্ভাৰ আৰু আন্তৰিকতা অটুট ৰাখি স্নেহৰ উপহাৰ আঙঠীটো গ্ৰহণ নকৰিলে। দুষ্যন্ত-শকুন্তলাৰ পুনৰ্মিলনৰ সময়ত, শকুন্তলালৈনো ৰজাৰ কেনেকৈ মনত পৰিল, সেই কথা জানিবলৈহে আঙঠীটোৰ অৱতাৰণা কৰা হ'ল যদিও মহাকৱিয়ে প্ৰণয়ৰ স্মৃতিচিহ্নৰূপে ইয়াৰ ওপৰত বিশেষ গুৰুত্ব দি নেদেখুৱালে।

প্ৰেম আৰু বিশ্বাসৰ প্ৰতীক স্বৰূপে নাম-মুদ্ৰিত আঙঠীৰ প্ৰচলন ভাৰতীয় সাহিত্যৰ অনেক ঠাইতে দেখা যায়। ৰামায়ণত ৰামচন্দ্ৰই হনু-মানক লংকালৈ সীতাক বিচাৰি পঠাওঁতে সীতাৰ বিশ্বাস জন্মাবৰ কাৰণে এটা নিজৰ নামাঙ্কিত আঙঠী দি পঠাইছিল। কঠ্ঠহাৰী জাতকত থকা এটা আখ্যানমতে বাৰাণসীৰ ৰজা ব্ৰহ্মদত্তই এক অৰণ্যবাসী যুৱতীৰ প্ৰতি অনু-ৰক্ত হৈ তেওঁক বিয়া কৰায়। সেই যুৱতীক এৰি যাবৰ সময়ত ব্ৰহ্মদত্তই এটা আঙঠী দি কৈছিল—"যদি মোৰ ঔৰসত তোমাৰ পুত্ৰ সন্তান জন্ম হয়, তেনে এই আঙঠীটোৰে সৈতে তাক মোৰ ওচৰলৈ লৈ যাবা। যদি কন্যা সন্তানহে জন্ম হয়, তেনে এই আঙঠীটো বিক্ৰী কৰি সেই ধনেৰেই তাইক

ডাঙৰ-দীঘল কৰিবা।” কালক্ৰমত পুত্ৰ সন্তান জন্ম হোৱাত মাকে তাক ব্ৰহ্মদত্তৰ ওচৰলৈ লৈ গ'ল। ৰজাই তেওঁৰ এই পত্নীক চিনি পায়ো ইচ্ছাকৃত ভাবে প্ৰত্যাখ্যান কৰিলে। অৱশেষত এক দৈৱিক ক্ৰিয়াই ব্ৰহ্মদত্তক সেই পত্নীক গ্ৰহণ কৰিবলৈ বাধ্য কৰালে।

এই আখ্যানটিত মহাভাৰতত থকা শকুন্তলোপাখ্যান (য'ত নায়ক দুষ্যন্তই পুত্ৰসমন্বিত উপস্থিত হোৱা ধৰ্মপত্নীক প্ৰথমতে প্ৰত্যাখ্যান কৰি পাছত দৈৱবাণী শুনি গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল) আৰু যাৰৰ পৰত বিশ্বাসৰ অৱলম্বন স্বৰূপে আশ্ৰমকন্যাক আঙঠী এটা দি থৈ যোৱা কালিদাসৰ শকুন্তলাৰ মিলিত সাদৃশ্য দেখা গৈছে।

মাছৰ পেটত নামমুদ্ৰিত আঙঠী ওলোৱাৰ কথা গ্ৰীক কাহিনী এটাতো পোৱা যায়। এজন গ্ৰীক ৰজাই নিজৰ ভাগ্য পৰীক্ষা কৰি চাবৰ কাৰণে নিজৰ নামমুদ্ৰিত আঙঠী এটা সাগৰত পেলাই দিয়ে। দুদিনৰ পাছত মাছমৰীয়াই মাছৰ পেটত পাই আঙঠীটো ৰজাক ঘূৰাই দিয়ে। কালিদাসৰ ওপৰত এই কাহিনীৰ প্ৰভাৱ পৰাটো অসম্ভৱ নহয়। ●

শকুন্তলা নাটকত 'প্ৰথম দৰ্শনতে প্ৰেম'

শকুন্তলা নাটকত ৰজা দুষ্যন্ত আৰু কণ্বৰ পালিতা কন্যা শকুন্তলাৰ প্ৰথম দৰ্শনতে যি পাৰস্পৰিক অনুৰাগৰ উদয় হৈছে, সেয়া দুজন যুৱক-যুৱতীৰ যুৱা-সুলভ সাময়িক খেয়ালত হোৱা পাৰস্পৰিক মোহ নহয়। সেয়া মহাকবিৰ সাৰ্থক লেখনীৰ পৰশত সৃষ্টি হোৱা যোগ্য পৰিবেশত নায়ক-নায়িকা উভয়ৰে মানসিক প্ৰস্তুতিৰ পিছত হোৱা গভীৰ প্ৰণয়ৰ অংকুৰণহে। মৃগয়া বিনোদৰ উদ্দেশ্যে গৈ অজ্ঞাতসাৰে কণ্বমুনিৰ আশ্ৰমৰ উপকণ্ঠত উপস্থিত হোৱা দুষ্যন্তই আশ্ৰমত অনন্যসুন্দৰী শকুন্তলাক দেখা পোৱা মাত্ৰেই তেওঁৰ প্ৰেমত পৰা নাই ; সেই প্ৰেমৰ উদ্দেশ্যে আৱশ্যকীয় অনুকূল পৰিবেশ মহাকবিয়ে সৃষ্টি কৰি লৈছে।

মৃগয়াৰ কাৰণে মানুহৰ যুৱা-সুলভ কাৰ্যক্ষমতা আৰু উৎসাহ-উদ্দীপনাৰ আৱশ্যক হয়। মৃগয়া অনুসৰণকাৰী দুষ্যন্তৰ কাৰ্য-কলাপত প্ৰকাশ পোৱা উৎসাহে, তেওঁৰ ভৰ-যৌৱনৰ পৰিচয় দিয়ে। বহুপত্নীক যদিও সেই সময়লৈকে প্ৰখ্যাত পুৰুবংশীয় ৰাজচক্ৰৱৰ্তী দুষ্যন্ত সন্তানহীন। বৈখানসজনৰ কথামতে দুষ্যন্তই যেতিয়া পছুটোলৈ লক্ষ্য কৰি এৰি দিব খোজা শৰো সম্বৰণ কৰে, তেতিয়া সন্তুষ্ট হৈ বৈখানসে দুষ্যন্তক এই বুলি আশীৰ্বাদ দিছে—"পুত্ৰমেৱং গুণোপেতং চক্ৰৱৰ্তিনমাপ্নুহি"—তোমাৰ দৰে সদ্‌গুণমণ্ডিত ৰাজ-চক্ৰৱৰ্তী পুত্ৰ লাভ কৰা যেন। এই কথাষাৰে দুষ্যন্তৰ মনত সন্তান অভিলাষৰ লগতে মাতৃত্বক্ষম পত্নীৰ অভিলাষো জগাই তোলাটো নিতান্ত স্বাভাৱিক। ইয়াৰ পিছতেই দুষ্যন্তই বৈখানসৰপৰা জানিব পাৰিলে যে কুলপতি কণ্ব সেই সময়ত আশ্ৰমত নাই। আশ্ৰমৰ অতিথি-সৎকাৰৰ ভাৰ জীয়েক শকুন্তলাক অৰ্পণ কৰি তেওঁ শকুন্তলাৰ প্ৰতিকূল দৈৱৰ প্ৰতিবিধানাৰ্থে সোমতীৰ্থলৈ

গৈছে। এই কথাখিনিয়ে ইতিমধ্যে মনত পত্নীলাভৰ অভিলাষ জন্মা দুষ্যন্তক আকৃষ্ট কৰাটো স্বাভাৱিক কথা।

আশ্ৰমৰ দুৱাৰমুখত ৰথ ধনু-শৰ আৰু ৰাজযোগ্য আভৰণ এৰি বিনীতবেশেৰে আশ্ৰমত প্ৰৱেশ কৰিবলৈ লওঁতেই দুষ্যন্তৰ সোঁবাহু স্পন্দিত হৈ পত্নী-লাভৰ সূচনা দিছে। কালিদাসৰ দৈৱবাদী নায়কে সাত্ত্বিক পৰিৱেশৰ আশ্ৰমতো দৈৱযোগত পত্নীলাভৰ দুৱাৰ উন্মুক্ত হৈ থাকিব পাৰে বুলি মানসিক প্ৰস্তুতি গোটাব পাৰিছে। এই ঘটনাৰ কিছু পিছতেই দুষ্যন্তই সুদৰ্শনা আশ্ৰমকন্যা তিনিটিয়ে গছত পানী দি দি কথাপাতি থকা শুনিবলৈ পাইছে।

এই প্ৰথম দৰ্শনতে দুষ্যন্ত শকুন্তলাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ পৰা নাই, বৰঞ্চ তেওঁ তিনিওটি আশ্ৰমকন্যাৰে অন্তঃপুৰৰ ৰমণীকো চেৰ পেলোৱা সৌন্দৰ্য দেখি সমানভাৱে মুগ্ধ হৈছে। তাৰ পিছত তেওঁলোকৰ কথা-বতৰাৰপৰাহে কণ্ব-দুহিতা শকুন্তলাক চিনি উলিয়াইছে। তেতিয়াহে শকুন্তলাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ কোমলাংগী শকুন্তলাক কঠোৰ আশ্ৰমধৰ্মত নিয়োগ কৰাৰ বাবে কণ্বক 'অসাধুদৰ্শী' বুলি অভিহিত কৰিছে। প্ৰিয়ম্বদাই টানকৈ বান্ধি দিয়া বল্কল-বসনটো লাই দিবলৈ শকুন্তলাই অনসূয়াক অনুৰোধ কৰা ৰজাৰ কাণত পৰিছে[১]। তেতিয়া ৰজাৰ মন শকুন্তলাৰ যৌৱন-পুষ্ট শৰীৰৰ প্ৰতি আকৃষ্ট হোৱাটো স্বাভাৱিক। তাৰ পিছত প্ৰিয়ম্বদাই শকুন্তলাক বকুল গছ এজোপাৰ ওচৰত থিয় হৈ থাকিবলৈ কৈ, শকুন্তলাক বৃক্ষৰূপী নায়কৰ লগত সংগতা হোৱা লতাৰূপী নায়িকাৰ নিচিনা দেখিছে বুলি কৈছে। এই কথাষাৰেও শকুন্তলাৰ প্ৰতি ৰজাৰ অভিলাষ বঢ়োৱাত সহায় কৰিছে। কেৱল ইমানেই নহয়; প্ৰকৃতিকন্যা শকুন্তলাই আমগছ এজোপাৰ লগ লগাই দিয়া বনজ্যোৎস্না নামৰ নৱমল্লিকা লতা-

১. শকু—সখি অনসূয়ে, অতিপিনদ্ধেন বল্কলেন প্ৰিয়ম্বদয়া নিয়ন্ত্ৰিতাস্মি। শিথিলয় তাৱদেতৎ।
প্ৰিয় —(সহাসম্) অত্ৰ পয়োধৰবিস্তাৰয়িতৃ আত্মনো যৌৱনমুপালভস্ব।

ভালিৰ প্ৰসংগতো মহাকবিয়ে প্ৰিয়ম্বদাৰ মুখত এই উক্তি দিছে—"সখী অনসূয়া! শকুন্তলাই কিয় এই বনজ্যোৎস্নাজুপি ইমান আদৰ কৰে জানানে? বনজ্যোৎস্না যেনেকৈ এজোপা যোগ্য গছত লগ লাগিলে, ময়ো যেন যোগ্য বৰ লাভ কৰোঁ—এই বুলি ভাবি।" এই কথাষাৰিয়ে যে দুষ্মন্তৰ মনত শকুন্তলাৰ কামনা আৰু আগবঢ়াই নিছে, সি নিশ্চিত কথা।

অনুকূল পৰিবেশে আশ্ৰমকন্যা শকুন্তলাৰ প্ৰতি পৌৰৱ নৃপতি দুষ্মন্তৰ কামনা বঢ়াইছে যদিও, কালিদাসৰ আদৰ্শ নায়কে এই বিষয়ত যুৱাসুলভ স্বেচ্ছাচাৰিতা দেখুৱাব পৰা নাই। সেই সময়ত দুষ্মন্তই সামাজিক অনুশাসনৰ অনুকূলেহে বিষয়টো লৈছে। তেওঁৰ অনুৰাগভাজন কণ্বৰ দুহিতা যে ক্ষত্ৰিয়ৰ বিবাহযোগ্যাই হ'ব সেই সিদ্ধান্ত তেওঁ ল'ব পাৰিছে, শাস্ত্ৰকাৰসকলৰ অনুশাসন মতেহে। সৎলোকসকলৰ কোনো বিষয়ত দোধোৰ-মোৰ অৱস্থা হ'লে নিজৰ মন য'ত প্ৰবৃত্ত হয় সেয়ে গ্ৰহণযোগ্য বুলি এই ক্ষেত্ৰত দুষ্মন্তই লোৱা সিদ্ধান্ত শাস্ত্ৰকাৰ মনুৰ "আচাৰশ্চৈৱ সাধুনামাত্মনস্তুষ্টিৰেৱ চ' বিধানৰ অনুকূল। এই কথা এই পুথিতে পূৰ্বৰ প্ৰবন্ধ এটাত কৈ অহা হৈছে। নিজৰ মনৰ শুদ্ধতাৰ ওপৰত বিশ্বাস ৰাখি শকুন্তলাৰ প্ৰতি আকৃষ্ট হোৱাটো সংগত বুলি ভাবিছে যদিও দুষ্মন্তই শকুন্তলা সম্পৰ্কে নিশ্চিতভাৱে জানি লৈহে আৰু আগবাঢ়িব খুজিছে[২]।

এনে সময়তে এটা ভোমোৰাই গালে মুখে পৰি শকুন্তলাক ব্যতিব্যস্ত কৰি তুলিছে। পত্নী-সান্নিধ্যৰ কামনা মনত জাগি উঠা দুষ্মন্তৰ চকুত সেই ভোমোৰাটো সুৰত-ৰত প্ৰেমিক হৈ ধৰা দিছে। সি যেন বাৰে বাৰে শকুন্তলাৰ আয়ত লোচনযুগল স্পৰ্শ কৰিছে, কাণৰ ওচৰত গুণ গুণাই শকুন্তলাক মনৰ গোপন কথা কৈছে, শকুন্তলাই হাত জোকাৰি খেদিব খুজিছে যদিও সি চল চাই শকুন্তলাৰ ৰতিসৰ্বস্ব অধৰ পান কৰিছে। ৰজাৰ

২. তথাপি তত্ত্বত এনামুপালভে

মনেৰে সেই ভোমোৰাটো ধন্য, তেওঁৰহে শকুন্তলাৰ আঁতিগুৰি বিচাৰোঁতেই গৈছে[৩]।

দুষ্ট ভোমোৰাটো খেদাব নোৱাৰি শকুন্তলাই সখীয়েকহঁতক তাক খেদাই দিবলৈ অনুৰোধ কৰাত অনসূয়া-প্ৰিয়ম্বদাই পৰিহাস কৰি ক'লে— "তোমাক ৰক্ষা কৰিবলৈ আমি কোন? দুষ্যন্তক মাতা। ৰজাইহে তপোবন ৰক্ষা কৰে।" গা-দেখা দিয়াৰ এয়ে উপযুক্ত সময় বুলি জানি ৰজাই "ভয় নাই, ভয় নাই" বুলি আগবাঢ়ি গৈছে, তাৰপিছত কিছু সময় মনে মনে ৰৈ তেওঁক যাতে আশ্ৰমকন্যাসকলে ৰজা বুলি চিনি নাপায়, তেনেদৰে কথা ক'বলৈ স্থিৰ কৰিছে। ^চাকৈয়ে আশ্ৰমকন্যাসকলে দুষ্যন্তৰ প্ৰকৃত পৰিচয় পোৱা হ'লে তেওঁৰ লগত সহজভাৱে কথা-বতৰা হ'ব নোৱাৰিলেহেঁতেন। তেতিয়া দুষ্যন্ত-শকুন্তলাৰ প্ৰণয়ৰ ভেটিটোও সহজতে সুদৃঢ় হ'ব নোৱাৰিলেহেঁতেন।

দুষ্যন্তই "পুৰুবংশীয় নৃপতিৰ শাসনকালত কোনে আশ্ৰমকন্যাৰ প্ৰতি অশিষ্ট আচৰণ কাৰছে" বুলি আগলৈ ওলাই অহাত আশ্ৰমকন্যা কেইটী কিছু অপ্ৰস্তুত হৈ পৰিল। অনসূয়াই সহজভাৱে সখীয়েকক ভোমোৰাই আমনি কৰাৰ কথাটো জনোৱাৰ পিছত ৰজাই যথাবিহিতভাৱে কণ্বৰ দুহিতাক সুধিলে—"তপস্যা বৃদ্ধি হৈছে নে?" থতমত খাই ৰৈ যোৱা লাজুকী শকুন্তলাৰ হৈ অনসূয়াই সেই প্ৰশ্নৰ উত্তৰ দিলে—"হয়, এতিয়া এজন বিশেষ অতিথিলাভৰদ্বাৰা আমাৰ তপস্যা বৃদ্ধি হৈছে।" কণ্বই অতিথি সৎকাৰৰ ভাৰ অৰ্পণ কৰি যোৱা শকুন্তলাক কুটীৰৰপৰা ফলমূল সহ অৰ্ঘ্য আনিবলৈ কৈ অনসূয়াই পাদ্যজলৰ যোগাৰ কৰিব খোজাত ৰজাই বাধা দি তেওঁলোকৰ মিঠা বচনতে সন্তোষ পাইছে বুলি ক'লে। এই আকৰ্ষণীয় কৌশলেৰে মহাকবিয়ে শকুন্তলাক কুটীৰলৈ পঠাই মধুৰ

৩ চলাপাংগাং দৃষ্টিং স্পৃশসি বহুশো বেপথুমতীং
ৰহস্যাখ্যায়ীৱ স্বনসি মৃদু কৰ্ণান্তিকচৰঃ
কৰৌ ব্যাধুন্বত্যাঃ পিবসি ৰতিসৰ্বস্বমধৰং।
ৱয়ং তত্ত্বান্বেষান্মধুকৰ হতাস্ত্বং খলু কৃতী॥ [শকুন্তলা ১।২১]

পৰিস্থিতিটো ব্যাহত নকৰাকৈয়ে শকুন্তলাৰ অতিথি-পৰায়ণতা ক্ষুন্ন নোহোৱাকৈ ৰাখিলে।

প্ৰিয়ম্বদাৰ অনুৰোধক্ৰমে ৰজাই শীতল হৈ পৰি থকা সপ্তপৰ্ণবেদিকাত (চতিয়না গছৰ হৈৰিত বান্ধি থোৱা ভেটিত) আসন গ্ৰহণ কৰিলে আৰু কাম কৰি শ্ৰান্ত হৈ পৰা আশ্ৰমকন্যা কেইটাকো তাতে বহি জিৰাবলৈ অনুৰোধ কৰিলে। সুদৰ্শন যুৱক অতিথিৰ উপস্থিতিত, ইতিমধ্যে সখীয়েকহঁতে অনুৰূপ বৰৰ কথা সোঁৱৰাই দিয়া শকুন্তলাৰ মনত "তপোবন বিৰোধী বিকাৰ" উৎপন্ন হোৱাটো নিতান্ত স্বাভাৱিক কথা। এই অতিথিবিশেষৰ পৰিচয় পাবৰ কাৰণে শকুন্তলাৰ মন উত্ৰাৱল হৈ পৰিছে। প্ৰিয়ম্বদাই চতুৰ আৰু গহীন চেহেৰাৰে মৌ-বৰষা প্ৰিয় কথা কোৱা সেই অতিথিজন প্ৰভাৱশালী ব্যক্তি যেন লাগিছে বুলি কোৱাত অনসূয়াই মনোৰম কৌশলেৰে ৰজাক তেওঁৰ পৰিচয় সুধিছে। তেতিয়া শকুন্তলাৰ হৃদয়তো তোলপাৰ লাগি গৈছে—কাৰণ এয়া তেওঁৰ মনৰ প্ৰশ্নটোকে অনসূয়াই সুধিছে। অনসূয়াৰ কথাবপৰা বুজা গৈছে যে তেওঁলোকে অতিথিজন ৰাজপুৰুষ বুলি ধৰিব পাৰিছে[৪]। দুষ্যন্তই দ্ব্যৰ্থক উক্তিৰে পৰিচয় দাঙি ধৰিছে—"মোক পুৰুবংশীয় নৃপতিয়ে ধৰ্মশাসনত নিয়োগ কৰিছে। এতিয়া মই আশ্ৰমৰ কাম নিৰ্বিঘ্নে চলিছেনে, তাকে চাবলৈ আহিলোঁ।" এই কথাৰ দুটা অৰ্থ হয়—পুৰুবংশীয় আগৰজন ৰজাই অৰ্থাৎ দুষ্যন্তৰ পিতাকে ধৰ্মশাসনত অথাৎ ন্যায়শাসনত নিয়োগ কৰি থৈ যোৱা ৰজা দুষ্যন্ত অথবা বৰ্তমানৰ পুৰুবংশীয় ৰজা দুষ্যন্তই ধৰ্মবিষয়ক শাসনত নিয়োগ কৰা এজন ৰাজকৰ্মচাৰী। যি কি নহওক, এনে এজন বিশিষ্ট অতিথি পাই অনসূয়া-প্ৰিয়ম্বদা আনন্দিত হৈছে আৰু তেওঁলোকে লাজতে মৰহি যাব খোজা শকুন্তলাক পৰিহাস কৰি কৈছে—"আজি পিতা কাশ্যপ থকা হ'লে ... ... তেখেতৰ জীৱিতসৰ্বস্ব (তোমাক) দিও এই বিশেষ অতিথিজনক সৎকাৰ কৰিলেহেঁতেন।" এই

৪. কতম আৰ্যেণ ৰাজৰ্ষিবংশোঽলংক্ৰিয়তে।

কথাই শকুন্তলাৰ মনত দুষ্মন্তৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰি তোলাটো স্বাভাৱিক কথা।

ওপৰত উল্লেখ কৰি অহাৰ দৰে নিজৰ পৰিচয় দিয়াৰ পিচত দুষ্মন্তই সখীয়েকহঁতৰপৰা শকুন্তলাৰ পৰিচয়ো জানিবলৈ বিচাৰিছে। শকুন্তলা আজীৱন ব্ৰহ্মচাৰী বুলি প্ৰখ্যাত কণ্বমুনিৰ কন্যা কেনেকৈ হ'ল বুলি সোধা প্ৰশ্নৰ উত্তৰত অনসূয়াই ৰাজৰ্ষি বিশ্বামিত্ৰহে শকুন্তলাৰ পিতৃ আৰু এৰি যোৱাৰ পিছত লালন-পালন কৰাৰ কাৰণেহে কণ্ব তেওঁৰ পিতা হৈছে বুলি জনালে। দুষ্যন্তই 'এৰি যোৱাৰ পিছত' বোলাৰ কাৰণে কৌতূহল উপজি সকলো কথা জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তাৰ উত্তৰত অনসূয়াই তপস্যাৰত বিশ্বমিত্ৰৰ তপোভংগ কৰিবলৈ সন্ত্ৰস্ত দেৱতাসকলে মেনকাক পঠোৱাৰ কথা কৈ তাৰ পাছৰ ঘটনাৰ এই বুলি সূচনা দিলে —"তাৰ পিছত বসন্ত ঋতুৰ আগমন-কালত সেই মেনকাৰ উন্মাদজনক ৰূপ দেখি .।" ইয়াৰ পাছৰখিনি কথা বুজা গ'ল বুলি ৰজাই শকুন্তলাক মেনকা অপ্সৰাৰ কন্যা বুলি জনাৰ কথা ক'লে। অনসূয়াৰ এই উক্তি নায়ক-নায়িকা উভয়ৰ কাৰণেই কামনা-উদ্দীপক হৈছে।

পিতৃ-মাতৃৰ পৰিচয়ৰপৰা দুষ্যন্তই শকুন্তলা তেওঁৰ বিবাহযোগ্য বুলি জানিও আৰু এটি কথা জানি নিশ্চিন্ত হ'ব খুজিছে—শকুন্তলাই সম্প্ৰদানৰ আগলৈকেহে ব্ৰহ্মচৰ্য পালন কৰিব নে, তেওঁ আজীৱন ব্ৰহ্মচাৰিণী হৈয়ে কটাব? এই প্ৰশ্নৰ উত্তৰত উপযুক্ত বৰ পালে শকুন্তলাক সম্প্ৰদান কৰিবলৈ কণ্বই সংকল্প কৰিছে বুলি অনসূয়া-প্ৰিয়ম্বদাই জনাইছে। এইবোৰ কথা কৈ অপৰিচিত অতিথিৰ আগত অপ্ৰস্তুত কৰাৰ কাৰণে কৃত্ৰিম খং দেখুৱাই শকুন্তলা তাৰপৰা গুচি যাব খোজাত অতিথি-সৎকাৰ নকৰাকৈ গুচি যাব নোৱাৰে বুলি অনসূয়াই শকুন্তলাক বাধা দিছে। প্ৰিয়ম্বদাই গছত পানী দিওঁতে ধাৰলৈ লোৱা পানী দুকলহৰ ঋণ সুজাকৈ যাবলৈ নিদি ৰাখি থৈছে। শ্ৰান্ত-ক্লান্ত শকুন্তলাক ঋণমুক্ত কৰিবলৈ নিজৰ নাম লিখা আঙঠীটো দুষ্যন্তই আগবঢ়াই দিওঁতেই অনসূয়া-প্ৰিয়ম্বদাই তেওঁৰ

প্ৰকৃত পৰিচয় জানিব পাৰিছে। তাৰ ফলত শকুন্তলাৰ মনত অপৰিচিত অতিথিৰ প্ৰতি জন্মা অনুৰাগ পৰোক্ষভাৱে পৌৰৱ-নৃপতি দুষ্যন্তৰ প্ৰতি প্ৰণয়ত পৰিণত হৈছে।

দুষ্যন্তই আঙঠীৰে ঋণমুক্তা কৰাত প্ৰিয়ম্বদাই শকুন্তলাক "তুমি এতিয়া যাব পাৰা" বুলি পৰিহাস কৰাত প্ৰিয়তমজনৰ সান্নিধ্য এৰি যাবলৈ অনিচ্ছুক শকুন্তলাই প্ৰিয়ম্বদাৰ কৰ্তৃত্ব অস্বীকাৰ কৰা ছলেৰে থাকি যাব খুজিছে "মোক পঠাই দিবলৈ অথবা ৰাখি থবলৈ তুমি কোন ?" শকুন্তলাৰ ভাৱ-ভংগীত দুষ্যন্তই তেওঁৰ প্ৰতি প্ৰীতিভাৱ জন্মাৰ পৰিচয় পাইছে। যদিও শকুন্তলাই দুষ্যন্তৰ লগত পোনে পোনে কোনো আলাপ কৰা নাই, তথাপি তেওঁ দুষ্যন্তই কথা কোৱাৰ সময়ত নিবিড় মনোযোগ দিছে। যদিও দুষ্যন্তৰ মুখামুখিকৈ শকুন্তলা ৰোৱা নাই, অন্য কোনো বস্তুতে শকুন্তলাই স্থিৰ দৃষ্টি ৰাখিবও পৰা নাই। শকুন্তলাৰ এই অনুৰাগসূচক ভাৱ-ভংগীত দুষ্যন্ত নিশ্চিত হ'ব পাৰিছে।

এইদৰে মহাকবি কালিদাসে আকৰ্ষণীয় আৰু নিপুণ কৌশলেৰে প্ৰথম দৰ্শনতে নায়ক-নায়িকাৰ প্ৰণয় অংকুৰিত হোৱাৰ উপযুক্ত পৰিৱেশ সৃষ্টি কৰিছে আৰু কম সময়ৰ ভিতৰতে সেই প্ৰণয় দৃঢ়মূল হোৱাৰ পৰিৱেশ সৃষ্টি কৰাতো মহাকবিৰ লেখনী সফল হৈছে। সেয়েহে বনৰীয়া হাতীৰ সন্ত্ৰাসত প্ৰিয়জনৰ সান্নিধ্য এৰি কুটীৰলৈ গুচি যাব লগা হোৱা শকুন্তলাই ভৰিত কুশবনে বিন্ধিছে বুলি আৰু গাৰ কাপোৰ কুৰবক গছৰ ডালত লাগি ধৰিছে বুলি একোবাৰ প্ৰীতিভাজন দুষ্যন্তলৈ ঘূৰি চাই গৈছে। ৰজাক আশ্ৰমত বিচাৰি আহি হুলস্থুলৰ সৃষ্টি কৰা অনুচৰবৰ্গক নিবৃত্ত কৰিবলৈ উদ্‌গ্ৰীৱ হৈ পৰা দুষ্যন্তৰো শৰীৰটোহে শকুন্তলাক এৰি পতাকাৰ দণ্ডডালৰ দৰে আগবাঢ়িছে ; মনটোৱে কিন্তু বতাহৰ বিপৰীত মুখে লৈ যোৱা পতাকাৰ কাপোৰখনৰ দৰে পাছলৈহে টানিছে।

কালিদাসৰ আদৰ্শ নায়ক দুষ্যন্ত

মহাকবি কালিদাসৰ বিশ্ববিশ্রুত কৃতি শকুন্তলা নাটকৰ নায়ক দুষ্যন্তক মহাকবিয়ে এক আদৰ্শ নায়কৰ ৰূপত চিত্ৰিত কৰিছে। নাট্যশাস্ত্ৰৰ বিধানমতে 'নাটক' শ্ৰেণীৰ দৃশ্যকাব্যৰ নায়কজন প্ৰখ্যাত বংশৰ ৰাজৰ্ষি প্ৰতাপী আৰু গুণৱান হ'ব লাগে। তেওঁ 'ধীৰোদাত্ত' নায়কৰ লক্ষণবিশিষ্ট হ'ব লাগে[১]। নাট্যশাস্ত্ৰৰ বিধান অনুসৰণতে কালিদাসৰ আদৰ্শ নায়ক দুষ্যন্তৰ চৰিত্ৰ ৰূপায়ণ সীমাবদ্ধ হৈ থকা নাই; এই নায়কজনক সকলো প্ৰকাৰে নিখুঁত আৰু আকৰ্ষণীয় কৰি তুলিবলৈ মহাকবিয়ে যত্নৰ ক্ৰুটী কৰা নাই।

দুষ্যন্তৰ চৰিত্ৰটো মানৱসুলভ দোষ-ক্ৰুটীৰ অতীত নহয় যদিও কালিদাসে সংঘৰ্ষৰ কষটি শিলত ঘঁহাই চৰিত্ৰটি সমুজ্জ্বল ৰত্ন কৰি তুলিছে। আশ্ৰমকন্যা শকুন্তলা আৰু ৰজা দুষ্যন্তৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰণয়েই শকুন্তলা নাটকৰ মুখ্য প্ৰতিপাদ্য বিষয় যদিও, ৰজা দুষ্যন্তৰ বহুমুখী দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি নিষ্ঠাৰ চিত্ৰও অংকন কৰি মহাকবিয়ে নায়কজনৰ সম্পূৰ্ণ ব্যক্তিত্ব ফুটাই তুলিছে। নাটকখনত দুষ্যন্ত চৰিত্ৰৰ প্ৰধানকৈ তিনিটা পক্ষ ৰূপায়িত হৈছে—প্ৰেমিক ৰূপত দুষ্যন্ত, পতিৰ ৰূপত দুষ্যন্ত আৰু ৰজাৰ ৰূপত দুষ্যন্ত। অভিজাত বংশত জন্ম গ্ৰহণ কৰা ৰাজচক্ৰৱৰ্তী দুষ্যন্তৰ দায়িত্বৰ আভাসে চৰিত্ৰটি অধিক গাম্ভীৰ্যপূৰ্ণ কৰি তুলিছে। প্ৰজা-পৰিপালনৰ দায়িত্বৰ উপৰিও ধৰ্ম-পৰিপালনৰ বাবে দুষ্যন্তৰ আশ্ৰম আৰু ঋষি-মুনিসকলৰ প্ৰতিও পালন কৰিবলগীয়া দায়িত্ব আছে। পুত্ৰৰূপে দায়িত্ব পালন কৰিবলৈ তেওঁৰ এগৰাকী মাতৃ আৰু পতিৰূপে কেইবাগৰাকীও পাটমাদৈৰ তথা

১. প্ৰখ্যাতবংশো ৰাজৰ্ষিধীৰোদাত্তঃ প্ৰতাপৱান্।
দিব্যোঽথ দিব্যাদিব্যো বা গুণৱান্ নায়কঃ মতঃ॥ [সাঃ দঃ ৬/৯]

কুটুম্ব-পৰিজনৰ দায়িত্ব পালন কৰিবলৈ আছে। এই সকলো পক্ষতে নায়ক দুষ্যন্তৰ চৰিত্ৰটি ৰূপায়িত কৰি মহাকবিয়ে তেওঁৰ আদৰ্শ নায়কজনৰ ব্যক্তিত্বৰ প্ৰতি আমাক আকৃষ্ট কৰি ৰাখিছে।

শকুন্তলা নাটকৰ প্ৰথম অংকত কেনেকৈ এটা অনুকূল পৰিবেশত উচিত মানসিক প্ৰস্তুতিৰ পাছত প্ৰথম দৃষ্টিতে ৰজা দুষ্যন্ত আৰু আশ্ৰমকন্যা শকুন্তলাৰ প্ৰণয় গঢ়ি উঠিছে, সেই বিষয়ে "শকুন্তলা নাটকত প্ৰথম দৃষ্টিতে প্ৰেম" নামৰ ৰচনাত আলোচনা কৰি অহা হৈছে। শকুন্তলা নাটকৰ দ্বিতীয় অংকত দুষ্যন্তৰ এই প্ৰণয় কেনেকৈ সুদৃঢ় হৈ পৰিছে সেই কথা বিদূষকৰ লগত হোৱা দুষ্যন্তৰ কথা-বতৰাত প্ৰকাশ পাইছে। শকুন্তলাৰ পৰা মন আঁতৰাই নিবলৈ অসমৰ্থ হৈ পৰা দুষ্যন্তক পুনৰ কণ্বৰ আশ্ৰমলৈ যোৱাৰ ছল বিচাৰোঁতেই তপস্বী কেইজনে তেওঁক ৰাক্ষসৰ উপদ্ৰৱৰপৰা আশ্ৰম ৰক্ষা কৰিবলৈ অনুৰোধ কৰিছে। এই ঘটনাটোৰ অৱতাৰণা কৰি মহাকবিয়ে দুষ্যন্তৰ চৰিত্ৰটো মৰ্যাদা-লংঘন দোষৰপৰা ৰক্ষা কৰিছে। কণ্ব-শিষ্যসকলে দুষ্যন্তক যজ্ঞ-ৰক্ষাৰ উদ্দেশ্যে আশ্ৰমলৈ আমন্ত্ৰণ কৰাৰ পিছতেই ৰাজধানীৰ পৰা ৰাজমাতৃয়ে এক ধৰ্মীয় কাৰ্য সমাপনৰ উদ্দেশ্যে মাতি পঠোৱাৰ সংবাদটো দুষ্যন্তই পাইছে।- কণ্ব-শিষ্যসকলৰ আমন্ত্ৰণ নোপোৱাহ'লে মাকৰ প্ৰতি এই দায়িত্ব পালন কৰিবলে দুষ্যন্ত ৰাজধানীলৈ ঘূৰি যাব লাগিলেহেঁতেন। এই কৌশলটোৰে মহাকবিয়ে বিদূষকক কেনেকৈ দুষ্যন্তৰ পৰা আঁতৰাই পঠাইছে সেই বিষয়ে 'শকুন্তলা নাটকত বিদূষকৰ ভূমিকা' নামৰ প্ৰবন্ধত আলোচনা কৰা হৈছে। নিজৰ প্ৰতিনিধি স্বৰূপে বিদূষকক পঠাবলৈ বাধ্য হোৱা এই পৰিস্থিতিটোৱে দুষ্যন্তক তেওঁ কেৱল শকুন্তলাৰ প্ৰতি আসক্ত হৈ কণ্বৰ আশ্ৰমত ৰৈ যোৱা নৈতিক দোষৰপৰা ৰক্ষা কৰিছে।

আশ্ৰম-বাসীসকলৰ অনুৰোধ-ক্ৰমে ৰাক্ষসবিতাৰণ কাৰ্য সমাধা কৰাৰ পিছতহে কালিদাসৰ আদৰ্শ নায়ক দুষ্যন্তই প্ৰণয়িনীৰ কথা চিন্তা কৰিবলৈ অৱকাশ পাইছে। আশ্ৰমৰ প্ৰতি কৰ্তব্য-পালন কৰাৰ পিছত যেতিয়া দুষ্যন্তৰ ব্যস্ততা নোহোৱা হৈ পৰিল, তেতিয়াহে তেওঁ প্ৰেমিকাৰ কাৰণে

উদ্বিগ্ন হৈ পৰিছে[২]। ইফালে প্ৰথম দৰ্শনতে দুষ্যন্তৰ প্ৰতি অনুৰক্তা হোৱা শকুন্তলাও বিৰহত অতিশয় কাতৰ হৈ পৰাত তেওঁক সখীয়েকহঁতে মালিনীৰ তীৰত থকা ছায়া-শীতল বেতস-কুঞ্জত শুশ্ৰূষা কৰি আছে। শকুন্তলা তাতে আছে বুলি ৰজাও সেই ঠাইত উপস্থিত হৈছে আৰু আশ্ৰমকন্যা কেইটিৰ গোপন আলাপ শুনিছে। এই দৃশ্যত মহাকৱিয়ে দুষ্যন্ত আৰু শকুন্তলাৰ পাৰস্পৰিক প্ৰণয়ৰ তীব্ৰতা ফুটাই তুলিছে। সখীয়েকহঁতে প্ৰেমিক দুষ্যন্তৰ সান্নিধ্য এৰি যোৱা শকুন্তলাৰ সংগসুখত বিভোৰ হৈ পৰাৰ সময়তো কালিদাসৰ ধীৰোদাত্ত নায়কজনে ক্ষত্ৰিয়ৰ কাৰণে অনুমোদিত গন্ধৰ্ববিবাহৰ কথা মনত পেলাইছে।

প্ৰেমৰ ক্ষেত্ৰত অনেক সতৰ্কতাৰ মূৰতো দুষ্যন্তৰ এটি ছিদ্ৰ থাকি গ'ল। মিলন-মাধুৰীত আপোন-পাহৰা হৈ তেওঁ শকুন্তলাৰ পিতৃগুৰু আৰু ৰজাৰ পৰম শ্ৰদ্ধাৰ থলী মহৰ্ষি কণ্বৰ অথবা তেওঁৰ অনুপস্থিতিত আশ্ৰম-বৃদ্ধা গৌতমীৰে আশ্ৰমকন্যাটি পত্নীৰূপে গ্ৰহণ কৰিবলৈ অনুমতি ল'ব লাগিছিল। শকুন্তলাই এই কথা সোঁৱৰাই দিয়াতো দুষ্যন্তই বহু ৰাজৰ্ষি-কন্যাৰ গন্ধৰ্ববিবাহৰ উদাহৰণ দি সেই কথা তল পেলাই থ'লে। কালিদাসে তেওঁৰ আদৰ্শ নায়কক এই স্খলনৰ কাৰণে ক্ষমা কৰা নাই। অতিথি সৎকাৰৰ দায়িত্ব-পালনত বিমুখ হোৱা শকুন্তলাৰ লগতে প্ৰণয়ৰ ক্ষেত্ৰত স্বেচ্ছা-চাৰিতাৰ পৰিচয় দিয়া দুষ্যন্তকো শাস্তি বিহিবলৈ মহাকবিয়ে দুৰ্বাসাৰ অভি-শাপৰ উদ্ভাৱনা কৰিলে। দুষ্যন্তই সামাজিকভাৱে শকুন্তলাৰ পাণিগ্ৰহণ কৰা হ'লে দুৰ্বাসাৰ অভিশাপ ফলিওৱাৰ অৱকাশেই নাছিল।

তথাপি দুৰ্বাসাৰ অভিশাপৰ ফলত দুষ্যন্ত তেওঁৰ পৰম অনুৰাগৰ পাত্ৰী আৰু সগৰ্ভা পত্নী শকুন্তলাক চিনিব নোৱাৰি প্ৰত্যাখ্যান কৰা দৃশ্য-টোতো কালিদাসৰ নায়কজনে আমাৰ সহানুভূতি হেৰুৱা নাই। শকুন্তলাৰ আঙঠিটো, মাছৰ পেটত পোৱা মাছমৰীয়াজনৰ পৰা ৰজাৰ হাতত পৰাৰ লগে

২. কনুখলু সংস্থিতে কৰ্মণি সদসোৰনুজ্ঞাতঃ খিন্নমাত্মানং বিনোদয়ামি ন চ প্ৰিয়াদৰ্শ-নাদৃতে শৰণমন্যৎ। [শকুন্তলা : ৩য় অংক]

লগে দুৰ্বাসাৰ অভিশাপৰ অন্ত পৰিল। শকুন্তলাৰ স্মৃতি ঘূৰাই পোৱাত অকাৰণতে ধৰ্মপত্নীক ত্যাগ কৰাৰ দুখে দুষ্যন্তক কেনেভাৱে আকুল কৰি তুলিছে আৰু শকুন্তলাৰ বিৰহত দুষ্যন্ত কেনেকৈ কাতৰ হৈ পৰিছে তাৰ মৰ্মস্পৰ্শী বৰ্ণনা কালিদাসে নাটকখনৰ ষষ্ঠ অংকত দাঙি ধৰিছে (এই বিষয়ে 'শকুন্তলা নাটকত সানুমতীৰ ভূমিকা' নামৰ প্ৰবন্ধত আলোচনা কৰা হ'ব)।

ষষ্ঠ অংকত এফালে যেনেকৈ শকুন্তলাৰ প্ৰতি দুষ্যন্তৰ গভীৰ প্ৰণয় অন্তৰস্পৰ্শী ৰূপত প্ৰকাশ পাইছে, সেইদৰে পতিৰূপে দুষ্যন্ত অন্য পত্নী-সকলৰ প্ৰতি কিমান সহানুভূতিশীল, সেই কথাও প্ৰকাশ পাইছে। পঞ্চম অংকত পতিৰ আদৰৰপৰা কিছুসময়ৰ কাৰণে বঞ্চিতা হৈ অন্তৰৰ করুণ আৱেদনেৰে গোৱা হংসপদিকাৰ গীতটি শুনি দুষ্যন্তৰ অন্তৰ কেনেকৈ করুণাৰে ভৰি পৰিছে, তাক 'হংসপদিকাৰ গীত' নামৰ আলোচনাত বৰ্ণনা কৰা হৈছে। পত্নীসকলৰ প্ৰতি সহানুভূতিশীল সেইজন দুষ্যন্তৰ আদৰ্শ পতিৰ চিত্ৰখনি ষষ্ঠ অংকত অধিক উজ্জ্বল হৈ প্ৰকাশ পাইছে। শকুন্তলাৰ বিৰহত দুষ্যন্তই বসন্ত উৎসৱ আৰু সকলো ৰমণীয় বস্তু ত্যাগ কৰিছে যদিও, অন্তঃপুৰৰ ৰমণীসকলক সৌজন্যপূৰ্ণ আচৰণ কৰিবলৈ তেওঁ সেই বিৰহকাতৰ অৱস্থাতো পাহৰা নাই (শকু: ৬।৫)। প্ৰমোদবনত বিদূষকৰ লগত প্ৰিয়তমা শকুন্তলাৰ প্ৰতিকৃতি চাই চাই আপোন-বিভোৰ হৈ থকাৰ সময়তো পত্নীবৎসল দুষ্যন্তই ৰাণী বসুমতীয়ে আহি দেখিলে দুখ পাব বুলি চিত্ৰখনি লুকুৱাই ৰাখিছে।

নাটকৰ সপ্তম অংকত মাৰীচৰ স্বৰ্গীয় আশ্ৰমত সুদীৰ্ঘ বিৰহ-দুখৰ অন্তত এটি সম্ভাৱনাপূৰ্ণ যোগ্য-পুত্ৰ সমন্বিতে দুষ্যন্ত-শকুন্তলাৰ মিলন ঘটিছে। এই দৃশ্যত দুষ্যন্তক এজন চঞ্চল যৌৱনৰ উদ্দাম প্ৰেমিকৰূপে নহয় বৰঞ্চ এজন দায়িত্বশীল আৰু স্নেহশীল পতিৰূপেহে ৰূপায়িত কৰা হৈছে। অজ্ঞাতসাৰে কৰা দোষৰ ক্ষমা বিচাৰি সুদীৰ্ঘকাল অনুতাপ অগ্নিয়ে পুৰি উজ্জ্বল কৰি তোলা নায়কৰত্ন দুষ্যন্তই ধৰ্মপত্নীৰ চৰণ স্পৰ্শ কৰি প্ৰাৰ্থনা

জনাইছে। এয়ে কালিদাসৰ আদৰ্শ নায়ক দুষ্মন্ত, যি এজন একাগ্ৰচেতা প্ৰেমিক হৈও পূৰ্বৰ প্ৰণয়িনী পত্নীসকলৰ প্ৰতি করুণাশীল।

প্ৰখ্যাত পুৰুবংশৰ ৰজা দুষ্মন্তক কালিদাসে তেওঁৰ আদৰ্শ নায়ক স্বৰূপে গ্ৰহণ কৰিছে। গতিকে ৰাজকীয় পক্ষটো বাদ দিলে দুষ্মন্তৰ ব্যক্তিত্ব অসম্পূৰ্ণ হৈ ৰ'ব। প্ৰেমকথাৰ নায়ক হ'লেও দুষ্মন্তৰ ৰাজসুলভ ব্যক্তিত্বয়ো আমাক সমানেই আকৃষ্ট কৰি ৰাখিছে। প্ৰথম অংকতে পুৰুবংশীয় নৃপতিৰ উদাত্ত চৰিত্ৰই আমাক মুগ্ধ কৰিছে। বৈখানসৰ একেষাৰ নিষেধ বচনতে তেওঁ বহু দূৰ খেদি নিয়া পহুটোলৈ লক্ষ্য কৰি এৰিব খোজা শৰ সংবৰণ কৰি ঋষিসকলৰ প্ৰতি শ্ৰদ্ধাৰ পৰিচয় দিছে। তেতিয়া বৈখানসে দুষ্মন্তক প্ৰশংসা কৰি কৈছে—"যাৰ জন্ম পুৰুবংশত তেওঁৰ কাৰণে এয়া যোগ্য কাৰ্যই হৈছে। তুমি যেন তোমাৰ নিচিনা গুণসম্পন্ন চক্ৰৱৰ্তী পুত্ৰ লাভ কৰিব পাৰা[৩]।"

তপস্বীসকলৰ আমন্ত্ৰণক্ৰমে প্ৰথম অংকত যেতিয়া দুষ্মন্ত কণ্বৰ আশ্ৰমলৈ গৈছে তেতিয়া আশ্ৰমৰ উপকণ্ঠতে তেওঁ ৰাজকীয় আভৰণ আৰু অস্ত্ৰ শস্ত্ৰ সাৰথিৰ হাতত এৰি গৈছে। কালিদাসৰ আদৰ্শ নায়কে জানে যে বিনীত বেশেৰেহে আশ্ৰমত প্ৰৱেশ কৰিব লাগে[৪]। আশ্ৰমকন্যাসকলৰ লগত মধুৰ আলাপ কৰি থকাৰ সময়ত দুষ্মন্তই যেতিয়া তেওঁৰ সৈন্যদল আশ্ৰমৰ ওচৰ পোৱাৰ কাৰণে আশ্ৰমপালিত পশু-পক্ষীবোৰৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হৈছে বুলি জানিবলৈ পাইছে; তেতিয়া তপোবনৰ শান্তিভংগ কৰাৰ কাৰণে তেওঁ অনুচৰসকলক ধিক্কাৰ দিছে আৰু এই কাৰ্য প্ৰতিৰোধ কৰিবৰ উদ্দেশ্যে তেওঁ পৰম আকাংক্ষিত শকুন্তলাৰ সান্নিধ্যও এৰি ততালিকে গুচি গৈছে। তপোবনৰ শান্তিভংগ যাতে নহয় তাৰ প্ৰতি একান্ত সচেতন এই দুষ্মন্তই কালিদাসৰ অন্যতম আদৰ্শনীয় ৰজা দিলীপলৈ মনত পেলায়, যি আশ্ৰমত উপদ্ৰৱ নহওক বুলি অতি সীমিত সংখ্যক অনুচৰহে লগত লৈ বশিষ্ঠৰ আশ্ৰমলৈ গৈছিল[৫]।

৩. শকু : ১/১২
৪. বিনীতবেষেণ প্ৰবেষ্টব্যানি তপোবনানি নাম।
৫. মা ভূদাশ্ৰমপীড়েতি পৰিমেয়পুৰঃসৰৌ। [ৰঘুবংশ ১/৩৭]

দ্বিতীয় অংকত বিদূষকে যেতিয়া প্ৰজাৰ উৎপন্নৰ এক ষষ্ঠাংশ কৰ বিচাৰি যোৱাৰ ছলেৰে ৰজাক আশ্ৰমলৈ যোৱাৰ পৰামৰ্শ দিছে, শকুন্তলাক পুনৰ লগ পাবৰ কাৰণে উদগ্ৰীৱ হৈ আছে যদিও, ৰজা এই প্ৰস্তাৱত সন্মত হ'ব পৰা নাই। কাৰণ পুৰুবংশীয় নৃপতি দুষ্যন্তই জানে যে অন্য প্ৰজাই নিজ উৎপাদনৰ এক ষষ্ঠাংশৰে যি ৰাজহ শোধায়, সেয়া নিতান্ত বিনাশশীল, কিন্তু আশ্ৰমবাসীসকলে তেওঁলোকৰ তপস্যাৰপৰা যি ষষ্ঠাংশ ৰজাক দিব লাগিছে, সেই সম্পদ অক্ষয়-অব্যয়[৬]। এই অংকতে দুষ্যন্তক ৰাক্ষসৰ উপদ্ৰৱৰপৰা আশ্ৰমৰক্ষাৰ অনুৰোধ কৰিবলৈ অহা কণ্বশিষ্য দুজনৰ কথা বতৰাতো দুষ্যন্তৰ প্ৰভাৱশালী ৰাজকীয় ব্যক্তিত্বৰ আভাস পোৱা যায়। প্ৰথমজনে দুষ্যন্তৰ ব্যক্তিত্বত দীপ্তিমত্তা আৰু বিশ্বসনীয়তা—এটা উগ্ৰ আৰু এটা স্নিগ্ধ, পৰস্পৰবিৰোধী এই গুণ দুটা লক্ষ্য কৰিছে। এই কাৰণেই তেওঁ ৰজা আৰু ঋষিৰ মাজত থকা সাম্য উপলব্ধি কৰিছে[৭]—ঋষিসকলে যেনেকৈ সকলোৰে আশ্ৰয়ৰ যোগ্য আশ্ৰমত বাস কৰে, সেইদৰে ৰজায়ো সৰ্বভোগ্য গাৰ্হস্থ্য আশ্ৰমত বাস কৰে। ঋষিসকলৰ দৰে ৰজায়ো প্ৰতিদিনে প্ৰজা-ৰক্ষণৰদ্বাৰা তপস্যাৰ ফল সঞ্চয় কৰে। ঋষিৰ দৰে ৰজাও আত্মসংযমী। ৰজা আৰু ঋষিৰ পাৰ্থক্য কেৱল এয়ে যে ৰজাৰ ক্ষেত্ৰত ঋষি শব্দটোৰ আগত 'ৰাজ' শব্দটোৰ থাকে (অৰ্থাত ৰজাক ৰাজৰ্ষি বোলে)।

দ্বিতীয়জন তপস্বীয়েও দুষ্যন্তৰ ৰাজসুলভ গম্ভীৰ ব্যক্তিত্বত মুগ্ধ হৈ ভাবিছে—"নগৰৰ সিংহদ্বাৰৰ অৰ্গলসদৃশ মহাবাহুসম্পন্ন এই নৃপতিয়ে যে সাগৰবেষ্টিতা সমগ্ৰ পৃথিৱী ভোগ কৰিছে, তাত বিস্মিত হোৱাৰ কাৰণ নাই। কাৰণ দৈত্যসকলৰ লগত যুদ্ধৰত হৈ দেৱসমাজে ইন্দ্ৰৰ বজ্ৰৰ লগতে এওঁৰ ধনুৰ্বাণতো বিজয়ৰ আশা ৰাখে[৮]।' এইখিনিতে দুষ্যন্তৰ প্ৰভাৱশালী

৬. যদুত্তিষ্ঠতি বৰ্ণেভ্যঃ নৃপানাং ক্ষয়ি তৎফলম্।
তপঃষড়্ভাগমক্ষয্যং দদাত্যাৰণ্যকা হি নঃ॥ *[শকুঃ ২/১৩]*

৭. শকুঃ ২/১৪

৮. ,, ২/১৫

ৰাজকীয় ব্যক্তিত্ব সম্পৰ্কে আমাৰ অন্য এটা কথাও মনলৈ আহে—প্ৰথম অংকত প্ৰথম দৃষ্টিতে অনসূয়া-প্ৰিয়ম্বদাই ধনু-শৰ আৰু ৰাজকীয় আভৰণ নোহোৱা সত্বেও দুষ্যন্তক ৰজা বুলি ধৰিব পাৰিছে[৯]। দুষ্যন্তৰ চৰিত্ৰত পূৰ্বপুৰুষৰ সদ্‌গুণৰাশি যে অক্ষুণ্ণ আছে সেই কথা আশ্ৰমৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰা দুষ্যন্তৰ প্ৰতি কৰা তপস্বী দুজনৰ এই উক্তিত প্ৰাকশ পাইছে—পুৰুবংশীয় ৰজাসকল সদায় আতুৰসকলক ৰক্ষা কৰা যজ্ঞত দীক্ষিত হৈ আহিছে, গতিকে তুমি পূৰ্বপুৰুষৰ অনুৰূপ কাৰ্যকে কৰিছা[১০]।

পঞ্চম অংকত কালিদাসে নৃপতিৰূপে দুষ্যন্তৰ চিত্ৰখন অধিক সমুজ্জ্বল কৰি দাঙি ধৰিবলৈ বিশেষভাৱে যত্নপৰ হোৱা পৰিলক্ষিত হয়। ৰাজকাৰ্য সমাধা কৰি ক্লান্ত হৈ পৰা ৰজাক কণ্বশিষ্যসকলৰ আগমনৰ সংবাদ দিবলৈ কঞ্চুকীৰ মত যোৱা নাই যদিও তেওঁ উপলব্ধি কৰিছে—প্ৰজাপালনৰ দায়িত্ব যি গ্ৰহণ কৰিছে, সেইসকলৰ বিশ্ৰামৰ অৱকাশ ক'ত? সূৰ্য্য, বায়ু আৰু শেষনাগৰ দৰে ৰজাৰো কৰ্তব্য-পালনত বিৰাম নাই[১১]। ইয়াকে স্থিৰ কৰি ৰজাক সংবাদ টি জনাবলৈ গৈ কঞ্চুকীয়ে দেখিছে—নিজ সন্তানৰ দৰে প্ৰজাক পালন কৰি দুষ্যন্তই নিৰ্জন স্থানত বিশ্ৰাম লৈছে। যেন দলৰ নেতৃত্ব কৰি ৰ'দত ভাগৰি পৰা মত্তহাতী এটিয়েহে শীতল গুহাত আশ্ৰয় লৈছে[১২]। এনেকৈ অত্যন্ত ক্লান্ত হৈ বিশ্ৰাম লোৱাৰ সময়তো কণ্বশিষ্যসকলৰ আগমনত অলপো বিৰক্ত নহৈ দুষ্যন্তই তেওঁলোকৰ সংকাৰৰ ব্যৱস্থা কৰাইছে আৰু নিজেও তেওঁলোকক দীঘলীয়া সাক্ষাৎ দান কৰিছে। সেই সময়ত অৱশ্যে তেওঁৰ এই উপলব্ধি নোহোৱাকৈ থকা নাই যে—নিজে দাঙি লোৱা ছাতিৰ

৯ প্ৰিয়ম্বদা—অনসূয়ে, কো নু খল্বেষ চতুৰ-গম্ভীৰাকৃতিঃ মধুৰং প্ৰিয়মালপন্ প্ৰভাৱৱানিব লক্ষ্যতে?
অনসূয়া—কতম আৰ্যেণ ৰাজৰ্ষিবংশঃ অলংক্ৰিয়তে। ইত্যাদি

১০. *শকুন্তলা* : ২/১৬

১১. *শকুন্তলা* : ৫/৪,

১২. ,, ৫/৫

দৰে ৰাজ্যভাৰে শ্ৰম দূৰ কৰাতকৈ শ্ৰম বেছিহে কৰে[১৩] বৈতালিক দুজনে গোৱা ৰাজ-প্ৰশস্তিতো দুষ্যন্তৰ মহানুভৱতা প্ৰকাশ পাইছে। প্ৰথম-জন বৈতালিকে কৈছে—"নিজৰ সুখৰ প্ৰতি আওকাণ কৰি তুমি সদায় প্ৰজাৰ কাৰণে ক্লেশ ভোগ কৰিছা। তোমাৰ কাৰণে এই ক্লেশভোগ নিতান্ত স্বাভাৱিক; কাৰণ গছে ৰ'দৰ উগ্ৰতাপ নিজে শিৰ পাতি লৈ আশ্ৰিতসকলক ছায়া-দান কৰে[১৪]। দ্বিতীয়জন বৈতালিকে কৈছে—"ৰাজদণ্ড হাতত লৈ তুমি বিপথে যোৱাসকলক শাসন কৰিছা। বিৱাদ নিষ্পত্তি কৰিছা আৰু প্ৰজাক পালন কৰিছা। প্ৰজাৰ জ্ঞাতি-কুটুম্বসকল সম্পদৰ সময়তহে থাকে; তুমি কিন্তু (বিপদ, সম্পদ—উভয়তে) প্ৰজাৰ প্ৰতি আত্মীয়ৰ ব্যৱহাৰ কৰিছা[১৫]।

নিজৰ দুষ্কৃতিৰ ফলত আশ্ৰমত কিবা অঘটন ঘটাৰ কাৰণে কণ্বশিষ্য-সকল আহিছে বুলি ভাবি ৰজা দুষ্যন্ত চিন্তিত হৈ পৰা কথাতো তেওঁৰ সুশাসন ধ্বনিত হৈছে। শান্তিপূৰ্ণ আশ্ৰমৰপৰা আহি ৰাজধানীৰ কোলা-হলপূৰ্ণ পৰিৱেশ পাই অস্বস্তি বোধ কৰা শাৰংগৰৱেও দুষ্যন্তৰ সুশাসনৰ শলাগ লৈ কৈছে—মৰ্যাদা লংঘন নকৰা এই নৃপতি সঁচাকৈয়ে মহান্। এওঁৰ শাসনত উচ্চ বৰ্ণৰ কথাই নাই, নিম্নতম বৰ্ণৰ লোকো বিপথে যোৱা নাই (৫।১০)। দুৰ্বাসাৰ অভিশাপৰ ফলত বিবাহিত পত্নী শকুন্তলাক পাহৰি পেলোৱাৰ কাৰণে দুষ্যন্তই কণ্বশিষ্যসকলৰ প্ৰতি দেখুৱা ব্যৱহাৰত তেওঁ-লোক ক্ষুণ্ণ হৈছে যদিও, এইখিনিতো দুষ্যন্তই আমাৰ সহানুভূতি হেৰুৱা নাই।

ষষ্ঠ অংকত ধৰ্মপত্নী শকুন্তলাক আকাৰণতে ত্যাগ কৰাৰ দুখত আৰু শকুন্তলাৰ বিৰহত কাতৰ হৈ পৰা দুষ্যন্তই মন্ত্ৰীক দিনটোৰ ৰাজকাৰ্যৰ ভাৰ অৰ্পণ কৰি প্ৰমোদবনত আশ্ৰয় লৈছে। শকুন্তলাৰ কৰুণ স্মৃতিয়ে দুষ্যন্তক

---

১৩. শকুন্তলা ৫/৬,

১৪. " ৫/৭

১৫. " ৫/৮

উন্মাদপ্রায় কৰি পেলোৱাৰ সময়তো তেওঁ ৰাজকাৰ্য পাহৰা নাই। অকাল মৃত্যু বৰণ কৰা নিঃসন্তান সদাগৰ ধনমিত্ৰৰ সম্পত্তিসমূহ ৰাজকীয় সম্পত্তিৰ অন্তৰ্ভুক্ত কৰাৰ কথা মন্ত্ৰীয়ে জনোৱাত দুষ্মন্তই সেই সম্পত্তিলৈ লোভ নকৰি সদাগৰজনৰ কোনোবা অন্তঃসত্ত্বা পত্নী আছে যদি তেওঁকে স্বামীৰ সম্পত্তি দান কৰিবলৈ নিৰ্দেশ দিছে। এই সন্দৰ্ভতে তেওঁ ঘোষণা কৰিছে যে যিসকল প্ৰজাৰ আত্মীয়-স্বজনৰ বিয়োগ ঘটিছে, পাপীলোকৰ বাহিৰে তেনে প্ৰজাৰ আত্মীয়-স্বজন হ'ব ৰজা দুষ্মন্ত নিজে। ৰজাৰ এই ঘোষণাক প্ৰজাবৃন্দই যথাসময়ত হোৱা বৃষ্টিপাতৰ দৰে স্বাগত জনাইছে।

কালিদাসে তেওঁৰ আদৰ্শ নায়কজনৰ দৈহিক সৌষ্ঠৱৰো আভাস দিছে। মৃগয়াৰ প্ৰতি প্ৰকাশ হোৱা দুষ্মন্তৰ অনুৰাগে তেওঁৰ সুস্থতা-সবলতাৰ পৰিচয় দিয়ে। তদুপৰি দ্বিতীয় অংকত সেনাপতিয়ে মৃগয়াৰ ফলত হোৱা ৰজাৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষৰ কথাও বৰ্ণনা কৰিছে (২।৪-৫)।

কালিদাসৰ নায়ক মহাভাৰতৰ দুৰ্বল নৈতিকতাৰ ৰজা দুষ্মন্ত নহয়, মহাভাৰতৰ দুষ্মন্তৰ দৰে এওঁ আশ্ৰমত অকলে পাই সুন্দৰী ঋষিকন্যাক ক্ষন্তেকীয় সংগসুখৰ প্ৰাৰ্থনা জনোৱা নাই আৰু লোক-অপৰাদৰ ভয়ত স্বইচ্ছাৰে (গান্ধৰ্ব প্ৰথাৰে হ'লেও) বিয়াহিত পত্নীক ত্যাগ কৰা চেষ্টাও কৰা নাই। কালিদাসে তেওঁৰ নায়কজনক পদে পদে নৈতিকতাবোধৰ প্ৰতি সজাগ কৰি ৰাখিছে। পঞ্চম অংকত নিজ-পত্নী বুলি চিনিব নোৱাৰা শকুন্তলাৰ ৰূপ-লাৱণ্য দেখি বিস্মিত হৈছে যদিও, 'অনিৰ্বৰ্ণনীয়ং পৰকলত্ৰম্' বুলি পৰস্ত্ৰীৰ সৌন্দৰ্যৰ বিষয়ৰপৰা তেওঁ বিৰত হৈছে। ঋষিসকলে নিজে আনি সন্মুখত আগবঢ়াই দিয়া অনিন্দ্য-সুন্দৰী আশ্ৰম-যুৱতীৰ প্ৰতি দুষ্মন্ত উদাসীন হৈ ৰ'ব পৰা দেখি প্ৰতিহাৰীয়ে কৈছে—"মহাৰাজৰ ধৰ্মৰ প্ৰতি কেনে শ্ৰদ্ধা। অনায়াসে এই ৰূপ সন্মুখত লাভ কৰি কোনেই বা ইতস্ততঃ কৰি ৰ'ব[১৬]?" সপ্তম অংকত মাৰীচৰ আশ্ৰমত দুষ্মন্তৰ মনত নিজ সন্তানৰ

১৬. অহো, ধৰ্মাপেক্ষিতা ভৰ্তুঃ। ঈদৃশং নাম সুখোপনতং ৰূপং দৃষ্ট্বা কোন্যো বিচাৰয়তি ?

স্নেহ জাগৃত কৰা পুৰুবংশীয় শিশুটিৰ পৰিচয় ল'বলগীয়া গুৰুত্বপূৰ্ণ মুহূৰ্ততো দুষ্যন্তৰ এই নৈতিকতাবোধ প্ৰকাশ পাইছে।

এইজনেই কালিদাসৰ আদৰ্শ নায়ক দুষ্যন্ত, দেৱৰাজ ইন্দ্ৰয়ো যুদ্ধত যাৰ সাহায্য প্ৰাৰ্থনা কৰিছিল আৰু যিজন ৰাজৰ্ষিৰ যশস্যামণ্ডিত শোভন-চৰিতেৰে গীত ৰচনা কৰি স্বৰ্গবাসীবৃন্দই কল্পতৰুপৰা পোৱা দিব্যবস্ত্ৰত সুৰসুন্দৰীয়ে অংগৰাগ স্বৰূপে ব্যৱহাৰ কৰা ৰঙেৰে লিপিবদ্ধ কৰিছিল (শকু: ৭।৫)। □

শকুন্তলা নাটকত বাসন্তী কুসুম আৰু গ্ৰীষ্মৰ সুপক্বফল

জাৰ্মান মহাকবি গেটেই কালিদাসৰ অনুপম কৃতি শকুন্তলা নাটকৰ প্ৰশস্তিৰে এটি কবিতা ৰচনা কৰিছিল। তাতে তেওঁ ভাৰতীয় মহাকৱিৰ এই অনন্যসাধাৰণ ৰচনাৰ বৈশিষ্ট্য বুলি ঘোষণা কৰিছিল—

বাসন্তী কুসুম আৰু গ্ৰীষ্মৰ সুপক্ক ফল
যʼত একেলগে পায
স্বৰগ-মৰত যʼত হয় একে ঠাই
হে শকুন্তলা, সেই কথা কʼবলৈ
তোমাৰেই নাম মই লʼম সতকাই।

জাৰ্মান কবিজনাৰ এই উচ্চ প্ৰশংসামূলক কবিতাটিৰ ভাৱাৰ্থ একে আষাৰতে কৈ দিয়া টান। এই আলোচনাটিত মহাকবি কালিদাসৰ এই বিশ্ববিশ্ৰুত নাটকখনিৰ নায়কজনৰ চৰিত্ৰত বসন্তৰ উচ্ছ্বাস উন্মাদনা আৰু অৱশেষত গ্ৰীষ্মকালৰ পৰিণত ফলৰ গাম্ভীৰ্য কেনেদৰে ফুটাই তুলিছে তাৰহে এটি আভাস দিব খুজিছোঁ।

নাটকখনৰ প্ৰথম অংকৰ আৰম্ভণিতে নায়ক দুষ্যন্তক অৱতাৰণা কৰা হৈছে। তেওঁক সাৰথিৰ সৈতে ৰথত উঠি এটা শৰ পহু খেদি নিয়া অৱস্থাত দেখা গৈছে। এই অংকত দুষ্যন্তৰ কাৰ্যকলাপৰপৰা তেওঁ যে যুৱাসুলভ উৎসাহ-উদ্দীপনা, কৰ্মক্ষমতাৰে ভৰা এজন যুবক তাক বুজা গৈছে। মৃগয়াৰ কাৰণে সুদূৰ হস্তিনাপুৰৰপৰা হিমালয়ৰ পাদদেশত থকা কণ্ব আশ্ৰমৰ উপকণ্ঠত উপস্থিত হোৱা আৰু প্ৰথম দৰ্শনতে আশ্ৰমযুৱতীৰ প্ৰতি অনুৰক্ত হৈ পৰাৰ পৰাই এই কথা স্পষ্টভাৱে প্ৰকাশ পাইছে।

এইজন দুষ্যন্তকে আমি নাটকৰ অন্তিম অংকত অন্য এক ৰূপত দেখিবলৈ পাইছোঁ। এইজন দুষ্যন্তই নিজৰ মনোবিনোদনৰ কাৰণে ধনুশৰ লৈ মৃগয়ালৈ যোৱা নাই; দেৱকাৰ্যসাধন কৰি ধনু-শৰৰ সাৰ্থকতাৰ গৌৰৱ

লৈ তেওঁ মৰ্ত্যমুখী হৈছে—নিজ ৰাজধানীলৈ। এইজন দুষ্যন্তৰ চৰিত্ৰত প্ৰথম অংকৰ চঞ্চল যৌৱনৰ উচ্ছলতা প্ৰকাশ পোৱা নাই; কৰ্তব্যপৰায়ণতাৰ গৌৰৱেৰে পৰিণত জীৱনৰ গাম্ভীৰ্য লৈ এইজন দুষ্যন্ত আমাৰ আগত ওলাইছেহি। প্ৰথম অংকত নায়ক দুষ্যন্তৰ ৰথ মৃগয়া-বিহাৰৰ কাৰণে পৰিচালনা কৰিছে পাৰ্থিৱ সাৰথিয়ে; সপ্তম অংকত দেৱকাৰ্যসাধনৰ গৰিমাৰে বিভূষিত দুষ্যন্তৰ দিব্যৰথ পৰিচালনা কৰিছে দেৱৰাজ ইন্দ্ৰৰ সাৰথি মাতলিয়ে।

প্ৰথম অংকত মৃগয়াবিহাৰী দুষ্যন্তক কণ্বৰ আশ্ৰমৰ বৈখানসজনে নিৰপৰাধ পহুলৈ শৰ নিক্ষেপ কৰাৰপৰা বিৰত কৰি কৈছে—"তোমালোকৰ অস্ত্ৰ আতুৰসকলক ৰক্ষাৰ কাৰণেহে, নিৰপৰাধ জীৱক প্ৰহাৰ কৰিবলৈ নহয়[১]।" সপ্তম অংকত এই বাণীৰ সাৰ্থকতা সম্পাদন কৰি দুষ্যন্তক দৈত্য নিধনৰদ্বাৰা দেৱতাৰ সন্ত্ৰাস দূৰ কৰি অহা দেখা গৈছে। প্ৰথম অংকত ডেকা ৰজা স্ব-ইচ্ছাৰে নিজ শাসনত ঋষিৰ আশ্ৰম সুব্যৱস্থাৰে চালিত হৈছে নে নাই তাক চাবলৈ যোৱা নাই; বৈখানসৰ অনুৰোধতহে তেওঁ আশ্ৰমলৈ গৈছে। বৈখানসৰপৰা কুলপতি কণ্বৰ অনুপস্থিতিৰ কথা জানিব পাৰিছে যদিও, আশ্ৰমৰ অতিথি-সৎকাৰৰ দায়িত্বত থকা ঋষিদুহিতা শকুন্তলাকো দৰ্শন কৰিবলৈ তেওঁ ইচ্ছুক হৈছে। শকুন্তলায়ো তেওঁৰ আন্তৰিক শ্ৰদ্ধা কণ্বক জানিবলৈ দিব বুলি যোৱাৰ সময়ত তেওঁ ভাবিছে যদিও, কাৰ্যতঃ বিপৰীত হোৱাহে, আমি দেখিবলৈ পালোঁ। শকুন্তলাৰ সৌন্দৰ্যত বিমুগ্ধ হৈ পৌৰৱ নৃপতিয়ে কুলপতিৰ তপস্যা আদিৰ বিষয়ে কোনো খা-খবৰেই নল'লে। প্ৰথম দৰ্শনতে শকুন্তলাৰ প্ৰণয়-পাশত আবদ্ধ হৈ তেওঁ ঋষিৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ কথাও পাহৰি পেলালে।

সপ্তম অংকত দুষ্যন্তই নিজেই কিংপুৰুষ পৰ্বতৰ কথা সোধোঁতে ইন্দ্ৰৰ সাৰথিয়ে তাত 'সুৰাসুৰ-গুৰু' কশ্যপে সপত্নীক তপস্যা আচৰি থকাৰ

---

১. আৰ্তত্ৰাণায় বঃ শস্ত্ৰং ন প্ৰহৰ্তুমনাগসি

সন্তেদ দিছে। কঠোপনিষদত[২] কোৱাৰ দৰে দুষ্যন্তৰ শৰীৰটোৱেই যেন ইয়াত ৰথ, বুদ্ধিয়েই যেন সাৰথি। প্ৰথম অংকত কণ্বৰ আশ্ৰমত প্ৰৱেশ কৰোঁতে সাৰথিয়ে দুষ্যন্তক পৰিচালনা কৰি নিয়া নাই। সেয়েহে আশ্ৰমত দুষ্যন্তৰ প্ৰমাদ ঘটিছে। সপ্তম অংকত সাৰথি মাতলিৰপৰা মাৰীচ-অদিতিয়ে তপস্যা কৰি থকা আশ্ৰমৰ কথা জানি এই দেৱতাৰ পিতৃ-মাতৃক দৰ্শন কৰিবলৈ দুষ্যন্ত ব্যগ্ৰ হৈ পৰিছে[৩]। মাৰীচে সপত্নীক তপস্যা কৰি থকাৰ কথাৰে দুষ্যন্তৰ সপত্নীক আচৰণীয় ধৰ্মৰো সূচনা দিয়া হৈছে। সেইদৰে অদিতিৰ প্ৰশ্নৰ উত্তৰত পতিব্ৰতা ধৰ্মৰ উপদেশ দিয়াৰ কথাই শকুন্তলাৰ আচৰণৰ ইংগিত দিছে। মাতলিয়ে মাৰীচৰ কঠোৰ তপস্যাৰ বৰ্ণনা দিয়াত[৪] দুষ্যন্তই সেই তপস্যাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে[৫] তাৰ পিছত মাৰীচৰ আশ্ৰমলৈ দেৱৰাজ ইন্দ্ৰৰ সাৰথি মাতলিয়ে দুষ্যন্তক আগবঢাই নিছে—যেন দৈৱিক বিচাৰ বুদ্ধিৰদ্বাৰাহে পৰিণত বয়সৰ দুষ্যন্ত পৰিচালিত হৈছে। এইদৰে দুষ্যন্ত গৈ যিথন আশ্ৰমত উপস্থিত হৈছে—সেয়া স্বৰ্গতকৈয়ো অধিক শান্তিৰ ঠাই, তাত যেন দুষ্যন্তই অমৃত-হ্ৰদতহে বুৰ দিছে[৬]।

প্ৰথম অংকত যুৱাসুলভ প্ৰবৃত্তিৰ কাৰণে নায়ক দুষ্যন্তক কণ্বৰ আশ্ৰমৰ কোনো ধৰ্মীয় অনুষ্ঠানৰ প্ৰতি আকৃষ্ট হোৱা দেখা নাই। তেওঁ আশ্ৰম-যুৱতীৰ ৰূপ-লাৱণ্য দেখিহে তন্ময় হৈ পৰিছে। ইফালে সপ্তম অংকত দুষ্যন্তৰ 'সাৰথিচালিত' মন বয়সৰ অনুৰূপ ধৰ্মীয় অনুষ্ঠানৰ প্ৰতি আকৃষ্ট হৈছে। সেয়েহে মাৰীচৰ আশ্ৰমত প্ৰৱেশ কৰিয়ে তেওঁৰ মন কঠোৰ তপস্যাৰ বিষয়ত নিবিষ্ট হৈছে। প্ৰথম অংকত 'শুদ্ধান্তদুৰ্লভ' তপস্বীকন্যাৰ ৰূপ-লাৱণ্যত বিস্মিত হোৱা দুষ্যন্ত এতিয়া বিস্মিত হৈছে—দেৱাংগনাসকলক সমুখত লৈ আৰু স্বৰ্গৰ বিলাসপূৰ্ণ পৰিৱেশতো ততোধিক শ্ৰেয়ঃ লাভৰ

---

২. আত্মানং ৰথিনং ৱিদ্ধি শৰীৰং ৰথমেৱ তু।
বুদ্ধিং তু সাৰথিং ৱিদ্ধি মনঃ প্ৰগ্ৰহমেৱ চ ॥ [*কঠোপনিষদ*]

৩. তেন হ্যনতিক্ৰমণীয়ানি শ্ৰেয়াংসি। প্ৰদক্ষিণীকৃত্য ভগৱন্তং গন্তুমিচ্ছামি।

৪. *শকুন্তলা* : ৭/১১. ৫ নমোঽস্মৈ কষ্টতপসে।

৬. অহো। স্বৰ্গাদিদমধিকতৰং নিবৃতিস্থানম্ অমৃতহ্ৰদমিৱাৱগাঢ়োঽস্মি।

অৰ্থে তপস্যাত একাগ্ৰচিত্তে মনোনিৱেশ কৰা তপস্বীসকলক দেখিছে[৭]।

প্ৰথম অংকত আশ্ৰমত প্ৰৱেশ কৰোঁতেই দক্ষিণ বাহু স্পন্দিত হৈ পত্নীলাভৰ সূচনা দিওঁতে যুৱক দুষ্যন্তই আশ্ৰমত পত্নীলাভৰ সম্ভাৱনাৰ স্থল নথকাতো 'অথৱা ভৱিতব্যানাং দ্বাৰাণি ভৱন্তি সৰ্বত্ৰ' বুলি বিশ্বাস ৰাখিব পাৰিছে। সপ্তম অংকত এই একেদৰে সোঁ বাহু কঁপাত যুৱাসুলভ উদ্দীপনাৰ অভাৱত এই বিষয়ত তেওঁ হতাশাহে প্ৰকাশ কৰিছে[৮]।

প্ৰথম অংকত আশ্ৰমত প্ৰৱেশ কৰোঁতেই যুৱক দুষ্যন্তৰ দৃষ্টি আকৰ্ষণ কৰিছে—আশ্ৰমযুৱতীৰ ৰূপ-লাৱণ্যই। সপ্তম অংকত বয়সৰ অনুকূল নিঃসন্তান দুষ্যন্তৰ মন আকৃষ্ট হৈছে ভৱিষ্যতৰ সম্ভাৱনাৰে সমুজ্জ্বল শিশুটিৰ প্ৰতিহে। প্ৰথম অংকত আশ্ৰমযুৱতী শকুন্তলাৰ পিতৃ মাতৃৰ পৰিচয় জনাৰ স্পৃহা হোৱাৰ ঠাইত, ইয়াত সেই শিশুটিৰ পিতৃ-মাতৃৰ পৰিচয় ল'বলৈ পৰিণত বয়সৰ দুষ্যন্ত ব্যগ্ৰ হৈ পৰিছে। প্ৰথম অংকত শকুন্তলাৰ পিতৃ-মাতৃৰ পৰিচয় পোৱাৰ পিছত দুষ্যন্তৰ যিপাহি প্ৰণয়-পুষ্প বিকশিত হৈ উঠিছিল, সপ্তম অংকত শিশুটিৰ পিতৃ-মাতৃৰ পৰিচয় লাভৰ পিছত সেয়েই সুপক্ক ফলত পৰিণত হৈছে। নায়ক-নায়িকাৰ প্ৰণয়-কথাৰ বৰ্ণনাতে কালিদাসে নিজৰ লেখনী সাৰ্থক মনা নাই; পুত্ৰসমন্বিত নায়ক-নায়িকাৰ মিলনতহে তেওঁৰ নাটকৰ উদ্দেশ্য পূৰণ হৈছে।

প্ৰথম অংকত যুৱা নায়ক দুষ্যন্তই শকুন্তলাৰ সাক্ষাৎ লাভতে আত্মহাৰা হৈ কুলপতিৰ অনুপস্থিতিত আশ্ৰমৰ অন্য বয়োবৃদ্ধ তাপস-তাপসীক সাক্ষাৎ কৰি আশ্ৰমৰ বিষয়ে কোনো খা-খবৰ লোৱা নাই। সপ্তম অংকত সুদীৰ্ঘ কালৰ বিৰহৰ অন্তত বহু আকাংক্ষিত সুলক্ষণসম্পন্ন পুত্ৰৰ সমন্বিতে ধৰ্মপত্নী প্ৰিয়তমা শকুন্তলাক পায়ো সেইজন দুষ্যন্তই আনন্দৰ মুহূৰ্তটিত মাৰীচক সাক্ষাৎ কৰিবলৈ ব্যগ্ৰ হৈ পৰিছে।

এইদৰে দুষ্যন্তৰ চৰিত্ৰটোত উচ্ছল বসন্তৰ উন্মাদনাৰে ভৰা সৃষ্টিমুখী মনোৰম ফুল আৰু বিৰহ ৰূপ গ্ৰীষ্মৰ প্ৰচণ্ড তাপ সহ্য কৰি পৰিণত হোৱা ফলৰ সমন্বয় ঘটিছে। □

---

৭ *শকুন্তলা* : ৭/১২ ৮. *শকুন্তলা* : ৭/১৩

মূৰ্তিমান দুহিতৃস্নেহ—কণ্বমুনি

শকুন্তলা নাটকত মহৰ্ষি কণ্ব এক প্ৰভাৱশালী চৰিত্ৰ। নাটকখনৰ একমাত্ৰ চতুৰ্থ অংকতহে কণ্বই মঞ্চত গা দেখা দিছে যদিও প্ৰথম অংকৰ পৰাই নাটকীয় কথাবস্তুৰ ওপৰত কণ্বৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পদে পদে অনুভূত হৈছে। নাটকীয় কথাবস্তুৰ সামৰণিৰ সময়তো কালিদাসে এই চৰিত্ৰটোৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰিছে।

মহাকবি কালিদাসৰ সৰ্বশ্ৰেষ্ঠ ৰচনা 'অভিজ্ঞানশকুন্তলা' নাটকৰ নায়িকা শকুন্তলা মহৰ্ষি কণ্বৰে পালিত কন্যা। প্ৰজাপতি মাৰীচৰ পুত্ৰ কশ্যপৰ বংশসম্ভূত কাৰণে কণ্বৰ গোত্ৰনাম কাশ্যপ। মালিনীনদীৰ পাৰত কুলপতি কণ্বৰ আশ্ৰম আছিল[১]। যি বিপ্ৰৰ্ষিয়ে দহ হেজাৰ মুনিক অন্নদানেৰে পালন-পোষণ কৰি অধ্যাপনা কৰিছিল, তেৱেঁই কুলপতি আখ্যালাভ কৰিছিল[২]। কণ্বক কুলপতি বোলালৈ চাই তেৱোঁ এনে প্ৰতিপত্তিশালী বিপ্ৰৰ্ষি আছিল বুলি অনুমান হয়। সেয়ে হ'লে কণ্বৰ আশ্ৰমো যে সুবিশাল আছিল সেই কথাও ধাৰণা হয়।

হিমগিৰিৰ নামনিয়েদি বৈ যোৱা মালিনী নদীৰ পাৰত থকা মহৰ্ষি কণ্বৰ ৰমণীয় আশ্ৰমৰ বৰ্ণনা মহাকবিয়ে এনেদৰে দিছে—আশ্ৰমৰ কাষেদি বৈ যোৱা মালিনী নদীৰ বালিত জোৰ পাতি পাতি ৰাজহাঁহ পৰি থাকে; মালিনীৰ দুয়োপাৰে গৌৰীপিতা হিমালয়ৰ শাখা-প্ৰশাখাবোৰ। তাত হৰিণবোৰে নিৰ্ভয়ে জিৰণি লয়। আশ্ৰমৰ বৃক্ষসমূহত ডালে ডালে তপস্বী-

১. এষ খলু কণ্বস্য কুলপতেৰনুমালিনীতীৰমাশ্ৰমো দৃশ্যতে।

২. শকুন্তলাৰ টীকাকাৰ ৰাঘৱভট্টই কুলপতি শব্দৰ ব্যাখ্যা প্ৰসংগত কৈছে—

তল্লক্ষণং পুৰাণে—মুনীনাং দশসাহস্ৰং যোঽন্নদানাদিপোষণাৎ।

অধ্যাপয়তি বিপ্ৰৰ্ষিৰসৌ কুলপতিঃ স্মৃতঃ॥

সকলৰ পৱিত্ৰ বল্কল বসন ওলমি থাকে। তাৰ তলত নিৰ্ভয় মনেৰে কৃষ্ণ-সাৰ মৃগই মৃগীৰ সৈতে জিৰণি লয় (শকু: ৬।১৭)।

পৌৰৱ নৃপতি দুষ্যন্তই মৃগয়াৰ অৰ্থে হৰিণ এটিক অনুসৰণ কৰি গৈ থাকোঁতে কণ্বৰ এই শান্ত আশ্ৰমৰ উপকণ্ঠত উপস্থিত হ'ল। তপস্বী তিনি-জনৰপৰা দুষ্যন্তই মালিনীৰ তীৰৱৰ্তী সেইখন কণ্বৰ আশ্ৰম বুলি জানিবলৈ পালে। তপস্বী কেইজনে লগতে জনালে যে সেই সময়ত কুলপতি কণ্ব আশ্ৰমত নাই। তেওঁ দুহিতৃ শকুন্তলাক অতিথি-সৎকাৰৰ ভাৰ দি তেওঁৰ প্ৰতিকূল দৈৱ শান্ত কৰিবৰ উদ্দেশ্যে সোমতীৰ্থলৈ গৈছে। মহৰ্ষিয়ে তেওঁৰ অনুপস্থিতিত সুবিশাল আশ্ৰমখনৰ অতিথি সৎকাৰৰ ভাৰ পালিতা কন্যা শকুন্তলাক অৰ্পণ কৰাৰ্লৈ চাই শকুন্তলাৰ প্ৰতি থকা তেওঁৰ অনন্য স্নেহ বিশ্বাস আৰু তেওঁৰেই সুশিক্ষা পাই শকুন্তলাই অৰ্জন কৰা যোগ্যতা অনুমান কৰিব পাৰি। প্ৰিয়ম্বদাই শকুন্তলাক ঋষিৰ 'জীৱিতসৰ্বস্ব' বোলা কথায়ো ইয়াকে প্ৰমাণ কৰে[৩]। তৃতীয় অংকৰ বিষ্কম্ভক দৃশ্যতো কণ্বশিষ্য এজনে শকুন্তলাক কণ্বৰ প্ৰাণস্বৰূপ বুলিছে। মহাভাৰতৰ আদিপৰ্বত থকা শকুন্তলাৰ উপাখ্যানতো মহৰ্ষি কণ্বৰ অনুপস্থিতিত তেওঁৰ পালিতা কন্যা এই শকুন্তলায়েই অতিথি-সৎকাৰদ্বাৰা ৰজা দুষ্যন্তক সন্তুষ্ট কৰাৰ কথা আছে।

ৰজাই আশ্ৰমত প্ৰৱেশ কৰি যেতিয়া সখীয়েৰহঁতৰ সৈতে সুকুমাৰী শকুন্তলাক আশ্ৰম-বৃক্ষত পানী দি থকা দেখিলে, কণ্বক তেওঁৰ অসাধুদৰ্শী যেন লাগিল। কাৰণ যিজনে শকুন্তলাৰ অকৃত্ৰিম সৌন্দৰ্যশালী সুকোমল তনু কঠোৰ তপস্যাৰ উপযোগী কৰিবলৈ বিচাৰিছে, নিশ্চয় তেওঁ নীলোৎ-পলৰ পাহিৰ ধাৰেৰে শমীগছৰ ডাল কাটিবলৈ অপচেষ্টা কৰিছে[৪]। দুষ্যন্তৰ

---

৩. হলা শকুন্তলা ত্বদত্রাদ্য তাতঃ সন্নিহিতোভবেৎ.. ইমংজীৱিতসৰ্বস্বেনাপ্যতিথিবিশেষং কৃতাৰ্থং কৰিষ্যতি। [শকুন্তলা : ১]

৪. ইদং কিলাব্যাজমনোহৰং ৰপুস্তপঃক্ষমং সাধয়িতুং য ইচ্ছতি।
ধ্ৰুবং স নীলোৎপলপত্ৰধাৰয়া শমীলতাং ছেত্তুমৃষিৰ্ব্যৱস্যতি॥ [শকুন্তলা : ১।১৭]

সেই সময়ত পৃথিৱী ৰঙীণ দেখাৰ বয়স। সেয়েহে আশ্ৰমকন্যাৰ দৈহিক সুকুমাৰতাত মুগ্ধ হৈ তপস্যাৰ অগ্নিয়ে নিৰন্তৰ পৰিশোধিত কৰি থকা হৃদয়ৰ প্ৰকৃত ৰত্নক চিনিব নোৱাৰি মহৰ্ষি কণ্বৰ বিষয়ে এনে বিৰূপ মন্তব্য দিছে। মহৰ্ষিয়ে এই তপস্যাৰ শিক্ষা দিয়াৰ বাবেহে শকুন্তলাই স্বামীৰ দ্বাৰা নিষ্ঠুৰভাৱে পৰিত্যক্তা হৈও মাৰীচৰ আশ্ৰমত সুদিনৰ অপেক্ষা কৰি ৰ'ব পাৰিলে।

কণ্ব-দুহিতা শকুন্তলাৰ প্ৰতি অনুৰক্ত হৈ দুষ্যন্তই প্ৰথমতে নিজ স্বাৰ্থৰ অনুকূলে তেওঁক কণ্বৰ অসৱৰ্ণভাৰ্যাসম্ভূতা বুলি কল্পনা কৰিছিল। কাৰণ ব্ৰাহ্মণ ঋষিৰ কন্যা তেতিয়াহে ক্ষত্ৰিয়ৰ বিৱাহযোগ্য হয়। পিছত সেই দুষ্যন্তয়ে অনুসূয়াক সুধিছে—"ভগৱান কাশ্যপ আজীৱন ব্ৰহ্মচাৰী বুলি শুনা যায়; তেনেহলে তোমালোকৰ এই সখীয়েৰা কেনেকৈ তেওঁৰ কন্যা হ'ল[৫]?" ইয়াত কণ্বৰ ক্ষেত্ৰত প্ৰয়োগ কৰা ভগৱান শব্দটো মন কৰিবলগীয়া। বিষ্ণুপুৰাণত ভগৱানৰ লক্ষণ এই বুলি দিয়া হৈছে—সম্পূৰ্ণ ঐশ্বৰ্য, ধৰ্ম, যশ, শ্ৰী, জ্ঞান আৰু বৈৰাগ্য—এই ছটা বস্তুৰ সমষ্টিকে ভগ বোলা হয়[৬]। সেই ভগ যাৰ আছে তেৱেঁই ভগৱান। কণ্বৰ ক্ষেত্ৰত ব্যৱহৃত ভগৱান শব্দই তেওঁৰ ব্যক্তিত্বত আলোকপাত কৰিছে। মহাভাৰততো কণ্বক ব্ৰহ্মচাৰী আৰু ভগৱান বোলা হৈছে[৭]।

অনসূয়া-প্ৰিয়ম্বদাৰপৰা দুষ্যন্তই জানিব পাৰিলে—ৰাজৰ্ষি বিশ্বামিত্ৰ আৰু অপ্সৰা মেনকাৰ আত্মজা শকুন্তলা কণ্বৰ পালিতা কন্যাহে। ধৰ্ম-আচৰণৰ ক্ষেত্ৰত শকুন্তলা পিতৃৰ অধীন। পিছে কণ্বই শকুন্তলাক চিৰদিনলৈ আশ্ৰমবাসিনী তাপসী কৰি নাৰাখি তেওঁৰ অনুৰূপ বৰ পালে প্ৰদান কৰিবলৈ সংকল্প কৰিছে।

---

৫. ভগৱান্ কাশ্যপঃ শাশ্বতে ব্ৰহ্মণি স্থিতঃ ইতিপ্ৰকাশঃ। ইয়ং চ বঃ সখী তদাত্মজেতিকথমেতৎ।

৬. ঐশ্বৰ্য্যস্য সমগ্ৰস্য ধৰ্মস্য যশসঃ শ্ৰিয়ঃ।
জ্ঞানবৈৰাগ্যয়োশ্চৈব ষণ্ণাং ভগ ইতীৰণা ॥ [বিষ্ণু ৬।৫।৭]

৭. ঊৰ্ধ্বৰেতা মহাভাগো ভগৱাঁল্লোকপূজিতঃ [আদিপৰ্ব ৭২/১৬]

ৰাজৰ্ষি বিশ্বামিত্ৰ আৰু দেৱাংগনা মেনকাৰ কন্যা অনন্য-সুন্দৰী শকুন্তলাক দূৰদৰ্শী কণ্বই নিশ্চয় কোনোবা ৰাজৰ্ষিক সমৰ্পণ কৰাৰ কথাকে ভাবিছিল। সেয়েহে তীৰ্থৰপৰ আহি যেতিয়া তেওঁ জানিব পাৰিলে, তেওঁৰ অনুমোদন নোহোৱাকৈয়ে শকুন্তলাই পৌৰৱ নৃপতি দুষ্যন্তৰ লগত গান্ধৰ্ব প্ৰথাৰে বিবাহ সম্পন্ন কৰিছে; তেতিয়াও কণ্ব অসন্তুষ্ট হোৱা নাই। লাজত তলমূৰ কৰা শকুন্তলাক বুকুত সাৱটি ধৰি মহৰ্ষিয়ে এইবুলি সন্তোষহে প্ৰকাশ কৰিলে—যজমানৰ চকু ধোঁৱাৰে আকুল হ'লেও ভাগ্যক্ৰমে তেওঁৰ আহুতি অগ্নিতে পৰিল। আইজনী, সুশিষ্যক দান কৰা বিদ্যাৰ দৰে সৎপাত্ৰত পৰা তোমাৰ কাৰণেও মোৰ দুখ হোৱা নাই[৮]।

তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত কণ্বই যেতিয়া যজ্ঞীয় অগ্নিশালাত প্ৰৱেশ কৰে, তেতিয়া এক অশৰীৰী ছন্দোময়ী বাণীয়ে তেওঁক কয়—'হে তপোধন, যেনেকৈ শমীকাঠে[৯] পৃথিৱীৰ কল্যাণৰ কাৰণে গৰ্ভত অগ্নিধাৰণ কৰে সেইদৰে তোমাৰ দুহিতায়ো জগতৰ কল্যাণৰ অৰ্থে দুষ্যন্তৰ তেজ গৰ্ভত ধাৰণ কৰিছে বুলি বুজিবা[১০]" নাটকত উল্লেখ কৰা নাই যদিও, এইটো সহজেই অনুমান কৰিব পাৰি যে—তীৰ্থৰপৰা আহি ঋষিয়ে দুষ্যন্ত তেওঁৰ আশ্ৰমলৈ অহা আৰু যজ্ঞ ৰক্ষা কৰাৰ কথা নিশ্চয় ইতিমধ্যে জানিবলৈ পাইছে; কাৰণ এই দুযোটাই গুৰুত্বপূৰ্ণ কথা। তাৰপিছত ঋষিয়ে হয়তো সগৰ্ভাৰ লক্ষণ-যুক্তা[১১] শকুন্তলাকো দেখিবলৈ পাইছে আৰু যজ্ঞশালাত সোমাওঁতেই

---

৮ দিষ্ট্যা ধূমাকুলিতদৃষ্টেৰপি যজমানস্য পাৱক এৱ আহুতিঃ পতিতা। ৱৎসে! সুশিষ্যপৰিদত্তাৱিদেৱাশোচনীয়াসি। [শকু : ৪ অঃ]

৯. প্ৰাচীন কালত শমীকাঠ দুছটা ঘঁহাই জুই জ্বলোৱা হৈছিল।

১০. দুষ্যন্তেনাহিতং তেজো দধানাং ভূতয়ে ভুৱঃ।
অৱেহি তনয়াং ব্ৰহ্মন্নগ্নিগৰ্ভাং শমীমিৱ॥ [শকু : ৪/৪]

১১. দুষ্যন্ত আশ্ৰমলৈ অহাৰ সময়ত গ্ৰীষ্মকাল আছিল আৰু কণ্ব ঘূৰি আহি শকুন্তলাক পতিগৃহলৈ পঠোৱাৰ সময়ত পদুমফুল ফুলা শৰৎকাল। গতিকে সেই সময়ত শকুন্তলা অন্তঃসত্ত্বা হোৱাৰপৰা ৬/৭ মাহ হৈছিল। তদুপৰি কণ্বই শকুন্তলাক 'তনয়মচিৰাৎ প্ৰাচীৱাৰ্কং প্ৰসূয়" (৪/১৯) বোলা কথায়ো শকুন্তলাৰ অন্তঃসত্ত্বা অৱস্থা বহুদূৰ আগবঢ়াৰে সূচনা দিয়ে।

তেওঁৰ মনত এইভাৱ খেলাইছে—শকুন্তলাই ৰাজৰ্ষি দুষ্যন্তৰে বীৰ্য ধাৰণ কৰিছে আৰু ই জগতৰ কাৰণে কল্যাণপ্ৰদ হ'ব। ঋষিৰ এই আকস্মিক উপলব্ধিকে হয়তো অশৰীৰী বাণীৰ ৰূপত সজোৱা হৈছে। প্ৰাচীন ভাৰতীয় সাহিত্যত উল্লেখ থকা 'আকাশ-বাণী'বোৰো মানুহৰ মনত আকস্মিকভাৱে হোৱা এনেকুৱা উপলব্ধি বুলিহে ধাৰণা হয়।

নিজৰ 'জীৱিতসৰ্বস্ব' স্বৰূপা শকুন্তলাৰ শুভ-বিধানত কণ্ব যে সততে তৎপৰ, শকুন্তলাৰ প্ৰতিকূল দৈৱ প্ৰশমনৰ উদ্দেশ্যে তেওঁ সোমতীৰ্থলৈ যোৱাৰ কথাই তাৰ প্ৰমাণ। এতিয়াও শকুন্তলাৰ কল্যাণৰ কাৰণেই ঋষিয়ে তেওঁক সোনকালে পতিগৃহলৈ পঠোৱাৰ ব্যৱস্থা কৰিছে। নাটকৰ অন্তিম অংকত দুষ্যন্ত-শকুন্তলাৰ পুনৰ্মিলনৰ সংবাদটি যেতিয়া অদিতিয়ে কণ্বক জনোৱাৰ কথা ভাবিছে তেতিয়া মাতলিয়ে কৈছে—"তপস্যাৰ প্ৰভাৱত তেখেতে সকলো কথা জানিছেই[১২]।" পিছে কণ্বই দুৰ্বাসাৰ অভিশাপৰ কথা কিয় নাজানিলে তাৰ কাৰণ মহাকবিয়ে দৰ্শোৱা নাই। কণ্বই এই কথা জনা হ'লে শকুন্তলাৰ বিদায়-ক্ষণত কণ্বৰ দুখ-শোকত কৃত্ৰিমতা প্ৰকাশ পালেহেঁতেন।

এক হৰ্ষমধুৰ অথচ বিয়োগ-বিধুৰ পৰিৱেশত শকুন্তলাক পতিগৃহলৈ পঠাবলৈ কণ্বৰ আশ্ৰমত উঠুলি-মুঠুলি লাগি পৰিল। স্নেহৰ নন্দিনীৰ বিদায়-ক্ষণত সংসাৰত্যাগী কণ্বও শোকত বিচলিত হৈ পৰিল। শকুন্তলা যোৱাৰ কথা ভাবি কণ্বৰ হৃদয় উৎকণ্ঠাৰে ভাৰ পৰিল। চকুৰ পানী বলেৰে বাধা দি ৰাখিবলগীয়া হোৱাত তেওঁৰ কণ্ঠ ৰুদ্ধ হ'বলৈ ধৰিলে। চিন্তাত ইন্দ্ৰিয়বোৰ অচলপ্ৰায় হৈ পৰিল। মহৰ্ষি কণ্বৰ কাৰণ তনয়াবিচ্ছেদৰ দুখ এনে দুঃসহ হৈ পৰিছে যে তেওঁ ভাবিছে—"মোৰ নিচিনা (সংসাৰ ত্যাগী) বনবাসীৰ (কন্যাৰ প্ৰতি) স্নেহবশতঃ এই বিহ্বলতা হৈছে, তেনে-

১২ তপঃপ্ৰভাৱাৎ প্ৰত্যক্ষং সৰ্বমেৱ তত্ৰভৱতঃ। (৭ম অংক)

স্থলত গৃহস্থীসকলক এই কন্যা বিৰহৰ দুখে কিমান যে কষ্ট দিব[১৩]।

এই শকুন্তলাৰ বিৰহ-দুখত অভিভূত হৈ কণ্ব গৈ উপস্থিত হৈছে, কন্যাৰ সাজেৰে সজাই-পৰাই থোৱা শকুন্তলাৰ ওচৰত। দুধাৰে চকুলো বোৱাই থকা নয়নদুটিৰে সৈতে কণ্বই যেন শকুন্তলাক আলিংগনহে কৰিছে। গৌতমীৰ কথা মতে শকুন্তলাই পিতাকক প্ৰণতি জ্ঞাপন কৰাত কণ্বই নৱ-বধূসকলৰ একান্ত কাম্য—স্বামীৰ আদৰণীয়া আৰু সৎপুত্ৰৰ জননী হ'বলৈ শকুন্তলাক আশীৰ্বাদ দিছে। তাৰপিছত ঋষিয়ে পৱিত্ৰ হোমাগ্নিক প্ৰদক্ষিণ কৰাই স্নেহৰ কন্যাক স্বামীগৃহলৈ উলিযাই পঠাইছে।

আশ্ৰমৰ গছ-লতাৰ লগত শকুন্তলাৰ কেনে মধুৰ আত্মীয়তা ঋষিয়ে সেই কথা জানে। সেয়েহে শকুন্তলাই আশ্ৰম এৰি যোৱাৰ আগমুহূৰ্তত ঋষিয়ে শোকাতুৰ কণ্ঠেৰে আশ্ৰমতৰুগণক কৈছে—"তোমালোকে পানী নোখোৱালৈকে, এটুপি পানীও যি মুখত নিদিছিল, যি ফুলপাতেৰে নিজকে সজাই ভাল পায় যদিও তোমালোকৰ মৰমত এটি কুঁহিপাতো নিছিঙিছিল, তোমালোকৰ প্ৰথম ফুল ফুলাৰ সময়ত যি উৎসৱৰ আনন্দ লাভ কৰিছিল, সেই শকুন্তলা আজি পতিগৃহলৈ যাবলৈ ওলাইছে, তোমালোকে তেওঁক যাবলৈ অনুমতি দিয়া[১৪]।"

শকুন্তলাই তেওঁৰ অতি আদৰৰ বনজ্যোৎস্না লতাজুপিৰপৰা বিদায় ল'বলৈ যোৱাৰ সময়ত কণ্বই তেওঁৰ আদৰণীয়া কন্যা শকুন্তলা সৎপাত্ৰত সঙ্গতা হোৱাৰ কাৰণে আকৌ সন্তোষভাৱ প্ৰকাশ কৰিছে। শকুন্তলাই

---

১৩ যাস্যত্যদ্য শকুন্তলেতি হৃদয়ংসংস্পৃষ্টমুৎকণ্ঠয়া।
কণ্ঠঃ স্তম্ভিতবাষ্পবৃত্তিকলুষশ্চিন্তাজড়ং দৰ্শনম্॥
বৈক্লব্যং মম তাৱদীদৃশমিদং স্নেহাদাৰণ্যৌকসঃ।
পীড্যন্তে গৃহিণঃ কথংনু তনয়াৱিশ্লেষদুঃখৈৰ্নবৈঃ॥ [শকু : ৪/৬]

১৪. পাতুং ন প্ৰথমং ব্যৱস্যতি জলং যুষ্মাস্বপীতেষু যা।
নাদত্তে প্ৰিয়মণ্ডনাপি ভৱতাং স্নেহেন যা পল্লৱম্॥
আদ্যে বঃ কুসুমপ্ৰসূতিসময়ে যস্যা ভৱত্যুৎসৱঃ।
সেয়ং যাতি শকুন্তলা পতিগৃহং সৰ্বৈৰনুজ্ঞায়তাম্॥ [শকু : ৪/৯]

বনজ্যোৎস্না নাম দিয়া সেই নৱমল্লিকা লতাজুপি আমগছত সংগতা হোৱাৰ দৰে শকুন্তলাও উপযুক্ত স্বামীৰ সংগতা হোৱাত দুয়োৰে কাৰণে এতিয়া ঋষি নিশ্চিন্ত হ'ল। শকুন্তলাই লালন-পালন কৰি ডাঙৰ কৰা মাতৃহীন হৰিণা পোৱালিটিয়ে যেতিয়া শকুন্তলাৰ কাপোৰত ধৰি টানিছে, শোক এৰি থৈ যোৱাৰ দুখত শকুন্তলাৰ শোক উথলি উঠিছে। তেতিয়া ক'ৰবাত উজুটি খাব বুলি দুহিতৃবৎসল কণ্বই শকুন্তলাক চকুলো মচি ল'বলৈ কৈছে।

কিন্তু দূৰলৈকে শকুন্তলা আৰু তেওঁৰ সহযাত্ৰীসকলক আগবঢ়াই থৈ এৰি অহাৰ সময়ত মহৰ্ষি কণ্বই এটি সুচিন্তিত মৰ্যাদাসম্পন্ন আৰু ব্যৱহাৰিক বাণী দুষ্যন্তলৈ প্ৰেৰণ কৰিছে—"তপস্যাই যাৰ একমাত্ৰ ধন সেই আমাৰ প্ৰতি সুবিচাৰ কৰি আৰু তোমাৰ নিজৰ উচ্চ কুলৰ কথা মনত ৰাখি তোমাৰ প্ৰতি আত্মীয়সকলে নিশিকোৱাকৈয়ে যাৰ অনুৰাগ জন্মিছে, সেই শকুন্তলাক তুমি যেন তোমাৰ অন্য পত্নীসকলৰ সৈতে সমান চকুৰে চোৱা। ইয়াৰ পাছৰখিনি কথা ভাগ্যৰ ওপৰতহে নিৰ্ভৰ কৰে। সেই কথা কন্যাৰ আত্মীয় স্বজনে কোৱা উচিত নহয়[১৫]।"

সংসাৰত্যাগী হ'লেও কণ্বই সংসাৰযাত্ৰাৰ বিষয়ে ভালকৈ জানে; কাৰণ জ্ঞানীসকলৰ জ্ঞানৰ অগোচৰ একো নাই।* সেয়েহে শকুন্তলাৰ সৰ্বাংগীন কল্যাণৰ চিন্তা কৰা কণ্বই আশ্ৰমৰ জীৱন-যাত্ৰা এৰি গৃহিণীৰ দায়িত্ব ল'বলৈ আগবঢ়া স্নেহৰ দুহিতৃক কৰ্তব্যৰ শিকনি দি কৈছে—"মান্যৱন্তসকলক তুমি সেৱা-শুশ্ৰূষা কৰিবা। সপত্নীসকলক প্ৰিয় সখীৰ দৰে ব্যৱহাৰ কৰিবা। যদি কেতিয়াবা স্বামী তোমাৰ ওপৰত অসন্তুষ্ট হয়, তুমি খঙত তেওঁৰ বিৰোধ আচৰণ নকৰিবা। পৰিজনসকলৰ প্ৰতি সদয় ব্যৱহাৰ কৰিবা; নিজৰ সৌভাগ্যৰ বাবে গৰ্বিতা নহ'বা। এনেদৰে চলা

১৫. অস্মান্ সাধু বিচিন্ত্য সংযমধনানুচ্চৈঃ কুলঞ্চাত্মন-
স্ত্বয়্যস্যাঃ কথমপ্যবান্ধৱকৃতাং স্নেহপ্ৰবৃত্তিংচ তাম্।
সামান্যপ্ৰতিপত্তিপূৰ্বকমিয়ং দাৰেষু দৃশ্যা ত্বয়া
ভাগ্যায়ত্তমতঃ পৰং ন খলু তদ্বাচ্যং বধুবন্ধুভিঃ॥ [শকু : ৪/১৭]

* ন খলু কৃচিদৱিষয়ো নাম ধীমতাম্। (চতুৰ্থ অংকত শাৰ্ঙ্গৰৱৰ উক্তি)

ছোৱালীয়েই গৃহিণীৰ পদবী লাভ কৰিব পাৰে ; সেয়ে নহ'লে তেওঁলোক স্বামীকুলৰ মানসিক যন্ত্রণাস্বৰূপ হৈ পৰে।"[১৬] এখন নতুন ঘৰৰ গৃহিণীৰ দায়িত্ব ল'বলৈ আগ বঢ়া কন্যাৰ প্রতি অভিজ্ঞ আৰু দূৰদর্শী পিতৃৰ এয়া যোগ্য উপদেশ। নাৰীৰ ওপৰতে এখন ঘৰৰ তথা সমাজৰ শান্তি-শৃংখলা ৰক্ষাৰ দায়িত্ব ন্যস্ত থাকে। গৃহস্থালিৰ দায়িত্ব আৰু কর্তব্য পালন কৰিয়েই নাৰীয়ে সামাজিক প্রগতিত বৰঙণি যোগায়। সেয়েহে জগতৰ কল্যাণকামী মহর্ষি এজনৰ মুখত মহাকবিয়ে তেওঁৰ পালিতা কন্যাৰ প্রতি দিয়া উপদেশৰ ছলেৰে ভাৰতীয় নাৰীৰ চিৰন্তন কর্তব্য আৰু দায়িত্বৰ কথা প্রকাশ কৰিছে।

যাবৰ পৰত যেতিয়া শকুন্তলাই পিতাকক সাৱটি মাৰি এইবুলি ক'লে— 'পিতাৰ কোলাৰপৰা খহি গৈ মলয় পৰ্বতৰপৰা উঘলি পৰা চন্দন গছৰ দৰে মই কেনেকৈ জীৱন ধাৰণ কৰিম।"— তেতিয়া কণ্বই শকুন্তলাক তেওঁৰ পাৰিবাৰিক ব্যস্ততাৰ মধুৰ চিত্ৰ এখনি দাঙি ধৰি সান্ত্বনা দিছে—"আইজনী, কাতৰ নহ'বা। তুমি অভিজাত স্বামীৰ প্রশংসনীয় গৃহিণীপদত অধিষ্ঠিত হৈ তেওঁৰ অতুল বিভৱৰ কাৰণে গধুৰ দায়িত্ব পালন কৰাত অনবৰতে ব্যস্ত থাকিবা আৰু পূব দিশে সূৰ্যক জন্ম দিয়াৰ দৰে তুমিও অচিৰে এটি পবিত্র পুত্রসন্তান জন্ম দি মোৰ বিচ্ছেদৰ কথা ভাবিবলৈকে অৱকাশ নাপাবা।"[১৭] সঁচাকৈয়ে পিতৃ-মাতৃয়ে কন্যাৰ এই পাৰিবাৰিক মধুৰ ব্যস্ততা দেখি বা কল্পনা কৰি সন্তোষ পায়। পালিতা কন্যা হ'লেও শকুন্তলাৰ তেনে এখনি ব্যস্ততাপূর্ণ সংসাৰৰ কল্পনা কৰি কণ্বযো সুখ অনুভৱ কৰিছে।

শেষলৈকে শকুন্তলাই আশ্রমৰ মমতা এৰিব নোৱাৰি পিতাকক "মই

---

১৬ শুশ্রূষস্ব গুৰূন্ কুৰু প্রিয়সখীবৃত্তিং সপত্নীজনে
ভর্তুৰ্বিপ্রকৃতাপি ৰোষণতয়া মা স্ম প্রতীপং গমঃ।
ভূয়িষ্ঠং ভৱ দক্ষিণা পৰিজনে ভাগ্যেষ্বনুৎসেকিনী
যান্ত্যেৱং গৃহিণীপদং যুৱতয়ো ৱামাঃ কুলস্যাধয়ঃ ॥ (৪/১৮)

১৭. অভিজনৱতো ভর্তুঃ শ্লাঘ্যে স্থিতা গৃহিণীপদে
ৱিভৱগুৰুভিঃ কৃত্যৈস্তস্য প্রতিক্ষণমাকুলা।
তনয়মচিৰাৎ প্রাচীৱার্কং প্রসূয় চ পাৱনং
মম ৱিৰহজাং ন ত্বং ৱৎসে শুচং গণয়িষ্যসি ॥ (৪/১৯)

কেতিয়া আকৌ তপোবন দেখিবলৈ পাম" বুলি সোধোঁতে কণ্বই নিতান্ত ব্যৱহাৰিক উত্তৰ দি'ছে—"সুদীৰ্ঘ কাল চতুঃসমুদ্ৰবেষ্টিতা ধৰিত্ৰীৰ সপত্নী হৈ থকাৰ পিছত দুষ্মন্তৰপৰা জন্ম হোৱা তোমাৰ অপ্ৰতিদ্বন্দ্বী পুত্ৰক সিংহাসনত বহুৱাই তোমাৰ স্বামীয়ে সকলো দায়িত্ব তেওঁকে সমৰ্পণ কৰি তোমাক লৈ এই শান্তিপূৰ্ণ আশ্ৰমত বাস কৰিবহি (শকু ৪।২০) " কালিদাসৰ আদৰ্শ ৰজাসকলে এইদৰে জীৱনৰ অন্তিমকালত বানপ্ৰস্থ গ্ৰহণ কৰে।

অৱশেষত শকুন্তলাই যেতিয়া পিতাকক আলিংগন কৰি বিদায় মাগিছে কণ্বই হুমুনিয়া কাঢ়ি কৈছে—"আই ! কুটীৰৰ দুৱাৰমুখত তুমি আগবঢোৱা পূজাৰ নীৱাৰ ধানবোৰৰ গজালি দেখি মই কেনেকৈ শোক সামৰিম ?" সংসাৰত্যাগী মহৰ্ষি কণ্বৰ এই আচৰণত বিশ্বজনীন কন্যাদাতা পিতৃৰ মনোব্যথা প্ৰকাশ পাইছে। তাৰপিছত কণ্বই "তোমাৰ পথ মংগলময় হওক" বুলি আশীৰ্বাদ দি শকুন্তলাক বিদায় দিছে।

চাওঁতে চাওঁতে শকুন্তলা চকুৰ আঁতৰ হৈ গ'ল। অনসূয়া-প্ৰিয়ম্বদাই হিয়াধুনি কন্দা দেখি শোকাতুৰ কণ্বই তেওঁলোকক সান্ত্বনা দি ক'লে—"তোমালোকৰ চেনেহী সখী শকুন্তলা গ'লগৈ। দুখ নকৰিবা। ঘৰলৈ যাওঁ ব'লাইক।" এই করুণ বিদায়ৰ পিছত কণ্বই বিবাহযোগ্য কন্যাক স্বামীৰ গৃহলৈ পঠোৱাৰ দায়িত্ব শেষ কৰি আনন্দ লাভ কৰিছে। সংসাৰ-ত্যাগী হৈও মহৰ্ষি কণ্বই গৃহস্থী পিতৃৰ দৰে কন্যাৰ প্ৰতি সমস্ত কৰ্তব্য শেষ কৰি এই বুলি স্বস্তিৰ নিশ্বাস এৰিছে—"কন্যা সঁচাকৈয়ে পৰৰ ধনৰ নিচিনা। পৰৰ ধন গৰাকীক শোধাই আনন্দ পোৱাৰ দৰে ময়ো আজি কন্যাক স্বামীৰ কাষলৈ পঠাই দি পৰম সন্তোষ লাভ কৰিছো।"[১৮]

নাটকৰ অন্তিম অংকত দুষ্মন্ত শকুন্তলাৰ পুনৰ্মিলনৰ সুসংবাদটি দুহিতৃবৎসল কণ্বক দিবৰ কাৰণে অদিতিয়ে ব্যৱস্থা কৰিছে। এইদৰে মহাকবিয়ে স্নেহশীল পিতৃৰ ৰূপত ব্ৰহ্মচাৰী ঋষি কণ্বক শকুন্তলা নাটকত নিবিড়ভাৱে জড়িত কৰি ৰাখিছে।

---

১৮. অৰ্থো হি কন্যা পৰকীয় এৱ তামদ্য সংপ্ৰেষ্য পৰিগ্ৰহীতুঃ।
জাতো মমায়ং বিশদং প্ৰকামং প্ৰত্যৰ্পিতন্যাস ইৱান্তৰাত্মা ॥ (৪/২২)

অনসূয়া আৰু প্ৰিয়ম্বদা

মহাকবি কালিদাসৰ সৃজনী শক্তিপ্ৰসূতা কন্যা অনসূয়া আৰু প্ৰিয়ম্বদাই শকুন্তলা নাটকত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। এই নাটকখনিৰ কথাবস্তু মহাভাৰতৰপৰা গ্ৰহণ কৰা হৈছে, যদিও কালিদাসে কাব্যিক আৰু আদৰ্শগত উদ্দেশ্য-সাধনৰ কাৰণে তাত অনেক নতুন বস্তু সংযোজনা কৰিছে। তাৰ ভিতৰত অনসূয়া প্ৰিয়ম্বদাৰ চৰিত্ৰ উল্লেখযোগ্য।

শকুন্তলাৰ লগে-গলে লগা এই দুই সখীৰ বয়স আৰু সৌন্দৰ্যও শকুন্তলাৰে সমতুল্য।[১] সেয়েহে প্ৰথম দৰ্শনতে দুষ্যন্তই তিনিওটি আশ্ৰম-কন্যাৰে সৌন্দৰ্য নিৰ্বিশেষ ৰূপত দেখিছে।[২] আশ্ৰমযুৱতী তিনিগৰাকীৰ অযত্নপালিত সৌন্দৰ্যৰ ৰমণীয়তা দেখি ৰজাৰ মনত অন্তঃপুৰৰ ৰমণীসকলৰ সৌন্দৰ্য ম্লানপৰা যেন লাগিছে (শকু, ১।১৬)। প্ৰকৃতিৰ মনোৰম পৰিৱেশত ডাঙৰ-দীঘল হোৱা আশ্ৰমকন্যা কেইটিৰ কথা-বতৰাৰ মাজেদি তেওঁলোকৰ প্ৰকৃতিৰ লগত থকা নিবিড় আত্মীয়তা প্ৰকাশ পাইছে। প্ৰিয়ম্বদাৰ কথাবোৰ নামটোৰ লগত মিলি থকাকৈ শুনি ভাল লগা।[৩]

ৰূপ আৰু বয়সত সমান হ'লেও অনসূয়াতকৈ প্ৰিয়ম্বদা যে বুদ্ধিমতী, তাৰ পৰিচয় পদে পদে পোৱা যায়। আশ্ৰমৰ শান্ত পৰিৱেশত ডাঙৰ-দীঘল হ'লেও প্ৰিয়ম্বদাৰ চকুত শকুন্তলাৰ গাভৰু মনৰ কল্পনাবোৰ ধৰা নপৰাকৈ থকা নাই। সেয়েহে তেওঁ অনসূয়াক কৈছে—"সখী, শকুন্তলাই বনজ্যোৎস্না লতাজোপা কিয় ইমান আদৰ কৰে জানা নে?" অনসূয়াই সখীয়েকৰ এই প্ৰশ্নৰ উত্তৰ বিচাৰি নোপোৱাত প্ৰিয়ম্বদাই কৈ পেলাইছে—

---

১. ৰাজা অহো! সমানবয়োৰূপ-ৰমণীয়ং ভৱতীনাং সৌহাৰ্দ্যম্ [১ম অংক]

২. " অহো! মধুৰমাসাং দৰ্শনং। [১ম অংক]

৩. শকু :... অতঃখলু প্ৰিয়ম্বদাসি ত্বম্।

"শকুন্তলাই ভাবে—এই লতাজোপাই আশ্ৰয় ল'বলৈ এজোপা উপযুক্ত গছ পাইছে,ময়ো যেন মোৰ অনুৰূপ বৰ লাভ কৰোঁ।" এইদৰে নানা পৰিহাস কৰি তিনিওটি আশ্ৰমযুৱতীয়ে আশ্ৰমৰ গছপুলিত পানী দি থাকোঁতেই গছৰ আঁৰত লুকাই থকা দুষ্যন্ত তেওঁলোকক দেখি মুগ্ধ হৈছে।

শকুন্তলাক ভোমোৰা এটাই মুখৰ আগত উৰিবলৈ ধৰি বিয়াকুল কৰি তোলাত তেওঁ আতুৰভাৱে চিঞৰি উঠিল—"সখী এই দুষ্ট ভোমোৰাটোৰ-পৰা মোক ৰক্ষা কৰা।" পৰিহাসপ্ৰিয় সখীয়েকহঁতে ধেমালীতে কৈ দিলে—"তোমাক ৰক্ষা কৰিবলৈ আমি কোন? ৰজা দুষ্যন্তক মাতা। ৰজাইহে তপোবন ৰক্ষা কৰে।" অতপৰে মনে মনে আশ্ৰমকন্যা তিনিওটিৰ কথা-বতৰা শুনি থকা দুষ্যন্তই তেতিয়া গা দেখা দিবলৈ উত্তম সুযোগ পালে।

মহাভাৰতত থকা শকুন্তলাৰ আখ্যানমতে কণ্বৰ আশ্ৰমত উপস্থিত হৈ দুষ্যন্তই শকুন্তলাৰ লগত অকুণ্ঠ ভাৱে কথা-বতৰা হৈছে শকুন্তলাৰ পিতৃ মাতৃৰ পৰিচয় সুধিছে আৰু শকুন্তলালৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়াইছে। শকুন্তলায়ো কোনো কুণ্ঠাবোধ নকৰাকৈ তেওঁৰ ভৱিষ্যৎসন্তানৰ কাৰণে সিংহাসনৰ উত্তৰাধিকাৰৰ প্ৰতিশ্ৰুতি আদায় কৰি দুষ্যন্তৰ লগত বিবাহ-পাশত আবদ্ধ হৈছে।[৪] মহাভাৰতৰ এই বৈচিত্ৰ্যহীন কাহিনীত জীৱনৰ ব্যৱহাৰিকতা থাকিলেও প্ৰণয়ৰ সুকুমাৰতাৰ অভাৱ। ইযাত শকুন্তলাৰ স্পষ্টৱাদিতাই প্ৰেমিকাৰ কমনীয়তা নিঃশেষ কৰিছে।

শকুন্তলা নাটকত মহাকবিয়ে প্ৰেমিকা নায়িকাৰ কমনীয়তা অটুট ৰাখিবলৈ শকুন্তলাৰ বিবাহৰ ক্ষেত্ৰত অনসূয়া-প্ৰিয়ম্বদাৰদ্বাৰা আকৰ্ষণীয় ৰূপত মধ্যস্থতা কৰাইছে। মহাভাৰতত শকুন্তলাক পোনে পোনে দুষ্যন্তই সোধা কথাখিনি ইয়াত অনসূয়া-প্ৰিয়ম্বদাক সুধিছে। সেইখিনিৰ যথাযথ উত্তৰ দিয়াৰ উপৰিও এওঁলোকে তৃতীয় অংকত দুষ্যন্ত-শকুন্তলাৰ মিলনৰ আগমুহূৰ্তত মনোৰম কৌশলেৰে দুষ্যন্তৰ লগত শকুন্তলাৰ ভৱিষ্যৎ

৪ আদিপৰ্ব, ৭১-৭২ অধ্যায়

নিৰাপত্তাৰ দৃঢ় ব্যৱস্থা কৰি লৈছে।[৫] অনসূয়া-প্ৰিয়ম্বদাৰ পৰিহাসপূৰ্ণ কথা-বতৰাই দুষ্যন্ত-শকুন্তলাৰ মনত প্ৰথম দৰ্শনতে ওপজা অনুৰাগ সুদৃঢ় কৰিছে। তৃতীয় অংকত ঘটা দুষ্যন্ত-শকুন্তলাৰ মিলনৰ উদ্দেশ্যে এই সখী দুগৰাকীয়ে নিঃস্বাৰ্থভাৱে প্ৰথম অংকৰপৰা সেন্দূৰীয়া আলি বান্ধি নিছে। এওঁলোকৰ লগত আলাপ-পৰিচয় হোৱাৰ পিছত বিশেষ কাৰ্যবশতঃ গুচি যাবলগীয়া হোৱা দুষ্যন্তক পুনৰ আশ্ৰমলৈ আমন্ত্ৰণ কৰাটো[৬] এই ক্ষেত্ৰত অন্যতম পদক্ষেপ।

তৃতীয় অংকত মদন-সন্তপ্তা শকুন্তলাৰ সন্তাপ প্ৰশমনৰ কাৰণে অনসূয়া-প্ৰিয়ম্বদা আকুল হৈ পৰিছে। তেওঁলোকে শকুন্তলাক এই সময়ত অতি যত্নেৰে পৰিচৰ্যা কৰিছে আৰু সহানুভূতিৰে সৈতে শকুন্তলাৰ যৌৱনসুলভ অভিলাষৰ মূল বিচাৰি উলিয়াই, সেই অভিলাষ পূৰণৰ চেষ্টাত প্ৰবৃত্ত হৈছে। সৎপাত্ৰত অভিলাষ হোৱাৰ কাৰণে তেওঁলোকে শকুন্তলাক অভিনন্দন জনাইছে আৰু অভিলষিতজনক লাভ কৰিবৰ উদ্দেশ্যে তেওঁলোকে শকুন্তলাক হৃদয়ৰ গোপন-সংবাদ জনাই নলিনী পত্ৰত এখনি প্ৰেমপত্ৰ লিখিবলৈ কৈছে। এই পত্ৰখনি ৰজা দুষ্যন্তৰ হাতত পেলাবৰ কাৰণে বুদ্ধিমতী প্ৰিয়ম্বদাই এটি অতি সুকুমাৰ কৌশল ভাবি উলিয়াইছে। সুকোমল নলিনীপত্ৰত লিখা শকুন্তলাৰ প্ৰেমপত্ৰখন প্ৰিয়ম্বদাই ফুলৰ মাজত লুকুৱাই দেৱতাৰ নিৰ্মালি বুলি শকুন্তলাৰ প্ৰণয়ভাজন দুষ্যন্তলৈ পঠোৱাৰ পৰামৰ্শ দিছে। তেওঁৰ এই সুকুমাৰ কৌশলক অনসূয়াই হৃষ্টচিত্তে স্বাগত জনাইছে।

মাধৱী-মণ্ডপত শকুন্তলাক পৰিচৰ্যা কৰি থকা সখীয়েকহঁতৰ কথাবতৰাৰ যোগেদি গোপনে তেওঁলোকৰ সকলো কথা শুনি থকা ৰজা দুষ্যন্তই

---

৫ অনসূয়া—ৱয়স্য, বহুৱল্লভা ৰাজানঃ শ্ৰূয়ন্তে। যথা নৌ প্ৰিয়সখী বন্ধুজনশোচনীয়া ন ভৱতি তথা নিৰ্বাহয়।

৬ আৰ্য, অসম্ভাৱিতাতিথিসৎকাৰং ভূয়োঽপি প্ৰেক্ষণনিমিত্তং লজ্জামহে আৰ্যং ৱিজ্ঞাপয়িতুম্।

তেওঁৰ প্ৰতি শকুন্তলাৰ অভিলাষ জন্মাৰ কথা প্ৰত্যক্ষ জানিব পাৰিছে। শকুন্তলাৰ প্ৰতি একান্ত সহানুভূতিশীলা এই সখীয়েক দুগৰাকীৰ ওপৰত বিশ্বাস ৰাখিয়েই হয়তো দুষ্যন্তই, অপমানিতা হোৱাৰ ভয়ত শকুন্তলাই প্ৰেমপত্ৰ পঠাবলৈ কুণ্ঠাপ্ৰকাশ কৰাৰ সময়তো, তেওঁলোকৰ আগত দেখা দিব পাৰিছে আৰু তাৰপাছত শকুন্তলাৰ প্ৰতি তেওঁৰ দৃঢ়মূল অনুৰাগ প্ৰকাশ কৰিছে। তেতিয়া প্ৰিয়ম্বদাই ৰজাক এই প্ৰাৰ্থনা জনাইছে—"আপোনালোক দুয়োজনেৰে পাৰস্পৰিক অনুৰাগ স্পষ্ট হৈ প্ৰকাশ পাইছে। তেনেস্থলত মই সখীৰ মৰমতহে সেই কথাৰ পুনৰুক্তি কৰিব খুজিছোঁ। আমাৰ এই প্ৰিয় সখীক কামদেৱে আপোনাক উপলক্ষ্য কৰিয়েই এই অৱস্থাত পেলাইছে। গতিকে আপুনি অনুগ্ৰহ কৰি সখীৰ জীৱন ৰক্ষা কৰিব লাগে[৭]। প্ৰিয়ম্বদাৰ এই প্ৰস্তাৱ ৰজাই অনুগ্ৰহ বুলি গ্ৰহণ কৰিলে।

অনসূয়া-প্ৰিয়ম্বদাই শকুন্তলাক যে কেৱল প্ৰেমৰ ক্ষেত্ৰতেই নিঃস্বাৰ্থ সহায় কৰিছে এনে নহয়, মিলনৰ আগমুহূৰ্তত ৰজাৰপৰা শকুন্তলাৰ ভৱিষৎ নিৰাপত্তাৰ প্ৰতিশ্ৰুতি লৈ এই সখী দুগৰাকীয়ে অভিভাৱকৰ দায়িত্বও পালন কৰিছে। এই দায়িত্ব পালন কৰাৰ পিছতহে তেওঁলোকে প্ৰণয়িযুগলক নিৰ্জনতাৰ আনন্দ উপভোগ কৰিবলৈ এৰি গৈছে। আশ্ৰমবৃদ্ধা গৌতমী যেতিয়া শকুন্তলাৰ শাৰীৰিক অৱস্থাৰ খবৰ ল'বলৈ মাধৱীমণ্ডপলৈ গৈছে, নেপথ্যৰপৰা তেতিয়া সখী দুগৰাকীয়ে শকুন্তলাক তাৰ সংকেত দিছে—"হে চক্ৰবাকপ্ৰিয়া, প্ৰিয়জনৰপৰা বিদায় লোৱাঁ, এয়া ৰজনী আহি উপস্থিত হৈছে।"

শকুন্তলাক গান্ধৰ্বপ্ৰথাৰে বিয়া কৰাই, আশ্ৰমৰ যজ্ঞ সমাধা হোৱাৰ পিছত ৰজা দুষ্যন্ত হস্তিনাপুৰলৈ ঘূৰি গ'ল। সখী দুগৰাকী আকৌ

---

৭. দ্বয়োৰপি যুৱয়োৰন্যোন্যানুৰাগঃ প্ৰত্যক্ষঃ। সখীস্নেহ; পুনৰ্মাং পুনৰুক্তিৱাদিনীং কৰোতি। ইয়মাৱয়োঃ প্ৰিয়সখী ত্বামুদ্দিশ্যেদমৱস্থান্তৰং ভগৱতা মদনেনাৰোপিতা। তদৰ্হস্যভ্যুপপত্ত্যা জীৱিতমস্যা অৱলম্বিতুম্।

শকুন্তলাৰ কাৰণে চিন্তিত হৈ পৰিল। অন্তঃপুৰত প্ৰৱেশ কৰাৰ পিছত ৰজাইবা শকুন্তলাক মনত পেলায় নে নেপেলায়, অনসূয়াই এই চিন্তাৰ কথা ব্যক্ত কৰাত প্ৰিয়ম্বদাই তাতোকৈ অন্য এক চিন্তাত পৰাৰ কথা জনাইছে। প্ৰিয়ম্বদাৰ বিশ্বাস যে সেই হেন চেহেৰাৰ দুষ্যন্তৰ এনে বিপৰীত গুণ হ'ব নোৱাৰে (অৰ্থাৎ তেওঁৰ চেহেৰা যেনে সুন্দৰ, মানসিক গুণো তেনে সুন্দৰ)। গতিকে চিন্তা কৰিবলগীয়া বিষয় হৈছে—কণ্বই শকুন্তলাৰ সেই বৃত্তান্ত শুনি বা কি কৰে, সেইটোহে। তেতিয়া অনসূয়াই কৈছে—দৈৱবশতঃ গুণৱান পাত্ৰত কন্যাক সংগতা হোৱা দেখি কণ্বই কৃতাৰ্থহে মানিৰ্ব। শকুন্তলাৰ সৌভাগ্যদেৱতা অৰ্চনা কৰি তেওঁৰ মংগল সাধন কৰাতো এই নিঃস্বাৰ্থ সখীদ্বয়ে মনোযোগ দিছে।

সখীযেকৰ কল্যাণ-চিন্তাত নিমগ্ন হৈ থকাৰ সময়তে অনসূয়াই অতিথিয়ে মাত দিয়া শুনিবলৈ পালে। এই কথা জনোৱাতো প্ৰিয়ম্বদাই শকুন্তলা কুটিৰত আছে বুলি আওকাণ কৰিব খুজিলে। আৰম্ভণি অংকৰপৰাই অধিক ধীৰ আৰু বিচাৰসম্পন্না ৰূপে দেখিবলৈ পোৱা অনসূয়াই কিন্তু সেইদিনা মাত্ৰ প্ৰিয়তম স্বামীয়ে এৰি যোৱা শকুন্তলা যে অন্যমনস্ক হ'ব, সেই কথা বুজিব পাৰি অতিথি সৎকাৰৰ উদ্দেশ্যে খৰ-খেদাকৈ যাব খুজিলে। সেই সময়তেই শকুন্তলাৰ জীৱনলৈ চৰম বিপৰ্যয় কঢ়িয়াই অনা দুৰ্ঘটনাটো ঘটিল। অতিথিঅৱমাননাকাৰিণী শকুন্তলাক প্ৰিয়তম স্বামীয়ে পাহৰি পেলাব বুলি অভিশাপ দি অতিথি দুৰ্বাসা ঋষি গুচি গ'ল।

প্ৰিয়ম্বদাই সেই অভিশাপ শুনি হাহাকাৰ কৰি উঠিল। অনসূয়াই প্ৰিয়ম্বদাক চৰণত প্ৰণতি জনাই ঋষিক ঘূৰাই আনিবলৈ ক'লে আৰু নিজে পাদ্য-অৰ্ঘ্যৰ ব্যৱস্থা কৰিব খুজিলে। প্ৰিয়ম্বদাই অনেক অনুনয় বিনয় কৰিও দুৰ্বাসাক ঘূৰাই আনিব নোৱাৰিলে। অৱশেষত তেওঁ এই প্ৰাৰ্থনা জনালে—ঋষিয়ে যাতে দুহিতৃতুল্যা শকুন্তলাক প্ৰথম অপৰাধ বুলি এইবাৰলৈ ক্ষমা কৰে। তেতিয়া ঋষিয়ে কোনোমতে সেই দাৰুণ শাপ

অন্ত হোৱাৰ এটা উপায় দিলে—কোনো স্মাৰক অলংকাৰ দেখুৱাব পাৰিলেই শাপৰ অন্ত পৰিব। যাবৰ সময়ত ৰজাই নিজৰ নামমুদ্ৰিত যি আঙঠী শকুন্তলাক দি গৈছে, তাৰেই এই সমস্যা সমাধান হ'ব বুলি তেওঁলোক নিশ্চিন্ত হ'ল। স্বভাৱকোমলা শকুন্তলাই যাতে এই দুৰ্ঘটনাৰ কথা জানি মনত কষ্ট নাপায়, সেই উদ্দেশ্যে অনসূয়াই এই কথা কাৰো নকব'লৈ স্থিৰ কৰিলে আৰু প্ৰিয়ম্বদায়ো ভাত সম্মতি জনালে[৮]।

অনসূয়া প্ৰিয়ম্বদাই ভয়ত বিব্ৰত হৈ এই দুঃসম্বাদ কণ্বক জনোৱা হ'লে চতুৰ্থ অংকত কণ্বই শকুন্তলাক বিদায় দিয়া দৃশ্যৰ মৰ্মস্পৰ্শী আকৰ্ষণ হেৰাই গ'লহেঁতেন। তেনেস্থলত পণ্ডিতসকলে কালিদাসৰ সৰ্বশ্ৰেষ্ঠ ৰচনা বুলি স্বীকাৰ কৰা এই চতুৰ্থ অংকৰ গুৰুত্বও লাঘৱ হ'লহেঁতেন।

ৰজা ৰাজধানীলৈ ঘূৰি যোৱাৰ (৫।৬ মাহ মানৰ) পিছতো শকুন্তলাৰ কোনো খা-খবৰ নোলোৱাত অনসূয়া বৰ চিন্তাত পৰিল। দুৰ্বাসাৰ শাপৰ ফলতে এনে ঘটিছে বুলি, তেওঁ আঙঠিটোকে ৰজালৈ পঠাই দিয়াৰ কথা চিন্তা কৰিছে। এই গুৰুত্বপূৰ্ণ কাৰ্যত কাক নিয়োগ কৰিব, তেওঁ ভাবি অস্থিৰ হৈ পৰিছে। ইফালে প্ৰৱাসৰপৰা ঘূৰি আহি পাওঁতেই কণ্বকো সখীয়েকৰ অপৰাধৰ কথা জনাবলৈ তেওঁৰ সত যোৱা নাই।

তেনে সময়তে প্ৰিয়ম্বদাই পিতাক কাশ্যপে শকুন্তলাৰ সকলো সংবাদ পাই হৃষ্টচিত্তে তেওঁক পতিগৃহলৈ পঠোৱাৰ ব্যৱস্থা কৰিছে বুলি জানিবলৈ দিছে। শকুন্তলাৰ বিদায় ক্ষণত সখীযেক দুগৰাকীৰ হৃদয়ত হৰ্ষ-বিষাদৰ আলোড়ন উঠিছে যাবৰ পৰত অনসূয়া প্ৰিয়ম্বদাই শকুন্তলাক আঙঠীটোৰ কথা সোঁৱৰাই দি কৈছে—"সখী ৰজাই যদি তোমাক চিনি পোৱাত বিলম্ব কৰে, তেনেহ'লে তুমি তেওঁৰ নাম লিখা অঙঠীটো দেখুৱাই দিবা।" কথাষাৰ শুনি শকুন্তলা সচকিত হৈ পৰাত তেওঁলোকে কথাটোৰ

৮. অনসূয়া—প্ৰিয়ম্বদে দ্বয়োৰেৱ নৌ মুখে এষ বৃত্তান্তস্তিষ্ঠতু।
বাক্ষতৱ্যা খলু প্ৰকৃতিপেলৱা প্ৰিয়সখী।
প্ৰিয়ম্বদা—কো নাম উষ্ণোদকেন নৱমালিকাং সিঞ্চতি।

গুৰুত্ব কমাই ক'লে "অত্যাধিক স্নেহৰ কাৰণেই অমংগলৰ আশংকা কৰা হয়[৯]।" সেই সময়তো প্ৰকৃত কথা জানিবলৈ দি তেওঁলোকে মনত কষ্ট দিব নোৱাৰিলে। সেয়েহে শকুন্তলাই আঙঠীটোৰ প্ৰতি বিশেষ দৃষ্টি নাৰাখিলে আৰু শচী তীৰ্থত তেওঁৰ অজ্ঞাতে আঙঠীটো পানীত সৰি পৰিল।

বিবাহযোগ্যা অনসূয়া আৰু প্ৰিয়ম্বদাক মহৰ্ষিয়ে শকুন্তলাক থ'বলৈ যাবলৈ নিদিলে[১০]। তেওঁলোক শকুন্তলাৰ লগত যোৱা হ'লে আঙঠীটো দেখুৱা মাত্ৰেই সকলো কথা মনত পৰি ৰজাই শকুন্তলাক গ্ৰহণ কৰিলেহেঁতেন। তেতিয়া এক গতানুগতিক উদ্দেশ্যবিহীন প্ৰেম-কাহিনীৰ দৰে পঞ্চম অংকতে নাটকখনৰ সামৰণি পৰিলহেঁতেন।

সখীযেকৰ যৌৱনসুলভ অভিলাষ পূৰণৰ কাৰণে নিঃস্বাৰ্থভাৱে সম্ভৱপৰ সকলো চেষ্টাকে কৰি অহা এই সখী দুগৰাকীৰ ভূমিকা শকুন্তলা-বিদায়ৰ কৰুণ দৃশ্যতে শেষ হৈছে। কণ্বই শকুন্তলাক অনসূয়া-প্ৰিয়ম্বদাকো সম্প্ৰদান কৰিব লাগিব বুলি কোৱা কথাৰে তেওঁলোকৰ ভৱিষ্যতৰ সূচনা এটা দি তেওঁলোকৰ ভূমিকাৰো সমাপ্তি ঘটোৱা হৈছে। ●

৯. অতিস্নেহঃ পাপশংকী।

১০. কণ্ব—ৱৎসে ইমেঽপি প্ৰদেয়ে।

শকুন্তলা নাটকৰ বিদূষক, মাধব্য

বিদূষক হৈছে সংস্কৃত নাটকৰ এটি পৰম্পৰাগত চৰিত্ৰ। মূল বিষয়বস্তুৰ লগত বিদূষকৰ সম্পৰ্ক স্থাপন কৰি দেখুৱা হয় যদিও ই এটা কৃত্ৰিম চৰিত্ৰহে। সকলো সংস্কৃত নাটকতে বিদূষকৰ চৰিত্ৰ নাই যদিও সংস্কৃত নাট্য-সাহিত্যত বিদূষকৰ ভূমিকা উল্লেখযোগ্য।

বিদূষক সংস্কৃত নাটকৰ নায়কজনৰ সংগী, তেওঁৰ শৃংগাৰত সহায়কাৰী। দশৰূপককাৰ ধনঞ্জয়ৰ মতে বিদূষক হাস্য উৎপাদক চৰিত্ৰ। ধনিকে দশৰূপকৰ বৃত্তিত কৈছে—বিদূষক হাস্যকাৰী। তেওঁৰ বিকৃত আকাৰ আৰু সাজ-সজ্জাই হাস্যৰ উদ্ৰেক কৰে[১]। সাহিত্যদৰ্পণকাৰৰ মতে বিদূষকৰ নাম কোনো ফুল, বসন্ত আদিক বুজুৱা পদ হ'ব লাগে। কাম, চেহেৰা, বেশ, ভাষা আদিৰে হাস্যকৰ হোৱাৰ উপৰিও, তেওঁ কলহপ্ৰিয় আৰু স্বকৰ্মজ্ঞ[২]।

বিদূষকক সাধাৰণতে পেটুৱা আৰু নিৰ্বুদ্ধি হোৱা দেখা যায়। জাতিত ব্ৰাহ্মণ হলেও বিদূষকৰ মুখত নাটকৰ উচ্চ পৰ্যায়ৰ চৰিত্ৰই কোৱা সংস্কৃত ভাষাৰ উক্তি দিয়া নহয়, তাৰ পৰিৱৰ্তে প্ৰাকৃত ভাষাহে দিয়া হয়[৩]

যদিও বিদূষকৰ চৰিত্ৰটো ইমানবিলাক ধৰাবন্ধা নীতিৰ অধীন, তথাপি সংস্কৃত নাট্যকাৰসকলৰ স্বকীয় প্ৰতিভাৰ পৰশত প্ৰত্যেকখন নাটকতে এই চৰিত্ৰটোৱে সুকীয়া সুকীয়া ব্যক্তিত্বৰে আত্মপ্ৰকাশ কৰিছে। নাট্যশাস্ত্ৰৰ

১. হাস্যকৃচ্চ বিদূষকঃ (ধনঞ্জয়ৰ দশৰূপক ২/৯)
অস্য বিকৃতাকাৰবেষাদিত্বং হাস্যকাৰিত্বেনৈৱ লভ্যতে। [ধনিকৰ বৃত্তি]

২. কুসুম-বসন্তাদ্যভিধঃ কৰ্মৱপুৰ্বেশভাষাদ্যৈঃ।
হাস্যকৰঃ কলহৰতিৰ্বিদূষকঃ স্যাৎ স্বকৰ্মজ্ঞঃ॥ [সঃ দঃ ৩/৪২]

৩. পুৰুষাণামনীচানাং সংস্কৃতং স্যাৎ কৃতাত্মনাম্।
প্ৰাচ্যা বিদূষকাদীনাং .. ..[সঃ দঃ ৬/১৫৮...১৬১]

বিধি-নিয়মৰ খাঁচত গঢ়া হ'লেও ভাস, অশ্বঘোষ, কালিদাস, শূদ্রক, হর্ষ প্রভৃতি প্রতিজন নাট্যকাৰে এখন নাটকৰ বিদূষকৰ ব্যক্তিত্ব আনখনৰ বিদূষকৰ ব্যক্তিত্বতকৈ পৃথক্ ৰূপত প্রকাশ পাইছে।

মহাকবি কালিদাসৰ 'অভিজ্ঞানশকুন্তল' নাটকৰ বিদূষকৰ নাম বসন্ত ঋতুবাচক মাধব্য। নাটকখনিত বিদূষকে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। প্রথম অংকত মৃগযার্থী ৰজা দুষ্মন্তই কণ্বৰ আশ্রমত প্রৱেশ কৰি প্রথম দর্শনতে আশ্রমকন্যা শকুন্তলাৰ প্রতি প্রণয়াসক্ত হৈ পৰিছে। দ্বিতীয় অংকত তেওঁ মৃগযাৰ প্রতি বিমুখ হৈ পৰিছে। এই অংকৰ আৰম্ভণিতে হাস্যকৰ ৰূপত বিদূষকক অৱতাৰণা কৰা হৈছে। শকুন্তলা নাটকৰ তিনিটা অংকত বিদূষকক মঞ্চত উলিউৱা হৈছে, তাত গম্ভীৰ প্রসংগতো বিদূষকে হাঁহাৰ সঞ্চাৰ কৰিছে। দ্বিতীয় অংকৰ আৰম্ভণিতে বিদূষকে তেওঁক মৃগয়াই বিৰক্ত কৰি তোলাৰ বর্ণনাৰে হাঁহিৰ খলক তুলিছে। ৰজাক মৃগয়াৰপৰা বিৰত কৰিবলৈ 'অংগভংগ'ৰ ভাও ধৰি অন্ততঃ এদিনৰ কাৰণে বিশ্রাম বিচাৰিছে। দুষ্মন্তৰ মন তেতিয়া নিবিড়ভাৱে শকুন্তলাত নিমগ্ন। গতিকে বিদূষকৰ এই প্রার্থনাত তেওঁ মনে মনে আনন্দকে পালে। তেওঁ বিদূষকৰ অনুৰোধ ৰক্ষা কৰি তেওঁকো এটা অনুৰোধ কৰিলে—"বিশ্রামকালত তুমি মোক এটা সহজসাধ্য কামত সহায় কৰিব লাগে।"[৪] স্বভাৱতে খকুৱা বিদূষকে সুধিলে—"কি, মিঠাই-খাই সহায় কৰি দিব লাগে নেকি? তেনে এয়ে উপযুক্ত সময়।"

ৰজাই সেনাপতিক মৃগযাৰ আয়োজন সামৰিবলৈ আদেশ দি নির্জন স্থানত বিদূষকৰ আগত শকুন্তলা-বৃত্তান্তৰ পাতনি মেলিছে। তেতিয়া বিদূষকে মনতে পাভিছে, "এওঁক এতিয়া মই (শকুন্তলাৰ কথা ক'বলৈ) সুকণ্ডাকে নিদিম।" ৰজাই শকুন্তলাৰ পিতৃ-মাতৃৰ পৰিচয় দি শকুন্তলাৰ প্রতি ওপজা তেওঁৰ অনুৰাগ যে অন্যায় হোৱা নাই, সেই কথা প্রতিপন্ন কৰিছে।

---

৪. ৰাজা বিশ্রান্তেন ভৱতা মমাপি একস্মিন্ অনায়াসে কর্মণি সহায়েন ভৱিতব্যম্।
বিদূষক—কিং মোদক-খাদিকায়াম্। তেন হি অয়ং সুগৃহীতঃ ক্ষণঃ।

কৰিছে। তেতিয়া বিদূষকে টপৰাই কৈ পেলাইছে—"খাজুৰীৰ লাডু খাই আমনি লগা মানুহৰ তেতেলীলৈ অভিলাষ হোৱাৰ দৰে স্ত্ৰীৰত্ন ভোগ কৰি কৰি তোমাৰো এই অভিলাষ জন্মিছে।"

দুষ্মন্তই বিদূষকৰ আগত শকুন্তলাৰ অনন্যসাধাৰণ সৌন্দৰ্যৰ বৰ্ণনা দি, শকুন্তলাৰ ভাব-ভংগীতো দুষ্মন্তৰ প্ৰতি অনুৰাগ জন্মাৰ কথা কৈ আশ্ৰমলৈনো পুনৰ কি ছলেৰে যাব পাৰি, বিদূষকক সেই কথা সুধিছে। বিদূষকে ৰজাক ৰাজকৰ সংগ্ৰহ কৰাৰ ছলেৰে যোৱাৰ যি পৰামৰ্শ দিছে, ঋষিসকলৰ ক্ষেত্ৰত সেই ব্যৱস্থা প্ৰযোজ্য নহয় বুলি ৰজাই তাক প্ৰত্যাখ্যান কৰিলে।

তেনে সময়তে দুষ্মন্তলৈ দুটা কৰ্তব্যৰ আহ্‌বান আহিল—দুজন তপস্বী আহি ৰাক্ষসৰ উপদ্ৰৱৰপৰা কণ্বৰ আশ্ৰমত অনুষ্ঠিত যজ্ঞ ৰক্ষা কৰিবলৈ ৰজাক অনুৰোধ কৰিলে আৰু ৰাজধানীৰপৰা এজন দূত আহি ৰাজমাতৃয়ে বিশেষ এটি ধৰ্মীয় অনুষ্ঠানৰ কাৰণে পুতেক দুষ্মন্তক মাতি পঠোৱাৰ সংবাদ জনালে। ৰজাই তেতিয়া আশ্ৰমৰ দায়িত্ব এৰি যাব নোৱাৰি বিদূষকক তেওঁৰ হৈ ৰাজধানীলৈ পঠাই দিলে। বিদূষকে ৰজাৰ ভায়েক যোৱাৰ দৰে যাবলৈ বিচৰাত ৰজায়ো সকলো সৈন্য-সামন্ত, আশ্ৰমত অশান্তিৰ সৃষ্টি নহওক বুলি বিদূষকৰ লগতে পঠাই দিলে। যাবৰ সময়ত ৰজাই বিদূষকক কৈ পঠালে—"সখি, ক'ত আমাৰ নিচিনা (ৰাজকীয় আড়ম্বৰত থকা) মানুহ আৰু ক'ত পশু-পোৱালিৰ লগত ডাঙৰ-দীঘল হোৱা, কাম-কলাত অনভিজ্ঞ সেই নিচিনা মানুহ ? মই (শকুন্তলাৰ প্ৰতি আসক্ত হৈছোঁ বুলি) এই কথা ধেমালিতেহে ক'লোঁ; তুমি আকৌ সঁচা বুলি নাভাবিবা।"[৫] ৰজাৰ এই কথাতে বিদূষকে শকুন্তলাৰ সকলো কথা পাহৰি পেলালে।

দ্বিতীয় অংকৰ পিছত বিদূষকক পঞ্চম অংকৰ আৰম্ভণিত আকৌ মঞ্চত দেখা গৈছে। দুষ্মন্তৰ অন্যতমা মহিষী হংসপদিকাই, দুষ্মন্তই তেওঁক অৱজ্ঞা কৰাৰ কাৰণে এটি গীত গাই আক্ষেপ কৰিছিল. সংগীতশালাত বীণাৰ

৫. ক ৱয়ং ক পৰোক্ষমন্মথো মৃগশাৱৈঃ সমমেধিতো জনঃ।
পৰিহাসৱিজল্পিতং সখে পৰমাৰ্থেন ন গৃহ্যতাং ৱচঃ॥ [শকু : ৪/১৮

স্বৰসংযোগত গোৱা এই বিশুদ্ধ তাল-লয়-সমন্বিত গীতটিয়ে বিদূষকেই ৰজাৰ মনোযোগ আকর্ষণ কৰে। তেতিয়া ৰজাই হংসপদিকাক শান্ত কৰিবৰ কাৰণে বিদূষকক পঠাই দিলে। ইয়াৰ অলপ পিছতে শকুন্তলাক লৈ কণ্বৰ শিষ্যসকল উপস্থিত হ'ল। দুৰ্বাসাৰ শাপৰ ফলত দুষ্মন্তই শকুন্তলাক চিনিব নোৱাৰি প্ৰত্যাখ্যান কৰাৰ সময়ত বিদূষক ৰজাৰ ওচৰত উপস্থিত থকা হ'লে ঘটনা প্ৰৱাহৰ গতি অন্যফালেহে হ'লহেঁতেন। বিদূষক থকা হ'লে তেওঁ নিশ্চয় মৃগয়াকালত কোৱা শকুন্তলাৰ কথা সোঁৱৰণ কৰিলেহেঁতেন আৰু ৰজাক সেই কথা সোঁৱৰাই দিয়া হ'লে দুষ্মন্তই তেতিয়াই প্ৰিয়তমা ধৰ্মপত্নী শকুন্তলাক গ্ৰহণ কৰিলেহেঁতেন আৰু তাৰ লগে লগেই উদ্দেশ্যহীন প্ৰেমকথাৰ দৰে নাটকখনো গতানুগতিকভাৱেই শেষ হৈ গ'লহেঁতেন। নাটকখনিৰ মানুহৰ পাৰ্থিৱ প্ৰেমক স্বৰ্গীয় প্ৰেমৰ স্তৰলৈ নিয়া যি মহান্ লক্ষ্য আছে, সেই অন্তিম লক্ষ্যৰ ফালে আগবঢ়াই দিয়াৰ ক্ষেত্ৰত এই মুহূৰ্তত বিদূষকৰ অনুপস্থিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

ষষ্ঠ অংকত মাছৰ পেটত ওলোৱা দুষ্মন্তৰ নামাংকিত আঙঠিটো দেখাৰ লগে লগেই দুৰ্বাসাৰ শাপৰো অন্ত পৰে। তেতিয়া ৰজাৰ মনত শকুন্তলাৰ সকলো স্মৃতি জাগৃত হৈ উঠিল আৰু অকাৰণতে প্ৰিয়তমা অন্তঃসত্ত্বা, ধৰ্ম-পত্নী শকুন্তলাক ত্যাগ কৰাৰ কাৰণে তেওঁৰ হৃদয় অনুশোচনাত দগ্ধ হৈ পৰিল। সেই সময়ত ৰজাই সখীয়েক বিদূষকক লগত লৈ প্ৰমোদ বনত শকুন্তলাৰ মধুৰ স্মৃতিৰাশি সোঁৱৰণ কৰি বিৰহজনিত দুখ পাতলাইছে। কাৰুণ্যৰে গম্ভীৰ হৈ পৰা এই দৃশ্যটোতো বিদূষকৰ কথা-বতৰাই আমাক হাঁহিবলৈ বাধ্য কৰিছে।

ৰজাই যেতিয়া বিৰহাকুল অৱস্থাত ক'লে—"মোক প্ৰহাৰ কৰিবলৈ কামদেৱে ধনুত আম্ৰমঞ্জৰীৰ শৰ আৰোপ কৰিছে।" আম্ৰমঞ্জৰী দেখি ৰজাৰ বিৰহ দুখ উথলি আহিছে বুলি এই কথাৰ ব্যঞ্জিত অৰ্থৰ পৰিবৰ্তে বিদূষকে সঁচাকৈয়ে কামদেৱে আম্ৰমঞ্জৰীৰে ৰজাক খুচিব বুলি ধৰি লৈ কৈছে—'ৰ'বা সখি, মই এই লাঠীডালেৰে কামদেৱৰ সেই বাণ বিনাশ কৰি

দিওঁ।" এই বুলি আমৰ মন সকৰ্য়াবলৈ লাঠী দণ্ডা বিদূষকক দেখিলে এই গম্ভীৰ পৰিবেশতো নাহাঁহি নোৱাৰি। ৰজাই যেতিয়া বাৰে বাৰে শকুন্তলাৰ চিত্ৰখন মোহাৰি শুদ্ধ কৰিব খুজিছে, বিদূষকে স্বগতোক্তি কৰিছে—"মই এতিয়া যি দেখিছোঁ, এওঁ দীঘলডাঢ়ীয়া তপস্বীৰে চিত্ৰ গোটেইখন ভৰাইহে এৰিব।"

সখীয়েক দুষ্মন্তৰ এই দুখৰ সময়ত বিদূষকে বিচাৰপ্ৰধান সহানুভূতিৰো পৰিচয় দিছে। ৰজাই বিদূষকক সুধিলে,—"শকুন্তলা প্ৰত্যাখ্যানৰ সময়ত উপস্থিত নাছিলা যদিও বিদূষকে অন্য সময়তো ৰজাক শকুন্তলাৰ বিষয়ে কিয় একো কোৱা নাছিল।" তেতিয়া বিদূষকে—ৰজাই "ধেমালিহে কৰিলোঁ" বুলি দ্বিতীয় অংকৰ অন্তত কোৱা কথাৰ কাৰণেহে, তেওঁ এই কথা একেবাৰে এৰি পেলালে বুলি জনাইছে আৰু ভাগ্যত ঘটাৰ লগা থকাটো ঘটিবই বুলি ৰজাক সান্ত্বনা দিছে। ৰজাক শকুন্তলাৰ শোকত অত্যন্ত অধীৰ হৈ পৰা দেখি বিদূষকে গম্ভীৰ মন্তব্য কৰিছে—"এনে ব্যৱহাৰ তোমাত শোভা নাপায়। সৎ ব্যক্তিসকল কেতিয়াও শোকত কাতৰ নহয়। প্ৰবল বতাহতো পৰ্বত কম্পিত নহয়[৬]।"

দুষ্মন্তই মেনকাৰ কোনোবা সহচাৰিণীয়েই শকুন্তলাক লৈ গৈছে বুলি কোৱাত বিদূষকে আশাৰ বাণী শুনাইছে—"যদি সেয়ে হয়, তেনেহ'লে সময়ত তেওঁৰ লগত তোমাৰ মিলন হ'বই। . . পিতৃ-মাতৃয়ে কন্যাক স্বামীৰ বিৰহসন্তপ্তা অৱস্থাত বেছি দিন চাই থাকিব নোৱাৰে[৭]।" বিদূষকৰ এই উক্তি নিতান্ত ব্যৱহাৰিক। বিদূষকৰ প্ৰশ্নৰ উত্তৰতে ৰজাই নিজৰ নাম লিখা আঙঠীটো কেতিয়া কি উদ্দেশ্যে শকুন্তলাক দিলে, সেই কথা বৰ্ণাইছে। অৱশেষত ৰাণী বসুমতী সেই স্থানলৈ গৈছে বুলি শুনি

৬. বিদূ—অনুপপন্নং খল্বীদৃশং ত্বয়ি। কদাপি সৎপুৰুষাঃ শোকবাস্তব্যা ন ভৱন্তি। ননু প্ৰবাতেঽপি নিষ্কম্পা গিৰয়ঃ।

৭. যদ্যেৱমস্তি খলু সমাগমঃ কালেন তত্ৰভৱত্যা। ..ন খলু মাতাপিতৰৌ ভাতৃবিয়োগদুঃখিতাং দুহিতৰং চিৰং দ্ৰষ্টুং পাৰয়তঃ।

দুষ্মন্তই বিদূষকক শকুন্তলাৰ ছবিখন লুকুৱাই ৰাখিবৰ কাৰণে মেঘপ্ৰতিচ্ছন্দ প্ৰাসাদলৈ পঠাই দিছে।

মেঘপ্ৰতিচ্ছন্দ প্ৰসাদতে ইন্দ্ৰৰ সাৰথি মাতলিয়ে অদৃশ্যভাবে আক্ৰমণ কৰাত বিদূষকে আৰ্তনাদ কৰি উঠিছে। প্ৰেমৰ প্ৰতিমা শকুন্তলাক প্ৰত্যাখ্যান কৰাৰ আৰু সন্তানহীনতাৰ দুখত জৰ্জৰিত হৈ পৰা দ‍ুষ্মন্তৰ উৎসাহভাৱ জাগৃত কৰিবৰ কাৰণে এই ঘটনাৰ অৱতাৰণা কৰা হৈছে। সঁচাকৈয়ে এই অংকত বিদ‍ূষকৰ ভূমিকা অপৰিহাৰ্য আৰু নিতান্ত গুৰুত্বপূৰ্ণ। দ্বিতীয় অংকত শকুন্তলাৰ প্ৰতি জন্মা অনুৰাগৰ কথা জনাবলৈ দ‍ুষ্মন্তৰ সখিয়েক মাধব্যৰ বাহিৰে যেনেকৈ অন্য কোনো যোগ্য পাত্ৰ হ'ব নোৱাৰে, সেইদৰে প্ৰিয়তমাৰ বিৰহদ‍ুখত আকুল হোৱাৰ সময়তো বিদূষকৰ বাহিৰে অন্য কোনো দুষ্মন্তৰ দ‍ুখৰ সমভাগী হ'ব নোৱাৰে। সেইদৰে মাতলিয়ে কৌতুক আক্ৰমণ কৰি দ‍ুষ্মন্তৰ উৎসাহ জাগৃত কৰিবলৈও বিদ‍ূষকৰ বাহিৰে অন্য পাত্ৰ যোগ্য হ'ব নোৱাৰে। ৰজাৰ প্ৰিয়পাত্ৰ, পুৰুষব্যক্তি অথচ আত্মৰক্ষাৰ বাবে অক্ষম বিদূষকক সহজতে মাতলিৰ আক্ৰমণৰ লক্ষ্য কৰি মহাকবিয়ে ওপৰত উল্লেখ কৰি অহা উদ্দেশ্যটি পূৰণ কৰিলে। সেয়ে নোহোৱা হ'লে যি শকুন্তলাৰ বিৰহ-দুখত দুষ্মন্তই ৰাজকাৰ্যতে মনোযোগ দিব পৰা নাই, সেই দুখত অভিভূত হৈ থকাৰ সময়ত তেওঁ ইন্দ্ৰৰ আহ্বানত অসুৰ বিজয় কৰিবলৈ যোৱাৰ ইচ্ছা কেতিয়াও নকৰিলেহেঁতেন। দুষ্মন্তৰ এই স্বৰ্গযাত্ৰাৰ ফলতেই মাৰীচৰ স্বৰ্গীয় আশ্ৰমত পুত্ৰসমন্বিতে শকুন্তলাৰ লগত দুষ্মন্তৰ মিলন ঘটিছে।

এইদৰে 'অভিজ্ঞানশকুন্তলা" নাটকত বিদূষক মাধব্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ▭

শকুন্তলা নাটকত অংকসমাপন কৌশল

সংস্কৃত দৃশ্যকাব্যত পাঁচোটাৰপৰা দহোটালৈকে অংক থকাৰ নিয়ম।[১] প্ৰত্যেক অংকত নায়ক বা নায়িকাৰ চৰিত প্ৰত্যক্ষভাৱে উত্থাপন কৰিব লাগিব।[২] বিশ্বনাথ কবিৰাজে কোৱা মতে অংকত অনেক দিনৰ ঘটনাৰ কথা থাকিব নালাগিব। দশৰূপককাৰ ধনঞ্জয়ৰ মতে আকৌ এটা অংকত কেৱল এদিনত হোৱা ঘটনাহে থাকিব লাগিব।[৩] এটা অংকত তিনিজন বা চাৰিজনহে নাটকীয় চৰিত্ৰৰ অৱতাৰণা কৰিব লাগে। নায়কজন শাৰীৰিকভাৱে মঞ্চত উপস্থিত নাথাকিলেও তেওঁৰ কাৰ্যৱলীৰ উল্লেখ প্ৰতি অংকতে থাকিব লাগিব। অংকৰ অন্তত সকলো চৰিত্ৰই মঞ্চৰপৰা প্ৰস্থান কৰিব লাগিব।[৪]

মহাকবি কালিদাসৰ 'অভিজ্ঞানশকুন্তল' নাটকত এনে লক্ষণবিশিষ্ট সাতোটা অংক আছে। প্ৰতি অংকতে মঞ্চত প্ৰৱেশ কৰোৱা নাটকীয় চৰিত্ৰ আটাইকেইটিকে মহাকবিয়ে অতি আকৰ্ষণীয় কৌশলেৰে অংকৰ অন্তত প্ৰস্থান কৰাইছে। অংকটোত উত্থাপন কৰিবলগীয়া কথাখিনি প্ৰয়োজনতকৈ বাহুল্য নকৰি সুসংযতভাৱে দাঙি ধৰিছে আৰু বিৰক্তিকৰ অৱস্থালৈ নোযোৱাকৈ বৈচিত্ৰপূৰ্ণভাৱে অংকসমূহৰ সামৰণি মাৰিছে। শকুন্তলা নাটকৰ অংক সমাপনৰ কৌশলত এক মন কৰিবলগীয়া বৈশিষ্ট্য আছে।

---

১. পঞ্চাধিকা দশপৰা অংকাস্তে পৰিকীৰ্তিতাঃ। [সাঃ দঃ ৬/৮]

২. "প্ৰত্যক্ষনেতৃচৰিতো" ইত্যাদি দশৰূপকৰ কাৰিকা আৰু তাৰ বৃত্তি দ্ৰষ্টব্য। [দেশ : ৩/৩০/৩১]

৩. নানেকদিননিৰ্ব্ত্যকথয়া সংপ্ৰয়োজিতঃ [সাঃ দ : ৮/১৫]
একাহাচৰিতৈকাৰ্থমিৎথমাসন্ননায়কম্ ॥ [দশৰূপক ৩/৩৬]

৪. আসন্ননায়কঃ পাত্ৰৈৰ্যুতস্ত্ৰিচতুৰৈস্তথা ॥ [১৫]
অন্তনিষ্ক্ৰান্তনিখিলপাত্ৰোঽঙ্ক ইতি কীৰ্তিত : ॥ ১৯ [সাঃ দঃ ৬ অঃ]

প্ৰথম অংকত নায়ক দুষ্যন্ত মৃগয়া কৰিবলৈ গৈ কণ্বৰ আশ্ৰমৰ উপকণ্ঠত উপস্থিত হৈছে। তপস্বী তিনিজনৰ আমন্ত্ৰণক্ৰমে দুষ্যন্ত কণ্বৰ আশ্ৰমলৈ গ'ল। মহাকবিয়ে তেওঁৰ নায়ক দুষ্যন্তক আশ্ৰমকন্যা তিনিটিৰ আগত এক আকৰ্ষণীয় পৰিস্থিতিৰ মাজেদি অৱতাৰণা কৰিছে। অনুকূল পৰিবেশত প্ৰথম দৰ্শনতে দুষ্যন্ত আৰু শকুন্তলাৰ পাৰস্পৰিক অনুৰাগ জন্মিছে। ৰাজকীয় ভূষণ আৰু ধনুশৰ এৰি আশ্ৰমত অকলে প্ৰৱেশ কৰা দুষ্যন্তই এটা সহজ অনাড়ম্বৰ পৰিৱেশত অনসূয়া-প্ৰিয়ম্বদাৰ লগত নায়িকা শকুন্তলাক লৈ আলাপ কৰিব পাৰিছে আৰু অতি সহজেই দুষ্যন্তই প্ৰথম দৰ্শনতে তেওঁৰ অনুৰাগভাজন হোৱা শকুন্তলাৰ বিষয়ে জানিবলগীয়া সকলো কথা অনসূয়া-প্ৰিয়ম্বদাৰপৰা জানিব পাৰিছে। দুষ্যন্তই তেওঁলোকৰপৰা শকুন্তলাৰ পিতৃ-মাতৃৰ পৰিচয়, আৰু আজীৱন আশ্ৰমতে ব্ৰহ্মচৰ্য পালন কৰি থাকিব নে গৃহস্থী হ'ব—এইখিনি কথা নিশ্চিতভাৱে জানি লোৱাত শকুন্তলা তেওঁৰ বিবাহযোগ্যা কন্যা বুলি নিশ্চিত হ'ব পাৰিছে। এইখিনি কথা জনাৰ পিছত ইতিমধ্যে প্ৰথম দৰ্শনতে অপৰিচিত অতিথিৰ প্ৰতি অনুৰক্তা হৈ পৰা শকুন্তলায়ো দুষ্যন্তৰ খ্যাতিসম্পন্ন পৰিচয় পোৱাৰ আকৰ্ষণীয় উপায় উলিয়ালে—আঙঠীটোত লিখি থোৱা দুষ্যন্তৰ নামটো। এইদৰে দুষ্যন্তৰ ৰাজকীয় পৰিচয় প্ৰকাশ পোৱাও শকুন্তলাৰ মনত অপৰিচিত দুষ্যন্তৰ প্ৰতি জন্মা প্ৰণয় সুদৃঢ় হোৱাত সহায় হ'ল। নায়ক-নায়িকাৰ নৱ উন্মেষিত প্ৰণয়কথা প্ৰথম দৰ্শনতে আৰু আগবঢ়াই নিয়াটো উচিত নহ'ব। গতিকে মহাকবিয়ে ইমানতে অন্য এক ঘটনাৰ প্ৰতি দৰ্শকৰ মনোযোগ বাঢি নি প্ৰথম অংকটিৰ সামৰণি মাৰিলে।

আঙঠীটোৰ যোগেদি দুষ্যন্তৰ পৰিচয় প্ৰকাশ পোৱাৰ ক্ষন্তেক পিছতে নেপথ্যত কণ্বৰ আশ্ৰমত অশান্তিৰ সৃষ্টি হোৱাৰ সূচনা দিয়া হৈছে। দুষ্যন্তক বিচাৰি তেওঁৰ অনুচৰসকল দলে-বলে আশ্ৰমত প্ৰৱেশ কৰাত ৰথ দেখি ভয় খোৱা বনৰীয়া হাতী এটাই আশ্ৰমত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এই কথা শুনি দুষ্যন্তৰ মনোযোগ তেওঁক বিচাৰি অহা অনুচৰসকলক শান্ত

কৰা চেষ্টাৰ কালে আকৰ্ষিত হৈছে। আশ্ৰমকন্যাসকলেও বনৰীয়া হাতীৰ ভয়ত দুষ্যন্তৰপৰা বিদায় মাগি কুটীৰলৈ গতি কৰিছে।

এনে সংকট উপস্থিত হোৱাৰ সময়তো মহাকবিয়ে নায়ক-নায়িকাৰ সদ্যনিৰ্বদ্ধ প্ৰণয়ৰ বন্ধন সুদৃঢ় কৰি ৰাখিছে। দুষ্যন্তৰপৰা আঁতৰি যাওঁতে শকুন্তলাই ভৰিত কুশবনে ফুটা আৰু গাৰ বসন কুৰবক ফুলৰ ডালত লাগি ধৰাৰ ছলেৰে প্ৰিয়জনলৈ ঘূৰি ঘূৰি চাই গৈছে। ইফালে প্ৰেয়সী শকুন্তলাৰপৰা মন আঁতৰাই নিবলৈ অক্ষম হোৱা দুষ্যন্তৰো শৰীৰটোহে পতাকাদণ্ডৰ দৰে আগলৈ গৈছে ; মনটোৱে কিন্তু পতাকাৰ কাপোৰখনৰ দৰে পাছলৈহে টানিছে। এইদৰে বনৰীয়া হাতীৰ বৃত্তান্তৰ অৱতাৰণা কৰি অতি আকৰ্ষণীয় পদ্ধতিৰে মহাকবিয়ে প্ৰথম অংকৰ সামৰণি মাৰিছে।

মৃগয়ালৈ বুলি সদল-বলে ওলাই আহি আশ্ৰমকন্যাৰ প্ৰণয়ত মগ্ন হৈ মৃগয়াৰ প্ৰতি স্বাভাৱিকতে স্পৃহাহীন হৈ পৰা দুষ্যন্তই সখিয়েক বিদূষকৰ অনুৰোধত মৃগয়াপৰ্ব সামৰাৰ বৰ্ণনাৰে দ্বিতীয় অংকটি আৰম্ভ হৈছে। নিৰ্জন স্থানত বিদূষকৰ আগত দুষ্যন্তই সুৰযুৱতী আৰু ৰাজৰ্ষিসম্ভৱা শকুন্তলাৰ প্ৰতি তেওঁৰ প্ৰীতিভাৱ জন্মা আৰু শকুন্তলাৰ ভাব-ভংগীতো তেওঁৰ প্ৰতি প্ৰীতিভাব প্ৰকট হোৱাৰ কথা বৰ্ণাইছে। দুষ্যন্ত আৰু বিদূষকৰ কথা-বতৰাৰ মাজেদি নায়িকাৰ প্ৰতি অনুৰাগ গভীৰ হোৱাৰ সূচনা দি মহাকবিয়ে দুটি প্ৰাসংগিক বৃত্তান্তৰ অৱতাৰণা কৰি আকৰ্ষণীয় পদ্ধতিৰে দ্বিতীয়টো অংকৰো সামৰণি মাৰিছে।

কি চেলু লৈ দুষ্যন্ত তেওঁৰ প্ৰণয়ভাজন শকুন্তলাক পুনৰ দৰ্শন কৰিবলৈ আশ্ৰমলৈ যাব পাৰিব, বিদূষকৰ লগত এই কথা আলোচনা কৰি থাকোঁতেই সুবিধাই নিজে ধৰা দিলেহি কুলপতি কণ্বৰ অনুপস্থিতিত আশ্ৰমৰ যজ্ঞ-অনুষ্ঠানত ৰাক্ষসে উপদ্ৰব কৰাত দুজন ঋষিকুমাৰে দুষ্যন্তক আশ্ৰম ৰক্ষাৰ কাৰণে আমন্ত্ৰণ জনালেহি। প্ৰেমাস্পদ শকুন্তলাৰ আকৌ সাক্ষাৎ লাভ কৰাৰ সুযোগ দুষ্যন্তৰ ওলাল। প্ৰণয়িনী শকুন্তলাৰ বিষয়ে মনৰ কথা ভাঙি ক'বলৈ সখিয়েক বিদূষকৰ বাহিৰে অন্য কোনো পাত্ৰ উপযুক্ত হ'ব নোৱাৰে।

এই কথোপকথনৰ যোগেদিয়েই অন্তৰস্পৰ্শী ৰূপত দুষ্যন্ত-শকুন্তলাৰ প্ৰণয়ৰ বৃত্তান্ত সাৰ্থকভাৱে দাঙি ধৰা হৈছে! এই বিষয়ত ইমানতে বিদূষকৰ ভূমিকা মহাকবিয়ে সামৰিব লগা হ'ল।

দুৰ্বাসাৰ অভিশাপৰ ফলত দুষ্যন্তই শকুন্তলাৰ লগত তেওঁৰ গোপন মিলনৰ কথা পাহৰি যোৱাৰ কাৰণে পঞ্চম অংকত দুষ্যন্তই শকুন্তলাক প্ৰত্যাখ্যান কৰিলে। আশ্ৰমত দুষ্যন্ত-শকুন্তলাৰ মিলনৰ সাক্ষী হৈ থকা হ'লে বিদূষকে এই কথা শকুন্তলা প্ৰত্যাখ্যানৰ সময়ত অথবা তাৰ আগে পিছে দুষ্যন্তক সোঁৱৰাই দিলেহেঁতেন। তেনেস্থলত মহাকবিয়ে যি উদ্দেশ্যে দুৰ্বাসাৰ অভিশাপৰ উদ্ভাৱনা কৰি নাটকীয় কথা-বস্তু আগবঢ়াই নিছে, সেই উদ্দেশ্য ব্যাহত হৈ পৰিলেহেঁতেন। গতিকে বিদূষকৰ আগত আশ্ৰমকন্যা শকুন্তলাৰ প্ৰতি অনুৰাগ দৃঢ়মূল হোৱাৰ কথা এবাৰ মাত্ৰ কোৱায়েই মহাকবিয়ে বিদূষকক দুষ্যন্তৰপৰা আঁতৰাই নিছে।

ঋষিসকলৰ অনুৰোধক্ৰমে দুষ্যন্তই আশ্ৰমৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ স্থিৰ কৰোঁতেই ৰাজধানীৰপৰা সংবাদ আহিল—এক বিশেষ ধৰ্মীয় অনুষ্ঠান সম্পন্ন কৰিবলৈ ৰজাক মাকে মাতি পঠাইছে। আশ্ৰমৰক্ষাৰ ভাৰ এৰি যাব নোৱৰাৰ কাৰণে ৰজাই বিদূষককে তেওঁৰ প্ৰতিনিধি স্বৰূপে ৰাজধানীলৈ পঠাই দিলে। আশ্ৰমত উপদ্ৰৱ ঘটিব বুলি অনুচৰবৰ্গকো দুষ্যন্তই বিদূষকৰ লগতে পঠাই দি অকলশৰে আশ্ৰমৰক্ষাৰ ভাৰ ল'লে। যাবৰ সময়ত দুষ্যন্তই বিদূষকক কৈ পঠালে—"সখি, শকুন্তলাৰ কথাটো ধেমালিতেহে কলোঁ, তুমি আকৌ সঁচা বুলি নাভাবিবা।" এইদৰে মহাকবিয়ে দুষ্যন্ত-শকুন্তলাৰ প্ৰণয়ক প্ৰথম অংকতকৈ আগবঢ়োৱাৰ পিছত কৌশলপূৰ্ণ পদ্ধতিৰে মৃগয়া পৰ্বৰ সামৰণি মাৰি নাটকীয় ঘটনাপ্ৰৱাহৰ বাট মুকলি কৰিলে আৰু আকৰ্ষণীয়ভাৱে দ্বিতীয় অংকৰো সমাপন ঘটালে।

যি উদ্দেশ্য লৈ ৰজা আশ্ৰমত ৰ'বলগীয়া হ'ল, সেই উদ্দেশ্য তেওঁ অকলেই কৃতিত্বৰে সাধন কৰাৰ সূচনাৰে তৃতীয় অংকটিৰ পাতনি মেলিছে। তাৰপিছত কবিয়ে মূল উদ্দেশ্য দুষ্যন্ত-শকুন্তলাৰ প্ৰণয়ৰ ফালে আমাৰ

মনোযোগ টানি লৈ গ'ল। ঋষিৰ প্ৰতি কৰ্তব্যসম্পাদন হোৱাৰ পিছত ৰজাৰ মন শকুন্তলাৰ অনুৰাগে ব্যাকুল কৰি তোলাৰ অৱকাশ ওলাল। তেতিয়া শকুন্তলাৰ বিৰহত অধীৰ হৈ পৰা দুষ্যন্তই সখীয়েকহঁতৰ সৈতে গ্ৰীষ্মতাপৰ হাত সাৰিবলৈ শকুন্তলা মাধৱী মণ্ডপত আছে বুলি ভাবি তালৈকে গ'ল। প্ৰথম দৰ্শনতে ৰাজৰ্ষি দুষ্যন্তৰ অনুৰাগে মন থকা-সৰকা কৰি পেলোৱা শকুন্তলাই বিৰহকাতৰা হৈ, সখীয়েকহঁতৰ পৰামৰ্শ অনুসৰি তেওঁৰ প্ৰেমাস্পদলৈ এখনি প্ৰেমপত্ৰ লিখি আছিল। শকুন্তলাই দুষ্যন্তই অৱমাননা কৰাৰ আশংকা কৰি থাকোঁতেই ৰজাই আত্মপ্ৰকাশ কৰি তেওঁৰ আন্তৰিক অনুৰাগ প্ৰকাশ কৰিলে। প্ৰণয়িযুগলৰ গোপন মিলন ঘটাৰ আগতে বুদ্ধিমতী অনসূয়া-প্ৰিয়ম্বদাই শকুন্তলাৰ ভৱিষ্যত নিৰাপত্তাৰ প্ৰতিশ্ৰুতি আদায় কৰি ল'লে। তাৰপিছত মিলনপ্ৰয়াসী দুষ্যন্ত-শকুন্তলাক নিৰ্জন লতামণ্ডপত এৰি তেওঁলোক গুচি গ'ল।

ক্ষত্ৰিয়ৰ কাৰণে অনুমোদিত গন্ধৰ্ব বিবাহৰ কথা সোঁৱৰাই দি দুষ্যন্তই যেতিয়া শকুন্তলাক চুম্বন কৰিব খুজিলে, এই চৰম বিন্দুত প্ৰণয়িযুগলক মঞ্চৰ পৰা অপসাৰিত কৰাৰ চিন্তা কালিদাসে আকৰ্ষণীয় কৌশলেৰে চুম্বনপ্ৰয়াসী দুষ্যন্তক বিৰত কৰিলে। সেই সময়তে আশ্ৰমবৃদ্ধা গৌতমী শকুন্তলাক চাবলৈ অহাৰ সূচনা দি নেপথ্যত অনসূয়া-প্ৰিয়ম্বদাই ক'লে—"হে চক্ৰবাকবধূ! তুমি সহচৰৰপৰা মেলানি মাগিবৰ হ'ল; এয়া ৰজনী আহি উপস্থিত হৈছে।[৫]" এই কথা শুনি শকুন্তলাৰ পৰামৰ্শ অনুযায়ী দুষ্যন্তই গছৰ আঁৰত আত্মগোপন কৰি থাকিল। গৌতমী আৰু সখীয়েকহঁতে শকুন্তলাক কুটীৰলৈ লৈ গ'ল। যাবৰ পৰত শকুন্তলাই লতাবলয়ক কোৱাৰ চলেৰে দুষ্যন্তৰপৰা বিদায় মাগি গ'ল—"হে সন্তাপহাৰক লতাবলয়! আকৌ তোমাক উপভোগ কৰাৰ আশাৰে বিদায় মাগিছোঁ।"[৬] তাৰপিছত দুষ্যন্ত ওলাই আহি প্ৰিয়াবিহীন শূন্য লতামণ্ডপলৈ চকু ফুৰাই শকুন্তলাৰ

৫. চক্ৰবাকবধূকে, আমন্ত্ৰয়স্ব সহচৰম্, উপস্থিতা ৰজনী।

৬. লতাবলয়, সন্তাপহাৰক, আমন্ত্ৰয়ে ত্বাং ভূয়োঽপি পৰিভোগায়

বিৰহত কাতৰ হৈ পৰিল। দুষ্মন্তই প্ৰিয়াৰ স্মৃতিজড়িত লতামণ্ডপ এৰি যাবলৈ কুণ্ঠিত হৈ পৰাৰ কথাৰে শকুন্তলাৰ প্ৰতি তেওঁৰ অনুৰাগ দৃঢ়মূল হ'ল বুলি বুজোৱা হ'ল। অনুৰাগনিবদ্ধ দুষ্মন্তক প্ৰিয়াৰ স্মৃতিবিজড়িত স্থানৰপৰা আঁতৰাই নি অংকটিৰ সামৰণি মাৰিবৰ কাৰণে মহাকবিয়ে আকৌ এক মনোৰম কৌশল প্ৰয়োগ কৰিছে।

দুষ্মন্তলৈ কৰ্তব্যৰ আহ্বান আহিল, নেপথ্যৰপৰা কোৱা হ'ল—"হে মহাৰাজ! সান্ধ্যকালীন যজ্ঞকৰ্ম আৰম্ভ হওঁতেই যজ্ঞাগ্নি প্ৰজ্বলিত হৈ থকা বেদিৰ চাৰিওফালে সান্ধ্য মেঘৰ দৰে পিংগলবৰ্ণৰ ৰাক্ষসৰ ছাঁবোৰে বিচৰণ কৰি ভীতি সঞ্চাৰ কৰিছে।" এই কৰ্তব্যপালনৰ কাৰণে লতামণ্ডপৰ আকৰ্ষণ ত্যাগ কৰি ততালিকে দুষ্মন্ত অগ্ৰসৰ হোৱাতে অংকৰ সামৰণি পৰিছে।

এটা বিষ্কম্ভক[৭] দৃশ্যেৰে আৰম্ভ হোৱা চতুৰ্থ অংকটোত বহুখিনি গুৰুত্বপূৰ্ণ ঘটনাৰ সমাৱেশ ঘটিছে। বিষ্কম্ভক দৃশ্যত অনসূয়া-প্ৰিয়ম্বদাৰ আলাপৰপৰা দুষ্মন্ত যে গান্ধৰ্বপ্ৰথাৰে শকুন্তলাক বিয়া কৰাই আশ্ৰমৰ যজ্ঞকৰ্ম অবিঘ্নে সমাপন হোৱাৰ পিছত ৰাজধানীলৈ ঘূৰি গ'ল, সেই কথা জনা গৈছে। তাৰ পিছত দুৰ্বাসাৰ অভিশাপৰ সন্দৰ্ভ আহিল। বিষ্কম্ভক দৃশ্যৰ পাছত সখীদুগৰাকীৰ কথাৰ যোগেদি তীৰ্থৰপৰা ঘূৰি অহা কণ্বই হোমগৃহত প্ৰৱেশ কৰোঁতেই এক অশৰীৰী বাণীৰপৰা ৰাজচক্ৰৱৰ্তী দুষ্মন্তৰ তেজ শকুন্তলাই ধাৰণ কৰাৰ কথা জানিব পাৰিলে বুলি জনা

৭. মঞ্চত নেদেখুৱা আৰু নাটকত গৌণস্থান লাভ কৰা কথাৰ বৰ্ণনাৰে সৈতে অংকৰ আৰম্ভণিতে থকা যি সংলাপৰদ্বাৰা অতীতত হোৱা আৰু হ'বলগীয়া ঘটনাৰ মাজত যোগসূত্ৰ স্থাপন কৰা হয়, তাকে বিষ্কম্ভক বোলে। ইয়াত এজন বা দুজন মধ্যমপাত্ৰ অথবা নীচ আৰু মধ্যমপাত্ৰৰ কথোপকথন থাকে। সাহিত্য-দৰ্পণত বিষ্কম্ভকৰ লক্ষণ এনে ধৰণে দিয়া হৈছে—

> বৃত্তবৰ্তিষ্যমাণানাং কথাংশানাং নিদৰ্শকঃ।
> সংক্ষিপ্তাৰ্থস্তু বিষ্কম্ভ আদাবংকস্য দৰ্শিতঃ॥ ৪

গৈছে। তাৰ পিছত উলহ-মালহ, অথচ করুণ পৰিবেশ এটাত শকুন্তলাক পতিগৃহলৈ পঠোৱাৰ দৃশ্য। অনসূয়া-প্ৰিয়ম্বদাৰ সৈতে শকুন্তলা আৰু তেওঁৰ সহযাত্ৰীসকলক আগবঢ়াই থ'বলৈ যোৱা কণ্বই স্নেহৰ নন্দিনী শকুন্তলাক যেন উপদেশ দি শেষেই নহ'ব ; তেওঁ যেন শকুন্তলাক এৰিযে নপঠাব। সেই সময়তে দুহিতৃবৎসল কণ্বক আশ্ৰমবৃদ্ধা গৌতমীয়ে শকুন্তলাৰ যাত্ৰাৰ ক্ষণ পাৰ হৈ যোৱাৰ কথা সোঁৱৰাই কুটীৰমুখী কৰিব খুজিছে। তেতিয়া কণ্বৰ তপস্যাৰ কাললা অতিবাহিত হোৱাৰ কথা মনত পৰি, তেওঁ শকুন্তলাক এৰি গৃহমুখী হ'ব খুজিছে। চাওঁতে চাওঁতে শকুন্তলা পিতাক আৰু সখীয়েকহঁতৰ চকুৰ আঁতৰ হৈ পৰিল। শোকসন্তপ্ত পিতৃ কণ্বই সান্ত্বনা লাভ কৰাৰ এক সুন্দৰ উপায় উলিয়াই মহাকবিয়ে করুণ অংকটিৰ সমাপ্তি ঘটাইছে। পিতৃৰ দায়িত্ব সম্পন্ন কৰি স্নেহৰ দুহিতাক স্বামীগৃহলৈ পঠাই ঋষিয়ে এক পৰম তৃপ্তি লাভ কৰাৰ সূচনাৰে করুণ দৃশ্যটিৰ মধুৰ সমাপ্তি ঘটোৱা হ'ল।

পঞ্চম অংকৰ আৰম্ভণিতে দুৰ্বাসাৰ অভিশাপৰ ফলত দুষ্মন্তই শকুন্তলাক একেবাৰে পাহৰি পেলোৱাৰ পটভূমি ৰচনা কৰি কণ্বশিষ্যসকলে উপস্থিত কৰোৱা শকুন্তলাক দুষ্মন্তই প্ৰত্যাখ্যান কৰাৰ বিতৰ্কপূৰ্ণ আৰু মৰ্মস্পৰ্শী দৃশ্যটি দাঙি ধৰা হৈছে। শকুন্তলা যে দুষ্মন্তৰ বিবাহিতা পত্নী, কণ্বৰ আশ্ৰমৰপৰা যোৱা লোকসকলে এই কথাত ৰজাক কোনোমতেই প্ৰত্যয় নিয়াব নোৱাৰি অন্তঃসত্ত্বা শকুন্তলাক স্বামীৰ গৃহতে এৰি গুচি গ'ল। ধৰ্মপত্নী ত্যাগ কৰি পাতকত লিপ্ত হ'ব নে পৰস্ত্ৰীৰ সম্পৰ্কেৰে নিজকে দূষিত কৰিব, শকুন্তলাৰ বিষয়ত স্মৃতিভ্ৰষ্ট ৰজাৰ মনত এই বিষয়ত প্ৰবল অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হ'ল। অৱশেষত ৰাজপুৰোহিতে সন্তান প্ৰসৱ কৰালৈকে শকুন্তলাক নিজৰ লগতে ৰাখিবলৈ স্থিৰ কৰিলে। শকুন্তলাৰ সন্তানৰ গাত যদি ৰাজকীয় লক্ষণ প্ৰকাশ পায়, তেতিয়া দুষ্মন্তৰ সন্তান বুলি প্ৰমাণিত হ'ব। পিছে ৰাজকাৰ্যত একনিষ্ঠভাৱে ৰত দুষ্মন্ত আৰু প্ৰজাসকলৰ কাৰণে এই পৰিস্থিতি নিতান্ত উদ্বেগজনক হ'ব। গতিকে মহাকবিয়ে এই সমস্যা

সমাধানৰ এটা সহজ উপায় উদ্ভাৱন কৰিলে—আত্মীয়সকল গুচি যোৱাৰ পিছত হিয়াধুনি কান্দি থকা শকুন্তলাক এক জ্যোতির্ময়ী নাৰীমূৰ্তিয়ে আকাশলৈ লৈ যোৱাৰ সূচনা দি অংকটিৰ সামৰণি মৰা হ'ল।

ষষ্ঠ অংকত মাছৰ পেটত উদ্ধাৰ হোৱা (শকুন্তলাই হেৰুৱা) ৰজাৰ নামমুদ্ৰিত আঙঠীটো পাই ৰজাৰ শকুন্তলাবিষয়ক স্মৃতি জাগৃত হয়। প্ৰিয়তমা ধৰ্মপত্নীক অকাৰণতে প্ৰত্যাখ্যান কৰি অনুতাপ আৰু বিৰহত কাতৰ হৈ পৰা নায়ক দুষ্যন্তক উন্মাদপ্ৰায় হৈ পৰাৰ চৰম অৱস্থাত উপনীত কৰি মহাকবিয়ে অতি নিপুণভাৱে সৈতে পৰিস্থিতিটো অন্যকালে ঢাল খুৱাই দিছে। শকুন্তলাৰ চিত্ৰ আগত লৈ শকুন্তলাৰ ভাবত তন্ময় হৈ থকা দুষ্যন্তই পৰিচাৰিকাৰ মুখে ৰাণী বসুমতী সেই ঠাইলৈকে আহিছে বুলি জানিও প্ৰকৃতিস্থ হৈছে আৰু চিত্ৰখনেৰে সৈতে তেওঁৰ লগত কথা পাতি থকা বিদূষকক মেঘপ্ৰতিচ্ছন্দ প্ৰাসাদলৈ পঠাই দিছে। সেই সময়তে অমাত্যই লিখি পঠোৱা ৰাজকাৰ্য সংক্ৰান্তৰ পত্ৰ এখন পাই বিৰহকাতৰ ৰজাৰ মন প্ৰথমে ৰাজকাৰ্যমুখী হৈ পৰিছে আৰু পিছত তাত উল্লিখিত নিঃসন্তান সদাগৰজনৰ বৃত্তান্তই নিজৰ সন্তানহীনতাৰ দুখো জগাই তুলিছে। এই প্ৰসংগটোৱে সন্তানসম্ভৱা ধৰ্মপত্নীক ত্যাগ কৰা অনুশোচনাৰে ৰজাক জৰ্জৰিত কৰাৰ সংক্ষিপ্ত বৰ্ণনা দি মহাকবিয়ে সোনকালেই সেই অৱস্থাৰ পৰিবৰ্তন আনি অংকৰ সমাপ্তি ওচৰ চপাই দিছে।

দেৱকাৰ্য সাধনৰ কাৰণে দুষ্যন্তক ইন্দ্ৰৰ কথামতে স্বৰ্গলৈ নিবলৈ অহা মাতলিয়ে যেতিয়া অদৃশ্যৰূপত বিদূষকক আক্ৰমণ কৰিলে, দুষ্যন্তই তেতিয়া শকুন্তলাৰ শোক-ব্যথা ত্যাগ কৰি ধনু-শৰ লৈ ঠিয় হ'ল। ইন্দ্ৰৰ সাৰথিয়ে দেখা দি সেই সময়ত দুষ্যন্তক ইন্দ্ৰৰ সংবাদ জনালে। এই অংকতে সানুমতী অপ্সৰাই সূচনা দি যোৱা দুষ্যন্ত-শকুন্তলাৰ পুনৰ্মিলনৰ উদ্দেশ্যে দেৱসমাজ যত্নপৰ হোৱা কথাৰ কাৰ্যকৰী পাতনিও মাতলিৰ আগমনদ্বাৰা মেলা হ'ল। পৰৱৰ্তী অংকত মাৰীচৰ স্বৰ্গীয় আশ্ৰমত পুত্ৰসমন্বিতে

শকুন্তলাৰ লগত দুষ্যন্তৰ মিলন ঘটাৰ সিংহদুৱাৰ মুকলি কৰি মহাকবিয়ে মাতলিৰ আগমনেৰে ষষ্ঠ অংকৰ সামৰণি মাৰিছে।

সপ্তম অংকত স্বৰ্গৰপৰা স্বৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰাৰ পথত মাৰীচৰ আশ্ৰমত দুষ্যন্ত-শকুন্তলাৰ পুনৰ্মিলন ঘটিল। কণ্বৰ আশ্ৰমত গুৰুজনৰ অজ্ঞাতে ঘটা দুষ্যন্ত-শকুন্তলাৰ স্বেচ্ছাচাৰী মিলনৰ পৰিণতি শুভ নহ'ল। নাটকৰ অন্তিম অংকত পুত্ৰসমন্বিতে নায়ক-নায়িকাৰ মিলন ঘটাৰ পিছত তেওঁলোকে এই অভ্যুদয় কালত দেৱতাৰ জনক-জননী মাৰীচ-অদিতিক সাক্ষাৎ কৰি আশিস্ নিৰ্মালি গ্ৰহণ কৰিলে। তেওঁলোকে স্বৰ্গ আৰু মৰ্ত্ত্যৰ পাৰস্পৰিক সহযোগিতা যাতে যুগ যুগ ধৰি চলি থাকে, সেই আশীৰ্বাদ দিলে। সদৌ শেষত কালিদাসৰ নায়কে এই সাৰ্বজনীন কল্যাণৰ কামনাৰে নাটকৰ শুভ সামৰণি মাৰিছে—

প্ৰজাৰ মংগল হেতু ৰত হওক নৰপতি
বেদজ্ঞ লোকৰ বাণী হওক সন্মানিত।
নীলকণ্ঠ শক্তিমান স্বয়ম্ভু শিৱই
কৰক আমাক জন্ম-মৃত্যুৰ অতীত ॥[৮]

---

৮. প্ৰৱৰ্ত্ততাং প্ৰকৃতিহিতায় পাৰ্থিৱঃ সৰস্বতীশ্ৰুতিমহতাং মহীয়তাম্।
মামপি চ ক্ষপয়তু নীললোহিতঃ পুনৰ্ভৱং পৰিগতশক্তিৰাত্মভূঃ। [৭/৩৫]

যত্র যাতি শকুন্তলা

সংস্কৃতত এফাঁকি বহুপ্ৰচলিত প্ৰৱচন আছে—

কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যা শকুন্তলা।
তত্ৰাপি চ চতুৰ্থোঽঙ্কঃ যত্র যাতি শকুন্তলা ॥[১]

সাহিত্যিক কৃতিসমূহৰ ভিতৰত নাটক মনোৰম, নাটকৰ ভিতৰত শকুন্তলা মনোৰম, তাৰ ভিতৰতো আকৌ য'ত শকুন্তলা (পতিগৃহলৈ) গৈছে সেই অংকটি মনোৰম। এই প্ৰৱচনে সংস্কৃত সাহিত্য-জগতত মহাকবি কালিদাসৰ শকুন্তলা নাটক আৰু সেই নাটকৰ চতুৰ্থ অংকটোক ৰমণীয়তাৰ দৃষ্টিৰে শ্ৰেষ্ঠ আসন দিছে।

কালিদাসৰ শ্ৰেষ্ঠ কৃতি শকুন্তলা নাটকৰ চতুৰ্থ অংকটিত এটি কন্যাক পিতৃগৃহৰপৰা পতিগৃহলৈ পঠোৱা হৰ্ষমধুৰ হ'লেও কাৰুণ্যবিধুৰ চিত্ৰ এখনি দাঙি ধৰা হৈছে। এই চিত্ৰখনিত দেশ, কাল আৰু পাত্ৰৰ অতীত এক সাৰ্বজনীন মানৱীয় আবেদন ফুটি ওলাইছে। সংসাৰী লোকমাত্ৰেই কন্যা বিচ্ছেদৰ হৰ্ষমধুৰ কাৰুণ্য উপলব্ধি কৰিব পাৰে। এই উপলব্ধিয়ে সহৃদয়ৰ হৃদয়ত কাৰুণ্যৰ প্লাৱন নমায়। কেতিয়াবা আনকি এই কাৰুণ্যৰ অনুভূতিয়ে বৰযাত্ৰীৰ হৃদয়তো নৱবধূৰ আগমনৰ আনন্দ উচ্ছ্বাস সেমেকাই চকুলো বোৱায়

আমি অতি সহজতেই অসমীয়াৰ বিয়াৰ ৰভাতলিত বহিও কালিদাসৰ কন্যাবিচ্ছেদৰ এই কাৰুণ্য উপলব্ধি কৰিব পাৰোঁ। আমাৰ নামতীয়ে

১ এই শ্লোকৰ অন্তিম পাদ "যত্র যাতি শকুন্তলা"ৰ পৰিবৰ্তে 'তত্ৰ শ্লোকচতুষ্টয়ম্" পাঠো পোৱা যায়। সমুদায় শ্লোকটোৰ তত্ত্ববহুল আলোচনা আমাৰ পৰম-পূজনীয় শিক্ষাগুৰু ডঃ মুকুন্দ মাধৱ শৰ্মাদেৱৰ "উপমা কালিদাসস্য" নামৰ গ্ৰন্থত অন্তৰ্ভুক্ত "কাব্যেষু নাটকং ৰম্যং" শীৰ্ষক প্ৰবন্ধত পাব।

গোৱা—"দেউতাই কান্দিব বাটলৈ চাই, চেনেহৰ বৰজীক লোকে লৈ যায়"—বোলা বিয়ানামযাৰৰ কৰুণতাই কালিদাসৰ কণ্বই স্নেহৰ নন্দিনী শকুন্তলাক পতিগৃহলৈ পঠোৱাৰ সময়ত শোকত অধীৰ হোৱা বৰ্ণনাতো হৃদয়ৰ আপোন কৰি তোলে। অধিবাসৰ দিনা সমনীয়াইঁতে যেতিয়া এইদৰে গায়—

আজি আইদেউৰ অধিবাসে কাইলৈ হ'ব বিয়া।
পৰহিলৈ সমনীয়াৰ ভাঙি যাব হিয়া॥

সেই সময়ত কালিদাসৰ অনসূয়া-প্ৰিয়ম্বদাৰ সখীবিৰহৰ বেদনা সহজে অনুভৱৰ বিষয় হয়। আমাৰ আইদেৱে—"দেউতাক গতালো গোহালিৰ গৰু" বোলাৰ দৰে কালিদাসৰ শকুন্তলায়ো পিতাক কণ্বক পশু পোৱালিটো সঁপি থৈ গৈছে। বিয়ানামত "টান বন নিদিবা, লঘোণে নথবা, তোমাক দিলোঁ পাতি জীৱনৰ গৰাকী" বোলাৰ দৰে কালিদাসৰ কণ্বয়ো দুষ্মন্তলৈ পঠোৱা এটি বাণীতে শকুন্তলাৰ সুখ-দুঃখৰ দায়িত্ব তেওঁৰ স্বামীৰ ওচৰত সঁপি দিছে। "আইটিৰ বেজাৰত নেওথনী যঁতৰে কন্দা"ৰ দৰে কালিদাসৰ শকুন্তলাৰ বেজাৰত আশ্ৰমৰ পশু-পক্ষী, গছ-লতা, ম্ৰিয়মাণ হৈ পৰিছে। কালিদাসৰ যাদুকৰী লেখনীত জীৱন্ত ৰূপ পোৱা হৰ্ষ-বিষাদৰ আলোকছায়াৰে ৰঞ্জিত এই তনয়াবিচ্ছেদৰ চিত্ৰখনিয়ে আদিৰস শৃংগাৰৰ সুকুমাৰতাকো চেৰ পেলালে। শৃংগাৰ ৰসে সংসাৰত্যাগী জনৰ সহৃদয়তা আদায় কৰিব নোৱাৰে। কাৰুণ্যমিশ্ৰিত বাৎসল্যই সংসাৰত্যাগী কণ্বকো বিচলিত কৰি বাৎসল্যৰ সাৰ্বজনীন আবেদন প্ৰমাণিত কৰিছে। কালিদাসৰ এই সৃষ্টি অনন্য। এতিয়া কালিদাসৰ সৰ্বশ্ৰেষ্ঠ ৰচনা বুলি স্বীকৃত শকুন্তলা নাটকৰ চতুৰ্থ অংকৰ বৰ্ণনা এটি তলত দিয়া হ'ল।

চতুৰ্থ অংকৰ আৰম্ভণিতে সংযোজনা কৰা বিষ্কম্ভক দৃশ্যটোৰ ঘটনাসমূহ দুষ্যন্ত আশ্ৰমৰপৰা ৰাজধানীলৈ ঘূৰি যোৱাৰ দিনাই ঘটিছিল।[২] অতীত আৰু ভৱিষ্যৎ ঘটনাৰ মাজত যোগসূত্ৰৰ কাম কৰা এই

২. অনসূয়া—অদ্য স ৰাজৰ্ষিৰিষ্টিং পৰিসমাপ্য আত্মনঃ নগৰং প্ৰৱিশ্য

দৃশ্যটোত অনসূয়াৰ মনত এক আশংকা জন্মা দেখা গৈছে—জানোচ বজাই অন্তঃপুৰৰ ৰমণীসকলক পাই শকুন্তলাৰ কথা পাহৰি পেলায়। প্ৰিয়ম্বদাক আকৌ অন্য এক চিন্তায়ো ব্যাকুল কৰিছে—কণ্বই দুষ্যন্ত শকুন্তলাৰ গোপন বিৱাহৰ কাৰণে বা কি কয়। অনসূয়াই সেই বিৱাহে যে বিদিতধৰ্মী মহৰ্ষি কণ্বৰ অনুমোদন লাভ কৰিব সেই বিষয়ত নিশ্চয়তা প্ৰকাশ কৰিছে। এই দৃশ্যতে শকুন্তলাৰ ভাগ্যলৈ চৰম বিপৰ্যয় অনা দুৰ্বাসা ঋষিৰ অভিশাপো সংঘটিত হৈছে। বিষ্কম্ভক দৃশ্যৰ ঘটনাৰপৰা প্ৰকৃত চতুৰ্থ অংকৰ ঘটনাৰ মাজত অন্ততঃ পাঁচ দিন সময়ৰ ব্যৱধান বুলি বিদ্বানসকলে মত প্ৰকাশ কৰিছে।[৩]

চতুৰ্থ অংকৰ আৰম্ভণিতে কণ্ব সোমতীৰ্থৰপৰা প্ৰত্যাৱৰ্তন কৰাৰ কথা জনা গৈছে; মহৰ্ষি আশ্ৰমত উপস্থিত হোৱাৰ পিছদিনাই শকুন্তলাক পতিগৃহলৈ পঠোৱা হয়। কণ্বই তীৰ্থৰপৰা ঘূৰি আহি শকুন্তলাই সুযোগ্য পাত্ৰত মনোনিৱেশ কৰি বিৱাহ সমাধা কৰা বুলি আৰু শকুন্তলা অন্তঃসত্ত্বা হোৱাৰ কথা জানি আনন্দত উৎফুল্ল হৈ পৰিল।

কণ্বৰ আশ্ৰমত নিমিষতে উদুলি-মুদুলি লাগি পৰিল। এই সংবাদটি পোৱাৰ লগে লগে অনসূয়া-প্ৰিয়ম্বদাৰ হৃদয়ত হৰ্ষ-বিষাদৰ থৌকি বাথৌ লাগিল। উষাৰ পবিত্ৰ কিৰণে ভূমি স্পৰ্শ কৰাৰ মংগল ক্ষণতে স্নান কৰি অতোৱা শকুন্তলাক হাতত নীবাৰ ধানৰ চাউল লৈ স্বস্তিবচন উচ্চাৰণ কৰি তাপসীসকলে অভিনন্দন জনালে। তেওঁলোকে শকুন্তলাক স্বামীৰ আদৰণীয় মহাদেৱী হ'বলৈ আৰু বীৰ-প্ৰসৱিনী হ'বলৈ আশীৰ্বাদ দিলে। অনসূয়া-প্ৰিয়ম্বদায়ো তাতে গৈ সখীয়েকক "অন্তহীন সুখত নিমগ্ন হোৱা"[৪] বুলি হিয়া উবুৰিয়াই শুভ কামনা যাচিলে। কাষতে বহি চিৰ চেনেহী সখীয়েকক তেওঁলোকে শেষবাৰৰ কাৰণে সজোৱা-পৰোৱাতে লাগিল।

---

৩. দ্ৰষ্টব্য—ৰমেন্দ্ৰমোহন বসুৰদ্বাৰা সম্পাদিত "*অভিজ্ঞান শকুন্তলম্*" গ্ৰন্থৰ পৃঃ ৪০৫

৪ সখো—সখি, সুখমজ্জনং তে ভৱতু।

সখীয়েকইঁতৰ মৰমী হাতৰ পৰশ পোৱাটো জীৱনত দুৰ্ল'ভ হৈ পৰিব বুলি শকুন্তলাৰ দুধাৰেদি চকুলো বাগৰি গ'ল।

যি প্ৰকৃতি-মাতৃৰ উদাৰ কোলাত প্ৰকৃতিকন্যা শকুন্তলা লালিতা-পালিতা হৈছিল, সেই প্ৰকৃতি মাতৃয়েই শকুন্তলাৰ কাৰণে ৰমণীয় বস্ত্ৰ-আভৰণৰ সম্ভাৰ আগ বঢ়ালে। এজোপা গছে জোন যেন বগা পাটৰ কাপোৰ দি মংগল সূচনা কৰিলে। অনা এজোপাই ভৰিত সানিবলৈ অলক্তক ৰস (আল্‌তা) উলিয়াই দিলে। অন্য কিছুমান গছৰপৰা ন ন কুঁহিপাতৰ নিচিনা হাতবোৰ ঠাৰিলৈকে উলিয়াই বনদেৱতাসকলে অলংকাৰ দান কৰিলে।[৫]

পালিতা কন্যাক পতিগৃহলৈ বিদায় দিয়াৰ পৰত সংসাৰত্যাগী কণ্বৰো হৃদয় শোকত উঠলি উঠাৰ যি অন্তৰস্পৰ্শী বৰ্ণনা মহাকবিয়ে দাঙি ধৰিছে, সি সহৃদয় জনৰ হৃদয়ত কাৰুণ্যৰ প্লাৱন নমায়। এই বৰ্ণনা কালিদাসে যিটি শ্লোকত দাঙি ধৰিছে (যাস্যত্যদ্য শকুন্তলেতি) ইত্যাদি শ্লোকটি "মূৰ্তিমান দুহিতৃ স্নেহ কণ্ব' নামৰ আলোচনাত উল্লেখ কৰি অহা হৈছে)। কাৰুণ্য আৰু বাৎসল্যৰ মধুৰ আৱেদন থকা সেই শ্লোকটি চতুৰ্থ অংকৰ সৰ্বশ্ৰেষ্ঠ শ্লোক চাৰিটাৰ অন্যতম। সংসাৰত্যাগী মুনিকো তনয়াবিচ্ছেদৰ দুখে আকুল কৰি তোলাৰ বৰ্ণনাৰে মহাকৱিয়ে সংসাৰী পিতৃৰ আত্মজাবিচ্ছেদৰ মৰ্মস্পৰ্শিতাৰ সাৰ্থক ব্যঞ্জনা কৰিছে।

মহৰ্ষিয়ে শকুন্তলাক পৱিত্ৰ হোমৰ বেদী প্ৰদক্ষিণ কৰাই আশ্ৰমৰপৰা বিদায় দিছে। তাৰ আগতেই পিতাকক দেখি চৰণ বন্দনা কৰা শকুন্তলাক কণ্বই হিয়া উবুৰিয়াই আশীৰ্বাদ কৰিছে তেওঁ যেন স্বামীৰ পৰম আদৰৰ পাত্ৰী আৰু সৎ পুত্ৰৰ মাতৃ হয়। আশ্ৰমৰ প্ৰতিজোপা গছৰ লগত

৫. ক্ষৌমং কেনচিদিন্দুপাণ্ডু তৰুণা মাংগল্যমাবিষ্কৃতং
নিষ্ঠ্যূতশ্চৰণোপভোগসুলভো লাক্ষাৰসো কেনচিৎ।
অন্যেভ্যো ৱনদেৱতা-কৰতলৈৰাপৰ্বভাগোৎথিতৈ-
ৰ্দত্তান্যাভৰণানি নঃ কিসলয়োদ্ভেদপ্ৰতিদ্বন্দ্বিভিঃ॥ [শকুন্তলা ঃ ৪/৫]

শকুন্তলাৰ কি আন্তৰিক স্নেহৰ সম্পৰ্ক, কণ্বই সেই কথা জানে। সেইকাৰণে তেওঁ তপোবনৰ তৰু-লতাসমূহক শকুন্তলাক বিদায় দিবলৈ করুণ আবেদন জনাইছে। যি শকুন্তলাই গছ-লতাত পানী নিদিয়াকৈ নিজে এটুপি পানী মুখত নিদিছিল, গছ-লতাবোৰৰ মৰমতে এপাহি কুঁহিপাতো ছিঙি নিপিন্ধিছিল, গছ-লতাবোৰত নতুন ফুল ফুলাৰ সময়ত যাৰ আনন্দ-উৎসৱ মিলিছিল, সেই শকুন্তলা পতিগৃহলৈ যোৱাত অনুমোদন বিচাৰি কণ্বই আশ্ৰমবৃক্ষক কোৱা কথাখিনিৰ বৰ্ণনা থকা শ্লোকটিও তাৰ অন্তৰস্পৰ্শী করুণ আবেদন আৰু প্ৰকৃতিৰ লগত থকা মানুহৰ নিবিড় সম্পৰ্কৰ সুন্দৰ ব্যঞ্জনাৰ কাৰণেই চতুৰ্থ অংকৰ অন্যতম ৰমণীয় শ্লোক (শকুন্তলা ৪/৯)।

কুলিৰ মধুৰ মাতেৰে শকুন্তলাৰ আশ্ৰম-বাসকালৰ আত্মীয়-কুটুম্ব স্বৰূপ আশ্ৰমতৰুগণে কণ্বক প্ৰত্যুত্তৰ জনাই শকুন্তলাক বিদায়-বাণী শুনালে আকাশবাণীৰদ্বাৰা। তপোবনৰ দেৱতাসকলে শকুন্তলাৰ সুখপ্ৰদ শুভযাত্ৰাৰ সূচনা কৰিলে (শকু : ৪.১১)। প্ৰিয়-মিলনৰ কাৰণে উদগ্ৰীৱ হৈ থকা শকুন্তলাৰ ভৰি দুটি যেন চিৰ-চেনেহৰ আশ্ৰমখনি এৰি আগবাঢ়িবই নোখোজে। মৰমৰ সখীয়েক প্ৰিয়ম্বদাই লক্ষ্য কৰিলে তপোবন এৰি শকুন্তলাক যাবলৈ ওলোৱা দেখি পছবোৰৰ মুখৰপৰা কুশ ঘাঁহ সৰি সৰি পৰিছে, ম'ৰাই নাচোন এৰি পেলাইছে, গছ-লতাবোৰেও যেন হালধীয়া পাতৰ ছলেৰে চকুলো সৰকাইছে[৬]। নিজৰ ভনীয়েকৰ দৰে শকুন্তলাৰ মৰম কৰা বনজ্যোৎস্না নামৰ নৱমল্লিকা লতাজুপিৰপৰা শকুন্তলাই বিদায় লোৱাৰ দৃশ্যযে অন্তৰ স্পৰ্শ কৰে। শকুন্তলাই যেতিয়া সেই লতাজুপিৰ ভাৰ সখীয়েকহঁতক গতালে, শোকাকুল কণ্ঠেৰে তেওঁলোকে সুধিলে— "আমাক কাৰ হাতত গতালা ?" এই দৃশ্যই কণ্বৰ পিতৃ-হৃদয় আকুল কৰাৰ দৰে সহৃদয়জনৰ হৃদয়তো কাৰুণ্যৰ প্লাৱন নমায়।

যিখন আশ্ৰমৰ প্ৰতিটো বস্তুৱে শকুন্তলাক চেনেহৰ এনাজৰীৰে বান্ধি

৬. উদ্গলিতদৰ্ভকৱলাঃ মৃগাঃ পৰিত্যক্তনৰ্তনাঃ ময়ূৰাঃ।
অপসৃতপাণ্ডুপত্ৰাঃ মুঞ্চন্ত্যশ্ৰুণীৱ লতাঃ ॥ [শকু : ৪/১২]

থৈছে, সেই আশ্ৰমৰ গছ-লতা, পশু-পক্ষীবোৰৰ মমতাই শকুন্তলাক প্ৰিয়তম পতিৰ বহু আকাংক্ষিত সান্নিধ্যলৈ আগবঢ়াৰ আনন্দপূৰ্ণ মুহূৰ্ততো ব্যাকুল কৰি তুলিছে। গাভিণী হৰিণীজনীয়ে নিৰ্বিঘ্নে পোৱালি দিয়াৰ বাতৰিটো যাতে শকুন্তলালৈ পঠোৱা হয়, পিতাকক সেই প্ৰাৰ্থনা কৰিছে। সকতেই মাকক হেৰুৱাত শকুন্তলাই অতি যতনেৰে তুলি-তালি ডাঙৰ-দীঘল কৰা হৰিণ পোৱালিটিয়ে তাৰ মৰমৰ শকুন্তলাক এৰি দিব খোজা নাই, কাপোৰত কামুৰি ধৰি পাছৰপৰা টানিছে। কাৰুণ্যৰ এই হৃদয়-বিদাৰক দৃশ্য দেখাৰ পৰতো কণ্বৰ পিতৃ-হৃদয় শকুন্তলাৰ হিত-চিন্তাত ৰত আছে। চকুৰ পানীয়ে বিকল কৰা শকুন্তলাই ওখোৰা মোখোৰা বাটত কিজানি ক'ৰবাত উজুটি খায়, সেই ভাবি কণ্বই শকুন্তলাক চকুলো মোহাৰি ল'বলৈ কৈছে। এনে অৱস্থাত কণ্বই যে স্নেহৰ নন্দিনীক সহজে এৰি আশ্ৰমমুৱা হোৱাটো টান, সেয়া নিতান্ত স্বাভাৱিক কথা। গতিকে শকুন্তলাৰ সহযাত্ৰী কণ্বশিষ্য শাৰংগৰৱে গুৰুক সোঁৱৰাই দিছে—জলাশয়ৰ ওচৰলৈকে মৰমৰ মানুহক আগবঢ়াই থোৱাৰ নিয়ম, তেওঁলোক সৰোবৰৰ পাৰ পালেগৈ যেতিয়া কণ্বই ৰজালৈ বাণী এটা পঠাই আশ্ৰমমুৱা হোৱাহে যুগুত।

এজোপা গছৰ ছাঁত বৈ কণ্বই শকুন্তলাৰ সহযাত্ৰীসকলৰ যোগেদি দুষ্যন্তলৈ এই নীতিগৰ্ভ অথচ শ্ৰুতিমধুৰ বাণী প্ৰেৰণ কৰিলে—সংযমেই কেৱল আমাৰ ধন, তোমাৰ জন্ম উচ্চ বংশত ; তোমাৰ প্ৰতি শকুন্তলাৰ যি অনুৰাগ, সেয়া কোনো আত্মীয়-স্বজনৰদ্বাৰা প্ৰণোদিত নহয়—এই সকলো কথাকে সুবিবেচনা কৰি চাই, তুমি শকুন্তলাক তোমাৰ অন্যপত্নী সকলোৰে সমান আদৰ কৰি চোৱা যেন। ইয়াতকৈ বেছি আদৰ লাভ কৰাটো ভাগ্যৰ ওপৰত নিৰ্ভৰশীল, সেই কথা কন্যাৰ আত্মীয়সকলে কোৱা উচিত নহয় (শকু : ৪/ ১)।

কণ্বৰ নিজ মৰ্যাদা, ৰাজচক্ৰৱৰ্তী দুষ্যন্তৰ আভিজাত্যসুলভ সুবিবেচনা, শকুন্তলাৰ দুষ্যন্ত... ...ত কন্যা অকৃত্ৰিম অনুৰাগৰ মূল, শকুন্তলাৰ প্ৰাপ্য অধিকাৰৰ প্ৰা... ...ৃ ও ৱ সচেতনতা ...ক শকুন্তলাৰ প্ৰাপ্য অধিকাৰ

উপৰিও নিজগুণ আৰু ভাগ্যৰ বলত ভৱিষ্যতে লাভ কৰিব পৰা সৌভাগ্যৰ ওপৰত 'সংযমধন' কণ্বৰ নিৰ্লিপ্ততা প্ৰকাশ পোৱা এই বাণী নিবদ্ধ হৈ থকা শ্লোকটিত কণ্বৰ উদাত্ত চৰিত্ৰৰো মনোৰম অভিব্যক্তি ঘটিছে।

বনবাসী যদিও লৌকিক আচৰণ সম্পৰ্কে বিজ্ঞ কণ্বমুনিয়ে গৃহিণীৰ দায়িত্বৰ বিষয়ে শকুন্তলাক যিখিনি উপদেশ দিছে, তাত প্ৰাচীন ভাৰতীয় সমাজব্যৱস্থাই চাৰিও আশ্ৰমৰ ভিতৰত গাৰ্হস্থ্য আশ্ৰমত দিয়া গুৰুত্ব প্ৰকাশ পাইছে। মহাভাৰতত গাৰ্হস্থ্য আশ্ৰমক সকলো আশ্ৰমৰে মূল আধাৰ বুলি তাত গুৰুত্ব আৰোপ কৰি কৈছে— "........ গৃহস্থো গাৰ্হস্থ্যং বৰ্তয়েৎ। তদ্ধি সৰ্বাশ্ৰমাণাং মূলমুদাহৰন্তি' (শান্তি-১৯১/১০)। সংসাৰত্যাগী হ'লেও কণ্বৰ দৰে এজন আচাৰ্য মুনিয়ে গাৰ্হস্থ্য ধৰ্মৰ সম্যক জ্ঞান আয়ত্ত কৰা আৰু গৃহিণীৰ দায়িত্ব ল'বলৈ আগবঢ়া নিজা কন্যাক সেই বিষয়ে সু-শিক্ষা দিয়াটো নিতান্ত উচিত কাৰ্য হৈছে।

কণ্বই শকুন্তলাক গুৰুস্থানীয়সকলৰ শুশ্ৰূষা কৰিবলৈ সপত্নীসকলক প্ৰিয়সখীৰ দৰে ব্যৱহাৰ কৰিবলৈ, কোনো অৱস্থাতে (দায়িত্বৰ গুৰুভাৰ বহন কৰা) স্বামীৰ প্ৰতিকূল আচৰণ নকৰি (স্ত্ৰীসুলভ শান্তিপ্ৰিয় আচৰণেৰে গৃহস্থালি আৰু সামাজিক শান্তি-শৃংখলা ৰক্ষা কৰিবলৈ) আৰু পৰিজনসকলৰ প্ৰতি মৰমৰ ব্যৱহাৰ কৰিবলৈ আৰু নিজৰ সৌভাগ্যৰ গৰ্ব নকৰিবলৈ উপদেশ দি প্ৰকৃত গৃহিণীৰ কৰ্তব্যৰ শিক্ষা দিয়া শ্লোকটি শকুন্তলা নাটকৰ (৪।১৮) চতুৰ্থ অংকৰ অন্যতম ৰমণীয় শ্লোক-ৰূপে স্বীকৃত।

অৱশেষত কণ্বৰ আদেশ মতে শকুন্তলাই যেতিয়া প্ৰাণপ্ৰিয় সখীদ্বয়ৰ পৰা বিদায় ল'ব লগা হ'ল, সেই দৃশ্য অতিশক মৰ্মন্তুদ। পিতাকৰ কোলাৰ-পৰা আঁতৰ হৈ কেনেকৈ জীৱন ধাৰণ কৰিব বুলি শোকত অধীৰ হ পৰা শকুন্তলাক 'লৌকিকজ্ঞ' কণ্বমুনিয়ে যি সাংসাৰিক ব্যৱহাৰৰ কথাৰে সান্ত্বনা দিলে, তাৰ বৰ্ণনা থকা শ্লোকটিও (৪/১৯) শকুন্তলা নাটকৰ চতুৰ্থ অংকৰ তৃতীয় ৰমণীয় শ্লোকৰূপে পৰিগণিত। অভিজ্ঞাত স্বামীৰ প্ৰশংসনীয় গৃহিণীৰ পদত অধিষ্ঠিতা হৈ বিভৱৰ আধিক্যৰ হেতু অধিক গুৰু হৈ পৰা

কৰ্তব্য পালনত সততে ব্যস্ত থাকি আৰু এক সুসন্তান জন্ম দিয়াৰ পিছত শকুন্তলাই পিতাকক এৰি যোৱাৰ দুখ একেবাৰে পাহৰি পেলাব।

যাবৰ পৰত অনসূয়া-প্ৰিয়ম্বদাই সখীয়েকক ৰজাই চিনি পোৱাত পলম হ'লে তেওঁৰ নামাংকিত আঙঠীটো দেখুৱাবলৈ কোৱাত শকুন্তলা কিছু শংকিত হৈ পৰিছিল যদিও, সখীয়েকহঁতেও এনেয়েহে সেই কথা ক'লে বুলি কোৱাত তেওঁৰ শংকা আঁতৰিল। শাৰংগৰৱে কণ্বক বেলি দুপৰ হোৱাৰ কথা সোঁৱৰাই দি নিবৃত্ত কৰিব লগা হ'ল। সিমানতো শকুন্তলাই পিতাকক সাৱটি ধৰি আশ্ৰমৰ ফালে চাই সুধিলে—আকৌ কেতিয়াকৈ তেওঁ আশ্ৰম দেখিবলৈ পাব? কণ্বই বিদায়ী দুহিতাক সমুচিত উত্তৰকে দিলে—বহুকাললৈকে চতুঃসমুদ্ৰপৰিৱেষ্টিতা পৃথিবীৰ সপত্নী হৈ দুষ্যন্তৰ ঔৰসজাত প্ৰতিদ্বন্দ্বীৰহিত সন্তানক সিংহাসনত প্ৰতিষ্ঠা কৰি আৰু তেওঁকে কুটুম্বৰ্গৰ দায়িত্ব সমৰ্পণ কৰাৰ পিছত স্বামীৰ সতে শকুন্তলাই (বানপ্ৰস্থী হৈ) আকৌ আশ্ৰমত পদাৰ্পণ কৰিবহি (৪।২০)। এইদৰে পুনঃ পুনঃ অন্তৰৰ আৱেগ উজাৰি কথা কোৱা পিতা-পুত্ৰীক বিৰত কৰিবলৈ শেষত আশ্ৰমবৃদ্ধা গৌতমীয়ে মাত লগালে—"আই শকুন্তলা, তোমাৰ যাত্ৰাৰ সময় পাৰ হৈছে। গতিকে পিতাৰাক যাবলৈ এৰি দিয়াঁ। নহ'লে তেখেতে এতিয়া কোৱা কথাকে কৈ থাকিব।"

গৌতমীৰ এই কথা শুনি কণ্বই তপ অনুষ্ঠানৰ কথা সুঁৱৰি শকুন্তলাৰ-পৰা বিদায় ল'লে। শেষবাৰৰ কাৰণে পিতাকক সাৱটি ধৰা শকুন্তলাক বুকুত লৈ কণ্বৰ শোক উথলি উঠিল—কোন সতেনো শকুন্তলাৰ স্মৃতি-বিজড়িত শূন্য আশ্ৰমত তেওঁ শোক সামৰি থাকিব? শুভযাত্ৰাৰ কামনাৰে পিতাকে শকুন্তলাক বিদায় দিলে। চাওঁতে চাওঁতে শকুন্তলা চকুৰ আঁতৰ হৈ পৰিল। শূন্য হৃদয় লৈ আশ্ৰমলৈ ঘূৰি অহা কণ্ব আৰু অনসূয়া-প্ৰিয়ম্বদাৰ চিত্ৰ অতি কৰুণ হৈ পৰিছে। অৱশেষত কন্যাৰ সমগ্ৰ দায়িত্ব পালন কৰি পতিগৃহলৈ পঠাই কণ্বই স্বস্তিৰ নিঃশ্বাস পেলোৱাতে চতুৰ্থ অংকৰ সামৰণি পৰিছে। □

শকুন্তলা নাটকত সানুমতীৰ ভূমিকা

শকুন্তলা নাটকৰ ষষ্ঠ অংকত অৱতাৰণা কৰা সানুমতী অপ্সৰাৰ মূল নাটকীয় কথাবস্তুৰ লগত কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই যদিও, নাটকখনিত এই নাৰীচৰিত্ৰটিয়ে গুৰুত্বপূৰ্ণ ভূমিকাকে গ্ৰহণ কৰিছে। নাটকখনৰ ষষ্ঠ আৰু সপ্তম অংকৰ ঘটনাৱলী সম্পূৰ্ণভাৱে মহাকৱিৰ সৃজনীমূলক প্ৰতিভাসম্ভূত। তাৰ ভিতৰতে সানুমতী অপ্সৰাৰ চৰিত্ৰটোও মহাকৱিৰ সৃজনী প্ৰতিভাৰ সাৰ্থক নিদৰ্শন।

শকুন্তলা নাটকৰ পঞ্চম অংকত দুৰ্বাসাৰ অভিশাপৰ ফলত স্মৃতিভ্ৰষ্ট হোৱা ৰজাই শকুন্তলাক চিনিব নোৱৰা আৰু শকুন্তলা তথা তেওঁৰ সহযাত্ৰীসকলে বহুচেষ্টা কৰিও ৰজাৰ মনত প্ৰত্যয় জন্মাবলৈ বিফল হোৱাত শকুন্তলাৰ স্বামীয়ে কৰা করুণ প্ৰত্যাখ্যান, এই দুয়োটা পক্ষয়ে আমাৰ সমবেদনাৰ উদ্ৰেক কৰিছে। এই সমবেদনাৰ তীব্ৰতাই আমাক নায়ক-নায়িকা উভয়ৰে ভৱিষ্যৎ সম্পৰ্কে অত্যন্ত কৌতূহলী কৰি তুলিছে। এই অংকৰ অন্তিম ভাগত স্বামীৰদ্বাৰা করুণভাৱে পৰিত্যক্তা শকুন্তলাক অপ্সৰা তীৰ্থৰূপৰা এক জ্যোতিৰ্ময়ী নাৰীমূৰ্তিয়ে আকাশলৈ লৈ গ'ল বোলা হৈছে।

ষষ্ঠ অংকত আঙঠীটো পোৱাৰ লগে লগে দুৰ্বাসাৰ শাপৰ অন্ত পৰাত দুষ্যন্ত শকুন্তলা-প্ৰত্যাখ্যানৰ কাৰণে অতিশয় অনুতপ্ত হৈ পৰাৰ মৰ্মস্পৰ্শী দৃশ্য দাঙি ধৰা হৈছে। ইফালেদি স্বামীৰদ্বাৰা পৰিত্যক্তা হোৱাৰ পিছত শকুন্তলাই কেনেদৰে জীৱন যাপন কৰিছে তাৰো বৰ্ণনা এটা সমান্তৰাল-ভাৱে সানুমতীৰ স্বগতোক্তিবোৰৰ যোগেদি দিয়া হৈছে। শকুন্তলা-প্ৰত্যাখ্যানৰ পিছত নায়ক দুষ্যন্তৰ (শাপৰ অন্তত) কেনে প্ৰতিক্ৰিয়া হৈছে, সেই প্ৰত্যক্ষ বৰ্ণনাৰ লগত পৰোক্ষভাৱে সম্পৰ্ক স্থাপন কৰি গৈছে।

এই সম্পৰ্কটোৱে সপ্তম অংকত ঘটিবলগীয়া নায়ক-নায়িকাৰ পুনর্মিলনৰ আগলি বতৰা দিছে।

সানুমতী আহিছিল অপ্সৰাতীৰ্থত এক ব্যক্তিগত কার্য সম্পাদনৰ উদ্দেশ্যে। শকুন্তলাৰ মাক মেনকাৰ অনুৰোধক্রমে তেওঁ ৰাজৰ্ষি দুষ্যন্তৰ অৱস্থা নিজ চকুৰে চাই যাবলৈ ৰাজভৱনলৈ গ'ল[১]। বসন্ত উৎসৱৰ সময় উপস্থিত হোৱাতো ৰাজহাউলীত উৎসৱৰ পৰিৱেশ নেদেখি সানুমতী বিস্মিত হ'ল। 'প্রণিধান'ৰদ্বাৰা সকলো কথা জানিব পৰা শক্তি আছে যদিও, মেনকাৰ অনুৰোধ ৰাখি যেওঁ সকলো কথা নিজ চকুৰে চাই যাব লগা হ'ল। তিৰস্কৰিণী বিদ্যাৰ বলত আত্মগোপন কৰি সানুমতীয়ে দুগৰাকী উদ্যান-পালিকাৰ কথোপকথন শুনিবলৈ ধৰিলে।

মধু বসন্তৰ আনন্দ-উচ্ছল পৰিৱেশত উদ্বাউল হৈ কামদেৱক আম্রমঞ্জৰীৰ অঞ্জলি যঁচা উদ্যান-পালিকা দুগৰাকীয়ে কঞ্চুকীৰ * নিষেধ-বচন শুনি স্তব্ধহৈ ৰ'ল। কঞ্চুকীয়ে তেওঁলোকক জানিবলৈ দিলে যে ৰাজর্ষি দুষ্যন্তৰ আদেশত বাসন্তী তৰুৱেও ফুলিবলৈ ধৰা ফুল সামৰি থৈছে। কলকণ্ঠী পখীৰ কাকলী স্তব্ধ হৈ গৈছে। এনেহে লাগে, যেন কামদেৱও পুষ্প-শৰ মাৰিবলৈ উদ্যত হৈয়ো হঠাৎ ৰৈ গৈছে।

উদ্যানপালিকা দুগৰাকীয়ে কঞ্চুকীৰপৰা বসন্ত-উৎসৱ প্রতিষেধৰ কাৰণ জানিবলৈ বিচাৰিলে। সানুমতীৰ মনতো সেই কৌতুহল জাগিছিল। কাৰণ, উৎসৱ ভাল পোৱাটো মানুহ মাত্রৰেই স্বভাব, তেনেস্থলত ৰজাই যেতিয়া বসন্ত উৎসৱ নিষিদ্ধ কৰিছে, নিশ্চয় তাৰ ডাঙৰ কাৰণ আছে।

মহাকৱিয়ে উৎসৱ নিষিদ্ধ হোৱাৰ কাৰণ ক'বলৈ যোৱা কঞ্চুকীৰ

---

১. সাম্প্রতমস্য ৰাজর্ষেৰকদন্তং প্রত্যক্ষীকৰিষ্যামি।

* অন্তঃপুৰচৰো বৃদ্ধো বিপ্রঃ গুণগণান্বিতঃ।
সর্বকার্য্যার্থ কুশলঃ কঞ্চুকীত্যভিধীয়তে॥ ভৰত

সকলো কার্যতে নিপুণ, অনেক গুণমণ্ডিত, ৰাজ অন্তঃপুৰত থকা বৃদ্ধ ব্রাহ্মণকে কঞ্চুকী বোলা হয়। এওঁ কঞ্চুক অর্থাৎ দীঘল চোলা পিন্ধে। এওঁ অন্তঃপুৰৰ অধ্যক্ষ।

মুখত, আঙঠীটো পোৱাৰ পিছত শকুন্তলা-প্ৰত্যাখ্যানৰ কাৰণে ৰজা অত্যন্ত অনুতপ্ত হৈ পৰা কথাটো, তাত শকুন্তলাৰ মাতৃপক্ষীয় সানুমতীক অৱগত কৰাবৰ কাৰণেই দিছিল যেন লাগে। অঙঠীটো দেখি শকুন্তলাৰ স্মৃতি ঘূৰাই পোৱাৰ পিছত ৰজা কেনেকৈ অনুতাপদগ্ধ হৈ পৰিছে, কঞ্চুকীয়ে তাৰো এটি বৰ্ণনা দিছে। ধুনীয়া বস্তুৰ প্ৰতি তেওঁৰ বিতৃষ্ণা জন্মিছে, আগৰদৰে এতিয়া মন্ত্ৰীসকলৰ পৰিচৰ্যাও গ্ৰহণ কৰা নাই, শয্যাত ছাটি-ফুটি কৰিয়েই বিনিদ্ৰ ৰজনী পাৰ কৰি দিয়ে। তেওঁ যেতিয়া শিষ্টাচাৰ ৰাখি অন্তঃপুৰৰ ৰমণীসকলক মাতিব লগা হয়, তেওঁলোকৰ নাম মাতোঁতে ভুল কৰি পেলায় আৰু তাৰ কাৰণে বহু সময়ত লাজত পৰে[২]। ৰজাৰ এই বিৰহাকুল অৱস্থাৰ কথা শুনি সানুমতীয়ে আনন্দ প্ৰকাশ কৰিছে—কাৰণ এয়া ৰজাৰ শকুন্তলাৰ প্ৰতি থকা গভীৰ অনুৰাগৰ চিন।

সেই সময়তে বিৰহ-বিধুৰ অৱস্থাত আছি থকা দুষ্যন্তৰ বিৰহক্লিষ্ট শৰীৰতো কেনেকৈ লাৱণ্য ফুটি উঠিছে, কঞ্চুকীয়ে সেই বৰ্ণনা দিয়াত সানুমতীৰ দৃষ্টি সেইফালে যায়। কষটি শিলত ঘঁহনা খাই ক্ষীণ হ'লেও অধিক উজ্জ্বল হৈ পৰা ৰত্নৰ দৰে দুষ্যন্তৰ শৰীৰৰ লাৱণ্য বৃদ্ধিহে হৈছে। ৰজাৰ সেই ৰূপ আৰু প্ৰভাৱশালী ব্যক্তিত্ব দেখি সানুমতীয়ে উপলব্ধি কৰিছে—পৰিত্যাগ কৰি অপমানিতা কৰা সত্ত্বেও শকুন্তলাই যে এওঁৰ কাৰণে কষ্ট স্বীকাৰ কৰিছে, সেই কাম অসংগত নহয়[৩]। বিৰহ দুখত ৰজাক কাতৰ হৈ পৰা দেখি, সেই একেদৰেই ব্যাকুল হৈ পৰা শকুন্তলালৈ সানুমতীৰ মনত পৰিছে[৪]।

প্ৰমদবনৰ[৫] শান্ত আৰু নিৰ্জন পৰিৱেশতো বিদূষকৰ সৈতে ৰত্নখচিত

---

২. শকু: ৬/৫

৩. স্থানে খলু প্ৰত্যাদেশৱিমানিত্যাপ্যস্য কৃতে শকুন্তলা ক্লাম্যতি।

৪ নন্বীদৃশানি তপস্বিন্যা ভাগধেয়ানি।

৫. বিজ্ঞেয়ং প্ৰমদবনং নৃপস্য যস্মিন্ শুদ্ধান্তৈঃ সহ ৰমতে পুৰোপকণ্ঠম্ —হলায়ুধ।
নগৰৰ উপকণ্ঠত অন্তঃপুৰৰ ৰমণীগণৰ সৈতে বিহাৰ কৰা স্থানেই 'প্ৰমদবন'।

গিল এছটাত বহি দুষ্যন্তই সখিয়েকৰ আগত মনৰ কথা কৈ বিৰহব্যথা পাতলাব খুজিছে। এওঁ এগৰাকী পৰিচাৰিকাক নিজ হাতে অঁকা শকুন্তলাৰ ছবিখন আনিবলৈ পঠাইছে। সেই ছবিত শকুন্তলাৰ প্ৰতি দুষ্যন্তৰ গভীৰ অনুৰাগ কেনেকৈ প্ৰকাশ পাইছে, তাক নিজ চকুৰে চাবলৈ সানুমতীও লতাৰ আঁৰত লুকাই তেওঁলোকৰ ওচৰ চাপি বৈছে; যাতে তেওঁ শকুন্তলাক দুষ্যন্তৰ এই বহুৰূপত প্ৰকাশ পোৱা অনুৰাগৰ কথা জনাবগৈ পাৰে[৬]।

বিদূষকে কথা-প্ৰসংগত শকুন্তলা-প্ৰত্যাখ্যানৰ করুণ ঘটনা সম্পৰ্কে এই মন্তব্য দাঙি ধৰিলে—"নিয়তিয়েই সকলোতকৈ বলৱান যে, ই নিশ্চিত কথা।" সানুমতীয়েও এই কথা নিৰ্বিবাদে স্বীকাৰ কৰাৰ পৰা বুজিব পাৰি যে শকুন্তলাৰ মাতৃপক্ষীয় লোকসকলে দুষ্যন্তৰ অনিচ্ছাকৃত দোষ ক্ষমা কৰিব। দুষ্যন্ত আৰু বিদূষকৰ আলাপৰপৰা সানুমতীয়ে দুষ্যন্ত পত্নী-ত্যাগৰ দুখত কিমান গভীৰভাৱে অনুতপ্ত হৈছে, সেইকথা উপলব্ধি কৰিব পাৰিছে আৰু শকুন্তলাৰ প্ৰতি সেই কথা পৰম অনুকূল বুলি ৰজাৰ সন্তাপ দেখি তেওঁ আনন্দিত হৈছে।

ইতিমধ্যে কঞ্চুকীৰ মুখত ৰজাই হেৰোৱা আঙঠীটো পাই শকুন্তলাৰ স্মৃতিও ঘূৰাই পোৱাৰ কথা সানুমতীয়ে শুনিবলৈ পাইছিল। ৰজা আৰু বিদূষকৰ কথোপকথনত এই আঙঠীটোৰ প্ৰসংগ অহাত সানুমতীয়ে আঙঠীটো অন্যৰ হাতলৈ যোৱা হ'লে যে অতি শোচনীয় ঘটনা ঘটিলহেঁতেন, সেই কথা উপলব্ধি কৰিছে। শকুন্তলাকনো ৰজাই সেই আঙঠীটো কেনেকৈ প্ৰদান কৰিছিল, বিদূষকে দুষ্যন্তৰপৰা এই কথা জানিবলৈ বিচৰাত সানুমতীযেও সেই বিষয়ত তেওঁৰ কৌতূহল থকাৰ কথা প্ৰকাশ কৰিছে। প্ৰকৃতপক্ষে বিদূষক আৰু সানুমতীৰ দৰে এই বিষয়ত দৰ্শক বা পাঠকৰো কৌতূহল হয়।

৬. লতাসংশ্ৰিতা দ্ৰক্ষ্যামি তাৱৎ প্ৰিয়সখ্যাঃ প্ৰতিকৃতিম্। ততস্তস্যৈ ভৰ্তুৰ্বহু-মুখমনুৰাগং নিৱেদয়িষ্যামি।

আঙঠীটোত লিখি থোৱা দুষ্যন্তৰ নামটোৰ আখৰবোৰ এটা এটাকৈ গণি গ'লে শেষ হোৱাৰ দিনাই ৰজাই শকুন্তলাক অন্তঃপুৰলৈ আনিবলৈ মানুহ পঠোৱাৰ কথা আছিল। দুৰ্ভাগ্যবশতঃ ৰজাই সেই ৰমণীয় ব্যৱস্থাৰ কথাও পাহৰি যোৱাত সানুমতীৰ দৰে আমাৰো ৰজাৰপ্ৰতি সহানুভূতিৰ উদ্ৰেক হৈছে। সেই আঙঠীটো হেৰোৱাৰ কাৰণেহে অধৰ্মলৈ ভয় কৰা ৰজাই শকুন্তলাক গ্ৰহণ নকৰিলে বুলি সানুমতীয়ে মত প্ৰকাশ কৰাৰ পৰা বুজা যায় যে শকুন্তলাৰ মাতৃপক্ষীয়সকলে শকুন্তলা-পৰিত্যাগৰ কাৰণ সম্পৰ্কে একো জনা নাই। শকুন্তলাৰ প্ৰতি দুষ্যন্তৰ গভীৰ অনুৰাগ দেখি সানুমতী আচৰিত হৈছে—সিমানতো শকুন্তলাক চিনি পাবৰ কাৰণে আঙঠীটোৰ কি প্ৰয়োজন আছিল।

কণ্বৰ আশ্ৰমত দুষ্যন্ত-শকুন্তলাৰ প্ৰথম প্ৰণয়ৰ ৰাগেৰে ৰঞ্জিত নিজে আঁকা চিত্ৰখন চাই চাই উন্মাদপ্ৰায় হৈ পৰা ৰজাক দেখি সানুমতীয়েও ক্ষন্তেকলৈ বাস্তৱক পাহৰি পেলাইছে। তেওঁৰ মতে দুষ্যন্তৰ এই বিৰহৰ নিচিনা অপূৰ্ব বিৰহ আগে-পিছে কেতিয়াও হোৱা নাই[৭]। ৰজাৰ সেই বিৰহকাতৰ অৱস্থা দেখি সানুমতীয়ে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে "হে ৰাজৰ্ষি, তুমি শকুন্তলাৰ প্ৰত্যাখ্যানৰ দুখ একেবাৰে নিশ্চিহ্ন কৰি পেলালা[৮]।"

শকুন্তলাৰ চিত্ৰ চাই চাই বিভোৰ হৈ থকাৰ সময়তে ৰাণী বসুমতী প্ৰমদ-বনলৈ আহিলে বুলি সংবাদ পোৱা হ'ল। ৰাণীয়ে দেখি মনত দুখ পাব বুলি ৰজাই যেতিয়া শকুন্তলাৰ চিত্ৰখনি লুকুৱাই থ'ব খুজিছে, তেতিয়া সানুমতীয়ে ৰজাৰ পূৰ্বৰ প্ৰেয়সীৰ প্ৰতি থকা সহানুভূতিৰ পৰিচয় পাইছে। এইখিনিলৈকে সনুমতীয়ে নায়ক-নায়িকাৰ মানসিক অৱস্থাৰ বৰ্ণনাত যোগ-সূত্ৰৰ কাম কৰিলে। শকুন্তলাৰ মাতৃপক্ষীয় লোকে দুষ্যন্তৰ মনৰ কথা জানিব পৰাকৈ মহাকৱিয়ে দুষ্যন্ত বিৰহ-বিধুৰ আৰু অনুতাপ-দগ্ধ হৈ পৰা দৃশ্যৰ প্ৰত্যক্ষ সাক্ষী স্বৰূপে সানুমতীক ৰাখিলে। এতিয়া সানুতীৰ মুখেদি

৭. পূৰ্বাপৰবিৰোধী অপূৰ্ব এষ বিৰহমাৰ্গঃ।
৮. সৰ্বথা প্ৰমাৰ্জিতং ত্বয়া প্ৰত্যাদেশদুঃখং শকুন্তলায়াঃ।

ইতিমধ্যে শকুন্তলা সুপুত্রৰ মাতৃ হোৱাৰ কথাটি প্রকাশ কৰিবলৈ মহাকবিয়ে শ্রেষ্ঠী-বৃত্তান্তটিৰ অৱতাৰণা কৰিছে।

ৰাণী বসুমতীয়ে দুষ্যন্তলৈ ৰাজকাৰ্য বহুন কৰি অনা পত্রখনিৰ কথা জানি প্রমদ বনলৈ নগৈ ঘূৰি আহিল। অপুত্রক সদাগৰ ধনমিত্রৰ মৃত্যু হোৱাত তেওঁৰ ধন-সম্পত্তি ৰাজগামী হোৱাৰ কথা শুনি হাতকে পায়ো সগৰ্ভা পত্নীক ত্যাগ কৰাৰ দুখত নিঃসন্তান দুষ্যন্ত ব্যাকুল হৈ পৰিছে। অদৃশ্যৰূপত থকা সানুমতীয়ে দুষ্যন্তক চাকি থাকিও আঁৰ হৈ থকাৰ কাৰণেহে অন্ধকাৰ দেখিছে বুলি শান্ত কৰিবলৈ উদ্যত হৈ বৈ গৈছে[১]। কাৰণ দেৱমাতা অদিতিয়ে শকুন্তলাক এই বুলি সান্ত্বনা দিয়া তেওঁ শুনিছে যে যজ্ঞভাগৰ অভিলাষী দেৱতাসকলে অচিৰে দুষ্যন্তই তেওঁৰ ধৰ্মপত্নীক অভিনন্দিত কৰাৰ ব্যৱস্থা কৰিব। সানুমতীৰ এই উক্তিয়ে শকুন্তলাৰ সন্তানটি কুশলে থকাৰ আৰু দেৱতাসকলৰ চেষ্টাত অচিৰে দুষ্যন্ত-শকুন্তলাৰ ঘটিব লগীয়া পুনৰ্মিলনৰ সূচনা দিছে। তাৰ পিছত সানুমতীয়ে তেওঁৰ এই প্রত্যক্ষ অভিজ্ঞতাৰ কথা সখিয়েকক জনাবলৈ আনন্দ মনেৰে (উদ্ভ্রান্তকেন) গুচি গৈছে।

এতিয়া দেখা গ'ল যে সানুমতীৰ চৰিত্রটো অৱতাৰণা কৰি কালিদাসে তলত দিয়া দুটা উদ্দেশ্য সাধন কৰিছে—শকুন্তলা প্রত্যাখ্যানৰ কাৰণে দুষ্যন্তৰ মনত হোৱা প্রতিক্রিয়াৰ দৃশ্যমান চিত্রখনিৰ সমান্তৰাল ভাবে শকুন্তলাৰ মানসিক অৱস্থাৰ চিত্র এখনো সানুমতীয়ে দাঙি ধৰিছে। তাৰ ফলত শকুন্তলাৰ বৰ্ণনা দিবলৈ গৈ আৰু এটি অংকৰ অৱতাৰণা কৰিব লগা হোৱা নাই। (২) দুষ্যন্তৰ এই প্রতিক্রিয়াৰ মন্তব্য স্বৰূপে সানুমতীয়ে কৈ যোৱা কথাবোৰৰ বুজা গৈছে যে দুষ্যন্তৰ প্রতি শকুন্তলাৰ সম্ভাৱ অক্ষুণ্ণ হৈয়ে আছে আৰু অৱশেষত সানুমতীয়ে দুষ্যন্ত-শকুন্তলাৰ ভাবী পুনৰ্মিলনৰ যি সূচনা দি গ'ল সেই পুনৰৰ্মিলনত দুষ্যন্তৰ প্রতি শকুন্তলাৰ কোনো বিৰূপভাৱে বাধাৰ সৃষ্টি নকৰে। □

---

১. সতি খলু দীপে ব্যৱধানদোষেণ এষঃ অন্ধকাৰদোষম্ অনুভৱতি। অহমিদানীমেৱ নিৰ্বৃতং কৰোমি।

শকুন্তলা নাটকত হংসপদিকাৰ গীত

শকুন্তলা নাটকৰ পঞ্চম অংকৰ আৰম্ভণিতে বিদূষকে নেপথ্যত বাজি থকা বীণাৰ শব্দলৈ দুষ্যন্তৰ মনোযোগ আকৰ্ষণ কৰি কৈছে—"সখি, সংগীত-শালাৰ ভিতৰলৈ মন দিয়াচোন। বোধকৰোঁ মাননীয়া হংসপদিকাই স্বৰ সাধনা কৰিছে।" দুষ্যন্তই কাণ পাতি এই গীতটি শুনিবলৈ পালে—

অভিনৱ-মধুলোভী মধুকৰ হে
যাচিলা চুম্বন কত চূতমঞ্জৰীক।
পদুম পাতত বহি
আপোন বিভোৰ হৈ
আজি কিয় পাহৰিলা
সেই প্ৰেয়সীক[১] ?

ৰাণী হংসপদিকাৰ এই ৰাগ-পৰিবাহিনী গীতটিয়ে ৰজাৰ মনত যেন অনুৰাগৰ উচ্ছ্বাস জগাই তুলিলে। বিদূষকে দুষ্যন্তক গীতটিৰ তাৎপৰ্য কি সোধাত তেওঁ উত্তৰত ক'লে—এসময়ত হংসপদিকা ৰজাৰ বিশেষ অনুৰাগৰ পাত্ৰী আছিল। এতিয়া দুষ্যন্ত ৰাণী বসুমতীৰ প্ৰতি অনুৰক্ত হৈ পৰা দেখি হংসপদিকাই এই গীতটিৰে দুষ্যন্তক তিৰস্কাৰ কৰিছে।

বহুপত্নীক পতিৰ প্ৰণয়ৰপৰা বঞ্চিত হোৱা ৰাজভৱনৰ ৰমণীৰ হৃদয়ৰ করুণ আৱেগ, মহাকবিয়ে এই গীতটিত সুন্দৰকৈ প্ৰকাশ কৰিছে। কালিদাসৰ নায়কে ৰমণীৰ বুকুৰ সংবাদ শুনি সহাৰি নজনোৱাকৈ থকা নাই। তেওঁ সখিয়েক বিদূষকক বসুমতীক সান্ত্বনা দিবৰ কাৰণে পঠাই

১. অভিনৱ-মধুলোলুপস্ত্বং তথা পৰিচুম্ব্য চূতমঞ্জৰীম্।
কমলবসতি-মাত্ৰ-নিবৃতো মধুকৰ বিস্মৃতোঽস্যেনাং কথম্ ॥ শকু: ৫/১

দিছে। লগে লগে মহাকৱিৰ এক নাটকীয় উদ্দেশ্য পূৰণ হৈ গৈছে। এই ছলেৰে বিদূষকক দুষ্যন্তৰ কাষৰপৰা আঁতৰাই পঠোৱাত, শকুন্তলাক লৈ কণ্বশিষ্যসকল উপস্থিত হোৱাৰ সময়ত বিদূষকে শকুন্তলাক চিনি পোৱাৰ ফলত উপস্থিত হ'বলগীয়া বিৰূপ পৰিস্থিতিৰপৰা হাত সৰা হৈছে।

এই গীতটি অৱতাৰণা কৰাৰ উদ্দেশ্য কেৱল ইমানেই নহয়। হংসপদিকা বা বসুমতী—কোনো গৰাকীয়েই নাটকৰ মুখ্য ঘটনা দুষ্যন্ত-শকুন্তলাৰ প্ৰণয়-কথাৰ লগত সম্পৰ্কজড়িত নহয়। তেনেস্থলত এই গীতটিৰ অৱতাৰণা কৰি হংসপদিকা আৰু বসুমতীক কি উদ্দেশ্য লৈ মহাকবিয়ে ইয়াত জড়িত কৰিব খুজিছে? তৃতীয় অংকত আমি দুষ্যন্তই সদ্য-প্ৰস্ফুটিত ফুলৰ মধুৰ নিচিনা শকুন্তলাৰ অধৰ-ৰসপান কৰিবলৈ মধুকৰৰ দৰে উদগ্ৰীৱ হোৱা পাই আহিছোঁ[২]। চতুৰ্থ অংকত দুৰ্বাসাই শকুন্তলাক দাৰুণ অভিশাপ দিছে আৰু আনহাতে কণ্বই অতি উলহ-মালহেৰে শকুন্তলাক পতিগৃহলৈ পঠাই দিছে। ইফালে দুষ্যন্তৰ ওপৰত দুৰ্বাসাৰ অভিশাপৰ প্ৰতিক্ৰিয়া কি ঘটিছে, সেই বিষয়ে জানিবলৈ আমাৰ মনত স্বাভাৱিক উৎকণ্ঠা জাগিব। তেনেস্থলত হংসপদিকাৰ গীতটিৰ তাৎপৰ্য দুষ্যন্তই বুজাৰ দৰে সুবুজি আমি অন্য ধৰণেহে বুজিম। অভিনৱ-মধু-লোলুপ ভ্ৰমৰ সদৃশ দুষ্যন্তই শকুন্তলাৰ ৰতিসৰ্বস্ব আস্বাদন কৰি এতিয়া তেওঁক পাহৰি অন্তঃপুৰৰ অন্য ৰমণীৰ সংগমাত্ৰ লাভ কৰিয়ে সন্তুষ্ট থকাৰ কথাটোহে এই গীতটিয়ে আমাৰ মনলৈ আনি দিব। সেইদৰে ৰজাৰ মনলৈও এই গীতটোৱে তত্তালিকে শকুন্তলাৰ কথাটো আনি দিয়াটোহে স্বাভাৱিক আছিল, পিছে এই গীত শুনি ৰজাৰ মনত শকুন্তলাৰ স্মৃতি জাগৃত হোৱা দেখা নগ'ল।

হংসপদিকাৰ সুমধুৰ আৰু অৰ্থব্যঞ্জক গীতটোৱে ৰজাৰ মনলৈ এক-অনিৰ্বচনীয় উৎকণ্ঠাৰ অনুভূতি আনি দিছে। দুষ্যন্তই এই উৎকণ্ঠাৰ কোনো কাৰণ স্থিৰ কৰিব নোৱাৰি ভাবিছে—প্ৰিয়জনৰপৰা বিয়োগ নঘটা সত্ত্বেও

২. অপৰিক্ষত-কোমলস্য যাৱৎ কুসুমস্য নৱস্য ষট্‌পদেন।
অধৰস্য পিপাসিতা ময়া তে সদয়ং সুন্দৰি গৃহ্যতে ৰসোঽস্য॥ [শকুঃ ৩/২২]

এই গীতটি শুনি মই কিয় ইমান উৎকণ্ঠিত হৈ পৰিছোঁ ? নহ'লে কথাটো এনেকুৱাও হ'ব পাৰে—মানুহে সুখৰ মুহূৰ্ততো সুন্দৰ বস্তু দেখিলে আৰু মধুৰ শব্দ শুনিলে উৎকণ্ঠিত হৈ পৰে। নিশ্চয় তেতিয়া জন্ম-জন্মান্তৰৰ সংস্কাৰবদ্ধ মধুৰ স্মৃতি অজ্ঞাতসাৰে মনলৈ আহে[৩]।

গীতটি শুনি ইমান উৎকণ্ঠিত অৱস্থালৈ গৈছে যদিও দুষ্যন্তৰ মনলৈ শকুন্তলাৰ কথা অহা নাই। কিবা এটি বিয়োগ ঘটাৰ ভাৱ এটা তেওঁৰ মনলৈ আহিল, কিন্তু কিহৰপৰা বিয়োগ ঘটিল, তাক তেওঁ ভাবি স্থিৰ কৰিব নোৱাৰিলে। এই ঘটনাৰপৰা বুজা গ'ল যে দুৰ্বাসাৰ অভিশাপ দুষ্যন্তৰ ওপৰত সম্পূৰ্ণকৈ ফলিছে আৰু শকুন্তলাৰ সমস্ত স্মৃতি দুষ্যন্তৰ অৱচেতন মনৰ গহ্বৰত লুকাই যাব ধৰিছে। হংসপদিকাৰ গীতটিয়ে আনি দিয়া অনুকূল পৰিৱেশত সেই স্মৃতিৰাশিৰ যি অস্পষ্ট বুৰবুৰণি চেতনাৰ স্তৰলৈ আহিব খুজিছিল; তাকো দুষ্যন্তৰ কোনোবা জন্মৰ মানসিক সংস্কাৰ বুলিহে ভাবিলে। এতিয়া আমি নিশ্চিতভাৱে জানিব পাৰিলোঁ যে দুৰ্বাসাৰ অভিশাপ দুষ্যন্তৰ ওপৰত সম্পূৰ্ণকৈ ফলিল।

দুষ্যন্তৰ এই মানসিক স্থিতি আমাৰ অৱগত হোৱাৰ কাৰণেহে ইয়াৰ পিছতে শকুন্তলাক লৈ কণ্বশিষ্যসকল উপস্থিত হোৱাৰ সময়ত দুষ্যন্ত যি ধৰণে তেওঁলোকৰ সন্মুখীন হৈছে, সেই পৰিস্থিতিটো আমাৰ কাৰণে অস্বাভাৱিক যেন লগা নাই। সেয়ে নোহোৱা হ'লে কণ্বশিষ্যসকলক বাদ দিও শকুন্তলাই নিজে একাধিক বাৰ তেওঁলোকৰ পূৰ্বৰ প্ৰণয় তথা পৰিণয়ৰ কথা সোঁৱৰাই দিয়াতো দুষ্যন্তৰ স্মৃতি জাগৃত নোহোৱা কথাটো একেবাৰে অস্বাভাৱিক যেন লাগি থাকিলহেঁতেন। হংসপদিকাৰ গীতটো শুনি দুষ্যন্তৰ যি মানসিক অৱস্থা ঘটিছে, তাৰ লগত ইতিমধ্যে আমাৰ পৰিচয় ঘটি আহিছে কাৰণেই পৌৰৱ নৃপতিয়ে নিজৰ বিবাহিতা, অন্তঃসত্ত্বা ধৰ্মপত্নীক চিনিব নোৱাৰি প্ৰত্যাখ্যাত কৰা কথাটো সহজভাৱে ল'ব পাৰিছোঁ।

৩. কিং নু খলু গীতাৰ্থমাকৰ্ণ্য ইষ্টজনবিৰহাদৃতেঽপি, বলবদুৎকণ্ঠিতোঽস্মি অথবা ৰম্যাণি বীক্ষ্য মধুৰাংশ্চ নিশম্য শব্দান্ পৰ্য্যুৎসুকো ভবতি যৎসুখিতোঽপি সন্তুঃ তচ্চেতসা স্মৰতি নূনমবোধপূৰ্বং ভাবস্থিৰাণি জননান্তৰসৌহৃদানি ॥ [শকুঃ ৫/২]

হংসপদিকাৰ গীতটো শুনি দুষ্যন্তৰ মনলৈ "কিবা এটা নাই নাই"ৰ যি ভাব আহিছে তাৰ পৰা বুজা গৈছে মহাকৱিয়ে দুষ্যন্তৰ অৱচেতন মনত শকুন্তলাৰ স্মৃতি জাগ্ৰত কৰি ৰাখিছে। শকুন্তলাক চিনিব নোৱাৰি দুষ্যন্তই দৃঢ়তাৰে প্ৰত্যাখ্যান কৰাৰ পিছত যেতিয়া কণ্ব-শিষ্যসকলেও শকুন্তলাক কৰুণ অসহায় অৱস্থাত এৰি গ'ল, দুষ্যন্ত তেতিয়া এক 'ন যযৌ ন তস্থৌ' অৱস্থাত পৰিছে। তেওঁৰ কথাৰপৰা বুজা গৈছে শকুন্তলাৰ স্মৃতিয়ে তেওঁৰ অৱচেতন মনত প্ৰবল অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছে। সেইকাৰণেই তেওঁ শকুন্তলাৰ অসহায় অৱস্থাটো দেখি ৰাজপুৰোহিতক সুধিছে—"ময়েই মোহগ্ৰস্ত হৈ পাহৰিছোনে, এই মুনিতনয়াই মিছাকথা কৈছে, তাক মই স্থিৰ কৰিব পৰা নাই। আপোনাকেই সুধিছোঁ—মই ধৰ্মপত্নীক ত্যাগ কৰাৰ দোষত দোষী হমনে, পৰস্ত্ৰী—সংস্পৰ্শৰে কলংকিত হ'ম।[4] এইদৰে কোৱা দুষ্যন্তক কালিদাসে "শাপব্যৱহিতস্মৃতি" বুলিছে। দুষ্যন্তৰ স্মৃতি যে দুৰ্বাসাৰ অভিশাপে আচ্ছাদন কৰি পেলাইছে, ইতিমধ্যে আমি হংসপদিকাৰ গীতে সৃষ্টি কৰা পৰিস্থিতিৰপৰা বুজিয়েই আহিছোঁ। □

---

৪. শকু০ ৫/২৯

সংস্কৃত কাব্য-পৰম্পৰাত মেঘদূতৰ স্থান

মহাকবি কালিদাসৰ বিশ্ববিশ্ৰুত ৰচনা দুখনৰ ভিতৰত অন্যতম 'মেঘদূত' নামৰ খণ্ডকাব্যখনিয়ে সংস্কৃত সাহিত্যৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। আলংকাৰিকসকলৰ মতে ই এখন খণ্ডকাব্য। পাশ্চাত্য দৃষ্টিভংগীৰে চালে ই এখন গীতিকাব্য। আধুনিক বিদ্বানসকলে 'দূতকাব্য' বা সন্দেশকাব্য বুলি যি শ্ৰেণী কাব্যক স্বীকৃতি দিছে, সেই বিশিষ্ট কাব্যশৈলীৰ জন্মও এই 'মেঘদূত' কাব্যতে হৈছিল। এই তিনিওটা ধাৰাতে কালিদাসৰ মেঘদূতে বৈশিষ্ট্যপূৰ্ণ স্থান অধিকাৰ কৰিছে।

সাহিত্যদৰ্পণকাৰ বিশ্বনাথে খণ্ডকাব্যৰ লক্ষণ এইদৰে দিছে—"খণ্ডকাব্যং ভৱেৎ কাব্যস্যৈকদেশানুসাৰি চ"; অৰ্থাৎ মহাকাব্যৰ যিবোৰ লক্ষণৰ বিধান দিয়া হৈছে, সেইবোৰৰ যি কোনো দুটামান অনুসৰণ কৰা কাব্যকে খণ্ডকাব্য বোলা হয়। বিশ্বনাথে সাহিত্যদৰ্পণৰ ষষ্ঠ সৰ্গত ৩১৫ৰ শ্লোকাৰ্দ্ধৰ পৰা ৩২৫ৰ শ্লোকাৰ্দ্ধলৈকে মুঠ দহোটা শ্লোকত মহাকাব্যৰ লক্ষণ বৰ্ণনা কৰিছে। সেই লক্ষণসমূহৰ ভালেখিনি লক্ষণেই মেঘদূতত পৰিলক্ষিত হয়। বিশ্বনাথেও কালিদাসৰ মেঘদূতকে খণ্ডকাব্যৰ উদাহৰণ স্বৰূপে দাঙি ধৰিছে। খণ্ডকাব্যইনো মহাকাব্যৰ বাবে বিহিত বিধানসমূহৰ কিমানখিনি অনুসৰণ কৰিব—এই সম্বন্ধে বিশ্বনাথে বা অন্য কোনো সংস্কৃত আলংকাৰিকে কোনো ধৰা-বন্ধা নীতি নিৰ্ধাৰণ কৰা নাই। এতিয়া মেঘদূতত মহাকাব্যৰ লক্ষণসমূহৰ একাংশ কেনেকৈ অনুসৰণ কৰা হৈছে তাৰ আলোচনা কৰা হওক।

মহাকাব্যৰ বৰ্ণনীয় বিষয় বিভিন্ন সৰ্গত ভাগ কৰাৰ দৰে (সৰ্গবন্ধো মহাকাব্যঃ) মেঘদূতৰ বৰ্ণনীয় বিষয়ো দুটা সৰ্গত বিভক্ত। মহাকাব্যৰ

নায়কৰ দৰে মেঘদূতৰ নায়ক যক্ষও এজন সদ্‌বংশ অৰ্থাৎ সৎ বংশত জন্ম গ্ৰহণ কৰা ব্যক্তি; কাৰণ যক্ষসকলক 'দেৱযোনি' অৰ্থাৎ দেৱজাতিৰ অন্তৰ্ভুক্ত বুলি স্বীকাৰ কৰা হৈছিল।[১] মহাকাব্যৰ নায়কৰ দৰে মেঘদূতৰ নায়কজনো ধীৰোদাত্ত নায়ক। সেয়েহে বাৰিষাৰ আকাশত মেঘৰ ৰূপৰা দেখি বিৰহ-কাতৰ হৈ পৰা সত্ত্বেও যক্ষই সাধাৰণ মানুহৰ দৰে জুলো সুটুকি শোকৰ আবেগ হৃদয়তে সামৰি থৈ থৰ হৈ বৈছে। টীকাকাৰ মল্লিনাথে যক্ষৰ এই কাৰ্য ধীৰোদাত্ত নায়কোচিত বুলিছে।

শৃংগাৰ, বীৰ, শান্ত (অথবা কৰুণ) ৰসৰ যি কোনো এটা মহাকাব্যত অংগী অৰ্থাৎ মুখ্য ৰস হ'ব লাগে।[২] মেঘদূতত অংগী ৰস শৃঙ্গাৰ। মহাকাব্যৰ বিষয়বস্তুৰ বাবে সজ্জনৰ চৰিতকো স্বীকাৰ কৰা হৈছে। মেঘদূতৰ কথাবস্তুও সজ্জনাশ্ৰয়ী। আকস্মিকভাৱে কৰ্তব্যৰপৰা ভ্ৰষ্ট হৈছে যদিও মেঘদূতৰ নায়ক যক্ষ সজ্জন ব্যক্তি। মহাকাব্যত ধৰ্ম, অৰ্থ, কাম, মোক্ষ—এই চাৰিবৰ্গৰ কথা থাকিব লাগে। এই লক্ষণো মেঘদূতত খাপ খাইছে। গম্যই হওক বা বাচ্যই হওক, মেঘদূতত এই চাৰিবৰ্গৰ বিষয়ে ঠাই পাইছে। এই চাৰিবৰ্গৰ ভিতৰত এটাই[৩] মুখ্য প্ৰতিপাদ্য হ'ব লাগে বুলি মহাকাব্যৰ যি নিয়ম বিধান কৰা হৈছে, মেঘদূতত তাকো পালন কৰা হৈছে। গোটেই মেঘদূত কাব্যখনৰে মুখ্য বিষয় কাম বা কামনা যেন লাগিলেও আমাৰ বোধেৰে এই কাব্যৰ মুখ্য প্ৰতিপাদ্য বস্তু মানৱীয় স্বাৰ্থপৰ কামবাসনাক ধৰ্মৰ অনুকূল ৰূপদান কৰাটোহে। শ্ৰীমদ্ভগৱদ্-গীতাত ভগৱানে "ধৰ্মাবিৰোধিভূতেষু কামোঽস্মি ভাৰতৰ্ষভ" বুলি কামতাৰক যি ঐশ্বৰিক বিভূতিৰ স্বীকৃতি দিছে—সেই কথা "কালিদাসৰ সাহিত্যত প্ৰেমৰ আদৰ্শ" নামৰ প্ৰবন্ধত আলোচনা কৰি অহা হৈছে। এইদৰে

১. বিদ্যাধৰাপ্সৰো-যক্ষৰক্ষোগন্ধৰ্ব-কিন্নৰাঃ।
পিশাচো গুহ্যকঃ সিদ্ধো ভূতোঽমী দেৱযোনয়ঃ। [অমৰকোষ]

২ শৃংগাৰ-বীৰশান্তানামেকোঽঙ্গী ৰস ইষ্যতে॥ [সাঃ দঃ ৬।৯৭]

৩. চত্বাৰস্তস্য বৰ্গাঃ স্যুঃ তেষেকং চ ফলং ভবেৎ॥ [সাঃ দঃ ৬।১৮]

গম্যৰূপত প্ৰতিপাদিত হোৱাৰ উপৰিও পণ্ডিতসকলে 'মেঘদূত' কাব্যক সাধকৰ সাধনাৰ প্ৰতীক বুলি মত প্ৰকাশ কৰে। মহাকাব্যৰ লক্ষণ অনুসৰি আদিতে নমস্কাৰ বা বস্তু নিৰ্দেশ[৪] থাকিব লাগে। মেঘদূত কাব্যৰ প্ৰথম শ্লোকতে বৰ্ণনীয় নায়ক যক্ষৰ স্পষ্ট উল্লেখৰদ্বাৰা বস্তু নিৰ্দেশ কৰা হৈছে।

মহাকাব্যৰ প্ৰতিটো সৰ্গৰ অন্তত পাছৰ সৰ্গটোৰ কথাৰ সূচনা দিব লাগে।[৫] মেঘদূতৰ প্ৰথম সৰ্গ পূৰ্বমেঘৰ অন্তত ভাৱিসৰ্গ উত্তৰমেঘত থকা অলকাপুৰীৰ সূচনা দিয়া হৈছে।

সন্ধ্যা, সূৰ্য, চন্দ্ৰ, ঋতু প্ৰাতঃকাল, পৰ্বত, বন আদি যিবোৰ বস্তুৰ বৰ্ণনা মহাকাব্যত থাকিব লাগে বুলি বিধান আছে, সংক্ষিপ্ত ৰূপত হ'লেও সেইবোৰৰ বৰ্ণনা মেঘদূতত দিয়া হৈছে। মহাকাব্যত থাকিবলগীয়া সম্ভোগ আৰু বিপ্ৰলম্ভ শৃংগাৰৰ বৰ্ণনা মেঘদূতত আছে। পূৰ্বমেঘত সম্ভোগ শৃংগাৰৰ মঞ্জুল ব্যঞ্জনা কৰা হৈছে আৰু উত্তৰমেঘত বিৰহী দম্পতীৰ বিৰহ-কাতৰ অৱস্থাৰ বৰ্ণনাত বিপ্ৰলম্ভৰ চিত্ৰ মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ পাইছে।

নায়ক বা নায়কভিন্ন চৰিত্ৰৰ নামেৰে মহাকাব্যৰ নাম হব পাৰে; 'মেঘদূত'ত দূত স্বৰূপে মুখ্য ঘটনাৰ লগত জড়িত হোৱা 'মেঘ'ৰ নামেৰে কাব্যৰ নামকৰণ কৰা হৈছে। প্ৰতিটো সৰ্গৰ নাম, তাত বৰ্ণনা কৰিবলগীয়া বিষয়ৰ নামেৰে হ'ব লাগে বুলি মহাকাব্যৰ বাবে দিয়া বিধান মেঘদূততো অনুসৰণ কৰা হৈছে। অলকা পোৱালৈকে মেঘৰ প্ৰথম পৰ্যায়ৰ কামখিনিৰ বৰ্ণনা থকা প্ৰথম সৰ্গটোৰ নাম পূৰ্বমেঘ আৰু অলকা পোৱাৰ পাছৰ কথাৰ বৰ্ণনা থকা সৰ্গটোৰ নাম উত্তৰ-মেঘ দিয়াত বিষয়বস্তুৰ সাৰ্থক ব্যঞ্জনা হৈছে।

এইদৰে মহাকাব্যৰ বাবে বিহিত অনেক লক্ষণ অনুসৰণ কৰা 'মেঘদূত'ক সাৰ্থকভাৱেই 'কাব্যস্যৈকদেশানুসৰি' খণ্ডকাব্য বুলিব পাৰি। বিশ্বনাথে খণ্ডকাব্যৰ উদাহৰণ স্বৰূপে নাম লোৱা এই মেঘদূতৰূপৰাই প্ৰকৃত পক্ষে সংস্কৃত খণ্ডকাব্যৰ অন্য এক বিশিষ্ট ধাৰাবো প্ৰৱৰ্তন কৰিলে।

৪. আদৌ নমস্ক্ৰিয়া বস্তুনিৰ্দেশ এৱ ৰা। [সা; দ: ৬।১৯]

৫. সৰ্গান্তে ভাৱিসৰ্গস্য কথায়াঃ সূচনং ভৱেৎ। [৬।২১]

এই কাব্যতে কালিদাসে দূতৰ মুখেদি সংবাদ (সন্দেশ) বহন কৰোৱাৰ মাধ্যমত যি অভিনৱ কাব্যশৈলীৰ জন্ম দিলে, আধুনিক পণ্ডিতসকলে সেই শৈলীক দূতকাব্য বা সন্দেশকাব্য নাম দিছে। টীকাকাৰ মল্লিনাথে হনুমানৰদ্বাৰা ৰামে সীতালৈ সংবাদ পঠোৱাৰ আৰ্হিৰে মহাকবি কালিদাসে 'মেঘসন্দেশ' কাব্য ৰচনা কৰিলে বুলি কৈছে।[৬] কালিদাসে প্ৰৱৰ্তন কৰা এই কাব্যশৈলীক সংস্কৃত আলংকাৰিকসকলে লক্ষণ-নিৰ্ণয়ৰদ্বাৰা স্বীকৃতি দি যোৱা নাই যদিও, কালিদাসৰ পৰৱৰ্তী অনেক কবিয়ে এই শৈলী আদৰি ল'লে। মেঘদূতৰ এই পদ্ধতিত ৰচনা কৰা জৈন কবি জিনসেনৰ 'পাৰ্শ্বাভ্যুদয়' আৰু বিক্ৰমকবিৰ 'নেমিদূত' উল্লেখযোগ্য। এই সন্দেশ বা দূতকাব্যৰ ধাৰাত দ্বাদশ শতিকাৰ কবি ধোয়ীয়ে ৰচনা কৰা পৱনদূতে বিশেষ স্থান অধিকাৰ কৰিছে। বংগৰ ৰজা লক্ষ্মণসেনৰ সভাকবি ধোয়ীৰ এই কাব্যত গন্ধৰ্ব কুমাৰী কুবলয়াৱতীয়ে লক্ষ্মণসেনলৈ পৱনদূতৰ যোগেদি প্ৰেৰণ কৰা প্ৰণয়-সংবাদৰ বৰ্ণনা কৰা হৈছে। এই শৈলীৰে খৃঃ পঞ্চদশ শতিকাৰ কবি বেদান্তদেশিক আৰু বামনভট্টবাণে, ষোড়শ শতিকাৰ ৰূপগোস্বামীয়ে 'হংসদূত' নাম দি কাব্য ৰচনা কৰে। ইয়াৰ উপৰিও কোকিলদূত, ময়ূৰদূত, চাতকদূত আদি দূতকাব্য ৰূপগোস্বামীৰ 'উদ্ধৱসন্দেশ' কাব্য উল্লেখযোগ্য।

কোনো কোনো আধুনিক পণ্ডিতে মেঘদূতক খণ্ডকাব্য বুলিব নোখোজে, তেওঁলোকৰ মতে মেঘদূতত নায়ক যক্ষৰ কাহিনীটো গৌণ হৈ পৰিছে। আনহাতে যক্ষৰ কাহিনীৰ লগত জড়িত নোহোৱা বিষয়বোৰৰ বৰ্ণনাহে ইয়াত প্ৰধান হৈ পৰিছে। যক্ষৰ কাহিনীটো যদি বাদ দিয়াও হয়, তেতিয়াও মেঘদূতৰ বৰ্ণনীয় বিষয়সমূহ এখন ভাৱপ্ৰধান গীতিকাব্য (Lyric Poetry) হ'ব।

সংস্কৃত অলংকাৰ শাস্ত্ৰত গীতিকাব্য নামেৰে কোনো কাব্যৰ শ্ৰেণী

---

৬. সীতাং প্ৰতি ৰামস্য হনূমৎসন্দেশং মনসি নিধায় মেঘসন্দেশং কৱিঃ কৃতবানিত্যাহুঃ।

পোৱা নাযায়। ইংৰাজী Lyric শব্দটোৰ পৰ্যায়বাচী শব্দৰূপে ভাৰতীয় ভাষাসমূহত 'গীতিকাব্য' শব্দটো ব্যৱহাৰ কৰা হৈছে। পাশ্চাত্য দৃষ্টিভংগীৰে চালে 'মেঘদূত' এখন গীতিকাব্য। 'লিৰিক' শব্দটো লায়াৰ (Lyre) শব্দৰপৰা অহা। লায়াৰ মানে বীণা, বীণা সংগত কৰি গাবপৰা গীতকে লিৰিক বোলা হৈছিল। পিছলৈ সংগীতধৰ্মী, লালিত্যপূৰ্ণ ভাষাত ৰচিত কাব্যক 'লিৰিক' বোলা হয়। এই লিৰিক বা গীতিকাব্যত ব্যক্তিবিশেষৰ আবেগৰ ভাব বা উচ্ছ্বাস প্ৰকাশিত হয়। এই দৃষ্টিৰে মেঘদূত এখন গীতিকাব্য। ঋতুসংহাৰ, ঘটকৰ্পৰ প্ৰভৃতি খণ্ডকাব্যত গীতিকাব্যৰ লক্ষণ থকাৰ দৰে, সংস্কৃত আলংকাৰিকসকলে 'কোষকাব্য' বুলি শ্ৰেণীভুক্ত কৰা সংগীতধৰ্মী; লালিত্যপূৰ্ণ এনে লক্ষণ থকা কিছুমান কাব্যকো গীতিকাব্যৰ অন্তৰ্ভুক্ত কৰা হৈছে। শৃংগাৰশতক, নীতিশতক আৰ্যাসপ্তশতী প্ৰভৃতি গ্ৰন্থ এই শ্ৰেণীত পৰে।

এটা কথা মন কৰিবলগীয়া যে গীতিকাব্যৰ উক্ত লক্ষণ নাথাকিলে একোখন খণ্ড কাব্য গীতিকাব্যৰ শ্ৰেণীত নপৰিবও পাৰে আৰু সেইদৰে সেই লক্ষণ থকা 'কোষকাব্য'ও (পৰস্পৰে অপেক্ষা অথবা নিৰ্ভৰ নকৰা শ্লোকসমূহৰ সংকলনক কোষকাব্য বোলে। (সাঃ দঃ ৬।৩২৯-৩৩০) এনে গীতিকাব্য হ'ব পাৰে। সংস্কৃত সাহিত্যত কিন্তু খণ্ডকাব্য আৰু কোষকাব্যৰ মাজত পাৰ্থক্য স্পষ্টভাৱে দেখুৱা আছে। এই দুয়োশ্ৰেণীৰ কাব্যক একেশাৰীত থ'বলৈ সংস্কৃত অলংকাৰ শাস্ত্ৰত কোনো সূত্ৰ নাই।

'মেঘদূত' খণ্ডকাব্য হ'লেও গীতিকাব্য আৰু গীতিকাব্য হলেও খণ্ডকাব্য হোৱাত আপত্তি থাকিব নোৱাৰে। ওপৰত কৈ অহাৰ দৰে মেঘদূতৰপৰা যক্ষৰ কাহিনীটো যদি আঁতৰাই দিয়া হয়, তেতিয়া যক্ষৰ জীৱনৰ কাৰুণ্যখিনিয়ে ৰচনা কৰা পৃষ্ঠভূমিটোৰ অভাৱত কাব্যখনিৰ অন্তৰস্পৰ্শিতা বহুত কমি যাব। তেতিয়া কাব্যখনত যি মণিমালাৰ সুষমা প্ৰকাশ পাইছে, যক্ষৰ কাহিনীৰূপী যোগসূত্ৰৰ অভাৱত সেই ব্যক্তিনিষ্ঠ ভাৱাবেগৰ সংগীতধৰ্মী অভিব্যক্তিখিনি সূতা ছিগা মণিৰ নিচিনা হ'ব। আনহাতে

খণ্ডকাব্যত নায়ক বা নায়িকাৰ কাহিনীটো প্ৰধানভাৱে যে থাকিবই লাগিব এনে বিধানো সংস্কৃত সাহিত্যশাস্ত্ৰত নাই। গতিকে মেঘদূতত থকাৰ সমানো নায়ক-নায়িকাৰ কাহিনীত গুৰুত্ব নথকা 'ঋতুসংহাৰ' কাব্যও মহাকাব্যৰ একদেশানুসাৰী লক্ষণ থকাৰ বাবে খণ্ডকাব্য বুলি স্বীকৃত হোৱাত আপত্তি থাকিব নোৱাৰে।

ওপৰত কৰি অহা আলোচনাৰপৰা বুজা গ'ল যে কালিদাসৰ মেঘদূত কাব্যখনক আমি প্ৰাচীন আলংকাৰিকৰ দৃষ্টিৰে খণ্ডকাব্য বুলিব পাৰোঁ; নায়ক-নায়িকাৰ কাহিনীৰ দুৰ্বলতাই ইয়াৰ খণ্ডকাব্যত্ব ক্ষুণ্ণ কৰিব নোৱাৰে। সেইদৰে পাশ্চাত্য দৃষ্টিৰে চালে মেঘদূত এখন মনোৰম গীতিকাব্য বা লিৰিক। আধুনিক ভাৰতীয় পণ্ডিতসকলে 'মেঘদূত' কাব্যৰপৰা দূতকাব্য বা সন্দেশকাব্য বুলি অন্য এটা ধাৰাও স্বীকাৰ কৰিছে; এই ধাৰাত 'মেঘদূত' কাব্যই হ'ল বাটকটীয়া। ▭

কালিদাসৰ সাহিত্যত প্ৰকৃতি

যো দেৱোঽগ্নৌ যোঽপ্সু
যো বিশ্বং ভুৱনমাবিৱেশ।
যো ওষধিষু যো ৱনস্পতিষু
তস্মৈ দেৱায় নমো নমঃ॥

যিজন দেৱতা অগ্নিত, যিজন জলত, যিজন সমস্ত বিশ্বতে আবিষ্ট হৈ আছে, যিজন ওষধিত, যিজন বনস্পতিত, সেই অনাদি পৰমসত্তাক বৈদিক ঋষিসকলে এই বুলি প্ৰণতি জ্ঞাপন কৰিছিল।

মানুহে প্ৰকৃতিৰ কোলাতে জন্ম লৈ প্ৰকৃতিদত্ত সম্ভাৰেৰে লালিত-পালিত হৈ এদিন প্ৰকৃতিক চিনি পালে। প্ৰকৃতিৰ শক্তিসমূহক মানুহে দেৱতাজ্ঞান কৰি ভয়ত বা কৃতজ্ঞতাত স্তুতি কৰিবলৈ ধৰিলে। এই প্ৰকৃতি অনাদি কালৰেপৰা মানুহৰ সুখ-দুখৰ লগৰীয়া হৈ আহিছে। ইতিহাসৰ পাতনিতে বৈদিক ঋষিসকলে প্ৰকৃতিৰ বিভিন্ন শক্তিৰ গুণ-গান কৰাতেই মানুহ আৰু প্ৰকৃতিৰ অন্তৰংগ সম্পৰ্কৰ অন্ত নপৰিল; সৌ সিদিনালৈকে ইউৰোপত ৰোমাণ্টিক কবিসকলে প্ৰকৃতিৰ বুকুলৈ উভতি গৈ মানৱ মন আৰু প্ৰকৃতিৰ ঘনিষ্ঠ সম্পৰ্কৰ উহ আকৌ বিচাৰি পালে।

ভাৰতীয় পৰম্পৰামতে জগতত একো বস্তুৱেই অচেতন নহয়— অচৈতন্যং ন ৱিদ্যতে। সাধাৰণ চকুত জড়ৰূপে প্ৰতীয়মান উদ্ভিদসমূহতো এক অন্তৰ্নিহিত চেতনা আছে—অন্তঃসংজ্ঞা ভৱন্ত্যেতে সুখদুঃখসমন্বিতা (মনুসংহিতা)। উদ্ভিদেও সুখ-দুঃখ অনুভৱ কৰিব পাৰে। এই বিশ্বাসৰ পৰম্পৰাতেই মহাকবি কালিদাসৰ জন্ম আৰু এই বিশ্বাসৰ পৰম্পৰাতেই বৈজ্ঞানিক জগদীশচন্দ্ৰ বসুৰো জন্ম। কবি কালিদাসে গছ-লতাক মানুহৰ সুখ-দুখৰ সমভাগী কৰিছে আৰু বৈজ্ঞানিক বসুৱে উদ্ভিদৰ চৈতন্য আৰু

সুখ-দুখৰ অনুভূতি থকাৰ কথা জগতত প্ৰমাণ কৰি দেখুৱালে। এই-খিনিয়েই হৈছে কালিদাসে প্ৰকৃতিৰ সম্পৰ্কত গ্ৰহণ কৰা দৃষ্টিভংগীৰ পৃষ্ঠভূমি।

"ৱাক্যং ৰসাত্মকং কাৱ্যম্", ৰসাত্মক বাক্যই হৈছে কাব্য বা সাহিত্য—এইবুলি বিশ্বনাথ কৱিৰাজে কৈ গৈছে। কাৱ্যস্যাত্মা স এৱাৰ্থঃ (ধ্বন্যালোক ১।৫) বুলি আনন্দৱৰ্ধনেও ইয়াৰ আগতেই ৰসেই কাব্যৰ আত্মাস্বৰূপ বুলি কৈ গৈছে। এতিয়া সৎ কাব্যত জড়ৰূপে প্ৰতীয়মান প্ৰকৃতিৰ বস্তুসমূহৰ ভূমিকা কি, তাৰ এটা আলোচনা কৰি ল'লেহে কালিদাসৰ সাহিত্যত প্ৰকৃতিৰ স্থান সম্পৰ্কে মূল্যায়ন কৰিব পৰা হ'ব। আনন্দবৰ্ধনৰ মতে জগতত এনে কোনো বস্তু নাই যি বিভাৱ ৰূপে ৰস বা ভাৱৰ অংগ হ'ব নোৱাৰে। ৰস, ভাৱ আদি চিত্তবৃত্তিবিশেষহে। এনে কোনো বস্তু নাই যি চিত্তবৃত্তিবিশেষ উৎপন্ন নকৰে; যদি নকৰে তেনে বস্তু কৱিৰ বিষয় হ'ব নোৱাৰে।

[ৱস্তু চ সৰ্বমেৱ জগদ্‌গতমৱশ্যং কস্যচিদ্ ৰসস্য ভাৱস্য ৱা অঙ্গত্বং প্ৰতিপদ্যতে অন্ততো ৱিভাৱত্বেন। চিত্তবৃত্তিৱিশেষো হি ৰসাদয়ঃ। ন চ তদস্তি ৱস্তু কিঞ্চিদ্ যন্ন চিত্তবৃত্তিৱিশেষমু-পজনযতি, তদনুৎপাদেন ৱা কৱিৱিষয়তৈৱ তস্য ন স্যাৎ।]

জগতৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ বস্তুৰপৰা আৰম্ভ কৰি মহতো মহীয়ান পদাৰ্থলৈকে সকলোৱেই দ্ৰষ্টাৰ মনত কিবা নহয় কিবা এক বৃত্তি উৎপন্ন কৰে। প্ৰাকৃতিক জগতৰ বস্তুবোৰো ইয়াৰ ব্যতিক্ৰম নহয়। গতিকে ৰসসৃষ্টিত ইহঁতৰ ভূমিকা অনস্বীকাৰ্য।

আনন্দবৰ্ধনে ধ্বন্যালোকৰ বৃত্তিত উল্লেখ কৰা দুটা শ্লোকত কোৱা হৈছে [তৃতীয় উদ্যোত]—

অপাৰে কাৱ্যসংসাৰে কৱিৰেৱ প্ৰজাপতিঃ।
যথাস্মৈ ৰোচতে ৱিশ্বং তথেদং পৰিৱৰ্ততে॥

* * *

ভাৱানচেতনানপি চেতনৱৎ চেতনানচেতনৱৎ।
ৱ্যৱহাৰয়তি যথেষ্টং সুকৱিঃ কাৱ্যে স্বতন্ত্ৰতয়া॥

অপাৰ কাব্য-সংসাৰৰ প্ৰজাপতি কবি নিজেই ; তেওঁ যেনেকৈ ভাল পায়, তেনেকৈয়ে জগৎখন সজাই লয়। সুকবিয়ে কাব্যত অচেতন পদাৰ্থকো চেতনৰ দৰে আৰু চেতনকো অচেতন পদাৰ্থৰ দৰে তেওঁৰ ইচ্ছামতে ব্যৱহাৰ কৰে।

দ্বিতীয় উদ্দ্যোতত আনন্দবৰ্ধনে, অচেতন বস্তুক চেতন বস্তুৰ দৰে ব্যৱহাৰ কৰিলেও ৰসৰ ব্যঞ্জনা হয় বুলি কৈছে—

> যস্মাদচেতনবস্তুবৃত্তে ৱাক্যাৰ্থীভূতে পুনশ্চেতনবস্তু-বৃত্তান্ত-যোজনয়া কথঞ্চিদ্ ভৱিতব্যম্।

চতুৰ্থ উদ্দ্যোতত আকৌ হিমালয়, গংগা প্ৰভৃতি সকলো অচেতন বস্তুৰ অধিষ্ঠাত্ৰী সত্তাৰূপে দ্বিতীয় চেতন ৰূপ এটাও আছে বুলিছে—

> অয়মপৰশ্চাৱস্থাভেদপ্ৰকাৰো সদচেতনানাং সৰ্বেষাং চেতনং দ্বিতীয়ং ৰূপমভিমানিত্বং প্ৰসিদ্ধং হিমৱদ্ গঙ্গাদীনাম্।

এই প্ৰসংগত আনন্দবৰ্ধনে কালিদাসৰ 'কুমাৰ-সম্ভৱ' কাব্যৰ হিমালয়ৰ বৰ্ণনালৈ আঙুলিয়াইছে। তাত প্ৰথমতে হিমালয়ৰ বৰ্ণনা পৰ্বত ৰূপত কৰা হৈছে ; পাছত আকৌ সেই হিমালয়কে মেনাৰ স্বামী, উমাৰ পিতৃ প্ৰভৃতি ৰূপত ব্যক্তিৰূপে বৰ্ণনা কৰিছে।

এইখিনি আলোচনাৰপৰা বুজা গ'ল যে বাহ্যপ্ৰকৃতিত কোনো বিশিষ্ট ভাবৰ অস্তিত্ব নাই ; কবিয়েহে নিজ প্ৰতিভা আৰু ৰুচি অনুসৰি তাত পৰিস্থিতিৰ অনুকূলে ভাব আৰোপ কৰি লয়। এই প্ৰসংগত আমি প্ৰসিদ্ধ মনস্তত্ত্ববিদ্ মিচেলৰ (Mitchel) এই উক্তিলৈ আঙুলিয়াব পাৰোঁ—
Whether we see the same sunlit sky to be smiling frankly or in treachery is a matter of our mind.

সূৰ্য্যৰ কিৰণেৰে উদ্‌ভাসিত হৈ থকা সাগৰখনলৈ চাই পঠিয়ালে আমি যে তাক সৰলভাবে অথবা বিশ্বাসঘাতকতাৰ ভাবেৰে হাঁহি থকা দেখোঁ, সেইটো আমাৰ মানসিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল কথাহে। তেনেহ'লে বুজা

প'ল যে মহাকবি কালিদাসৰ ৰচনাত বাহ্যপ্ৰকৃতিৰ যি চিত্ৰ ফুটি উঠিছে, তাত কবিজনাৰ হৃদয়ৰ প্ৰতিবিম্বই প্ৰকাশ পাইছে'।

সংস্কৃত সাহিত্যত সাধাৰণতে প্ৰাকৃতিক সৌন্দৰ্যৰ লগত মানৱীয় সৌন্দৰ্যৰ উপমা দিবলৈ আৰু মানুহৰ সুখ-দুখৰ বৃত্তান্ত বৰ্ণনা কৰোঁতে পৃষ্ঠভূমি স্বৰূপে প্ৰকৃতিৰ ব্যৱহাৰ হয়। কালিদাসৰ ৰচনাত কিন্তু প্ৰকৃতিৰ ভূমিকা ইমানতে শেষ হোৱা নাই; কবিজনাৰ ৰচনাৱলীত মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক অতি নিবিড়, অতি আন্তৰিক, বিশেষকৈ, 'অভিজ্ঞান-শকুন্তল' নাটক আৰু 'মেঘদূত' কাব্যত প্ৰকৃতিয়ে এক জীৱন্ত চৰিত্ৰৰ ভূমিকা গ্ৰহণ কৰিছে।

কালিদাসে য'ত পটভূমিৰূপে প্ৰকৃতিগত বস্তুসমূহৰ অৱতাৰণা কৰিছে, তাতো প্ৰকৃতি নিৰ্জীৱ পদাৰ্থ হৈ থকা নাই; বৰঞ্চ জীৱন্ত আৰু অনুভূতিপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

'কুমাৰসম্ভৱ'ৰ তৃতীয় সৰ্গত মহাযোগী শিৱৰ ধ্যান ভংগ কৰি উমাৰ প্ৰতি আকৃষ্ট কৰিবৰ উদ্দেশ্যে মদন-সখি বসন্ত অকালতে শিৱৰ আশ্ৰমত প্ৰবৃত্ত হৈছে। বসন্তৰ সেই অকাল প্ৰবৃত্তি হোৱা দেখি সূৰ্যদেৱে প্ৰেয়সী দক্ষিণ দিশৰপৰা বিদায় মাগি উত্তৰমুৱা হৈছে; তেতিয়া দক্ষিণ দিশে মলয়া বতাহৰূপে হুমুনীয়া ছাৰিছে। তিলকফুলে বনলক্ষ্মীৰ কপালত ফোঁট আঁকি দিছে; ভোমোৰাই বনলক্ষ্মীক কাজল যতনাই দিছে। আম্ৰমুকুল খাই কণ্ঠ ৰঞ্জিত কৰা কুলি চৰাইৰ মাতেৰে কামদেৱে যেন প্ৰণয়কুপিতা কামিনীগণক ৰোষ ত্যাগ কৰিবলৈ আদেশ দিছে। পয়োধৰ সদৃশ ফুলৰ থোপা আৰু অধৰ সদৃশ কুঁহিপাতেৰে সৈতে (নায়িকা সদৃশ) লতাবোৰে প্ৰিয়তম বৃক্ষক আলিংগন কৰিছে।

কালিদাসে ইতৰ প্ৰাণীবো সুখ-দুখ, ভয়-আনন্দৰ অনুভূতি-সমূহ সহানুভূতিৰে সৈতে ৰূপায়িত কৰিছে। শকুন্তলা নাটকৰ প্ৰথম অংকত মৃগয়া বিহাৰী দুষ্যন্তই খেদি নিয়া কৃষ্ণসাৰ পছটোৰ যি ভয়-বিহ্বল চিত্ৰ দাঙি ধৰিছে, সি সহৃদয় দৰ্শক-পাঠকৰ মনতো ভয়ৰ সঞ্চাৰ

কৰে। ৰসতত্ত্বৰ শ্ৰেষ্ঠ ব্যাখ্যাতা অভিনৱগুপ্তই অভিনৱভাৰতীৰ ষষ্ঠ অধ্যায়ত কালিদাসৰ এই শ্লোকটি ভয়ানক ৰসৰ উদাহৰণ স্বৰূপে দাঙি ধৰিছে—

গ্ৰীৱাভংগাভিৰামং মুহুৰনুপতত্তি স্যন্দনে দত্তদৃষ্টিঃ

পশ্চাৰ্ধেন প্ৰৱিষ্টঃ শৰপতনভয়াদ্ ভূয়স পূৰ্বকায়ম্।

দৰ্ভৈৰৰ্ধাৱলীঢ়ৈঃ; শ্ৰমৱিৱৃতমুখভ্ৰংশিভিঃকীৰ্ণৱৰ্ত্মা ॥

পশ্যোদ গ্ৰপ্লুতত্বাদ্বিয়ত্তি বহুতৰং স্তোকমুৰ্ব্যাংপ্ৰয়াতি ॥

'কুমাৰ-সম্ভৱ'ৰ তৃতীয় সৰ্গত অকৌ কবিজনাই ভ্ৰমৰ-ভ্ৰমৰী, হৰিণ-হৰিণীৰ শৃংগাৰ বৰ্ণনা কৰি কৈছে—

মধুদ্বিৰেফঃ কুসুমৈকপাত্ৰে পপৌ প্ৰিয়াং স্বামনুৱৰ্ত্তমানঃ।

শৃংগেণ চ স্পৰ্শনিমীলিতাক্ষীং মৃগীমকণ্ডুয়ৎকৃষ্ণসাৰঃ ॥

একেটি পুষ্পপাত্ৰতে ভোমোৰাই নিজৰ প্ৰেয়সীক অনুসৰণ কৰি গৈ মধুপান কৰিবলৈ ধৰিলে আৰু কৃষ্ণসাৰ পহুৱে, স্পৰ্শসুখত চকু মুদি দিয়া মৃগীক নিজৰ শিঙেৰে খজুৱাই দিয়াত লাগিল।

'ঋতুসংহাৰ' কাব্যতো মহাকবিয়ে পশু-পক্ষী আদি ইতৰপ্ৰাণীৰ শৃংগাৰ চেষ্টাৰ বৰ্ণনা দিছে। উদাহাৰণ স্বৰূপে—

"ময়ুৰ-ময়ূৰীসবে বৰ্ষা ঋতু সমাগমে
সকলোৱে আনন্দত মত্তলীয়া হয়।
সসম্ভ্ৰম আলিংগনে চুম্বন মানস কৰি
পেখনেৰে চালিধৰি নাচিবলৈ লয়।"

'ঋতুসংহাৰ' কাব্যখনি প্ৰাকৃতিক বৰ্ণনা-প্ৰধান হ'লেও সেই বৰ্ণনা সংস্কৃত মহাকাব্যৰ নিৰ্ধাৰিত লক্ষণ অনুসৰি গতানুগতিকভাৱে দিয়া নিৰ্লিপ্ত বৰ্ণনা নহয়; কালিদাসৰ এই বৰ্ণনাত মানৱ হৃদয়ৰ অনুৰাগ-আৱেগেৰে ভৰা এটি প্ৰণয়গীতৰ ৰাগিণী ধ্বনিত হৈছে। সমস্ত কাব্যখনিতে কবিয়ে প্ৰিয়তমাক সম্বোধন কৰি ছয় ঋতুৰ মনোৰম বৰ্ণনা কৰি গৈছে। সমগ্ৰ কাব্যখনতে কবিয়ে বিভিন্ন ঋতুত প্ৰাকৃতিক জগৎখনক এজন সহৃদয় প্ৰণয়ীৰ দৃষ্টিৰে চাই, তাৰ বৰ্ণনাৰে এগৰাকী প্ৰণয়িনীৰ হৃদয় তন্ত্ৰী

ঝংকাৰিত কৰি তোলাৰ চেষ্টা কৰিছে। সেয়েহে কাব্যখনি ছয় ঋতুৰ বৰ্ণনাতে আবদ্ধ নাথাকিল, ঋতুসমূহৰ সুষমা উপভোগ কৰি থকা এক প্ৰণয়িমিথুনৰ আৱেগ-ৰঞ্জিত চিত্ৰও ই আমাৰ মানস চকুৰ আগত দাঙি ধৰিছে।

কালিদাসৰ ৰচনাৰ কোনো কোনো প্ৰসংগত আকৌ প্ৰকৃতিয়ে মানুহলৈ নিঃস্বাৰ্থ সেৱা আগবঢ়াইছে। 'ৰঘুবংশ'ৰ দ্বিতীয় সৰ্গত প্ৰকৃতিয়ে নিমাত-নিতালভাৱে থাকিও কামধেনুৰ ৰক্ষণাবেক্ষণ কৰি অকলে বনত ভ্ৰমণ কৰা ৰাজচক্ৰৱৰ্তী দিলীপলৈ সেৱা যাঁচি সক্ৰিয়তাৰ পৰিচয় দিছে। 'দিলীপৰ দুয়োকাষে থকা গছবিলাকে ডালত পৰি থকা পখীৰ কুজনেৰে তেওঁৰ জয়গীত গাইছে; পোৰকন্যাসকলে আথে ছটিয়াই ৰজাৰ মংগলাচৰণ কৰিছে। বনৰীয়া বাঁহ গছত কীট আদিয়ে কৰা ফুটাত সোমাই বতাহে কৰা বংশীধ্বনিৰে বনদেৱতাসকলে দিলীপৰ কীৰ্তিগীত গাইছে। গিৰিনদীৰ জল-কণা বহন কৰি অনা আৰু বনফুলৰ সুৰভিৰে সুগন্ধিত মৃদু বতাহে, ছত্ৰবিহীন দিলীপে ৰ'দত কষ্ট পোৱা দেখি চোঁৱৰ ঢুলাই দিছে। প্ৰজাপালক দিলীপ প্ৰৱেশ কৰাৰ লগে লগে বনৰ সকলো উপদ্ৰৱ প্ৰশমিত হৈছে।

এইদৰে 'ৰঘুবংশ'ৰ চতুৰ্থসৰ্গত দিগ্বিজয়ীৰঘুক হিমালয়ৰ পথত সমীৰণে ভূৰ্জপত্ৰৰ মৰ-মৰণিৰে আৰু বনবেণুৰ মধুৰ শব্দেৰে জয়গীত শুনাই, ভাগীৰথীৰ জলকণিকা বহন কৰি আনি ৰঘুৰ শৰীৰ জুৰ পেলাইছে। অষ্টম সৰ্গত নৱ অভিষিক্ত ৰজা দশৰথক বসন্ত ঋতুৱে সমস্ত বাসন্তী সম্ভাৰ লৈ অভিনন্দিত কৰিছে; প্ৰকৃতি ৰাজ্যত কেইকালে সৌন্দৰ্য, মাধুৰ্য আৰু উদ্দীপনাৰ পূৰ্ণ পয়োভৰ হৈছে।

'ৰঘুবংশ'ৰ ত্ৰয়োদশ সৰ্গত পুষ্পক বিমানত উঠি অযোধ্যালৈ প্ৰত্যাবৰ্তন কৰা ৰামে সীতাক পথৰ দৃশ্যসমূহৰ বৰ্ণনা কৰি দেখুৱাই গৈছে। এই বৰ্ণনাই আমাৰ চকুৰ আগত যেন ইখনৰ পাছত সিখনকৈ প্ৰকৃতি ৰাজ্যৰ চিত্ৰসমূহ দাঙি ধৰিছে। কেতিয়াবা সেই চিত্ৰই যেন সংগীতৰ

মধুৰ ধ্বনিও ঝংকাৰিত কৰিছে—

অমুৰ্বিমানান্তৰ লম্বিনীনাং শ্ৰুত্বা স্বনং কাঞ্চনকিংকিনীনাম্।
প্ৰত্যুদ্‌ব্ৰজন্তীৱ খমুৎপতন্ত্যো গোদাৱৰীসাৰসপংক্তয়স্ত্বাম্॥

ৰামে সীতাক কৈছে—"সৌৱা গোদাৱৰী-তীৰৰপৰা শাৰী শাৰী সাৰস পক্ষীয়ে বিমানত আঁৰি থোৱা জুনুকাৰ শব্দ শুনি তোমাক আগৰঢ়াই নিবলৈহে যেন আকাশলৈ উৰা মাৰিছে।" এই বৰ্ণনাই আমাৰ মানস-পটত দাগি ধৰিছে এনে এখনি চিত্ৰ—দূৰ আকাশত এখনি বিমান উৰি গৈছে; তাত আঁৰি থোৱা আছে অলেখ সোণৰ কিংকিণী, সেই-বোৰৰ ধ্বনি শুনি আকৃষ্ট হৈ জাক পাতি পাতি উৰি গৈছে শুধ্‌ বগা সাৰস পখীবোৰ। চিত্ৰখনিৰ লগে লগে যেন আমাৰ শ্ৰৱণেন্দ্ৰিয় জুনুকাৰ মৃদু ধ্বনিত ঝংকাৰিত হৈ উঠিছে।

শকুন্তলা নাটক আৰু মেঘদূত কাব্যত নায়ক-নায়িকাৰ দৰেই প্ৰকৃতিও এক অপৰিহাৰ্য চৰিত্ৰ হৈ উঠিছে। এই দুয়োখনি গ্ৰন্থতে মানুহ আৰু প্ৰকৃতি ৰাজ্যৰ গছ-লতা, পশু-পখী, অৰণ্য-পৰ্বত, নৈ-বিল-সৰোবৰ, এই সকলোবোৰ একেডালি সহানুভূতি আৰু সমবেদনাৰ সূত্ৰেৰে বান্ধ খাই আছে। মেঘদূতত আমি দেখিবলৈ পাইছোঁ, সাধাৰণ দৃষ্টিত কেৱল "ধূম-জ্যোতিঃ-সলিল-মৰুতাং সন্নিপাতঃ" অৰ্থাৎ ধোঁৱা, পোহৰ, পানী আৰু বায়ুৰ সমাৱেশ মাত্ৰ নিৰ্জীৱ মেঘখণ্ডকে কালিদাসৰ নায়ক যক্ষই হৃদয় সংবাদ জনাই দৌত্য কাৰ্যত নিয়োগ কৰিছে। মানৱ-হৃদয়ৰ সংবাদ বহন কৰি নিবলৈ সমৰ্থ হোৱা মেঘ কালিদাসৰ অন্তদৃষ্টিত চেতনৰূপত ধৰা দিছে। ইফালে বিৰহ-বিধুৰ নায়ক যক্ষই নিজৰ মানসিক অৱস্থাৰ অনু-ৰূপেহে সমস্ত জড় জগৎ আৰু জীৱজগৎখন চাইছে। গ্ৰীষ্মত শুকাই থকা সিন্ধু নদীখন যক্ষৰ চকুত বিৰহত ক্ষীণাই যোৱা নায়িকা হৈ ধৰা দিছে; নিৰ্বিন্ধ্যা নদীখনো যেন বিলাসবিভ্ৰমা, প্ৰিয়তমজনৰ প্ৰণয়ভিক্ষাৰিণী নায়িকাহে। শিপ্ৰানদীৰপৰা বৈ অহা বতাহছাটিতো যক্ষই চাটুকাৰী নায়কৰ ব্যৱহাৰ আৰোপ কৰিছে। জড় প্ৰকৃতিৰ লগত মানৱ-প্ৰাণৰ

এনেকুৱা নিবিড় সম্পৰ্ক কালিদাসৰ বাহিৰে অন্য কবিৰ ৰচনাত বিৰল-প্ৰায়।

'মেঘদূত'ত মানৱ-মনৰ ওপৰত বৰ্ষা ঋতুৰ গভীৰ প্ৰভাৱ সুন্দৰকৈ প্ৰকাশ পাইছে। বৰ্ষা ঋতুৱে প্ৰকৃতি ৰাজ্যত সৃষ্টিপ্ৰৱণতা জগাই তোলাৰ দৰে মানৱ-মনতো সৃষ্টিপ্ৰৱণতা তথা মিলনৰ স্পৃহা জগাই তোলে। সেয়েহে নিৰ্বাসিত যক্ষই বাৰিষাৰ আকাশত ক'লীয়া মেঘৰ চপৰাটো দেখি-য়েই কাতৰ হৈ পৰিছে। কবিৰ ভাষাত—

মেঘালোকে ভৱতি সুখিনোঽপ্যন্যথা-বৃত্তি চেতঃ।
কণ্ঠাশ্লেষপ্ৰণয়িনি জনে কিংপুনৰ্দূৰসংস্থে॥

বাৰিষাৰ মেঘ দেখিলে কাষতে প্ৰিয়জন থকাসকলৰো মন কেনেবা লাগে; তেনেস্থলত যাৰ প্ৰিয়জন আছে দূৰ-দূৰণিত, সেইসকলৰ আৰু কি কথা?

কালিদাসৰ নায়ক-নায়িকাসকলৰ সুখ-দুখত সক্ৰিয় অংশ লোৱা প্ৰকৃতিৰাজ্যৰ পশু-পক্ষীবোৰৰ যি আচৰণৰ বৰ্ণনা কবিজনে দাঙি ধৰিছে, সেয়া কেৱল কল্পনাবিলাস বা কবি-প্ৰসিদ্ধিৰ (poetic convention) অনুকৰণ মাত্ৰ নহয়; সেইবোৰৰ বৈজ্ঞানিক ভিত্তিও আছে। ড° সত্যচৰণ লাহা নামৰ পক্ষিতত্ত্ববিদে প্ৰায় তিনিশ পৃষ্ঠাৰ 'কালিদাসেৰ পাখি' নামৰ গ্ৰন্থত কালিদাসৰ ৰচনাৱলীত উল্লিখিত পক্ষীসমূহৰ ব্যৱহাৰৰ যথাৰ্থতা সম্পৰ্কে বিতং আলোচনা কৰিছে। মেঘদূতত আছে —

কৰ্তুং যচ্চ প্ৰভৱতি মহীমচ্ছিলীন্ধ্ৰামৱন্ধ্যাং
তচ্ছ্ৰুত্বা তে শ্ৰৱণসুভগং গৰ্জিতং মানসোৎকাঃ।
আকৈলাসাদ্বিসকিসলয়চ্ছেদপাথেয়ৱন্তঃ
সম্পৎস্যন্তে নভসি ভৱতো ৰাজহংসাঃ সহায়াঃ॥ ১১

তোমাৰ যি গাজনিয়ে পৃথিৱীখন গছ-গছনিৰে ভৰাই অবন্ধ্যা কৰি তোলে, সেই শুনি ভাল লগা গাজনি শুনি মানস সৰোবৰলৈ যাবলৈ উৎকণ্ঠিত হোৱা ৰাজহাঁহবোৰে মুখত মৃণালৰ ঠাৰি পথৰ আহাৰ স্বৰূপে

লৈ কৈলাসলৈকে আকাশপথত তোমাৰ সহযাত্ৰী হ'ব। অন্য এঠাইত আছে—

ত্বয্যাসন্নে পৰিণতফলশ্যামজম্বুবনান্তাঃ
সম্পৎস্যন্তে কতিপয়দিনস্থায়িহংসা দশার্ণাঃ ॥ ২৪ [পূৰ্বমেঘ]

তুমি উপস্থিত হ'লে পকা পকা জামুৰে শ্যামবৰণীয়া হৈ পৰা বনসমূহ দেখি দশাৰ্ণজনপদত কিছুদিন স্থায়ীভাৱে ৰাজহংসবোৰ বৈ যাব।

প্ৰশ্ন হয় মানস-সৰোবৰলৈ যাবলৈ উৎকণ্ঠিত হোৱা হাঁহবোৰ আকৌ ইয়াত বৈ গ'ল বুলিছে কিয়? খাদ্য বিচাৰি আৰু প্ৰজননৰ কাৰণে উপযোগী স্থান বিচাৰিয়েই পক্ষীসমূহে প্ৰব্ৰজন কৰে। ড° লাহাই উক্ত প্ৰশ্নৰ উত্তৰত কৈছে—যি ঠাইৰ জলবায়ু আৰু অন্যান্য পাৰিপাৰ্শ্বিক অৱস্থা পক্ষীসমূহৰ আহাৰ সংগ্ৰহ অথবা সন্তানজননৰ কাৰণে অনুকূল হয়; হাঁহবোৰো তালৈকে যায়। বস্তুতঃ বৰ্ষাৰ আগমনৰ লগে লগে কৈলাস আৰু তাৰ পাদদেশত অৱস্থিত মানস সৰোবৰ নানা হংসৰ আৱাসভূমি হৈ পৰে। কিন্তু যদি কিবা প্ৰকাৰে কোনো ঠাইত নৈসৰ্গিকেই হওক বা কৃত্ৰিমেই হওক, সিহঁতৰ আহাৰ-বিহাৰ তথা সন্তান-জননৰ অনুকূল ব্যৱস্থা ক'ৰবাত পায়, যাযাবৰ পক্ষীবোৰৰ কিছুমানে তেনে ঠাইত কিছু দীঘলীয়াকৈ বাস কৰিবলৈ লয়। 'মেঘদূত'ত অলকাপুৰীত থকা যক্ষৰ উদ্যানত বাস কৰি থকা হাঁহবোৰে বৰ্ষাকাল উপস্থিত হোৱা দেখিও ওচৰতে যদিও মানস সৰোবৰলৈ, পুখুৰীবোৰ এৰি যাবলৈ উৎকণ্ঠিত নোহোৱাৰ কথাও বৰ্ণনা কৰিছে। ইয়াৰ বাহিৰেও বৈচিত্ৰ্যপূৰ্ণ জলবায়ুৰে ভৰি থকা ভাৰতবৰ্ষৰ বিভিন্ন ঋতুত দেখিবলৈ পোৱা হাঁহৰ বৰ্ণনাও কালিদাসে দিছে।

কালিদাসে চাতক চৰাইৰ লগত মেঘৰ নিবিড় সম্পৰ্কৰ উল্লেখ বহু ঠাইতে কৰিছে। মেঘদূতত আছে—ৱামশ্চায়ং নদতি মধুৰং চাতকস্তে সগন্ধঃ' মেঘ বাওঁফালে চাতকে মধুৰ ধ্বনি কৰি যাব। বৰ্ষাকালত প্ৰজনন-ৰত হোৱা এই চৰাইবিধ সেইসময়ত অতি মুখৰ হৈ পৰে। এইবিধ চৰায়ে

মাটিত পৰা পানী নাখায় বুলি থকা অবাস্তৱ কবি-প্ৰসিদ্ধিৰ প্ৰামাণিক উল্লেখ কালিদাসৰ ৰচনাত নাই বুলিও ড° লাহাই লিখিছে। এইদৰে কালিদাসৰ ৰচনাত উল্লিখিত কাৰণ্ডৱ, শ্যেন, ময়ূৰ, কোকিল আদি পক্ষী-বিলাকৰ ব্যৱহাৰসমূহ যে কালিদাসে বাস্তৱ ভিত্তিতহে ৰূপায়িত কৰিছে, ড° লাহাই তাক সুন্দৰকৈ প্ৰমাণ কৰিছে।

মহাকবি কালিদাসৰ প্ৰকৃতি-চিত্ৰণৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন 'অভিজ্ঞান-শকুন্তলা' নাটকত প্ৰকৃতিৰ স্থান সম্পৰ্কে কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে—"অভিজ্ঞান-শকুন্তলা নাটকৰ অনসূয়া-প্ৰিয়ম্বদা যেনেকুৱা, কণ্ব যেনে, দুষ্মন্ত যেনে, তপোবন প্ৰকৃতিও তেনে এক বিশেষ চৰিত্ৰ। এই মূক প্ৰকৃতিক নাটকত যে এনে প্ৰধান, এনে আৱশ্যকীয় স্থান দিব পাৰি, সেইটো বোধকৰোঁ সংস্কৃত সাহিত্যৰ বাহিৰে অন্য ক'তো দেখা নাযায়। প্ৰকৃতিক মানুহ কৰি, প্ৰকৃতিৰ মুখত কথা-বাৰ্তা দি ৰূপক নাট্য ৰচিত হ'ব পাৰে—কিন্তু প্ৰকৃতিক প্ৰাকৃতিৰূপেই ৰাখি, প্ৰকৃতিক ইমান সজীৱ, ইমান প্ৰত্যক্ষ, ইমান ব্যাপক, ইমান অন্তৰংগ কৰি তোলা, ইয়াৰদ্বাৰা নাটকৰ ইমান কাৰ্য সাধন কৰি লোৱা, এনে কথাতো আন ঠাইত ক'তো দেখা নাযায়।"

আশ্ৰমপালিতা শকুন্তলা প্ৰকৃতিৰ প্ৰতিটো বস্তুৰ লগত আত্মীয়তাৰ ডোলেৰে বান্ধ খাই আছে ; তেওঁৰ চৰিত্ৰও বনৰ হৰিণীৰ দৰে সৰল, পৰ্বতীয়া জুৰিৰ পানীৰ দৰে পৰিস্থিতিবশতঃ কেতিয়াবা মলিন হৈ পৰিলেও সহজে নিৰ্মল হ'ব পৰা। শকুন্তলাক মহাকবিয়ে আশ্ৰমৰ তৰুলতাৰ মাজৰে এডালি লতাৰ নিচিনাকৈ ৰূপায়িত কৰিছে—

> অধৰঃ কিশলয়ৰাগঃ কোমলবিটপানুকাৰিণৌ বাহু।
> কুসুমমিৱ লোভনীয়ং যৌৱনমঙ্গেষু সংনদ্ধম্ ॥

কুঁহিপাত যেন ৰঙা ওঁঠ, সুকোমল ঠাৰি যেন দুটি বাহু, ফুলৰ দৰে অংগে অংগে যৌৱনৰ লোভনীয় শোভা প্ৰকাশ পাইছে।

এইডালি লতাই হৃদয়ৰ সম্বন্ধেৰে চেতন-অচেতন সকলো বস্তুকে বান্ধি থৈছে। আশ্ৰমৰ গছ-লতাৰ শুৰিত পানী ঢালোঁতে তেওঁ সিহঁতলৈ সহোদৰ স্নেহৰ ধাৰাও বোৱাই দিছে। ন-কৈ ফুল ধৰি গাভৰু হৈ পৰা বন-জোৎস্না লতাজুপি আৰু কুমলীয়া কুঁহিপাতেৰে সৈতে উপভোগৰ যোগ্য হৈ পৰা আমগছ জোপাৰ মিলন দেখি শকুন্তলা আনন্দত বিভোৰ হৈছে। সৰুতে মাউৰা হোৱা পহু পোৱালিটি নিজহাতে থুৱাই-বুৱাই, ঘাঁহ খাওঁতে মুখত লগা ঘাও ইংগুদী-তেল সানি প্ৰতিপালন কৰি শকুন্তলাই নিজ সন্তানৰ দৰে ডাঙৰ-দীঘল কৰিছে। এই প্ৰকৃতি ৰাজ্যখনৰ লগতে চেনেহৰ জৰী ছিঙি যেতিয়া শকুন্তলা স্বামীৰ ঘৰলৈ যাবলৈ ওলাইছে, সেই বেদনা অতি অসহনীয় হৈ উঠিছে। কবিগুৰু ৰবি ঠাকুৰৰ মতে "বনৰ সৈতে মানুহৰ বিচ্ছেদ যে ইমান মৰ্মান্তিক, সকৰুণ হ'ব পাৰে, এইটো সকলো সাহিত্যৰ ভিতৰত কেৱল শকুন্তলাৰ চতুৰ্থ অংকতেহে দেখিবলৈ পোৱা যায়।"

কালিদাসৰ সৰ্বশ্ৰেষ্ঠ ৰচনা বুলি স্বীকৃত শকুন্তলা নাটকৰ চতুৰ্থ অংকটিৰ ৰমণীয়তাৰ অন্যতম কাৰণ প্ৰকৃতিৰ লগত মানুহৰ ছিঙিব নোৱৰা স্নেহ-বন্ধনৰ অন্তস্পৰ্শী ৰূপায়ণ। শকুন্তলাক পতিগৃহলৈ পঠাবলৈ কেউফালে উলহ-মালহ লাগিছে। যি প্ৰকৃতি-মাতৃৰ উদাৰ কোলাত শকুন্তলা লালিতা-পালিতা হৈছিল, সেই প্ৰকৃতিয়েই তৰুৰাজিৰ মাধ্যমত শকুন্তলাৰ কাৰণে ৰমণীয় বস্ত্ৰ, আভৰণ আৰু অংগৰাগৰ সম্ভাৰ আগ বঢ়াইছে। তপোবনৰপৰা যেতিয়া শকুন্তলা যাবলৈ ওলাইছে, তেতিয়া কণ্বই কৰুণ স্বৰেৰে তপোবনৰ তৰুলতাসমূহক শকুন্তলাক বিদায় দিবলৈ অনুৰোধ কৰিছে। যি শকুন্তলাই গছ-লতাত পানী নিদিয়াকৈ নিজে এটুপি পানী মুখত নিদিছিল, গছ-লতাৰ মৰমতে সিহঁতৰ এটি কুঁহিপাত ছিঙিও নিপিন্ধিছিল, গছ-লতাবোৰত ন-কৈ ফুল ফুলাৰ সময়ত যাৰ আনন্দ-উৎসৱ মিলিছিল, সেই শকুন্তলাকে বিদায় দিবলৈ কণ্বই আশ্ৰমৰ তৰুলতাসমূহক কৰুণ আবেদন জনাইছে। আশ্ৰমবাসকালত শকুন্তলাৰ আত্মীয়-কুটুম্ব স্বৰূপ এইগছবোৰে শৰৎকালৰ কুলি চৰাইৰকু মাতেৰে শকুন্তলাক বিদায়

বাণী শুনালে। শকুন্তলা পতিগৃহলৈ যাত্ৰা কৰাৰ সময়ত শৰৎ কাল আছিল ; শৰৎ কাল উপস্থিত হ'লে যাযাবৰ কুলি চৰাইবোৰে অজান দেশলৈ উৰা মৰাৰ সময় আহে। সেয়েহে এই বিদায়-ক্ষণত কুলিৰ মাত কণ্বমুনিৰ কাণত তাৎপৰ্যপূৰ্ণ হৈ ধৰা দিছে।

প্ৰিয়-মিলনৰ কাৰণে উদগ্ৰীৱ হৈ পৰিছে যদিও শকুন্তলাৰ ভৰি দুটা যেন চিৰচেনেহৰ আশ্ৰমখনি এৰি আগবাঢ়িবই নোখোজে। এই সময়ত প্ৰিয়ম্বদাই লক্ষ্য কৰিছে, শকুন্তলাক তপোবন এৰি যাবলৈ ওলোৱা দেখি পহুবোৰৰ মুখৰপৰা ঘাঁহ সৰি পৰিছে, ম'ৰাচৰায়ে নাচোন এৰি পেলাইছে, গছ-লতাবোৰেও যেন হালধীয়া পাতৰ ছলেৰে চকুলো সৰকাইছে। নিজৰ ভনীয়েকৰ নিচিনা বনজ্যোৎস্না লতাজুপি শকুন্তলাই সখীয়েকহঁতক গতাই, লতাজুপিৰপৰা বিদায় লোৱা দৃশ্যও অতি অন্তৰস্পৰ্শী।

যিখন আশ্ৰমৰ প্ৰতিটো বস্তুৱেই শকুন্তলাক চেনেহৰ এনাজৰীৰে বান্ধি থৈছে, সেই আশ্ৰমৰ, গছ-লতা, পশু-পক্ষীবোৰৰ মমতাই শকুন্তলাক তেওঁৰ বহু আকাংক্ষিত পতিৰ সান্নিধ্যলৈ আগবঢ়াৰ আনন্দপূৰ্ণ মুহূৰ্ততো ব্যাকুল কৰি তুলিছে। শকুন্তলাৰ পুত্ৰতুল্য হৰিণ শিশুটিয়ে যাবৰ পৰত কাপোৰত কামুৰি ধৰি পাছৰপৰা টানিছে। কাৰুণ্যৰ এই হৃদয়-বিদাৰক দৃশ্যই সহৃদয়ৰ হৃদয় বিগলিত কৰে। যোৱাৰ সময়ত শকুন্তলাই আশ্ৰমৰ গাভিনী হৰিণী এজনীয়ে যেতিয়া নিৰ্বিঘ্নে পোৱালি দিব, তেতিয়া সেই সংবাদ তেওঁক জনাবলৈ পিতাক কণ্বক অনুৰোধ কৰিছে। এইদৰে অতি কষ্টেৰে আশ্ৰমৰ তৰুলতা, পশু-পক্ষীসকলৰপৰা বিদায় লৈ প্ৰকৃতি-কন্যা শকুন্তলাই হৃদয় উজাৰি চকুলো বোৱাই পতিগৃহলৈ যাত্ৰা কৰিছে।

'অভিজ্ঞানশকুন্তল' নাটকত এইদৰে প্ৰকৃতিৰ পালিতা কন্যা শকুন্তলাৰ বিদায়-ক্ষণত প্ৰকৃতিৰ তৰু-লতা, পশু-পক্ষীয়েও স্বাভাৱিক অৱস্থা ব্যাহত নকৰাকৈয়ে এক জীৱন্ত ভূমিকা গ্ৰহণ কৰিছে। শকুন্তলাৰ অতিকৈ আপোন আশ্ৰমৰ তৰুৰাজিৰপৰা মহৰ্ষি কণ্বয়ো শকুন্তলাৰ বিদায় ক্ষণত যাত্ৰাৰ অনুমোদন বিচাৰি মানৱ আৰু প্ৰকৃতিৰ আন্তৰিক সম্পৰ্ক

অতি গুৰুগম্ভীৰ কৰি তুলিছে—

> পাতুং ন প্ৰথমং ব্যৱস্যতি জলং যুষ্মাস্বপীতেষু
> নাদত্তে প্ৰিয়মণ্ডনাপি ভৱতাং স্নেহেন যা পল্লৱম্।
> আদ্যে ৱঃ কুসুমপ্ৰসূতিসময়ে যস্যা ভৱত্যুৎসৱঃ
> সেয়ং যাতি শকুন্তলা পতিগৃহং সৰ্বৈৰনুজ্ঞায়তাম্॥

মহৰ্ষিয়ে এই গুৰু-গম্ভীৰ আবেদনৰ বিনিময়ত কোকিলৰৱৰ মাধ্যমত তৰুলতাসকলৰ বিদায়-সম্ভাষণ শুনিবলৈ পালে, আৰু শুনিবলৈ পালে বন্য প্ৰকৃতিৰ অধিষ্ঠাত্ৰী দেৱতাৰ মংগল আশিস্‌বাণী—মাজে মাজে পদুম গছেৰে সেউজীয়া হৈ থকা সৰোবৰ, সুশীতল ছাঁৰে ৰ'দৰ তাপ উপশম কৰা গছ-গছনি আৰু পদুম-ৰেণুৰ দৰে মৃদুকণা উৰুৱাই বলি থকা শান্ত আৰু অনুকূল বতাহেৰে শকুন্তলাৰ যাত্ৰাপথ সুখদায়ক হৈ পৰক। এয়া যেন অন্তৰ্দৃষ্টিসম্পন্ন ক্ৰান্তদৰ্শী ঋষি কণ্বৰ অন্তঃপ্ৰজ্ঞাৰদ্বাৰা স্বতঃস্ফুটভাৱে হোৱা উপলব্ধিৰহে বহিঃপ্ৰকাশ। এইখিনি কথাৰপৰা বুজা যায় যে কেৱল আশ্ৰমকন্যা শকুন্তলাই নহয়, সিদ্ধিমান ঋষি কণ্বও প্ৰকৃতিজগৎখনৰ লগত কিবা এক অবিচ্ছেদ্য সম্পৰ্কেৰে জড়িত হৈ আছে; ঋষিৰ অন্তৰ্দৃষ্টিত ধৰা দিয়া সেই যোগসূত্ৰ গছি আধ্যাত্মিকতাৰ গুণেৰে নিৰ্মিত।

কালিদাসৰ ৰচনাৱলীত প্ৰকৃতিয়ে ৰূপ-ৰস-শব্দ-স্পৰ্শ-গন্ধৰ যোগেদিয়েই এক আনন্দময় সৌন্দৰ্যলোকৰ সৃষ্টি কৰিছে; তাত অলৌকিকতা আৰু অতীন্দ্ৰিয়তাৰ চাপ পৰা নাই। শকুন্তলা নাটকত নেপথ্যৰপৰা শকুন্তলালৈ বস্ত্ৰ-আভৰণ যোগান ধৰা তৰুৰাজিৰ ব্যৱহাৰত অলৌকিকতা নাই; সেইখিনি আমি আশ্ৰমযোগ্য শ্ৰেষ্ঠ বসন আৰু প্ৰসাধনৰ সামগ্ৰী বনস্পতিসমূহৰপৰা লাভ কৰা বুলি ধৰাত কোনো বাধা নাই। সেইদৰে বনদেৱতাৰ আশীৰ্বাণীও কণ্বৰ স্ব-উপলব্ধি বুলি ব্যাখ্যা কৰিব পাৰি। □

ৰজা ৰঘুৰ দিগ্বিজয়ৰ কাহিনী

মহাকবি কালিদাসে 'ৰঘুবংশ'ৰ চতুৰ্থ সৰ্গটো স্বনামধন্য ৰঘু ৰজা হোৱাৰ উদাত্ত বৰ্ণনাৰে পাতনি মেলি সেই প্ৰতাপী ৰজাৰ দিগ্বিজয়ৰ বিশদ বৰ্ণনা দি বিশ্বজিৎ যজ্ঞৰ বিৱৰণেৰে সামৰণি মাৰিছে। সন্ধ্যা সময়ত সূৰ্যই স্থাপন কৰি থৈ যোৱা তেজেৰে অগ্নি অধিক উদ্দীপ্ত হোৱাৰ দৰে পিতৃ দিলীপে প্ৰদান কৰি যোৱা ৰাজ্য লাভ কৰি ৰঘুও অধিক প্ৰতাপশালী হৈ উঠিল। পিতাক দিলীপে নিৰান্নব্বৈটা অশ্বমেধ যজ্ঞ সম্পাদন কৰোঁতা কালত যাৰ বীৰত্বত ইন্দ্ৰও সন্তুষ্ট হৈছিল, সেই ৰঘুৰ প্ৰতাপত বিপক্ষ নৃপতিসকলৰ হৃদয়ত যিকুৰা সন্তাপাগ্নি ধোঁৱাই আছিল, এতিয়া ৰঘু ৰজা হোৱা শুনি সেই কুৰা জুই দপ্‌দপ্‌কৈ জ্বলি উঠিল। ইন্দ্ৰধ্বজ ওপৰলৈ উঠা দেখিলে যেনেকৈ সমস্ত প্ৰজা আনন্দিত হয়, ৰঘুৰ অভ্যুদয় হোৱা দেখি সেইদৰেই প্ৰজামণ্ডলী আনন্দিত হ'ল। হাতীত আৰোহণ কৰি কুঁৱা ৰঘুৱে যেন পৈতৃক সিংহাসনত আৰু বিপুচক্ৰৰ ওপৰত একেসময়তেই আৰোহণ কৰিলে। ৰঘুৰ প্ৰভামণ্ডল দেখি এনেহে লাগিল যেন সাৰ্বভৌম পদত অভিষিক্ত হোৱা ৰঘুৰ শিৰত অদৃশ্যভাৱে থাকি স্বয়ং ৰাজলক্ষ্মীয়েহে পদ্মচ্ছত্ৰ ধৰিলেহি। সৰস্বতী দেৱীয়েও সময়মতে বৈতালিকসকলৰ কণ্ঠত স্থিত হৈ সাৰ্থক স্তুতিৰদ্বাৰা প্ৰশংসনীয় নৃপতি ৰঘুক প্ৰশংসা কৰিবলৈ ধৰিলে। পূৰ্বে যদিও মনু প্ৰভৃতি মাননীয় নৃপতিসকলে ভোগ কৰি গৈছিল, তথাপি বসুমতীয়ে ৰঘুৰ প্ৰতি প্ৰথম পতিক কৰাৰ দৰে অনুৰাগ প্ৰকাশ কৰিলে।

অতি শীতল আৰু অতি উষ্ণ নোহোৱাৰ বাবে দক্ষিণ মলয়াই সকলোৰে মন আকৰ্ষণ কৰাৰ দৰে অতি উগ্ৰও নহয়, অতি মৃদুও নহয়, এনেধৰণৰ দণ্ড বিধানকৰি ৰঘুৱেও সকলোৰে চিত্ত হৰণ কৰিলে। আম

গছত (মল সৰি গৈ) ফল লাগিলে মানুহে যেনেকৈ মুকুল দেখিবলৈ নোপোৱাৰ দুখ পাহৰি যায়, তেনেকৈ ৰঘু পিতাকতকৈ অধিক গুণৱন্ত হোৱাৰ কাৰণে প্ৰজাৰ মনৰপৰা দিলীপক দৰ্শন কৰিবলৈ নোপোৱাৰ দুখ আঁতৰি গ'ল। নীতিজ্ঞ সচিবসকলে ৰঘুক সৰল আৰু কুটিল দুয়ো ধৰণৰ ৰাজনীতিৰেই মন্ত্ৰণা দিলে ; কিন্তু ৰঘুৱে সৰল ৰাজনীতিৰ পথহে গ্ৰহণ কৰিলে। ৰঘু ৰজা হোৱাত পৃথিৱী আদি পঞ্চভূতৰ গুণসমূহে উৎকৰ্ষ লাভ কৰাত নতুন ৰজা দিনত যেন সকলো বস্তু নতুন হৈহে পৰিল। যেনেকৈ মানুহক আনন্দদান কৰাৰ বাবে (চন্দ্ৰয়তি আহ্লাদয়তি ইতি) চন্দ্ৰ নামটো আৰু প্ৰচণ্ড তাপ বিতৰণ কৰাৰ বাবে তপন নামটো সাৰ্থক হৈছে, তেনেকৈ সমস্ত প্ৰজাক আনন্দ দান কৰাৰ বাবে (ৰঞ্জন কৰাৰ বাবে) ৰঘুৰ ক্ষেত্ৰতো 'ৰাজা' নামটো সাৰ্থক হৈছিল। সূক্ষ্ম কাৰ্যৰ অৰ্থ প্ৰকাশ কৰা শাস্ত্ৰৰ জ্ঞানহে ৰঘুৰ প্ৰকৃত চকু আছিল ; তেওঁৰ চৰ্মচক্ষু দুটা নহয়। এনে এজন ৰাজসুলভ গুণবিশিষ্ট ৰঘুৱে শাসন কৰিবলৈ লোৱাত ৰাজ্যৰ সকলোতে শান্তি বিৰাজ কৰিবলৈ ধৰিলে। তেতিয়া ৰঘুৱেও সুস্থ চিত্তেৰে কাল অতিবাহিত কৰিবলৈ ধৰিলে।

পদুম ফুলৰ শোভাৰে শুৱনি হৈ দ্বিতীয় ৰাজলক্ষ্মীৰ দৰে ৰঘুক সেৱা কৰিবৰ কাৰণে শৰৎ কাল উপস্থিত হ'ল। বৃষ্টিপাত কৰি লঘু হৈ পৰা মেঘে বাট মুকলি কৰি দিয়াত একেসময়তে সূৰ্যৰ আৰু ৰঘুৰ প্ৰতাপ দিঙ্মণ্ডলত ব্যাপ্ত হৈ পৰিল। ইন্দ্ৰই তেওঁৰ বৰ্ষাকালীন ধনু সম্বৰণ কৰিলে ; ইফালে ৰঘুৱে তেওঁৰ বিজয়াৰ্থী ধনু হাতত তুলি ল'লে। এওঁলোক দুয়োজনে প্ৰজাৰ হিতৰ অৰ্থে এইদৰে পৰ্যায়ক্ৰমে নিজ নিজ ধনু ধাৰণ কৰে। শ্বেতপদ্মৰ ছত্ৰ আৰু শুকুলা কহুৱা ফুলৰ চামৰেৰে শোভিত হৈ শৰৎ ঋতুৱে শ্বেতপদ্ম সদৃশ ৰাজছত্ৰ আৰু কহুৱা ফুলৰ নিচিনা চামৰেৰে শোভিত ৰঘুক অনুকৰণ কৰিলে হয়, শৰৎ ঋতুৱে পিছে ৰঘুৰ নিচিনাকৈ ৰাজলক্ষ্মী লাভ কৰিব নোৱাৰিলে। ৰঘুৰ সুপ্ৰসন্ন মুখৰ শোভা আৰু শাৰদীয় চন্দ্ৰমাৰ বিমল কান্তি দৰ্শন কৰি মানুহে একে আনন্দকে লাভ

কৰিলে। ৰঘুৰ যশস্যাৰ শুভ্ৰ জ্যোতি যেন হংসশ্ৰেণীত, তাৰকামণ্ডলীত আৰু ভেটফুলেৰে শুৱনি হৈ থকা জলৰাশিত ব্যাপ্ত হৈ পৰিল। শালিধাননি ৰখি থকা কৃষক-স্ত্ৰীসকলে কুঁহিয়াৰণিৰ ছাঁত বহি বাল্যকালৰেপৰা আৰম্ভ কৰি ৰঘুৰ যশগীত গাবলৈ ধৰিলে। এফালেদি অগস্ত্য নক্ষত্ৰ উদয় হোৱাত পানী নিৰ্মল হ'ল, আনফালেদি মহাপ্ৰতাপী ৰঘুৰপৰা অমংগলৰ আশংকা কৰি শত্ৰুৰ মন মলিনহে হ'ল। মদোন্মত্ত ষাঁড় গৰুবোৰে (শিঙেৰে আঘাত কৰি) নৈৰ গড়া খহাই ৰঘুৰ বিক্ৰমলীলা অনুকৰণ কৰিবলৈ ধৰিলে। ছতিয়না ফুলৰ গোন্ধ পাই (সেয়া অন্য মদ্যগন্ধী হাতী বুলি ভাবি) ৰঘুৰ হাতীবিলাকে ঐৰাৱত খলক লগাই শৰীৰৰ সাতোটি ৰন্ধ্ৰইদি (নাকৰ দুটা, কুম দুটা, চকু দুটা আৰু জননেন্দ্ৰিয়ইদি) স্পৰ্ধাত মদজল বোৱাবলৈ ধৰিলে।

উৎসাহ শক্তিৰদ্বাৰা উত্তেজিত হোৱাৰ আগতেই শৰৎ কালে নৈবিলাকৰ পানী শুকুৱাই আৰু বাটপথবোৰত বোকা নোহোৱা কৰি ৰঘুক ৰণযাত্ৰাত প্ৰবৃত্ত কৰিলে। ৰঘুৱে ঘোঁৰাবোৰৰ নীৰাজনা নামৰ মাংগলিক অনুষ্ঠান কৰি অগ্নিত যথাবিধি আহুতি প্ৰদান কৰিলে। সেই সময়ত হোমৰ অগ্নিয়ে দক্ষিণফালে শিখা মেলি আহুতি গ্ৰহণ কৰাত এনেহে লাগিল যেন অগ্নিদেৱে নিজ হাতেৰে ৰঘুক জয়দানহে কৰিলে। ৰঘুৱে নিবাসদুৰ্গ আৰু প্ৰান্তদুৰ্গসমূহৰ ৰক্ষাৰ ব্যৱস্থা কৰি পৃষ্ঠশত্ৰুৰপৰা বিপদমুক্ত হৈ ল'লে। তাৰ পাছত অনুকূল দৈৱৰদ্বাৰা অনুগৃহীত হৈ (মৌল, ভৃত্য, সুহৃদ, দ্বিষৎ আৰু আটৱিক নামৰ) ছয় বিধ সৈন্য সমন্বিতে তেওঁ দিগ্বিজয়ৰ অৰ্থে যাত্ৰা কৰিলে। সেই সময়ত পুৰনাৰীসকলে আখৈ ছটিয়াই ৰঘুৰ মংগল সূচনা কৰিলে। তেতিয়া এনেহে লাগিল যেন ক্ষীৰসমুদ্ৰৰ তৰংগমালাই ভগৱান বিষ্ণুৰ ওপৰতহে মন্দৰ পৰ্বতৰ ঘৰ্ষণত ছিটিকি পৰা জলকণাসমূহ বৰ্ষণ কৰিছে।

ইন্দ্ৰসদৃশ বিক্ৰমশালী ৰঘুৱে প্ৰথমতে (ইন্দ্ৰৰদ্বাৰা অধিষ্ঠিত) পুব দিশলৈ যাত্ৰা কৰিলে। অনুকূল বতাহে কঁপাই নিয়া ৰঘুৰ পতাকাসমূহে

যেন ৰঘুৰ শত্ৰুক আঙুলী জোকাৰি তৰ্জন কৰিছে যাৰলৈ ধৰিলে। ৰঘুৰ সৈন্যবাহিনীৰ ৰথৰ চকাই উৰুৱা ধূলিয়ে ছাটি ধৰি আকাশখন ভূতল যেন কৰি পেলালে আৰু দলে দলে হাতীয়ে ছাটি ধৰি পৃথিৱীখন (মেঘে ছাটি ধৰা) আকাশ যেন কৰি পেলালে। ৰঘুৰ ৰণযাত্ৰাত সৰ্বপ্ৰথমে গ'ল তেওঁৰ প্ৰতাপ, তাৰ পাছত সৈন্যৰ কোলাহলৰ শব্দ, তাৰ পাছত সৈন্যই উৰুৱা ধূলি আৰু একেবাৰে শেষত গ'ল চতুৰংগ (ৰথাৰোহী, অশ্বাৰোহী, গজাৰোহী আৰু পদাতিক) সৈন্যবাহিনী। ৰঘুৱে নিজ শক্তিৰ প্ৰভাৱত মৰুভূমিত পানী উলিয়ালে, নাও নোহোৱাকৈ পাৰ হ'ব নোৱৰা নদীবোৰ সহজে পাৰ হ'ব পৰা কৰি ল'লে আৰু অৰণ্যসমূহ মুকলি কৰিলে। পূব সাগৰৰ ফালে আগবঢ়াই নিয়া ৰঘুৰ সৈন্যবাহিনী দেখি এনেহে লাগিল যেন হৰজটাৰপৰা বৈ অহা গংগাকহে ভগীৰথে পূব সাগৰলৈ লৈ গৈছে। হাতীয়ে কোনো গছৰ ফল নাইকিয়া কৰি, কোনো গছ উভালি পেলাই আৰু কোনো গছ ভাঙি-ছিঙি নিজৰ পথ নিষ্কণ্টক কৰি লোৱাৰ দৰে ৰঘুৱেও কোনোজন ৰজাক ধনহীন কৰি, কোনোজন ৰাজ্যচ্যুত কৰি আৰু কোনো কোনো ৰজাক নানা প্ৰকাৰে ছেদেলি-ভেদেলি কৰি নিজৰ পথ নিষ্কণ্টক কৰি আগ বাঢ়িল। পূব দিশৰ সমস্ত জনপদ জয় কৰি ৰঘু তালীবনেৰে শ্যামবৰ্ণীয়া হৈ থকা মহোদধিৰ (বংগোপসাগৰৰ) উপকূলত উপস্থিত হ'লগৈ।

অৱনত হৈ ইকৰা-খাগৰিয়ে নদীৰ বেগৰপৰা আত্মৰক্ষা কৰাৰ দৰে সুহ্মদেশীয় ৰজাসকলেও অৱনত হৈ অবিনীত ৰজাসকলৰ উচ্ছেদকাৰী ৰঘুৰপৰা আত্মৰক্ষা কৰিলে। ৰণতৰী সজ্জিত কৰি প্ৰস্তুত হৈ বংগদেশীয় ৰজাসকলক সেনানায়ক ৰঘুৱে নিজ বলেৰে উন্মূলিত কৰি গংগাপ্ৰৱাহৰ মাজত থকা দ্বীপসমূহত জয়স্তম্ভ স্থাপন কৰিলে। উঘালি আনি পুনৰ ৰোৱা শালিধানৰ গছ গুটিৰ ভৰত শুবিলৈকে দোঁ খাই শস্যদান কৰাৰ দৰে ৰঘুৱে প্ৰথমতে উচ্ছেদ কৰি পাছত নিজ নিজ ৰাজ্যত স্থাপন কৰা ৰজা-সকলেও ৰঘুৰ পাদপদ্মত নত হৈ ধন দান কৰি তেওঁক সংবৰ্ধনা জনালে।

সেতুৰ দৰে অৱস্থান কৰি বান্ধি থোৱা নিজৰ হাতীবোৰৰ ওপৰেদিয়ে সসৈন্যে কপিশানদী পাৰ হৈ উৎকলবাসীসকলে দেখুৱাই দিয়া বাটেৰে ৰঘু কলিংগ অভিমুখে যাবলৈ ধৰিলে। মাউতে গম্ভীৰবেদী নামৰ হাতীৰ মূৰত অংকুশ স্পৰ্শ কৰাই দিয়াৰ দৰে ৰঘুৱেও মহেন্দ্ৰ পৰ্বতৰ শিৰত নিজৰ সুতীক্ষ্ণ প্ৰতাপ নিৱিষ্ট কৰিলে। কলিংগৰ ৰজাই গজাৰোহী সৈন্যৰ সহায়ত অস্ত্ৰবৰ্ষণ কৰি ৰঘুৰ আক্ৰমণ প্ৰতিহত কৰিলে। মহেন্দ্ৰ-পৰ্বতনিবাসী শত্ৰুৰ অস্ত্ৰবৰ্ষণ শিৰ পাতি লৈ যেন শাস্ত্ৰবিহিত জলধাৰাতহে মাংগলিক স্নান কৰি জয়শ্ৰী লাভ কৰিলে। তামোল পাতৰ দোঙাত নাৰিকলৰপৰা তৈয়াৰী মদ্যপান কৰি ৰঘুৰ সৈন্যসকলে যেন শত্ৰুৰ যশস্যাহে পান কৰিলে। ধৰ্মবিজয়ী ৰজা ৰঘুৱে মহেন্দ্ৰপৰ্বতৰ অধিপতিক প্ৰথমতে বন্দী কৰি পাছত মুকলি কৰি দি তেওঁৰ শ্ৰীহে হৰণ কৰিলে; ৰাজ্য হৰণ নকৰিলে। জয় অনায়াসে লাভ কৰিব পাৰিব বুলি স্থিৰ কৰি ৰঘুৱে তামোল গছেৰে শুৱাই থোৱা সমুদ্ৰৰ উপকূলেদি দক্ষিণ দিশলৈ যাবলৈ ধৰিলে।

ৰঘুৰ সৈন্যসকলৰ গাত সনা সুগন্ধি দ্ৰব্য আৰু হাতীৰ মদজলেৰে কাবেৰী নদী গোন্ধত আমোলমোল হ'ল। কিছু দূৰ বাট গৈ ৰঘুৰ সৈন্য-বাহিনীয়ে মৰীচ বনত চৰি ফুৰা হাৰীত পক্ষীৰে ভৰি থকা মলয় পৰ্বতৰ উপত্যকাত কিছুকাল অৱস্থান কৰিলে। সেই ঠাইত ৰঘুৰ ঘোঁৰাৰিলাকৰ গচকত ভাগি-ছিগি যোৱা ইলাচীগছৰ গুটিবোৰৰ গুড়ি বতাহত উৰি গৈ হাতীৰ গালত লাগিলগৈ। তাৰ চন্দন গছবোৰত সাপে মেৰাই থকাৰ কাৰণে খাজ বহিছিল; সেই খাজে খাজে বান্ধি দিয়াত হাতীৰ শিকলিবোৰ নিকপ্‌কপীয়া হৈ পৰিছিল। দক্ষিণ দিশলৈ গ'লে সূৰ্যৰো তেজ কমে; কিন্তু সেই দিশতো ৰঘুৰ তেজ পাণ্ড্যদেশীয় ৰজাসকলে সহ্য কৰিব নোৱাৰিলে। তেওঁলোক ৰঘুৰ চৰণত প্ৰণত হৈ তাম্ৰপৰ্ণী নদীত পোৱা বংগোপসাগৰৰ উৎকৃষ্ট মুক্তা দান কৰাৰ ছলেৰে নিজৰ সঞ্চিত যশৰাশিহে যেন দান কৰিলে। তীৰভূমি অঞ্চলত চন্দনেৰে ভৰি থকা দক্ষিণ দিশৰ স্তনসদৃশ মলয় আৰু দৰ্দ্দুৰ নামৰ পৰ্বত দুটা ইচ্ছামতে (প্ৰৱেশ কৰি) ভোগ

কৰি অসহ্য বিক্রমশালী ৰঘুৱে লাহে লাহে সহ্য পর্বত অতিক্রম কৰিলে। সমুদ্ৰ ক্ৰমে দূৰলৈ আঁতৰি যোৱাত এই পৰ্বতটো কাচলি খহি পৰা পৃথিৱীৰ উন্মুক্ত নিতম্ব যেন লাগিছিল।

পশ্চিমৰ দেশসমূহ জয় কৰিবলৈ উদ্যত হৈ আগুৱাই গৈ থকা ৰঘুৰ সৈন্যবাহিনী দেখি এনেহে লাগিছিল যেন পৰশুৰামৰ অস্ত্ৰদ্বাৰা দূৰলৈ অপসাৰিত হোৱা সমুদ্ৰ পুনৰ সহ্যাপৰ্বতত সংলগ্ন হ'লহি। ৰঘুৰ সৈন্য যোৱা শুনি বিভূষণ ত্যাগ কৰি পলাবলৈ ধৰা কেৰলদেশীয় নাৰীগণৰ অলকাৰাজি ৰঘুৰ সৈন্যবাহিনীয়ে উকৰা ধূলিৰে কুংকুম আদিৰ নিচিনাকৈ যেন সজাইহে তুলিলে। মুৰলানদীৰ বতাহত উৰি অহা কেতেকী ৰেণুৱে ৰঘুৰ সৈন্যৰ কঞ্চুকবিলাকত পটবাসৰ (বস্ত্ৰত সনা সুগন্ধি দ্ৰব্যৰ) কাম কৰিলে। ঘোঁৰাৰ গাত পিন্ধোৱা কবচৰ ঝন্‌ঝননিয়ে তালবনৰ মৰ্মৰশব্দ ভঙ্গ পেলালে। ভোমোৰাবোৰ নাহৰ ফুলৰপৰা গৈ খাজুৰী গছত বান্ধি থোৱা হাতীৰ মদজলেৰে সুবাসিত গালবোৰত পৰিবলৈ ধৰিলে। প্ৰাৰ্থনা কৰাৰ কাৰণেহে সমুদ্ৰক পৰশুৰামে থাকিবলৈ ঠাই দিছিল; সেই সমুদ্ৰয়ে যেন এতিয়া ৰঘুক তীৰবাসী নৃপতিসকলৰ যোগেদি কৰ-কাটল শোধালে। ত্ৰিকূট পৰ্বতত ৰঘুৰ মত্ত হাঁতীবোৰে দাঁতেৰে কৰা আঘাতৰ চিনবোৰ, জয়গীত ৰচনা কৰি শিলত কটা আখৰ যেন লাগিল। ত্ৰিকূট পৰ্বতটোৱেই যেন ৰঘুৰ বিজয়স্তম্ভ হ'ল।

পাৰসীকসকলক জয় কৰিবৰ উদ্দেশ্যে ৰঘু স্থল পথেৰে আগবাঢ়িল। অকস্মাৎ ওলোৱা মেঘে পদুমফুলৰ ওপৰত পৰা পুৱাৰ সূৰ্য্যৰ কিৰণ সহ্য নকৰাৰ দৰে ৰঘুৱেও যৱনস্ত্ৰীসকলৰ মুখপদ্মৰ মদ্যপান জনিত ৰক্তিমা সহ্য নকৰিলে (পতিপুত্ৰাদিক যুদ্ধত নিহত কৰিলে)। পশ্চিমৰ অশ্বাৰোহী যৱন সৈন্যৰ লগত ৰঘুৰ তুমুল যুদ্ধ হ'ল। ৰণক্ষেত্ৰ ধূলিৰে ধোঁৱা-কোঁৱা হোৱাত ধনুৰ টংকাৰ শুনিহে বিপক্ষ সেনা থকাৰ কথা জানিব পৰা গ'ল। ভল্ল নামৰ অস্ত্ৰেৰে কাটি পেলোৱা যৱনগণৰ দাড়ী লগা মুখবোৰ মৌমাখিৰে ঢাক খাই থকা মৌচাক যেন লাগিল। যুদ্ধত বাঁচি থকা অৱশেষ যৱন-

বিলাকে শিৰস্ত্ৰাণ সোলোকাই ৰঘুৰ চৰণত প্ৰণত হ'ল। ৰঘুৰ সৈন্যবিলাকে আঙুৰলতাই বেৰি থকা ঠাইত বিচিত্ৰ ছালৰ আসন পাৰি বহি লৈ সুৰাপান কৰি যুদ্ধৰ শ্ৰম দূৰ কৰিলে।

কিৰণৰদ্বাৰা পৃথিৱীৰ ৰসপান কৰিবলৈ সূৰ্য উত্তৰ দিশলৈ যোৱাৰ দৰে শৰৰদ্বাৰা উত্তৰ দিশৰ ৰজাগণক উন্মূলিত কৰিবৰ কাৰণে ৰঘুৱে উত্তৰ দিশলৈ যাত্ৰা কৰিলে। ৰঘুৰ ঘোঁৰাবিলাকে গৈ সিন্ধুৰ পাৰত গা-কটালি বাটৰ ভাগৰ মাৰিলে আৰু তাত উৎপন্ন হোৱা কুংকুমৰ ৰং লগা গলধনবোৰ জোকাৰিবলৈ ধৰিলে। উত্তৰ দিশত থকা হুণজাতীয় পুৰুষ-বিলাকৰ ওপৰত ৰঘুৱে এনে বিক্ৰম প্ৰকাশ কৰিলে যে সিহঁতৰ অন্তঃপুৰত থকা পত্নীসকলে (পতিৰ শোকত আঘাত কৰি) নিজৰ গালবোৰ ৰঙা কৰি দিলে। যুদ্ধত কম্বোজদেশীয় ৰজাসকলে ৰঘুৰ বীৰত্ব সহ্য কৰিব নোৱাৰিলে ; ৰঘুৰ হাতী বান্ধি থোৱা আখৰোট গছবিলাক দোঁ খোৱাৰ দৰে সেই ৰজাসকলো অৱনত হৈ পৰিল। তেওঁলোকে উৎকৃষ্ট ঘোঁৰাৰে সৈতে আগবঢ়োৱা সুৱৰ্ণ সম্ভাৰসমূহ কোশলৰ অধিপতি ৰঘুৰ ওচৰলৈ আহিবলৈ ধৰিলে ; কিন্তু তেওঁৰ মনলৈ গৰ্বৰ ভাব আহিব নোৱাৰিলে

ৰঘুৱে তেওঁৰ ঘোঁৰাবিলাকে উৰুৱা গৈৰিকাদি ধাতুৰে ধোঁৱা-কোঁৱা হোৱাত হিমালয়ৰ শৃংগৰ সংখ্যাহে যেন বৃদ্ধি কৰি সেই পৰ্বতত উঠি যাবলৈ ধৰিলে। গুহাত সোমাই থকা ৰঘুৰ চিনিনা বলশালী সিংহবিলাকে সৈন্যৰ কোলাহল শুনি ভয় নাখালে ; বৰঞ্চ ডিঙি বেঁকা কৰি সেইফালে চাবলৈহে ধৰিলে। ভূৰ্জপত্ৰৰ মাজত খচমচনি তুলি বাঁহৰ ফুটাত বেণুৰৱ তুলি আৰু গংগাৰ জলকণা উৰুৱাই আনি সমীৰণে হিমালয়ৰ পথত ৰঘুক সেৱা কৰিবলৈ ধৰিলে। নমেৰু গছৰ ছাঁত কস্তূৰী মৃগৰ নাভিগন্ধেৰে সুবাসিত শিলাতলত বহি ৰঘুৰ সৈন্যগণে বিশ্ৰাম ল'লে। হিমালয়ৰ ওষধিবৃক্ষবিলাকে (জ্যোতিলতা) ৰাতি দেৱদাৰু গছত বান্ধি থোৱা হাতীৰ শিকলিত নিজৰ পোহৰ প্ৰতিফলিত কৰি নায়ক ৰঘুৰ বাবে তেল নোহোৱাকৈয়ে চাকিৰ কাম কৰিলে। ৰঘুৱে শিবিৰ তুলি নিয়াৰ

পাছত দেৱদাৰু গছত বহা হাতীৰ শিকলিৰ ঘঁহাখোৱা চিনবোৰ দেখি কিৰাতসকলে তেওঁৰ হাতীবোৰ কিমান ওখ আছিল বুজিব পাৰিলে। পৰ্বতত বাস কৰা 'উৎসৱসংকেত' নামৰ (সপ্ত) গণৰ লগত ৰঘুৰ তুমুল যুদ্ধ লাগিল। সেই যুদ্ধত নাৰাচ, ভিন্দিপাল প্ৰভৃতি অস্ত্ৰ আৰু শিলাখণ্ডৰ সংঘৰ্ষত ফিৰিঙতি ওলাবলৈ ধৰিলে। শৰসমূহৰদ্বাৰা উৎসৱসংকেতগণক উৎসৱৰহিত কৰি ৰঘুৱে কিন্নৰগণক নিজ বাহুবলৰ জয়গীত গোৱাত নিয়োগ কৰিলে। হিমালয়ত অক্ষয় কীৰ্তি ৰাখি ৰঘুৱে তাৰপৰা অৱতৰণ কৰিলে। ৰাৱণে যাক উত্তোলন কৰিছিল, সেই কৈলাসক ত্যাগ কৰি ৰঘুৱে যেন লজ্জিতহে কৰিলে।

ৰঘু ব্ৰহ্মপুত্ৰনদ পাৰ হোৱাত তেওঁৰ হাতী বান্ধি থোৱা ক'লা অগুৰু (সাঁচি) গছবিলাকৰ দৰে (ৰঘুৰ ভয়ত) প্ৰাগ্‌জ্যোতিষৰ ৰজাও কঁপিবলৈ ধৰিলে। বৰষুণ নোহোৱাকৈয়ে দুৰ্দিনৰ (ভাৰবীয়া দিনৰ) সৃষ্টি কৰি সূৰ্য ঢাকি ধৰা ৰঘুৰ ৰথৰ চকাই উৰুৱা ধূলি দেখিয়েই প্ৰাগ্‌জ্যোতিষৰ ৰজাই ভয় খালে, ৰঘুৰ সৈন্যৰ প্ৰতাপ আৰু সহিব ক'ত? কামৰূপৰ ৰজাই স্বৰ্ণময় পাদপীঠৰ অধিষ্ঠাতা দেৱতাস্বৰূপ ৰঘুৰ চৰণৰ ছায়াকে ৰত্নৰূপ পুষ্পৰ উপহাৰ দি পূজা কৰিলে। বিজয়ী ৰঘুৱে এইদৰে দিগ্বিজয় কৰি বিজিত নৃপতিসকলৰ ৰাজচ্ছত্ৰহীন মুকুটত ৰথে উৰুৱা ধূলি পেলাই পেলাই স্বৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰিলে।

দিগ্বিজয়ী সম্ৰাট ৰঘুৱে বিশ্বজিৎ নামৰ যজ্ঞ অনুষ্ঠান কৰি দক্ষিণাস্বৰূপে তেওঁৰ সৰ্বস্ব দান কৰিলে। মেঘে যেনেকৈ বৰষুণ দিবলৈহে পানী সংগ্ৰহ কৰে, সেইদৰে সাধুসকলেও দানৰ উদ্দেশ্যেহে ধন সংগ্ৰহ কৰে। যজ্ঞ শেষ হোৱাত ৰঘুৱে পৰাজিত ৰজাসকলক তেওঁৰ মন্ত্ৰীসকলৰ হতুৱাই নানা প্ৰকাৰে সন্মান কৰাই তেওঁলোকৰ মনৰপৰা পৰাজয়ৰ দুখ দূৰ কৰিলে। বহুকাল চকুৰ আগত দেখিবলৈ নাপাই তেওঁলোকৰ অন্তঃপুৰৰ ৰমণীসকল

বিৰহত কাতৰ হৈ পৰিছিল। গতিকে ৰঘুৱে তেওঁলোকক যজ্ঞৰ অন্তত এইদৰে সম্মানিত কৰি নিজ নিজ ৰাজ্যলৈ ঘূৰি যাবলৈ অনুমতি দিলে।

এইজন দিগ্বিজয়ী, দানশীল, বিবেচক ৰজা ৰঘুৰ নামেৰেই তেওঁৰ বংশটোক ৰঘুবংশ বোলা হয়; ৰঘুৰ বংশত জন্মাৰ কাৰণেই শ্ৰীৰামচন্দ্ৰৰ নাম ৰঘুনন্দন, ৰাঘৱ, ৰঘুমণি ইত্যাদি। □

লংকা জিনি আহে ৰাম

মহাকবি কালিদাসৰ মহাকাব্য ‘ৰঘুবংশ’ৰ ত্ৰয়োদশ সৰ্গত লংকাবিজয়ৰ পাছত ৰাম সীতাৰে সৈতে অযোধ্যালৈ ঘূৰি অহাৰ বৰ্ণনা দিয়া হৈছে। ইয়াত ৰামৰ সমগ্ৰ প্ৰত্যাৱৰ্তন পথটিৰ মনোৰম বৰ্ণনা মহাকবিজনাই ৰামৰ উক্তি স্বৰূপেই দাঙি ধৰিছে। সুদীৰ্ঘদিনীয়া বিয়োগৰ অন্তত প্ৰিয়তমাক নিৰ্জন স্থানত পোৱা ৰামৰ আবেগ ঢলা অনুৰাগেৰে এই বৰ্ণনাটি অনুৰঞ্জিত। এৰে বাট ৰামে প্ৰত্যাৱৰ্তন পথত পোৱা স্থানসমূহ দেখুৱাই সীতাক সেইবোৰৰ বৰ্ণনা দি গৈছে; বহুকালৰ মূৰত নিৰিড় স্থানত প্ৰিয়তমজনক লগপোৱাৰ আনন্দবিহ্বল ক্ষণত সীতাই মাত্ৰ ৰামৰ কথাখিনি শুনিহে গৈছে। লংকাৰপৰা অযোধ্যালৈকে এই দীঘলীয়া যাত্ৰাপথত সীতাই শব্দমাত্ৰও উচ্চাৰণ কৰা নাই। হৃদয় যেতিয়া উপচি পৰে, তেতিয়া মুখৰ মাত হেৰাই যায়। মহাকবিয়ে সীতাক নীৰৱ শ্ৰোতাৰ ভূমিকাত ৰাখি ৰসঘন বৰ্ণনাটি একান্তভাৱে হৃদয়ংগম কৰাৰ অৱকাশ দিছে। যথাৰ্থ হ’লেও লংকা জিনি ঘূৰি অহা ৰামৰ প্ৰত্যাৱৰ্তন পথৰ বৰ্ণনা অতীৱ ৰমণীয়। কথা-প্ৰসংগত অৱতাৰণা কৰা পুৰাকথাবোৰে দৃশ্যপটখনি অধিক মনোৰম কৰিহে তুলিছে।

বামন অৱতাৰৰ সময়ত নিজে পদক্ষেপ কৰা স্থান আকাশত ৰামৰূপী হৰিয়ে বিমানেৰে প্ৰৱেশ কৰি সমুদ্ৰখন দেখিবলৈ পালে। তেওঁ সীতাক সমুদ্ৰখন দেখুৱাই ক’লে—“চোৱা বৈদেহী, শৰত কালত নিৰ্মল হৈ পৰা, ছায়াপথে দুভাগ কৰা আৰু উজ্জ্বল তৰকাৰাশিৰে শোভিত আকাশখনৰ চিনা লগা সমুদ্ৰৰ জলৰাশি ফেনে ফোটোকাৰে শুৱনি হৈ পৰা মলয়পৰ্বতলৈকে বিস্তৃত হৈ আছে; মোৰ সেতুবন্ধনে তাক দুভাগত বিভক্ত কৰিছে। যজ্ঞ কৰিবলৈ লোৱা পিতৃগুৰুৰ ঘোঁৰাটো কপিল

মুনিয়ে নি পাতালত ৰখাৰ কাৰণে মোৰ পূৰ্বপুৰুষ সগৰ-পুত্ৰগণে যজ্ঞৰ ঘোঁৰাটো বিচাৰি যেতিয়া পৃথিৱী বিদাৰণ কৰিছিল, তেতিয়া এই সমুদ্ৰৰ আয়তন বৃদ্ধি পাইছিল। এই সমুদ্ৰতে সূৰ্যৰ ৰশ্মিয়ে বৃষ্টিপাতৰ উদ্দেশ্যে জলময় গৰ্ভ ধাৰণ কৰে। ইয়াতে ৰত্নসমূহে বৃদ্ধি লাভ কৰে। জলৰদ্বাৰা প্ৰজ্বলিত বড়াগ্নি এই সমুদ্ৰয়ে ধাৰণ কৰে। এই সমুদ্ৰতে জগতৰ আনন্দদায়ক চন্দ্ৰৰ উৎপত্তি হৈছিলে। (সত্ত্ব, ৰজঃ, তমঃ প্ৰভৃতি) নানা অৱস্থা লাভ কৰা, নিজ মহিমাৰে দশোদিশে ব্যাপ্ত হৈ থকা বিষ্ণুৰ নিচিনাকৈ (অক্ষোভণীয়প্ৰভৃতি) নানা অৱস্থা লাভ কৰা, স্বমাহিমাৰে দশোদিশে ব্যাপ্ত হৈ থকা এই মহাসমুদ্ৰৰো স্বৰূপ প্ৰকাৰ আৰু পৰিমাণৰ দ্বাৰা নিৰূপণ কৰিব নোৱাৰি। প্ৰলয়কালত লোকসমূহক সংহাৰ কৰি যোগনিদ্ৰাত পৰা বিষ্ণুৱে নাভিকমলত উপৱেশন কৰি থকা ব্ৰহ্মাৰ স্তুতিগীত শুনি শুনি এই সমুদ্ৰতে শয়ন কৰে। শত্ৰুৰ ভয়ত ৰজাসকলে ধৰ্মপৰায়ণ মধ্যম নৃপতিৰ আশ্ৰয় গ্ৰহণ কৰাৰ দৰে পক্ষছেদ কৰি ইন্দ্ৰই দৰ্পচূৰ্ণ কৰা শত শত পৰ্বতে আশ্ৰয়ৰ যোগ্য এই সমুদ্ৰতে আশ্ৰয় লৈছিলে। আদি বৰাহৰ ৰূপত ভগৱানে ৰসাতলৰপৰা পৃথিৱী উদ্ধাৰ কৰি অনাৰ সময়ত এই সমুদ্ৰৰ স্বচ্ছ জলৰাশিয়েই (ন-কইনা) পৃথিৱীৰ মুখমণ্ডলত ওৰণি সদৃশ হৈ পৰিছিল।

"এই সমুদ্ৰৰ স্ত্ৰীসম্ভোগৰ ধৰণো অনন্যসাধাৰণ। তৰংগৰূপী অধৰ-প্ৰদানত নিপুণ (নায়ক) সমুদ্ৰই, মুখ আগবঢ়াই দিয়াত স্বভাৱতে প্ৰত্যুৎপন্নমতি (নায়িকা) নদীসমূহক (নিজৰ অধৰ) পান কৰাইছে আৰু নিজেও (নদীসমূহৰ অধৰ) পান কৰিছে। তিমিমাছবোৰে নদীৰ মোহনাত জলজন্তুৰে সৈতে মুখ মেলি পানী খাই পাছত কোৱাৰি বন্ধ কৰি মূৰত থকা ফুটাবোৰেদি ওপৰলৈ পানী মাৰি দিছে। হাতী যেন জলজন্তুবোৰে হঠাৎ ওপৰলৈ ভুমুকি মৰাত সাগৰৰ ফেনবোৰ ভাগ ভাগ হৈ পৰিছে ; সিহঁতৰ গলধনত লাগি ধৰা ফেনবোৰ ক্ষন্তেকৰ বাবে কাণত পিন্ধা চামৰ যেন লাগিছে। ডাঙৰ ডাঙৰ সাপবোৰ সমুদ্ৰৰ পাৰত বতাহ

ল'বলৈ ওলাই আহিছে ; সিহঁতক সাগৰৰ ঢৌ যেন দেখা গৈছে। কেৱল সূৰ্যৰ কিৰণ পৰি জিকমিকাই উঠা মণিবোৰ দেখিহে সিহঁতক সাপ বুলি ধৰিব পৰা গৈছে। সমুদ্ৰৰ কোবাল ঢৌৱে নি প্ৰবালসমূহত থুন্দা মৰা শংখবোৰৰ মুখত জোঙা জোঙা পোৱালবোৰ লাগি ধৰিছে ; সিহঁতে অতি কষ্টৰহে সেইবোৰ মুখৰপৰা এৰুৱাব পাৰিছে। পানী শুহিবলৈ গৈ পকনীয়াত পৰি পাকঘূৰণি খোৱা মেঘখণ্ড দেখি এনেহে লাগিছে যেন মন্দৰপৰ্বতেৰে পুনৰ সমুদ্ৰমন্থনহে কৰা হৈছে। সাগৰখনক লোহাৰ চকা এটা যেন আৰু তমাল, তালীগছেৰে শ্যামবৰণীয়া হৈ থকা তীৰভূমিক সেই চকাৰ প্ৰান্তভাগ যেন দেখা গৈছে।”

সীতাৰ অধৰপান কৰিবলৈ তৃষ্ণাৰ্ত হৈ পৰা ৰাম সীতাৰ সাজোন-কাচোনত বিলম্ব হ'ব বুলি অধীৰ হোৱা বুলি জানিহে যেন তীৰভূমিৰ বতাহ জাকে সীতাৰ মুখত কেতেকীৰেণু সানি দিছে। মুহূৰ্তৰ ভিতৰতে বিমানে নি ৰাম-সীতাক তীৰ অঞ্চলত উপস্থিত কৰালেগৈ। শুকানামৰ শামুকৰ মুখৰ পৰা ওলোৱা মুকুতাৰে তীৰভূমি ভৰি আছে। গুটিৰ ভৰত পাৰৰ তামোল গছবোৰ দোঁ খাই আছে।[১] যিমানে পুষ্পকবিমান আগবাঢ়ি গৈছে, সিমানে সাগৰখন আঁতৰি গৈছে আৰু তাৰপৰা গছ-গছনিৰে সৈতে ভূমিভাগ ওলাই অহা যেন লাগিছে। ৰামৰ ইচ্ছা অনুযায়ী বিমানখন কেতিয়াবা দেৱগণৰ পথেদি, কেতিয়াবা মেঘসমূহৰ আৰু কেতিয়াবা বিহগকুলৰ গতিপথেদি যাব লাগিছে।

ইন্দ্ৰৰ ঐৰাৱত হাতীৰ মদগন্ধেৰে সুবাসিত আৰু আকাশীগংগাৰ তৰংগৰ স্পৰ্শত শীতল হোৱা আকাশীবতাহে দুপৰৰ ৰ'দ পৰি সীতাৰ মুখত বিৰিভি উঠা ঘামৰ টোপালবোৰ মুচি দিছে। খিড়িকীৰে হাত উলিয়াই সীতাই মেঘবোৰ চুই গৈছে ; বিজুলীৰ খাৰু পিন্ধা মেঘবোৰে

১ গুটিৰ ভৰত তামোলগছ দোঁ নাখায়। সেইকাৰণে M. R. Kaleই কালিদাসে নিজে তামোলগছ নাই দেখা বুলি মন্তব্য কৰিছে।

সীতাৰ হাত তুখনিত যেন তুনাই অলংকাৰহে পিন্ধাই দিছে। ৰামে জনস্থানখন দেখুৱাই সীতাক ক'লে—"সৌৱা বাকলি বসন পিন্ধা তাপসসকলে বিপদ আঁতৰিল বুলি জানি ৰাক্ষসৰ ভয়ত বহুদিন পৰিত্যক্ত হৈ থকা নিজ নিজ আশ্ৰমলৈ ঘূৰি আহি কুটীৰ সাজি বাস কৰিবলৈ লৈছে। সৌখন ঠাইতেই তোমাক বিচাৰি ফুৰাৰ সময়ত মই তোমাৰ নূপুৰ এপাট পাইছিলোঁ; তোমাৰ চৰণকমলৰ বিয়োগ তুখতহে যেন সি নীৰৱ হৈ পৰি আছিল। সেইদিনা (যেন শোকতহে) কথা ক'ব নোৱৰা গছ-লতাবোৰে (ৰাৱণৰ ৰথে মহতিয়াই নিয়াত) দোঁ খাই থকা ডাল-পাতবোৰেৰে মোক ৰাক্ষসে তোমাক লৈ যোৱা বাটটো দেখুৱাই দিছিল। হৰিণীবোৰেও কুশবনৰ গজালি খাবলৈ এৰি ওপৰলৈ চকু তুলি দক্ষিণফালে চাই মোক যেন তুমি যোৱা পথৰ সন্ধান দিছিল।"

সীতাবিৰহত আকুল হৈ কাল কটোৱা মাল্যৱান পৰ্বতটো দেখি ৰামে সীতাক ক'বলৈ ধৰিলে—"মাল্যৱান পৰ্বতৰ আকাশলংঘী শৃংগত ধাৰাসাৰ বৰষুণ নমাৰ দৰে মোৰো তুধাৰেদি চকুপানী বৈছিল। বৰষুণৰ পানীৰে উপচিপৰা সৰোবৰবপৰা ওলোৱা গোন্ধ, আধাফুলা কদমফুল আৰু ময়ুৰৰ কেকাৰৱ তোমাৰ বিৰহতুখৰ কাৰণে মোৰ বাবে অসহ্য হৈ পৰিছিল। পূৰ্বে মেঘৰ গাজনি শুনি তুমি মোক সাৱটি ধৰাৰ কথা মনত পৰি সৌখন ঠাইতে গুহাত প্ৰতিধ্বনিত হোৱা মেঘৰ গাজনি মই বৰ কষ্টেৰেহে সহ্য কৰিছিলোঁ। সেই তাতেই বৰষুণপৰা মাটিৰ বাষ্প লাগি ন-কৈ ফুলা ভুঁইকদলী ফুলবোৰ দেখি বিয়াৰ হোমৰ ধোঁৱা লাগি ৰঙাপৰা তোমাৰ চকু তুটাৰ নিচিনা লগাত মই শোকত বিয়াকুল হৈ পৰিছিলোঁ।"

বেতসবনেৰে (ইকৰা-খাগৰিৰে) পাৰ ভৰি থকা আৰু চঞ্চল সাৰসপক্ষীয়ে ছাটি থকা পম্পাসৰোবৰখন সীতাক দেখুৱাই ৰামে ক'লে—"তললৈ নামোঁতে কষ্টপোৱা মোৰ দৃষ্টিয়ে যেন দূৰতে তাৰ পানী খাই তৃপ্ত হ'ল। মই যেতিয়া তোমাৰপৰা বহুত দূৰত, সেই সময়ত এই সৰোবৰতে চিৰমিলন ভোগ কৰা চাকৈ-চকোৱা চৰাইহালিৰ ইটিয়ে

সিটিক পদুম ফুলৰ কেশৰ দান কৰা দৃশ্য সতৃষ্ণ নয়নেৰে চাই আছিলোঁ। পাৰত থকা ক্ষীণ অশোক তৰুজুপিক স্তনসদৃশ ফুলৰ থোপাৰে সৈতে দোঁথাই থকা দেখি তুমি বুলি ভুল কৰি আলিংগন কৰিব খোজোঁতে লক্ষ্মণে বিৰত কৰিছিল।"

বিমানত আঁৰি থোৱা কিংকিণীৰ কন্ জুন শব্দ শুনি ওপৰলৈ উৰি অহা গোদাৱৰী-তীৰৰ সাৰসপক্ষীবিলাক যেন সীতাক আদৰিবলৈহে আহিছে। কাষত কলসী লৈ পানী আনি গুৰিত পানী দি য'ত সীতাই আমপুলিবোৰ ডাঙৰ-দীঘল কৰিছিল, সেই পঞ্চৱটীখন বহুকালৰ মূৰত দেখিবলৈ পাই ৰামে সীতাৰ আগত আনন্দ প্ৰকাশ কৰিছে। পঞ্চৱটীৰ পহুবোৰে যেন ডিঙি মেলি মেলি ৰাম-সীতাক চাব লাগিছে। এই ঠাইতেই মৃগয়াৰপৰা আহি গোদাৱৰীৰ পাৰৰ বেতসকুঞ্জত সীতাৰ কোলাত মূৰ থৈ ৰামে শয়ন কৰিছিল, গোদাৱৰীৰ ঢৌ লাগি শীতল হোৱা মলয়া বতাহে ৰামৰ শৰীৰ জুৰ পেলাইছিল।

ৰামে ভূতলত থকা অগস্ত্যমুনিৰ আশ্ৰমখন দেখুৱাই সীতাক ক'লে— "এই যশস্বী ঋষি অগস্ত্যই ভ্ৰূ-ভংগমাত্ৰে নহুষক ইন্দ্ৰপদৰপৰা স্খলিত কৰিছিল। এওঁ উদয় হ'লে (শাওনৰ শেষ, ভাদৰ আগভাগত) পংকিল পানী নিৰ্মল হৈ পৰে। অগস্ত্যৰ তিনিকুৰা যজ্ঞীয় অগ্নিৰ পৱিত্ৰ ধোঁৱাই এয়া মোৰ বিমান স্পৰ্শ কৰিছেহি। তাৰ পূত গন্ধ পাই মোৰ অন্তঃকৰণে ৰজোগুণমুক্ত হৈ লঘিমাগুণ লাভ কৰিছে।" বনেৰে আগুৰি থকাৰ কাৰণে মেঘৰ মাজত চন্দ্ৰবিম্বৰ নিচিনাকৈ দেখা পোৱা শতকৰ্ণী ঋষিৰ পঞ্চাপ্সৰ নামৰ ক্ৰীড়াসৰোবৰখন দেখুৱাই ৰামে সীতাক ক'লে—"পূৰ্বে এই ঋষিয়ে তপস্যাকালত পহুৰ দৰে কুশবনৰ গজালি খাইছিলে। ইন্দ্ৰই পঠোৱা পাঁচগৰাকী অপ্সৰাৰ মায়াজালত বন্দী হৈ এই মুনিয়ে বহুকাল ধৰি সঞ্চয় কৰা তপস্যাৰ ফল ত্যাগ কৰিব লগা হৈছিল। পানীৰ মাজত বাস কৰি থকা শতকৰ্ণী মুনিৰ মৃদংগ সংগত সংগীতৰ ধ্বনিয়ে সেয়া গগন লংঘিছে; পুষ্পকবিমানৰ চন্দ্ৰাগৃহসমূহ তাৰ প্ৰতিধ্বনিয়ে মুখৰিত কৰিছে।"

চাৰিকুৰা যজ্ঞীয় অগ্নিৰ মাজত সোমাই একেৰাহে সূৰ্যবিম্বলৈ চাই পঞ্চাগ্নিসাধন কৰি থকা সুতীক্ষ্ণ ঋষিক দেখুৱাই ৰামে সীতাক ক'লে—"ইন্দ্ৰই পঠাই দিয়া অপ্সৰাসকলৰ কামচেষ্টাই এই জিতেন্দ্ৰিয় ঋষিৰ প্ৰশান্ত মন বিচলিত কৰিব পৰা নাই।" ঊৰ্ধ্ববাহু এই ঋষিয়ে তেওঁৰ অক্ষমালা পিন্ধি থকা, পহুৰ গা খজুৱাই দিয়া আৰু কুশবন ছিঙা হাতখনেৰে ৰামক সন্মান প্ৰদৰ্শন কৰিছে। মৌনব্ৰতী ঋষিয়ে মূৰ দুপিয়াই ৰামৰ প্ৰণাম গ্ৰহণ কৰিছে। বিমানখন আঁতৰি যোৱাৰ পাছত তেওঁ পুনৰ সূৰ্যবিম্বত দৃষ্টি স্থাপন কৰিছে। ৰামে সীতাক শৰভংগ মুনিৰ আশ্ৰমখন দেখুৱাই ক'লে—"এই ঋষিয়ে বহুকাল ধৰি সমিধদান কৰি অগ্নিক তৃপ্ত কৰাৰ পাছত শেষত নিজৰ মন্ত্ৰপূত শৰীৰটোও অগ্নিত আহুতি দিলে। আজিও সেই ঋষিৰ আশ্ৰমতৰুগণে ছাঁ দান কৰি অতিথিসকলৰ বাটৰ ভাগৰ দূৰ কৰি আৰু ফলদান কৰি তৃপ্তি সাধন কৰি ঋষিৰ পুত্ৰৰ দৰে কৰ্তব্য পালন কৰি আছে।"

মদমত্ত বৃষভৰ নিচিনা চিত্ৰকূট পৰ্বতটো দেখুৱাই ৰামে সীতাক ক'লে—"ইয়াৰ গুহাৰূপী মুখৰপৰা নিজৰাৰ শব্দ বাহিৰ হৈছে, শৃংগৰূপী শিঙৰ আগত মেঘৰ ৰূপত বপ্ৰক্ৰীড়াৰ বোকা লাগি আছে। এই পৰ্বতৰ দাঁতিয়েদি নিৰ্মল পানীৰে থমকি থমকি বৈ যোৱা মন্দাকিনী নদীখন দূৰৰপৰা পৃথিৱীৰ ডিঙিত ওলমি থকা এধাৰি মুক্তাহাৰ যেন লাগিছে।" পৰ্বতৰ কাষতে এজোপা তমালগছ দেখা গৈছে। তাৰ সুগন্ধি কুঁহিপাত আনি বনবাস-কালত ৰামে সীতাৰ কাণত পিন্ধাই দিছিল; সেই কুঁহিপাতে সীতাৰ যৱ-ধানৰ গজালি যেন বগা গাল দুখন অধিক ৰমণীয় কৰি তুলিছিল।

অত্ৰিমুনিৰ আশ্ৰমখন দেখা পোৱাত ৰামে সীতাক ক'লে—"এই আশ্ৰমত ঋষিৰ প্ৰভাৱত ফুল নুফুলাকৈয়ে গুটি লাগে; দণ্ডৰ ভয় নাই যদিও ইয়াৰ পশু-পক্ষীবোৰ শান্ত স্বভাৱৰ। কথিত আছে যে সপ্তৰ্ষিগণে য'ৰপৰা সোণৰ পদুম ছিঙি নিয়ে, মহাদেৱৰ শিৰৰ মালা সেই গংগাক অত্ৰিপত্নী অনসূয়াই তপস্বীসকলৰ স্নানাদি কাৰ্যৰ বাবে এই আশ্ৰমৰ

কাষলৈ তপস্যাৰ প্ৰভাৱত বোৱাই আনিছিল। এই আশ্ৰমত বীৰাসনত স্থিত হৈ তপস্যা কৰি থকা ঋষিসকলৰ বেদিৰ মাজত থকা গছবোৰ বতাহ নবলাৰ কাৰণে স্থিৰ হৈ থকাত এনেহে লাগিছে যেন সেইবোৰেও যোগাভ্যাসহে কৰিছে।'

যমুনাৰ দক্ষিণতীৰত থকা অক্ষয়বটজুপি দেখুৱাই ৰামে সীতাক ক'লে —"তুমি যি বটবৃক্ষক পূৰ্বে অভীষ্ট সিদ্ধিৰ অৰ্থে প্ৰাৰ্থনা কৰিছিলা, সেই শ্যামবটজুপি এতিয়া ৰঙা গুটিৰে ভৰি পৰাত এনেহে লাগিছে যেন সেইবোৰ সেউজীয়া পাতৰ পদ্মৰাগমণি খটোৱা মৰকতমণিহে।" শুভ্ৰসলিলা গংগাৰ সোঁতত নীল বৰণীয়া যমুনা মিলিত হোৱা স্থানত নীল আৰু শুভ্ৰবৰ্ণৰ যি অপূৰ্ব সমাবেশ ঘটিছে, সেই দৃশ্যৰ বৰ্ণনা মহাকবিয়ে ৰামৰ মুখত অতি আকৰ্ষণীয় ৰূপত উপস্থাপন কৰিছে। গংগা-যমুনাৰ সংগমস্থলত উপস্থিত হৈ ৰামে পৰম উল্লাসেৰে সীতাক ক'লে—যমুনাৰ তৰংগৰাশি গংগাৰ সোঁতত মিলিত হোৱাত কোনো ঠাইত গংগাক এনেহে লাগিছে যেন নিজ প্ৰভাৰে ওচৰত থকা বস্তুক নীলাভ কৰি তোলা ইন্দ্ৰনীলমণিৰে সৈতে গাঁঠা এধাৰি মুক্তাহাৰহে। কোনো ঠাইত আকৌ মাজে মাজে নীলপদ্ম গাঁঠি দিয়া বগা পদুমৰ মালা যেন লাগিছে। কোনো ঠাইত নীল বৰণীয়া হাঁহবোৰৰ সৈতে মানস সৰোবৰলৈ জাক পাতি উৰা মৰা ৰাজহংসশ্ৰেণী যেন লাগিছে। অন্য এঠাইত ক'লা অগুৰু চন্দনেৰে পাতবোৰ আঁকি বগা চন্দনেৰে লতা আঁকি পৃথিৱীৰ কপালত দিয়া তিলক যেন লাগিছে। কোনো ঠাইত ছাঁ পৰাত অন্ধকাৰে চিত্ৰিত কৰা চন্দ্ৰৰ কিৰণ যেন দেখা গৈছে; কোনো ঠাইত হয়তো মাজে মাজে নীল আকাশ উজলি উঠা শাৰদীয় শুকুলা মেঘমালা যেন লাগিছে; কোনো ঠাইত আকৌ কৃষ্ণসৰ্পবিভূষিত ভস্মমণ্ডিত মহাদেৱৰ শৰীৰৰ দৰে শোভা পাইছে। এই দুই নদীৰ পৱিত্ৰ সংগমস্থলত যিসকলে স্নান কৰিছে, তত্ত্বজ্ঞানৰহিত হৈও তেওঁলোকে মুক্তিলাভ কৰিছে।

নিষাদৰাজ গুহৰ ৰাজধানীত উপস্থিত হৈ ৰামে সীতাক ক'লে—"ইয়াতেই আমি চূড়ামণি সোলোকাই জটাবন্ধন কৰিছিলোঁ। সেই কৰুণ দৃশ্য দেখি

সুমন্ত্ৰই ‘কৈকেয়ী, তোমাৰ বাঞ্ছা পূৰণ হ’ল’ বুলি ৰোদন কৰিছিল।” ৰামৰ মাতৃস্বৰূপিণী সৰযূনদীখন দেখি তেওঁ উৎফুল্লচিত্তে সীতাক ক’বলৈ ধৰিলে— মহত্তত্ত্বৰপৰা অব্যক্ত উদ্ভৱ হোৱাৰ দৰে ব্ৰাহ্মসৰোবৰৰপৰা উদ্ভৱ হোৱা এই নদী অযোধ্যাৰ কাষেদি বৈ আছে। এই নদীতেই ইক্ষ্বাকুবংশীয় ৰজাসকলে অশ্বমেধ যজ্ঞৰ অন্তত অৱভৃথ স্নান কৰে। এই নদীৰ পাৰে পাৰে যজ্ঞৰ যূপকাষ্ঠসমূহ পোতা আছে। পূতসলিলা এই নদী অযোধ্যাৰ ৰজাসকলৰ ধাত্ৰীস্বৰূপা। ইয়াৰ বালিময় তীৰভূমিৰূপী কোলাতেই সেইসকল ডাঙৰ-দীঘল হৈছে আৰু এই নদীৰ জলৰূপী স্তনদুগ্ধ পান কৰি তেওঁলোক লালিত-পালিত হৈছে।” সেই ধাত্ৰীয়ে যেন ৰামক সম্ভাষণ জনাইছে। পূজনীয় ৰজা দশৰথৰ বিয়োগদুঃখিতা এই সৰযূনদীয়ে প্ৰবাসৰপৰা অহা ৰামক নিজ মাতৃৰ দৰে শীতল বতাহ লাগি উঠা তৰংগৰূপী হস্তেৰে যেন আলিংগনহে কৰিছে।

ৰামে সমুখত সন্ধ্যাৰাগৰ দৰে তামবৰণীয়া ধূলি উৰা দেখি ভাবিলে, ইতিমধ্যে হনুমানে গৈ সংবাদ দিয়াত ভৰত সসৈন্যে ৰামক আগবঢ়াই নিবলৈ আহিছে। সেই ভৰতে ৰামক ৰাজলক্ষ্মী সমৰ্পণ কৰিব। বল্কলধাৰী ভৰতে সৈন্যবাহিনী বাটতে এৰি থৈ আহি কুলগুৰু বশিষ্ঠক আগত লৈ অমাত্যসকলৰ সৈতে হাতত অৰ্ঘ্য লৈ খোজ কাঢ়ি ৰামৰ ওচৰলৈ আগবাঢ়িছে। সাধুস্বভাৱৰ ভৰতে পিতৃপ্ৰদত্ত ৰাজলক্ষ্মী কোলাতে পায়ো ৰামৰ প্ৰতি শ্ৰদ্ধাবশতঃ উপভোগ নকৰি সুদীৰ্ঘ কাল সেই ৰমণীৰ লগত যেন অসিধাৰা ব্ৰতহে[২] পালন কৰি থাকিল। ৰামৰ যাত্ৰা-বিৱৰণী ইমানতে শেষ হ’ল; আকাশী-যাত্ৰাৰো সামৰণি পৰিল।

ৰামৰ ইচ্ছা অনুসৰি পুষ্পক বিমান তললৈ নামি অহা দেখি ভৰতৰ লগত অহা প্ৰজাবৃন্দই বিস্ময়েৰে চাবলৈ ধৰিলে। বিভীষণে বাট দেখুৱাই

২. ভোগেচ্ছা দমন কৰি যুৱকে যদি মুগ্ধভৰ্তাৰ দৰে যুৱতীৰ সৈতে একেলগে বাস কৰে, তাকে অসিধাৰা ব্ৰত বোলে। তীক্ষ্ণধাৰ তৰোৱালৰ ওপৰেদি খোজ দিয়াৰ দৰে এই ব্ৰত।

দিলে; সুগ্ৰীৱৰ হাতত ধৰি ফটিকৰ সোপানেৰে ৰাম বিমানৰপৰা নামি আহিল। কুলগুৰু বশিষ্ঠক প্ৰণাম জনাই ৰামে ভৰতৰ পাদাৰ্ঘ্য গ্ৰহণ কৰিলে। আনন্দৰ লোতকেৰে দুগাল তিয়াই তেওঁ ভৰতক আলিংগন কৰিলে। তাৰ পাছত তেওঁৰ প্ৰতি ভক্তিবশতঃ পিতৃপ্ৰদত্ত ৰাজ-অভিষেক প্ৰত্যাখ্যান কৰা ভৰতৰ শিৰত তেওঁ ঘ্ৰাণ কৰিলে। ৰামে দাড়ী-গোফেৰে মুখ ভোৰোকাৰ হৈ থকা বৃদ্ধ মন্ত্ৰীবৰ্গৰ প্ৰণাম গ্ৰহণ কৰি মধুৰ বাক্যেৰে তেওঁলোকক কুশল প্ৰশ্ন কৰিলে। তাৰ পাছত তেওঁৰ বিপদৰ বন্ধু ঋক্ষ-বানৰৰ অধিপতি সুগ্ৰীৱক আৰু লংকাযুদ্ধৰ অগ্ৰগণ্য যোদ্ধা বিভীষণক পৰিচয় কৰাই দিলে। তেতিয়া ভৰতে লক্ষ্মণতকৈযো আগতে তেওঁলোকক আলিংগন কৰিলে; তাৰ পাছতহে প্ৰণাম কৰি থকা লক্ষ্মণক তুলি ধৰি আঁকোৱালি ল'লে।

ৰামৰ আদেশমতে বানৰ সেনাপতিসকলে মনুষ্য শৰীৰ ধাৰণ কৰি হাতীত উঠিল। শতধাৰাৰে মদজল প্ৰৱাহিত কৰা সেই হাতীবিলাকত উঠি বানৰসকলে পৰ্বতৰ শৃংগত আৰোহণ কৰাৰ নিচিনা আনন্দ অনুভৱ কৰিলে। ৰামৰ আদেশমতে বিভীষণো অনুচৰবৰ্গৰে সৈতে ৰথত উঠিল। সেই ৰথবোৰ বিভীষণৰ মায়াকল্পিত ৰথৰ লগতো অতুলনীয় আছিল। ভৰত আৰু লক্ষ্মণক লৈ ৰাম পুষ্পক বিমানত উঠিল। সীতাৰ যি পদযুগল লংকাপতি ৰাৱণৰ প্ৰণাম উপেক্ষা কৰাত দৃঢ়সংকল্প আছিল, জ্যেষ্ঠক অনুসৰণ কৰি জটা বন্ধা সাধু চৰিত্ৰৰ ভৰতৰ মস্তক সেই পদযুগলত মিলিত হৈ পৰস্পৰে পৰস্পৰক পৱিত্ৰ কৰি তুলিলে।

আগে আগে প্ৰজাবৃন্দ, পিছে পিছে ধীৰ গতিত ৰামৰ পুষ্পকৰথ, এইদৰে অৰ্ধক্ৰোশ গৈ ৰাজধানী অযোধ্যাৰ আহল-বহল উদ্যানত শত্ৰুঘ্নই সজাই থোৱা পটমণ্ডপত ৰাম উপস্থিত হ'লগৈ। সুদূৰ লংকানগৰীৰপৰা কালজয়ী কৃতিত্বৰ গৌৰৱ বহন কৰি, ঘূৰি অহা ৰাম অযোধ্যাত উপস্থিত হোৱাৰ বৰ্ণনাৰে 'ৰঘুবংশ'ৰ ত্ৰয়োদশ সৰ্গৰ সামৰণি পৰিছে। □